PG PS/SO S1-04 (DSE)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা
ৰাজনীতি বিজ্ঞান



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক ধ্রুৱ প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত), কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° জাহ্নৱী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২	ড° দাদুল দেউৰী, পূব কামৰূপ মহাবিদ্যালয়	কুশল শর্মা, গুৱাহাটী (অধ্যায় ১)
৩	ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ভার্গৱ বর্মন, ৰঙাপাৰা মহাবিদ্যালয়,
৪	ড° মানসী শর্মা (অৱসৰপ্রাপ্ত), আর্যবিদ্যাপীঠ মহাবিদ্যালয়	শোণিতপুৰ (অধ্যায় ২)
৫, ৬	ড° নৱনীতা মেধী, জে. বি. আইন মহাবিদ্যালয়, গুৱাহাটী	মৃণাল শর্মা, লামডিং মহাবিদ্যালয় (অধ্যায় ৩)
৭	অংকিতা চেতিয়া, গৱেষক ছাত্রী, NEHU	পল্লব বৰুৱা, সর্বোদয় মহাবিদ্যালয়, যোৰহাট
	অধ্যাপক অখিলৰঞ্জন দত্ত, গুৱাহাটী বিশ্ববিদ্যালয় আৰু	(অধ্যায় ৪, ৬, ৭, ১০)
	ড° চন্দন ঠাকুৰীয়া, হৰি গায়ত্রী দাস মহাবিদ্যালয়, গুৱাহাটী	ড° কৃষাংগী শইকীয়া, গুৱাহাটী (অধ্যায় ৫)
৮, ৯, ১১	ড° জিলি সৰকাৰ, কটন বিশ্ববিদ্যালয়, গুৱাহাটী	ড° প্রভাত ভূঞা, অসম বিশ্ববিদ্যালয় ডিফু
১০	অংকিতা চেতিয়া, গৱেষক ছাত্রী, NEHU	কেম্পাছ (অধ্যায় ৮, ৯, ১২, ১৩)
১২	অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়	অংকুৰ জ্যোতি বর্মন, KKHSOU
১৩	ড° ডেইজী ৰাণী তালুকদাৰ, আইকণ একাডেমী, গুৱাহাটী	(অধ্যায় ১১)
১৪	ড° নিলমী কোঁৱৰ, ৰয়েল গ্লৱেল বিশ্ববিদ্যালয়, গুৱাহাটী	ত্রিবেণী শর্মা, গুৱাহাটী (অধ্যায় ১৪)

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক ধ্রুৱপ্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ কুশল শর্মা, গুৱাহাটী
গাঁথনিক সম্পাদনা ঃ ড° জাহ্নৱী দেৱী, KKHSOU

জানুৱাৰী, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতীয় সংবিধানৰ দৰ্শন ৭-১৪

ভাৰতীয় সংবিধানৰ দৰ্শন।

অধ্যায় ২ ঃ ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য ১৫-২৩

ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য; সংবিধানৰ মৌলিক গাঁথনিৰ ধাৰণা ঃ ন্যায়িক ব্যাখ্যা।

অধ্যায় ৩ ঃ সংসদীয় গণতন্ত্ৰ-গাঁথনি আৰু শেহতীয়া প্ৰৱণতা ২৪-৩৭

ভাৰতীয় সংসদৰ গাঁথনি; ভাৰতীয় সংসদৰ আইন প্ৰণয়ন পদ্ধতি; সংসদৰ অৱনতি; ভাৰতত সংসদীয় গণতন্ত্ৰৰ কাৰ্যকলাপ-প্ৰত্যাহ্বান আৰু সম্ভাৱনা।

অধ্যায় ৪ ঃ ভাৰতৰ ৰাজনীতিত ধৰ্মনিৰপেক্ষ পৰম্পৰা-আলোচ্য বিষয় আৰু প্ৰত্যাহ্বান ৩৮-৫২

ধৰ্মনিৰপেক্ষতাবাদৰ অৰ্থ; ভাৰতত ধৰ্মনিৰপেক্ষতাবাদ ঃ ভাৰতীয় ধৰ্মনিৰপেক্ষতাবাদৰ মতবাদ/নীতিসমূহ, ভাৰতীয় ধৰ্মনিৰপেক্ষতাবাদৰ স্বকীয় বৈশিষ্ট্য, ভাৰতীয় সংবিধানৰ ধৰ্মনিৰপেক্ষ বৈশিষ্ট্য; ধৰ্মনিৰপেক্ষতাবাদৰ ওপৰত গান্ধী আৰু নেহেৰুৰ দৃষ্টিভংগী; ভাৰতত ধৰ্মনিৰপেক্ষতাবাদৰ প্ৰত্যাহ্বান; সমসাময়িক ভাৰতত ধৰ্মনিৰপেক্ষতাবাদ।

অধ্যায় ৫ ঃ ভাৰতৰ ন্যায় ব্যৱস্থা ৫৩-৬৫

উচ্চতম ন্যায়ালয়; উচ্চ ন্যায়ালয় ঃ নিম্ন আদালত; ন্যায়িক সমীক্ষা; ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ; ন্যায়পালিকাৰ সক্ৰিয়তা।

অধ্যায় ৬ ঃ যুক্তৰাষ্ট্ৰীয় গাঁথনি আৰু ইয়াৰ গতিশীলতা - কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কীয় বিষয়সমূহ ৬৬-৭৮

ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি ঃ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য, অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ; কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিভাজন; কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক; ভাৰতীয় যুক্তৰাষ্ট্ৰৰ এক অনুমান।

অধ্যায় ৭ ঃ বিকেন্দ্ৰীকৰণৰ ৰাজনীতি ৭৯-৯৩

পঞ্চায়তীৰাজ প্ৰতিষ্ঠান; ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিৱৰ্তন; অসমত স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ;৭৩ আৰু ৭৪ সংখ্যক সংশোধনী আইন; পঞ্চায়তৰাজৰ কাম-কাজৰ সমস্যা।

অধ্যায় ৮ ঃ আঞ্চলিক আকাংক্ষা-অসমত অস্তিত্বৰ ৰাজনীতি (ভাষা আন্দোলন আৰু অসম আন্দোলন) ৯৪-১০৬

আঞ্চলিক আকাংক্ষা আৰু অসমত অসমীয়াৰ অস্তিত্বৰ ৰাজনীতি ঃ সমস্যাৰ উৎস/উৎপত্তি; ভাষা আন্দোলন; অসম আন্দোলন; সমালোচনাত্মক মূল্যায়ন।

অধ্যায় ৯ ঃ আঞ্চলিক আকাংক্ষা দ্ৰাবিড় আন্দোলন ১০৭-১১৯

আঞ্চলিকাবাদ আৰু আঞ্চলিক আকাংক্ষা; দ্ৰাবিড় আন্দোলনৰ উৎপত্তি ঃ স্বাধীনতাপূৰ্ব কাল; ভাৰতৰ স্বাধীনতা কালৰ দ্ৰাবিড় আন্দোলন; দ্ৰাবিড় আন্দোলনৰ সমালোচনাত্ম বিশ্লেষণ।

অধ্যায় ১০ ঃ উত্তৰ-পূৰ ভাৰতত বিদ্ৰোহ-আলফা, এ.ডি.এফ.বি., এন.এচ.চি.এন ১২০-১৩৩

উত্তৰ পূৰ ভাৰতৰ সংঘাতৰ আভাস; বিদ্ৰোহ অৰ্থ আৰু কাৰণ ঃ বিদ্ৰোহৰ অৰ্থ, উত্তৰ-পূৰ ভাৰতত বিদ্ৰোহৰ উত্থানৰ বাবে দায়ী সাধাৰণ কাৰণসমূহ, উত্তৰ-পূৰ ভাৰতৰ বিদ্ৰোহী গোট; উত্তৰ-পূৰ ভাৰতৰ

বিদ্রোহী গোট ঃ ULFA, NDFB, NSCN ঃ সংযুক্ত মুক্তি বাহিনী অসম, বড়োলেণ্ড ৰাষ্ট্রীয় গণতান্ত্রিক বাহিনী, নাগালেণ্ড ৰাষ্ট্রীয় সমাজবাদী পৰিষদ; উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহী সমস্যা সমাধানৰ যুক্তিযুক্ত সমাধান।

অধ্যায় ১১ ঃ ভাৰতত দলীয় ব্যৱস্থা **১৩৪-১৪৬**

ভাৰতত দলীয় ব্যৱস্থা ঃ এটা দলৰ আধিপত্যৰ যুগ; কংগ্রেছ আধিপত্যৰ অৱসান; আঞ্চলিকতাবাদৰ প্রক্রিয়া; মর্চা ৰাজনীতি; সাম্প্রতিক ধাৰা।

অধ্যায় ১২ ঃ ভাৰতৰ নির্বাচন সম্বন্ধীয় ৰাজনীতি আৰু ভোটদানৰ আচৰণ **১৪৭-১৫৯**

গণতন্ত্রত নির্বাচনৰ ভূমিকা; ভাৰতত নির্বাচনৰ লগত জড়িত সংস্থাসমূহ, ইয়াৰ গাঁথনি আৰু পদ্ধতি; ভাৰতৰ নির্বাচনী পদ্ধতি আৰু প্রক্রিয়া; ভাৰতৰ ভোটদানৰ আর্হি; ভাৰতৰ নির্বাচনী আচৰণৰ নির্ধাৰক; ভাৰতৰ নির্বাচন পদ্ধতিৰ আসোঁৱাহসমূহ; ভাৰতৰ নির্বাচনী সংস্কাৰসমূহ ঃ নির্বাচন পদ্ধতিৰ পৰিৱর্তন, নির্বাচন আয়োগৰ পুনগঠন, টকা-পইচা আৰু বাহুবলৰ বেয়া প্রভাৱ নির্মূলকৰণ।

অধ্যায় ১৩ ঃ ৰাজনৈতিক অর্থনীতি - নেহৰুৰীয়ান আর্হি আৰু মিশ্র অর্থনীতি; শেহতীয়া ধাৰা **১৬০-১৭৭**

স্বাধীনতা-পূর্ব ভাৰতৰ ৰাজনৈতিক অর্থনীতি; নেহৰু যুগৰ ৰাজনৈতিক অর্থনীতি; নেহৰু যুগৰ পৰৱর্ত্তী ৰাজনৈতিক অর্থনীতি; উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ আৰম্ভণি; উদাৰীকৰণ ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ পৰৱর্তী কাল।

অধ্যায় ১৪ ঃ ভাৰতত প্রভাৱগোষ্ঠীৰ ৰাজনীতি **১৭৮-১৮৯**

প্রভাৱগোষ্ঠী; প্রভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত পদ্ধতি; ভাৰতবর্ষত প্রভাৱগোষ্ঠী ঃ ভাৰতত প্রভাৱগোষ্ঠীৰ বিশেষত্ব, ভাৰতত মুখ্য প্রভাৱগোষ্ঠী, ভাৰতীয় প্রভাৱগোষ্ঠীত জনসংযোগ বা মিডিয়াৰ প্রভাৱ, ভাৰতত প্রভাৱগোষ্ঠীৰ ভূমিকা।

প্রসংগ পুঠি **১৯১**

পাঠ্যবিষয় পৰিচয়

এই পাঠ্যবিষয়টো কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিকৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা'। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাবোৰৰ তাত্ত্বিক তথা ব্যৱহাৰিক দিশবোৰৰ বিষয়ে শিক্ষাৰ্থীক ভালদৰে বুজাত সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টোৰ আৰ্হি যুগুত কৰা হৈছে। ৰাজনীতি বিজ্ঞান বিষয়ৰ শিক্ষাৰ্থীসকল নিজ দেশৰ ৰাজনৈতিক ব্যৱস্থাবোৰৰ বিষয়ে গভীৰ আৰু স্পষ্ট জ্ঞানৰ অধিকাৰী হোৱাতো বাঞ্ছনীয়। ই মানুহৰ মাজত প্ৰকৃত ৰাজনৈতিক সজাগতা বৃদ্ধি কৰে আৰু নিজ দেশৰ বিভিন্ন ৰাজনৈতিক প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰত অংশগ্ৰহণ কৰিবলৈ মানুহক উৎসাহিত কৰে।

ভাৰতীয় সংবিধানৰ আদৰ্শৰ বিস্তৃত আলোচনাৰে এই পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ কাৰ্যকলাপসমূহ এখন লিখিত সংবিধানৰ নীতি-নিয়ম মানি সম্পাদন কৰা হয়। সংবিধান হৈছে ভাৰতৰ প্ৰাথমিক আৰু মৌলিক আইন। ভাৰতীয় সংবিধানে দেশৰ বাবে জনপ্ৰিয় সাৰ্বভৌমত্ব আৰু গণতন্ত্ৰৰ নীতি গ্ৰহণ তথা প্ৰচলন কৰিছে। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোত ভাৰতীয় ৰাজনৈতিক বাৱস্থাৰ ভেটি স্থাপন কৰা ভাৰতীয় সংবিধানৰ আদৰ্শৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। সংবিধানৰ কিছুমান বিশেষ অংশক সমগ্ৰ সংবিধানখনৰ মৌলিক সংৰচনা বুলি গণ্য কৰা হয়। এই মৌলিক অংশবোৰ সংশোধন কৰিব নোৱাৰি। বিভিন্ন সময়ত বিভিন্ন ন্যায়িক ৰায়দানৰ জৰিয়তে সংবিধানৰ এই মৌলিক সংৰচনাৰ অংশবোৰক লৈ নানা যুক্তি-তৰ্ক আৰু আলোচনা চলি আহিছে। পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত সংবিধানৰ মৌলিক বৈশিষ্ট্য আৰু সংৰচনাৰ বিষয়ক আলোচনাই স্থান পাইছে।

স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতে চৰকাৰ গঠন কৰিবলৈ সংসদীয় গণতন্ত্ৰৰ ব্যৱস্থাটো গ্ৰহণ কৰিছে। তৃতীয় অধ্যায়টো পঢ়ি শিক্ষাৰ্থীসকলে ভাৰতত সংসদীয় গণতন্ত্ৰৰ কাম-কাজবোৰ আগবঢ়াই নিয়াত সহায় কৰা মৌলিক দিশবোৰৰ সৈতে পৰিচিত হ'ব পাৰিব। এই অধ্যায়টোত ভাৰতীয় সংসদীয় গণতন্ত্ৰই মুখামুখি হোৱা বিভিন্ন প্ৰত্যাহ্বান আৰু দেশত এই ব্যৱস্থাৰ ভৱিষ্যৎ সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে।

ভাৰতীয় সংবিধানে পৃষ্ঠপোষকতা কৰা আন এটা গুৰুত্বপূৰ্ণ দৰ্শন হ'ল ধৰ্মনিৰপেক্ষতাৰ ধাৰণা। সংবিধানে ভাৰতক এখন ধৰ্মনিৰপেক্ষ দেশৰূপে প্ৰতিষ্ঠা কৰিছে। কিন্তু শেহতীয়াকৈ বিভিন্ন কাৰকে ভাৰতৰ এই বৈশিষ্ট্যৰ প্ৰতি বিভিন্ন প্ৰকাৰৰ ভাবুকিৰ সৃষ্টি কৰিছে। পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়টোত ভাৰতীয় ৰাজনীতিৰ ধৰ্মনিৰপেক্ষ পৰম্পৰা অক্ষুণ্ণ ৰখাত সৃষ্টি হোৱা সমস্যা আৰু প্ৰত্যাহ্বানবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

গণতান্ত্ৰিক ৰাজনৈতিক প্ৰণালীৰ বাবে তাৎপৰ্যপূৰ্ণ পূৰ্বচৰ্ত এটা হ'ল প্ৰণালীটোত এটা স্বতন্ত্ৰ ন্যায়িক ব্যৱস্থাৰ উপস্থিতি। এই ন্যায়িক ব্যৱস্থাটোৱে সংবিধানৰ অভিভাৱক আৰু দেশৰ নাগৰিকৰ অধিকাৰ ৰক্ষাকাৰীৰ ভূমিকা পালন কৰে। ভাৰতীয় সংবিধানেও দেশত এক স্বতন্ত্ৰ আৰু সংহত ন্যায়িক ব্যৱস্থা সক্ৰিয় কৰিছে। এই ন্যায়িক সংৰচনাটোৰ শীৰ্ষত আছে উচ্চতম ন্যায়ালয়। ইয়াৰ পাছতেই আছে বিভিন্ন উচ্চ ন্যায়ালয় আৰু নিম্ন আদালতবোৰ। পাঠ্যবিষয়ৰ পঞ্চম অধ্যায়টোত ভাৰতীয় ন্যায়িক ব্যৱস্থাটোৰ কথা বহলাই আলোচনা কৰা হৈছে। ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ গাঁথনি, ন্যায়িক পুনৰীক্ষণ, ন্যায়িক সক্ৰিয়তাবাদ আৰু ৰাজহুৱা স্বাৰ্থজড়িত মোকৰ্দমা আদি হ'ল অধ্যায়টোত আলোচনা কৰা কেইটামান গুৰুত্বপূৰ্ণ বিষয়।

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ গাঁথনিটো যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিৰ। কিন্তু এই গাঁথনিটোত ভাৰতীয় বৈশিষ্ট্য বিদ্যমান। পাঠ্যবিষয়ৰ ষষ্ঠ অধ্যায়টোত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতা বিভাজনৰ নীতি-নিয়মবোৰৰ বিশেষ উল্লেখসহ ভাৰতীয় যুক্তৰাষ্ট্ৰীয়বাদৰ প্ৰকৃতি সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে।

ভাৰতীয় সংবিধানে পঞ্চায়তীৰাজ অনুষ্ঠান আৰু পৌৰ প্ৰশাসনবোৰৰ জৰিয়তে ক্ষমতা তথা চৰকাৰৰ বিকেন্দ্ৰীকৰণত বিশেষ জোৰ দিছে। এই মৰ্মে ভাৰতীয় সংসদে সংবিধানৰ ৭৩ তথা ৭৪ সংখ্যক সংশোধনী আইন গৃহীত কৰিছে আৰু এনে অনুষ্ঠানবোৰক স্থানীয় স্ব-শাসিত চৰকাৰৰ মৰ্যাদা প্ৰদান কৰিছে। পাঠ্যবিষয়টোৰ সপ্তম অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল সংবিধানৰ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনীৰ বিশেষ উল্লেখেৰে ভাৰতৰ বিকেন্দ্ৰীকৰণৰ ৰাজনীতি।

ভাৰতীয় ৰাজনীতিত সৰ্বাধিক বিতৰ্ক চলা বিষয়বোৰৰ এটা হ'ল আঞ্চলিকতাবাদৰ সমস্যা। ভাৰতৰ বিভিন্ন ৰাজ্যত বিভিন্ন ধৰণৰ আঞ্চলিক স্বায়ত্ব শাসনৰ ইচ্ছাক প্ৰতিফলিত কৰা বিভিন্ন ধৰণৰ আন্দোলন চলি আছে। পাঠ্যবিষয়ৰ অষ্টম আৰু নৱম অধ্যায়ৰ

আলোচনাৰ বিষয় হ'ল ক্ৰমে ভাষা আন্দোলন, অসম আন্দোলন আৰু দ্ৰাবিড়িয়ান আন্দোলন। এই আটাইকেইটা আন্দোলনে আঞ্চলিক বাসিন্দাসকলৰ প্ৰত্যাশা প্ৰতিফলিত কৰে। এই প্ৰত্যাশা হ'ল নিজৰ বৈশিষ্ট্যপূৰ্ণ ভাষিক তথা সাংস্কৃতিক পৰিচয়ৰ ৰক্ষণাবেক্ষণ।

ভাৰতত উগ্ৰবাদৰ সমস্যা হ'ল এটা গুৰুতৰ বিষয়। বিশেষকৈ উত্তৰ-পূৱ ভাৰতৰ বাবে ই এক জ্বলন্ত সমস্যা। ই বিভিন্ন সময়ত দেশৰ সু�ৰক্ষা, ঐক্য তথা সংহতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰি আহিছে। পাঠ্যবিষয়টোৰ দশম অধ্যায়ত ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটোত উদ্ভৱ হোৱা উগ্ৰবাদী সমস্যাৰ বিষয়ে আলোচনা কৰা হৈছে। আলোচনাত বিশেষভাৱে এনএছচিএন, আলফা আৰু এনডিএফবি-ৰ দৰে উগ্ৰবাদী সংগঠনে চলোৱা বিভিন্ন আন্দোলনৰ উল্লেখ কৰা হৈছে।

পাঠ্যবিষয়টোৰ একাদশ অধ্যায়ৰ আলোচনাৰ কেন্দ্ৰীয় বিষয় হ'ল শেহতীয়া ধাৰাবোৰৰ বিশেষ উল্লেখেৰে ভাৰতীয় দলীয় ব্যৱস্থা। গণতন্ত্ৰত নিৰ্বাচন প্ৰক্ৰিয়াৰ মাধ্যমেৰে এটা ৰাজনৈতিক ব্যৱস্থাই নিজৰ অস্তিত্বক বৈধতা প্ৰদান কৰাৰ প্ৰয়াস চলায়। এই প্ৰয়াসৰ অংশ হিচাপে দলবোৰে সাধাৰণ নাগৰিককো নিৰ্বাচন প্ৰক্ৰিয়াটোত জড়িত কৰোৱায়। ভাৰতীয় সংসদীয় গণতন্ত্ৰত নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয়। এক বহুদলীয় ব্যৱস্থাক কেন্দ্ৰ কৰি এই নিৰ্বাচনবোৰ পতা হয়। ভাৰতত সংসদ, ৰাজ্যিক বিধান সভা, কেন্দ্ৰীয় শাসিত প্ৰদেশ, স্থানীয় প্ৰশাসন তথা অনুষ্ঠান, ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি বাছনি আদিৰ বাবে নিয়মীয়া নিৰ্বাচন পতাৰ একোটা বিশেষ নিয়ম আছে। ভাৰতীয় নিৰ্বাচনী ব্যৱস্থা আৰু ভোটিং আচৰণৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ আলোচনা হ'ল দ্বাদশ অধ্যায়ৰ বিষয়বস্তু।

ৰাজনীতি বিজ্ঞান অধ্যয়নৰ সৈতে জড়িত আন এটা অপৰিহাৰ্য ধাৰণা হ'ল ৰাজনৈতিক অৰ্থনীতি বিজ্ঞানৰ ধাৰণাটো। এখন সমাজৰ ভিতৰত চলা ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰক্ৰিয়াবোৰৰ মাজত সম্পন্ন হোৱা আন্তঃক্ৰিয়াবোৰৰ অধ্যয়নেই ৰাজনৈতিক অৰ্থনীতি বিজ্ঞানৰ বিষয়বস্তু। পাঠ্যবিষয়টোৰ ত্ৰয়োদশ অধ্যায়টোত ভাৰতীয় প্ৰেক্ষাপটত ৰাজনৈতিক অৰ্থনীতি বিজ্ঞানৰ ধাৰণাটো বহলাই ব্যাখ্যা কৰা হৈছে।

যিকোনো গণতান্ত্ৰিক সমাজতে বিভিন্ন ধৰণৰ চাপ প্ৰদানকাৰী গোটৰ অস্তিত্ব থাকে। এই গোটবোৰে গণতন্ত্ৰৰ এক বিশেষ বৈশিষ্ট্যৰ ৰূপ ধাৰণ কৰিছে। গণতন্ত্ৰত এই প্ৰভাৱ গোষ্ঠীবোৰে নাগৰিক আৰু চৰকাৰৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। প্ৰভাৱ গোষ্ঠীবোৰ আচলতে একো একোটা নিজ স্বাৰ্থজড়িত গোট। বিভিন্ন ৰাজহুৱা নীতি প্ৰস্তুত তথা প্ৰণয়নৰ সময়ত এই গোটবোৰে নিজ নিজ স্বাৰ্থ ৰক্ষাৰ বাবে সংশ্লিষ্ট পক্ষক বিভিন্ন ধৰণে হেচা দিয়ে। নিজ স্বাৰ্থ ৰক্ষা কৰাৰ খাতিৰতে এই গোটবোৰে সাধাৰণ নাগৰিকৰ মাজত বিভিন্ন বিষয়ত সজাগতাৰ সৃষ্টি কৰে। ইয়াৰ ফলত গণতন্ত্ৰ অধিক অংশগ্ৰহণকেন্দ্ৰিক হৈ পৰে। পাঠ্যবিষয়টোৰ অন্তিম অধায়ত ভাৰতৰ প্ৰভাৱ গোষ্ঠীবোৰৰ বৈশিষ্ট্য প্ৰকাশক বিভিন্ন দিশত আলোকপাত কৰা হৈছে।

এই পাঠ্যবিষয়টো অধ্যয়ন কৰোঁতে আপুনি প্ৰত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চৰ্চা কৰক' শীৰ্ষক বাকচত নিৰ্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে সেই সম্পৰ্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্ৰগতিৰ ক্ষতিয়ান' শীৰ্ষক শাখাটোত 'অগ্ৰগতি নিৰীক্ষণ'ৰ প্ৰশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষাৰ্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্ৰসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ভাৰতীয় সংবিধানৰ দৰ্শন

অধ্যায় গাঁথনি

১.১ শিক্ষণৰ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ভাৰতীয় সংবিধানৰ দৰ্শন
১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৫ অধিক জানিবলৈ
১.৬ অগ্ৰগতিৰ খতিয়ান
১.৭ আৰ্হি প্ৰশ্ন

১.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় সংবিধানৰ দৰ্শনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বাস্তৱ অৰ্থত সংবিধানৰ দৰ্শনে ভাৰতক গণতান্ত্ৰিক দেশ হিচাপে গঢ়ি তোলাত কেনেদৰে সহায় কৰিছে বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

প্ৰতিখন সংবিধানৰ নিজস্ব দৰ্শন আছে। একেদৰে ভাৰতৰ সংবিধানৰ দাৰ্শনিক ভিত্তি আছে যাৰ ওপৰত ভিত্তি কৰি সংবিধানৰ বিধানসমূহ অধিক বিকশিত কৰা হয়। ভাৰতৰ সংবিধানৰ দৰ্শন বুজিবলৈ হ'লে আমি ১৯৪৭ চনৰ ২২ জানুৱাৰীত সংবিধান সভাৰ দ্বাৰা গ্ৰহণ কৰা পণ্ডিত নেহৰুৰ ঐতিহাসিক লক্ষ্য উদ্দেশ্যমুলক প্ৰস্তাৱটোলৈ উভতি চাব লাগিব, যিয়ে সংবিধানখনৰ পৰৱৰ্তী সকলো পৰ্যায়ৰ মাজেৰে সংবিধান গঠনৰ বাবে প্ৰেৰণা যোগাইছিল। প্ৰস্তাৱটোত সন্নিৱিষ্ট আদৰ্শসমূহ সংবিধানৰ প্ৰস্তাৱনাত নিষ্ঠাৰে প্ৰতিফলিত হৈছে যিয়ে সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ সাৰাংশ দাঙি ধৰে।

১.৩ ভাৰতীয় সংবিধানৰ দৰ্শন

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সংবিধানৰ তলত দিয়া নীতি আৰু আদৰ্শৰ ৰূপৰেখা দাঙি ধৰা হৈছে যিয়ে সংবিধানৰ দাৰ্শনিক ভিত্তি নিৰ্ধাৰণ কৰে।

কতৃত্বৰ- উৎসঃ জনপ্ৰিয় সাৰ্বভৌমত্ব ঃ ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা আৰম্ভণিৰ 'আমি ভাৰতৰ জনসাধাৰণ' আৰু 'এই সংবিধান গ্ৰহণ, প্ৰণয়ন আৰু নিজকে অৰ্পন কৰিলো' শব্দৰে শেষ হয়। এইদৰে ই ভাৰতৰ জনসাধাৰণৰ চূড়ান্ত সাৰ্বভৌমত্বৰ কথা কয়। ভাৰতৰ সকলো

কৰ্তৃত্বৰ উৎস ভাৰতৰ জনসাধাৰণ। দেশৰ সকলো ক্ষমতা আৰু কৰ্তৃত্ব জনসাধাৰণৰ পৰা লাভ কৰে।

সাৰ্বভৌম ৰাষ্ট্ৰ ঃ সংবিধানৰ প্ৰস্তাৱনাত ভাৰতক সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে উল্লেখ কৰা হৈছে। ইয়াৰ অৰ্থ হ'ল ৰাষ্ট্ৰই স্বাধীন কৰ্তৃত্ব ভোগ কৰে আৰু যিকোনো বিষয়ত আইন প্ৰণয়নৰ ক্ষমতা আছে। ৰাষ্ট্ৰৰ ক্ষমতা আন কোনো ৰাষ্ট্ৰ বা বাহ্যিক ক্ষমতাৰ নিয়ন্ত্ৰণৰ অধীন নহয়। ভাৰত নিজৰ কাম-কাজ (আভ্যন্তৰীণ আৰু বাহ্যিক উভয়) পৰিচালনা কৰিবলৈ স্বাধীন।



জানি থোৱা ভাল

ব্ৰিটিছ কমনৱেলথ অৱ নেচনৰ (Commonwealth of Nations) সৈতে যোগদান কৰাৰ সিদ্ধান্তৰ বাবে ভাৰতৰ সাৰ্বভৌম মৰ্যাদাক লৈ বহুতে প্ৰশ্ন উত্থাপন কৰিছে। কিন্তু কথাটো হ'ল ভাৰতে স্বেচ্ছাই কমনৱেলথ অৱ নেচনছৰ সৈতে জড়িত হৈ আছে আৰু সেই সংযোগে ইয়াৰ সাৰ্বভৌমত্বত কোনো ধৰণৰ প্ৰভাৱ নপৰে আৰু ভাৰতে যিকোনো সময়তে সেই সংযোগক সন্মানজনক বা উপযোগী নহয় বুলি বিবেচনা কৰিলেই সেই সংযোগ বিচ্ছিন্ন কৰিব পাৰে।

- **সমাজবাদ ঃ** ভাৰতীয় ৰাজনীতিৰ অন্যতম মূল আদৰ্শ সমাজবাদ। ১৯৭৬ চনত সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে এই শব্দটো অন্তৰ্ভুক্ত কৰি প্ৰস্তাৱনাত ভাৰতক সমাজবাদী ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হৈছে। ভাৰতীয় সমাজবাদৰ অৰ্থ হ'ল যে ৰাষ্ট্ৰখন সমাজবাদী লক্ষ্য অৰ্থাৎ আৰ্থ-সামাজিক ন্যায় আৰু সমতা সুৰক্ষিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ব। সমাজবাদৰ এই লক্ষ্য পূৰণৰ বাবে ভাৰতীয় ৰাষ্ট্ৰই কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শ গ্ৰহণ কৰিছিল। সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সকলোৰে মাজত সমতা নিশ্চিত কৰি সকলোকে মৌলিক ন্যূনতম জীৱন ধাৰণৰ মানদণ্ড প্ৰদান কৰিবলৈ ৰাষ্ট্ৰ প্ৰতিশ্ৰুতিবদ্ধ। এই লক্ষ্য সুৰক্ষিত কৰিবলৈ ৰাষ্ট্ৰই দেশৰ সম্পদ সকলোৰে মাজত বিতৰণৰ পক্ষপাতী। ই ৰাষ্ট্ৰীয় পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন, সম্পদৰ ৰাষ্ট্ৰীয়কৰণ আৰু ব্যক্তিগত ব্যৱসায় আৰু উদ্যোগৰ সীমিত স্বাধীনতাৰ পক্ষপাতী । সমাজবাদৰ আদৰ্শ বাস্তৱায়নৰ বাবে ভাৰতীয় সংবিধানত ভাৰতীয় সংবিধানৰ চতুৰ্থ খণ্ডত ভাৰত ৰাষ্ট্ৰলৈ কিছুমান নিৰ্দেশনা আছে যাক ৰাষ্ট্ৰ নিৰ্দেশনামূলক নীতি বুলি জনা যায়। এই নিৰ্দেশনাসমূহৰ জৰিয়তে সংবিধানে ভাৰতত সমাজৰ সমাজবাদী আৰ্হি প্ৰতিষ্ঠাৰ বাবে গুৰুত্ব আৰোপ কৰিছে।
- **ধৰ্মনিৰপেক্ষতা ঃ** ১৯৭৬ চনত ৪২ তম সংশোধনীৰ জৰিয়তে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত ধৰ্মনিৰপেক্ষতা শব্দটো অন্তৰ্ভুক্ত কৰা হৈছিল য'ত ভাৰতক ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ বুলি স্পষ্টভাৱে ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰই সকলো ধৰ্মকে সমানে সুৰক্ষা প্ৰদান কৰে আৰু ৰাষ্ট্ৰইকোনো ধৰ্মক ৰাষ্ট্ৰ ধৰ্ম হিচাপে গ্ৰহণ নকৰে। একে সময়তে দেশৰ নাগৰিকে ধৰ্মৰ স্বাধীনতা মৌলিক অধিকাৰ হিচাপে ভোগ কৰিব। ভাৰতীয় সংবিধানত

ধৰ্মনিৰপেক্ষতাৰ ইতিবাচক ধাৰণাটো প্ৰতিফলিত হৈছে, অৰ্থাৎ আমাৰ দেশৰ সকলো ধৰ্মৰে একে মৰ্যাদা আছে।

- **গণতান্ত্ৰিক ৰাষ্ট্ৰঃ** ভাৰতৰ সংবিধানে গণতন্ত্ৰক কেৱল চৰকাৰৰ প্ৰকাৰ হিচাপেই নহয়, জীৱন-ধাৰণৰ পদ্ধতি হিচাপে গ্ৰহণ কৰে। অৰ্থাৎ ইয়াত কেৱল গণতান্ত্ৰিক চৰকাৰেই নহয়, ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধঅৰ মনোভাৱেৰে সজ্জিত গণতান্ত্ৰিক সমাজৰো কল্পনা কৰা হৈছে। চৰকাৰৰ প্ৰকাৰ হিচাপে ই এক প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ কল্পনা কৰে য'ত ভাৰতৰ জনসাধাৰণে সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থাৰ জৰিয়তে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰে। ৰাজহুৱা সুযোগৰ ক্ষেত্ৰত জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে এই সুবিধাসমূহ লাভ কৰাৰ সমান সুযোগ আছে।



জানি থোৱা ভাল

সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ বুলিলে দেশ এখনৰ সকলো প্ৰাপ্তবয়স্ক নাগৰিকৰ সামাজিক মৰ্যাদা, জাতি, লিংগ, ধৰ্ম বা আন কোনো বৈশিষ্ট্য নিৰ্বিশেষে নিৰ্বাচনত ভোটদানৰ অধিকাৰক বুজোৱা হয়। ই এক গণতান্ত্ৰিক আদৰ্শ যিয়ে সকলো প্ৰত্যেকেই নাগৰিককে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰাত সমান মতামত থকাৰ আশ্বাস দিয়ে আৰু নিজৰ দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

- **গণৰাজ্য ঃ** প্ৰস্তাৱনাত উল্লেখ কৰা অনুসৰি ভাৰত এখন গণৰাজ্য। ইয়াৰ অৰ্থ হ'ল ভাৰতত এক নিৰ্বাচিত ৰাষ্ট্ৰপতি থাকিব, যি এক নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত হ'ব। ৰাষ্ট্ৰৰ মুৰব্বী হিচাপে নিযুক্তি লাভ কৰিব। গণৰাজ্যই এইটোও বুজায় যে ৰাজনৈতিক সাৰ্বভৌমত্ব ৰজাৰ দৰে এজন ব্যক্তিৰ ওপৰত নহয়, জনসাধাৰণৰ ওপৰত নিহিত, আৰু কোনো বিশেষ সুবিধাপ্ৰাপ্ত শ্ৰেণী নাই; সেয়েহে ৰাষ্ট্ৰপতিকে ধৰি সকলো ৰাজহুৱা কাৰ্যালয় সকলো নাগৰিকৰ বাবে (সংবিধানত উল্লেখ কৰা অৰ্হতা অনুসৰি) কোনো ধৰণৰ বৈষম্য নকৰাকৈ মুকলি থাকিব



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃকোনটো সংশোধনীৰ দ্বাৰা প্ৰস্তাৱনাত সমাজবাদী শব্দটো যোগ কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট সমাজবাদৰ দৰ্শন চমুকৈ ব্যাখ্যা কৰা।

- **ন্যায় ঃ** ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত ঘোষণা কৰা হৈছে যে ৰাষ্ট্ৰই নাগৰিকসকলৰ মাজত তেওঁলোকৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱনত ন্যায় প্ৰতিষ্ঠা

কৰিবলৈ চেষ্টা কৰিব। ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ভাৰতৰ ভূখণ্ডৰ প্ৰতিজন ব্যক্তিকে কোনো ধৰণৰ বৈষম্য নকৰাকৈয়ে সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থাৰ জৰিয়তে দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিয়া হৈছে। সংবিধান অনুসৰি আইনত চকুত সকলো সমান। সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ই সকলোৰে কল্যাণ সুৰক্ষিত কৰাৰ লক্ষ্যৰে ভাৰতত এখন গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰে। তাৰ বাবে ভাৰতীয় সংবিধানে নিৰ্দেশনামূলক নীতিৰ বিধান অন্তৰ্ভুক্ত কৰি ৰাজ্যখনক কিছুমান নিৰ্দেশনা প্ৰদান কৰিছে। অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ই ৰাষ্ট্ৰক জাতীয় সম্পদ বৃদ্ধি আৰু সকলো নাগৰিকৰ মাজত সম্পদৰ ন্যায্য বিতৰণৰ দ্বাৰা দৰিদ্ৰতা দূৰ কৰিবলৈ নিৰ্দেশ দিছে। তাৰ দ্বাৰা ভাৰতীয় সমাজৰ পৰা অৰ্থনৈতিক বৈষম্য দূৰ হ'ব।

- **স্বাধীনতাঃ** যদিহে প্ৰতিজন নাগৰিকক মুক্ত আৰু সভ্য জীৱন যাপনৰ বাবে অপৰিহাৰ্য কিছুমান ন্যূনতম অধিকাৰ নিশ্চিত কৰা নহয়, তাত সচা অৰ্থত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব নোৱাৰি, প্ৰস্তাৱনাত নাগৰিকৰ অত্যাৱশ্যকীয় অধিকাৰসমূহ চিন্তা, প্ৰকাশ, বিশ্বাস আৰু উপাসনাৰ স্বাধীনতা হিচাপে মৌলিক অধিকাৰৰ ৰূপত সংবিধানৰ তৃতীয় অধ্যায়ত নিশ্চিত কৰিছে।
- **সমতাঃ** সমাজৰ প্ৰতিটো ক্ষেত্ৰৰ পৰা বৈষম্য আঁতৰাই প্ৰতিজন ব্যক্তিক মৰ্যাদা আৰু সুযোগৰ সমতা নিশ্চিত নকৰালৈকে প্ৰতিজন ব্যক্তিক প্ৰদান কৰা অধিকাৰৰ নিশ্চয়তা অৰ্থহীন। ভাৰতৰ সংবিধানে ধৰ্ম, লিংগ, জাতি, জাতি বা জন্মস্থানৰ ভিত্তিত সৃষ্টি কৰা সকলো বৈষম্যক আতৰ কৰি, আইনগত সমতা আৰু সম সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰি এই উদ্দেশ্য সুৰক্ষিত কৰিবলৈ চেষ্টা কৰিছে।
- **ব্যক্তিৰ ভ্ৰাতৃত্ববোধ আৰু মৰ্যাদা নিশ্চিত কৰি জাতীয় ঐক্য আৰু অখণ্ডতা নিশ্চিতকৰণঃ** দেশৰ স্বাধীনতা বজাই ৰখাৰ বাবে এই বিশাল দেশৰ নাগৰিকৰ মাজত ঐক্যত্যই হ'ল প্ৰথম আৱশ্যকতা। ঐক্যৰ আদৰ্শ পূৰণৰ বাবে আৰু জনসাধাৰণৰ একত্ৰীকৰণ নিশ্চিত কৰিবলৈ ভাৰতৰ বিভিন্ন জাতি, ধৰ্ম আৰু সংস্কৃতিৰ বৈষম্যপূৰ্ণ জনসংখ্যাৰ মাজত ভ্ৰাতৃত্ববোধ মনোভাৱৰ সৃষ্টি হ'ব লাগিব। সকলো সাম্প্ৰদায়িক, অংশগত, স্থানীয় বা প্ৰাদেশিক অসামাজিক অনুভূতি বিলুপ্ত কৰিহে এই কাম সম্ভৱ হ'ব। ইমানবোৰ জাতি, ধৰ্ম, ভাষা আৰু সংস্কৃতিৰে গঠিত মানুহৰ সকলো শ্ৰেণীৰ মাজত একতাৰ অনুভূতি সৃষ্টি কৰি ভ্ৰাতৃত্ববোধ নিশ্চিত কৰিব পাৰি। তদুপৰি প্ৰতিজন নাগৰিকৰ মৰ্যাদা বজাই ৰখা নহ'লে ভ্ৰাতৃত্ববোধ নিশ্চিত কৰিব নোৱাৰি। সেয়েহে ভাৰতৰ প্ৰতিজন নাগৰিকৰ মৰ্যাদা সুৰক্ষিত কৰিবলৈ ভাৰতৰ সংবিধানে প্ৰতিজনকে সমান মৌলিক অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰিছে, যিটো আদালতৰ দ্বাৰা বলবৎ কৰিব পাৰি। প্ৰস্তাৱনাত উল্লেখ কৰা ভ্ৰাতৃত্ববোধৰ আদৰ্শ জাতীয় ভূখণ্ডৰ পৰিসীমাৰ ভিতৰত আবদ্ধ নহয়, বৰঞ্চ ই সৰ্বজনীন ভাতৃত্ববোধৰ আদৰ্শক অনুপ্ৰেৰিত কৰিবলৈ সেইটো সম্প্ৰসাৰণ কৰাৰ পক্ষপাতী। এই আদৰ্শৰ বাবে ভাৰতে সদায় আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তাৰ প্ৰসাৰ, জাতিসমূহৰ

মাজত ন্যায়সংগত আৰু সন্মানজনক সম্পৰ্ক বজাই ৰখা, আন্তঃৰাষ্ট্ৰীয় আইন আৰু সন্ধিৰ বাধ্যবাধকতাৰ প্ৰতি সন্মান জনোৱা আৰু জাতিসমূহৰ মাজত শান্তিপূৰ্ণ উপায়ৰ দ্বাৰা বিবাদ নিষ্পত্তি কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

ওপৰৰ কথাখিনিৰ পৰা সহজেই বুজিব পাৰি যে সংবিধানে ভাৰতক সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য হিচাপে গঠন কৰিব বিচাৰিছে। সংবিধানে ব্যক্তিৰ স্বাধীনতা, আৰ্থ-সামাজিক সমতা আৰু ন্যায়, আৰু সকলোৰে মাজত শান্তি আৰু ভাতৃত্ববোধৰ গণতান্ত্ৰিক নীতিসমূহ ৰক্ষা কৰে। ন্যায়পৰায়ণ আৰু গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ বাবে সংবিধানে ধৰ্মনিৰপেক্ষতা আৰু সমাজবাদৰ আদৰ্শক সমৰ্থন কৰে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত এইদৰে সংবিধানৰ আদৰ্শ, লক্ষ্য আৰু দাৰ্শনিক ভিত্তিৰ ৰূপৰেখা দাঙি ধৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সংবিধানত অন্তৰ্ভুক্ত কৰা ন্যায় দৰ্শনৰ ওপৰত এটা চমু টোকা লিখা।

প্ৰশ্ন নং ৪ ঃ ভাৰতৰ ভিতৰত আমি কেনেকৈ ঐক্য আৰু অখণ্ডতা লাভ কৰিব পাৰো? ব্যাখ্যা কৰা।



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংবিধানৰ দাৰ্শনিক আৰু মতাদৰ্শগত ভিত্তি ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত প্ৰতিফলিত হৈছে। জনপ্ৰিয় সাৰ্বভৌমত্ব, সমাজবাদ, ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ, ন্যায়, সমতা আৰু ভ্ৰাতৃত্ববোধ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট কিছুমান অত্যাৱশ্যকীয় আদৰ্শ।
- জনপ্ৰিয় সাৰ্বভৌমত্বই ইংগিত দিয়ে যে ভাৰতৰ সকলো কৰ্তৃত্ব আৰু ক্ষমতাৰ চূড়ান্ত উৎস মানুহ। চৰকাৰে জনসাধাৰণৰ পৰা ক্ষমতা আহৰণ কৰে। সংবিধানে ইয়াৰ প্ৰস্তাৱনাতো ভাৰতক সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিছে। ইয়াৰ পৰা বুজা যায় যে ভাৰতৰ আভ্যন্তৰীণ আৰু বাহ্যিক বিষয়ত ভাৰতৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ প্ৰয়োগ কৰাৰ ক্ষমতা বা কৰ্তৃত্ব আন কোনো দেশ বা সংগঠনৰ নাই।
- সমাজবাদী শব্দটোৰ অন্তৰ্ভুক্তিয়ে প্ৰতিফলিত কৰে যে ভাৰতৰ অন্যতম প্ৰধান উদ্দেশ্য হৈছে সকলো ধৰণৰ শোষণ নিৰ্মূল কৰি আৰু সম্পদ আৰু সম্পদৰ ন্যায্য বিতৰণ সুনিশ্চিত কৰি ইয়াৰ সকলো মানুহৰ মাজত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় সুৰক্ষিত কৰা। ভাৰত গণৰাজ্য হোৱাৰ বাবে ভাৰতৰ ৰাজ্যৰ মুৰব্বী অৰ্থাৎ ভাৰতৰ ৰাষ্ট্ৰপতিক সংসদ আৰু ৰাজ্যিক বিধানসভাৰ প্ৰতিনিধি জৰিয়তে ইয়াৰ জনসাধাৰণে নিৰ্বাচিত কৰে।

- ভাৰতৰ সংবিধানে ইয়াৰ সকলো নাগৰিককে ন্যায়- সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সুনিশ্চিত কৰিব বিচাৰে।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত চিন্তা, প্ৰকাশ, বিশ্বাস, বিশ্বাস আৰু উপাসনাৰ স্বাধীনতাক সংবিধানৰ অন্যতম মূল উদ্দেশ্য হিচাপে ঘোষণা কৰা হৈছে।
- ভাৰত সংবিধানৰ প্ৰস্তাৱনাই ইয়াৰ সমগ্ৰ জনসাধাৰণৰ মৰ্যাদা আৰু সুযোগৰ সমতা নিশ্চিত কৰে।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই ভ্ৰাতৃত্ববোধক ইয়াৰ অন্যতম প্ৰধান উদ্দেশ্য ঘোষণা কৰিছে যিটো ব্যক্তিৰ মৰ্যাদা আৰু জাতিৰ ঐক্য আৰু অখণ্ডতা সুৰক্ষিত কৰাৰ বাবে ৰচনা কৰা হৈছে।



১.৫ অধিক জানিবলৈ

১) বসু, দুৰ্গা দাস। (২০১৫)। ভাৰতৰ সংবিধানৰ এক পৰিচয়।
২) বসু, দুৰ্গা দাস। আৰু বাখী, পি.এম.(২০১৩)। সংবিধানৰ। ভাৰত. নতুন দিল্লীঃ ইউনিভাৰ্চেল ল পাব্লিছিং কোম্পানী।
৩) ঘাই, কে.কে. (২০০৮)। ভাৰত চৰকাৰ আৰু ৰাজনীতি। নতুন দিল্লীঃ কল্যাণী পাব্লিচাৰ্ছ।
৪) ছিক্রি, এছ এল (২০০২)। ভাৰত চৰকাৰ আৰু ৰাজনীতি। নতুন দিল্লী কল্যাণী শাসক ৫



১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সংবিধানৰ ৪২ সংখ্যক সংশোধনী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজবাদ ভাৰতীয় ৰাজনীতিৰ অন্যতম মূল আদৰ্শ প্ৰস্তাৱনাত ১৯৭৬ চনত সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে এই শব্দটো অন্তৰ্ভুক্ত কৰি ভাৰতক সমাজবাদী ৰাষ্ট্ৰ হিচাপেও ঘোষণা কৰা হৈছে। ভাৰতীয় সমাজবাদেৰ বৈচিত্ৰ্যই বুজায় যে ৰাষ্ট্ৰই সমাজবাদী লক্ষ্য অৰ্থাৎ আৰ্থ-সামাজিক ন্যায় আৰু সমতাবাদী সমাজ সুৰক্ষিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সমাজবাদৰ এই লক্ষ্য পূৰণৰ বাবে ভাৰতীয় ৰাষ্ট্ৰই কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শ গ্ৰহণ কৰিছিল। সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত সকলোৰে মাজত সমতা নিশ্চিত কৰি সকলোকে মৌলিক ন্যূনতম জীৱন ধাৰণৰ মানদণ্ড প্ৰদান কৰিবলৈ ৰাষ্ট্ৰ প্ৰতিশ্ৰুতিবদ্ধ। এই লক্ষ্য সুৰক্ষিত কৰিবলৈ ৰাষ্ট্ৰই দেশৰ সম্পদৰ সকলোৰে মাজত বিতৰণৰ পক্ষপাতী। ই ৰাষ্ট্ৰীয় পৰিকল্পিত অৰ্থনৈতিক উন্নয়ন, সম্পদৰ ৰাষ্ট্ৰীয়কৰণ আৰু ব্যক্তিগত ব্যৱসায় আৰু উদ্যোগৰ সীমিত স্বাধীনতাৰ পক্ষপাতী। সমাজবাদৰ আদৰ্শ

বাস্তৱায়নৰ বাবে ভাৰতীয় সংবিধানত ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায় ভাৰতীয় ৰাষ্ট্ৰলৈ কিছুমান নিৰ্দেশনা আছে যাক ৰাষ্ট্ৰ নীতিৰ নিৰ্দেশনামূলক নীতি বুলি জনা যায়। এই নিৰ্দেশনাসমূহৰ জৰিয়তে সংবিধানে ভাৰতত সমাজৰ সমাজবাদী আৰ্হি প্ৰতিষ্ঠাৰ বাবে গুৰুত্ব আৰোপ কৰিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত ঘোষণা কৰা হৈছে যে ভাৰতীয় ৰাষ্ট্ৰই নিজৰ নাগৰিকসকলৰ মাজত তেওঁলোকৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱনত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিব। ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ভাৰতৰ ভূখণ্ডৰ প্ৰতিজন ব্যক্তিয়ে কোনো ধৰণৰ বৈষম্য নকৰাকৈয়ে সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থাৰ জৰিয়তে দেশৰ ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিয়া হৈছে। সংবিধানে আইনৰ আগত সম্পূৰ্ণ সমতা নিশ্চিত কৰে। সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ই সকলোৰে কল্যাণ সুৰক্ষিত কৰাৰ লক্ষ্যৰে ভাৰতত এখন গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰে। তাৰ বাবে ভাৰতীয় সংবিধানে ৰাজ্যিক নীতিৰ নিৰ্দেশনামূলক নীতিৰ বিধান অন্তৰ্ভুক্ত কৰি ৰাজ্যখনক কিছুমান নিৰ্দেশনা প্ৰদান কৰিছে। অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ই ভাৰতীয় ৰাষ্ট্ৰক ৰাষ্ট্ৰীয় সম্পদ আৰু সম্পদ আৰু ইয়াৰ সকলো নাগৰিকৰ মাজত সম্পদৰ ন্যায্য বিতৰণ, আৰু তাৰ দ্বাৰা ভাৰতীয় সমাজৰ পৰা অৰ্থনৈতিক বৈষম্য দূৰ কৰি দৰিদ্ৰতা দুৰ কৰাৰ ওপৰত গুৰুত্ব দিছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ঐক্যৰ আদৰ্শ পূৰণৰ বাবে আৰু জনসাধাৰণৰ একত্ৰীকৰণ নিশ্চিত কৰিবলৈ ভাৰতৰ বিভিন্ন জাতি, ধৰ্ম আৰু সংস্কৃতিৰ বৈষম্যপূৰ্ণ জনসংখ্যাৰ মাজত ভ্ৰাতৃত্ববোধ বা ভাতৃত্ববোধৰ মনোভাৱৰ সৃষ্টি হ'ব লাগিব। সকলো সাম্প্ৰদায়িক, অংশগত, স্থানীয় বা প্ৰাদেশিক অসামাজিক অনুভূতি বিলুপ্ত কৰিহে এই কাম সম্ভৱ হ'ব। ইমানবোৰ জাতি, ধৰ্ম, ভাষা আৰু সংস্কৃতিৰে গঠিত মানুহৰ সকলো শ্ৰেণীৰ মাজত একতাৰ অনুভূতি সৃষ্টি কৰি ভ্ৰাতৃত্ববোধ নিশ্চিত কৰিব পাৰি। তদুপৰি প্ৰতিজন নাগৰিকৰ মৰ্যাদা বজাই ৰখা নহঅলে ভ্ৰাতৃত্ববোধ নিশ্চিত কৰিব নোৱাৰি। সেয়েহে ভাৰতৰ প্ৰতিজন নাগৰিকৰ মৰ্যাদা সুৰক্ষিত কৰিবলৈ ভাৰতৰ সংবিধানে ভাৰতৰ প্ৰতিজন নাগৰিকক সমান মৌলিক অধিকাৰ নিশ্চিত কৰিছিল, যিটো আদালতত বলবৎ কৰিব পৰা যায়।



১.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতৰ সংবিধান অনুসৰি ভাৰতত কৰ্তৃত্বৰ মূল উৎস কোন?

প্ৰশ্ন ২ ঃ সৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ বুলিলে কি বুজোৱা হৈছে?

প্ৰশ্ন ৩ ঃ ভ্ৰাতৃত্ববোধ বুলিলে কি বুজোৱা হয়?

প্ৰশ্ন ৪ ঃ ভাৰতীয় সংবিধানত ইয়াৰ নাগৰিকৰ মাজত সমতা সুনিশ্চিত কৰিবলৈ কি কি বিধান

সন্নিবিষ্ট কৰা হৈছে?

প্ৰশ্ন ৫ ঃ ভাৰতৰ সংবিধানে ভাৰতত ৰাজনৈতিক গণতন্ত্ৰ সুনিশ্চিত কৰিবলৈ কেনেদৰে চেষ্টা কৰে?

প্ৰশ্ন ৬ ঃ ভাৰতৰ সংবিধানে ইয়াৰ নাগৰিকৰ মাজত ধৰ্মনিৰপেক্ষতা নিশ্চিত কৰিবলৈ কেনেদৰে চেষ্টা কৰে?

প্ৰশ্ন ৭ ঃ ভাৰতীয় সংবিধানৰ দাৰ্শনিক ভেটিৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৮ ঃ ভাৰতীয় সংবিধানৰ গণতন্ত্ৰৰ দৰ্শন ব্যাখ্যা কৰা।

প্ৰশ্ন ৯ ঃ স্বাধীনতাৰ দৰ্শন সুনিশ্চিত কৰিবলৈ ভাৰতীয় সংবিধানত গণনা কৰা বিধানসমূহ ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য
২.৪ সংবিধানৰ মৌলিক গাঁথনিৰ ধাৰণা ঃ ন্যায়িক ব্যাখ্যা
২.৫ অধ্যায়টিৰ পৰা কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতি খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য সমূহ জানিব পাৰিব
- সংবিধানৰ মৌলিক গাঁথনি আৰু ইয়াৰ ক্ষেত্রত ন্যায়িক ব্যাখ্যাৰ বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

প্রত্যেক সংবিধানৰ কিছুমান মূল বৈশিষ্ট্য থাকে যিয়ে সংবিধানখনৰ নীতি আৰু আদর্শ প্রকাশ কৰে। সংবিধানৰ মূল বৈশিষ্ট্যবোৰেই হ'ল ইয়াৰ ভেঁটি। আমাৰ দেশৰ ভিন্নতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতৰ সংবিধানৰ কিছুমান শক্তিশালী দার্শনিক ভেটিৰ ওপৰত ভিত্তিত গঢ়ি তোলা হৈছে। সেই দার্শনিক ভেটিৰ লগত সংগতি ৰাখি আমাৰ সংবিধানত কিছুমান গুৰুত্বপূর্ণ বৈশিষ্ট্য অন্তর্ভূক্ত কৰা হৈছে আৰু ইয়ে আমাৰ সংবিধানখনক বিশ্বৰ এক অন্যতম সংবিধান ৰূপে আখ্যা দিছে।

এইটো অধ্যায়ৰ জৰিয়তে ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্যবোৰ আলোচনা কৰা হ'ব আৰু ইয়াৰ লগতে সংবিধানখনৰ মৌলিক গাঁথনিৰ ওপৰতো আলোচনা কৰা হ'ব।

- **লিখিত আৰু বিস্তৃত সংবিধান ঃ** ভাৰতীয় সংবিধানখন এখন লিখিত সংবিধান। ভাৰতীয় সংবিধানত ৩৯৫টা অনুচ্ছেদ ২২ টা অধ্যায় আৰু ৮টা অনুসূচীত সন্নিবিষ্টি হৈ আছে। কিন্তু বর্তমান সময়ত (২০২৩) ভাৰতীয় সংবিধানত ৪৭০ টা অনুচ্ছেদ, ২৫ টা অধ্যায় আৰু ১২ টা অনুসূচী আছে।
- **প্রস্তাৱনা ঃ** ভাৰতীয় সংবিধানৰ এটা প্রস্তাৱনা আছে। যিয়ে সংবিধানখনৰ দর্শনৰ কথা প্রতিফলিত কৰে আৰু প্রস্তাৱনাই সংবিধানৰ পৰিচয় ব্যাখ্যা কৰে আৰু ইয়াৰ আদর্শবোৰ

প্ৰকাশ কৰে।

- **জনপ্ৰিয় সাৰ্বভৌমত্ব (Popular Sovereignty) ঃ** ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাটো সাৰ্বভৌমত্বৰ ওপৰত প্ৰতিষ্ঠিত যিয়ে জনসাধাৰণক সৰ্বোচ্চ কতৃত্বৰ স্বীকৃতি দিয়ে। চৰকাৰে ক্ষমতা জনসাধাৰণৰ পৰা লাভ কৰে।
- **সমাজবাদ ঃ** যদিও আৰম্ভণিৰ পৰাই ভাৰতীয় সংবিধানে সমাজবাদ ভাৱধাৰাক প্ৰতিমানিত কৰিছিল, কিন্তু ১৯৭৬ চনৰ ৪২তম সংবিধান সংশোধনীৰ জৰিয়তে এই শব্দটো সংবিধানত অন্তৰ্ভূক্ত কৰা হয়। সমাজবাদৰ লক্ষ্য হৈছে সকলো ধৰণৰ শোষণৰ অন্ত পেলাই, সমাজত ন্যায় প্ৰতিষ্ঠা কৰা। আৰু এইটো শান্তিপূৰ্ণভাৱে আৰু সাংবিধানিক উপায়েৰে কৰা হব।
- **ধৰ্মনিৰপেক্ষতা ঃ** ৪২ তম সংবিধান সংশোধনীৰ দ্বাৰা ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত এই শব্দটো অন্তৰ্ভূক্ত কৰা হয়। ইয়াৰ অৰ্থ হ'ল যে ভাৰতবৰ্ষই কোনো ধৰ্মকে কোনো ধৰণৰ বিশেষ মৰ্য্যদা প্ৰদান নকৰে। দেশৰ সকলো নাগৰিকে নিজৰ ধৰ্ম গ্ৰহণৰ ক্ষেত্ৰত সমানে সুবিধা লাভকৰে আৰু এই ক্ষেত্ৰত নাগৰিকসকল স্বাধীন। নাগৰিক ধৰ্মীয় স্বাধীনতাৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণৰ হস্তক্ষেপ নকৰে আৰু ধৰ্মীয় ক্ষেত্ৰত কৰ লোৱাৰ ব্যৱস্থা সংবিধানে প্ৰদান কৰা নাই।
- **গণতান্ত্ৰিক ৰাষ্ট্ৰ ঃ** ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই ভাৰতবৰ্ষক এখন গণতান্ত্ৰিক দেশ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। চৰকাৰৰ কতৃত্ব জনসাধাৰণৰ সাৰ্বভৌমত্বতাৰ ওপৰত নিৰ্ভৰ কৰে। জনসাধাৰণে সমানে ৰাজনৈতিক অধিকাৰ লাভ কৰে। জনসাধাৰণে ৰাজনৈতিক কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। চৰকাৰে এক নিৰ্দিষ্ট সময়ৰ বাবে সীমিত ক্ষমতা ভোগ কৰি পাৰে। জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত সংখ্যাগৰিষ্ঠ প্ৰতিনিধিৰ আস্থা লাভ নকৰা কোনো চৰকাৰে ক্ষমতাত থাকিব নোৱাৰে। চৰকাৰৰ প্ৰতিনিধিত্বমূলক, দায়িত্বশীল আৰু দায়বদ্ধ চৰিত্ৰই জনসাধাৰণৰ স্বায়ত্ব শাসনৰ প্ৰতীক।
- **গণৰাজ্য ঃ** প্ৰস্তাৱনাত ভাৰতবৰ্ষ এখন গণৰাজ্য হিচাপে উল্লেখ আছে। ইয়াৰ অৰ্থ হ'ল যে ভাৰতবৰ্ষ ৰাজতন্ত্ৰৰ দ্বাৰা পৰিচালিত দেশ নহয় বা এজন মনোনীত মুৰব্বীৰ দ্বাৰা পৰিচালিত দেশ নহয়। ভাৰতবৰ্ষ এটা নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্বাচিত মুৰব্বীৰ দ্বাৰা পৰিচালিত এখন দেশ। ভাৰতবৰ্ষ এখন সাৰ্বভৌম গণৰাজ্য।
- **যুক্তৰাষ্ট্ৰীয় আৰু এককেন্দ্ৰীক ব্যৱস্থাৰ সংমিশ্ৰণ ঃ** ভাৰতীয় সংবিধানে ভাৰতবৰ্ষক এখন ৰাজ্যসমূহৰ সংঘ বুলি উল্লেখ কৰিছে। দাৰ্শনিক সকলো ভাৰতক এখন "অৰ্ধ যুক্তৰাষ্ট্ৰ" বৰ্ণনা কৰে। যুক্তৰাষ্ট্ৰৰ দৰে ভাৰতীয় সংবিধানে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত ক্ষমতাৰ ভাগ বিতৰণ কৰিছে। ইয়াৰ উপৰিও যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ কিছুমান বৈশিষ্ট্য যেনে লিখিত আৰু অনমনীয় সংবিধান, সংবিধানৰ শ্ৰেষ্ঠতা, স্বাধীন ন্যায়ালয়, ন্যায়িক সমীক্ষা আদিবোৰ ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্য। এই বৈশিষ্ট্যবোৰৰ লগতে ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ অন্য কিছুমান প্ৰকৃতি যেনে শক্তিশালী কেন্দ্ৰীয় চৰকাৰ, একক নাগৰিকত্ব, জৰুৰী

ব্যৱস্থা, উমৈহতীয়া সর্ব ভাৰতীয় সেৱা আদিবোৰ থকা দেখা যায়। সেয়েহে ভাৰতীয় যুক্তৰাষ্ট্রীয় ব্যৱস্থাটোক কিছু পৰিমানে যুক্তৰাষ্ট্রীয় আৰু কিছু পৰিমানে এককেন্দ্রীয় ব্যৱস্থাৰ সংমিশ্রণ বুলি কোৱা হয়।

- **নমনীয় আৰু অনমনীয়তাৰ সংমিশ্রণ ঃ** ভাৰতীয় সংবিধানখন নমনীয় আৰু অনমনীয় দুয়োটাৰে সংমিশ্রণ। সংবিধানৰ কিছুমান অংশ এক নির্দিষ্ট সহজ পদ্ধতিৰ দ্বাৰা সংশোধন কৰিব পাৰি আনহাতে কিছুমান অংশ সংশোধন পদ্ধতি অতি জটিল। সংবিধানৰ ৩৬৮ নং অনুচ্ছেদ অনুসৰি দুই ধৰণে সংবিধান সংশোধন কৰিব পৰা যায়।
  ১। সংসদে সংবিধানৰ কিছুমান অংশ সংশোধনী বিধেয়ক গৃহিত কৰি সংশোধন কৰিব পাৰে।
  ২। কিছুমান নির্দিষ্ট অংশৰ সংশোধনীৰ বাবে এক কঠোৰ পদ্ধতিৰ ব্যৱস্থা কৰা হৈছে য'ত কেন্দ্রীয় সংসদে সংশোধনী বিধেয়ক গৃহীত কৰিবলৈ ৰাজ্যিক বিধানমণ্ডলে অনুমোদন কৰিব লাগে।
- **মৌলিক অধিকাৰ ঃ** ভাৰতীয় সংবিধানে ইয়াৰ জনসাধাৰণক ছয়টা মৌলিক অধিকাৰ প্রদান কৰে। প্রথমতে সাতটা মৌলিক অধিকাৰ আছিল কিন্তু সংবিধানৰ ৪৪তম সংশোধনীৰ জৰিয়তে সম্পত্তিৰ অধিকাৰ (অনুচ্ছেদ ১৯(১) (৬) আৰু অনুচ্ছেদ ৩১) টো মৌলিক অধিকাৰৰ তালিকাৰপৰা বাতিল কৰা হয়। মৌলিক অধিকাৰবোৰ বাদযোগ্য ইয়াৰ অর্থ হ'ল নাগৰিকে তেওঁৰ মৌলিক অধিকাৰ ভংগ হ'লে পাবলৈ ন্যায়লয়ৰ ওচৰ চাপিব পাৰে। মৌলিক অধিকাৰবোৰ বলবৎ কৰাটোও নিজেই এক মৌলিক অধিকাৰ (সাংবিধানিক প্রতিকাৰৰ অধিকাৰ)। ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰবোৰ হ'ল — সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধর্মৰ অধিকাৰ, সংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ আৰু সাংবিধানিক প্রতিকাৰৰ অধিকাৰ।
- **মৌলিক কর্তব্য ঃ** মৌলিক অধিকাৰৰ লগতে সংবিধানৰ চতুর্থ অধ্যায় (ক) ৫১ নং অনুচ্ছেদত জনসাধাৰণৰ বাবে কিছুমান মৌলিক কর্তব্যও প্রদান কৰা হৈছে। মৌলিক কর্তব্যবোৰ ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধনৰ জৰিয়তে সংবিধানত অন্তর্ভূক্ত কৰা হৈছিল। মৌলিক কর্তব্যবোৰ আইনগত ভাৱে বিচাৰযোগ্য নহয় বৰং ই এক প্রকাৰৰ সংবিধানিক নৈতিকতাৰ লগত জড়িত।
- **ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি ঃ** ভাৰতীয় সংবিধানৰ ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি এক অতি গুৰুত্বপূর্ণ বৈশিষ্ট্য। এই নীতিসমূহে ৰাষ্ট্রক এখন কল্যানকামী ৰাষ্ট্র ৰূপে প্রতিষ্ঠা কৰিবলৈ কিছুমান নির্দেশনা প্রদান কৰে যাৰ জৰিয়তে আর্থ-সামাজিক উন্নয়ন সাধন কৰিব পৰা যায়। অৱশ্যে এই নির্দেশবোৰ ৰাষ্ট্রৰ ওপৰত আইনগতভাৱে কোনো ধৰণৰ বাধ্যবাধকতা আৰোপ নকৰে যদিও ৰাজনৈতিক ব্যৱস্থা অধিক ভাল কৰিবলৈ চৰকাৰে এই নীতিবোৰ মানিবলৈ বাধ্য। সংবিধানৰ ৩৬নং অনুচ্ছেদৰ পৰা ৫১ নং অনুচ্ছেদলৈ চতুর্থ অধ্যায়ত এই নীতিবোৰ অর্ন্তভূক্ত আছে।

- **সংসদীয় চৰকাৰ ঃ** ভাৰতীয় সংবিধানে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বাবে এক সংসদীয় চৰকাৰৰ ব্যৱস্থা কৰিছে। বৃটিছৰ দৰে ভাৰতৰ ৰাষ্ট্ৰপতি জন কেৱল সাংবিধানিক মূৰব্বীহে আৰু তেওঁ নামমাত্ৰ কাৰ্যপালিকা। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰী পৰিষদহে প্ৰকৃত কাৰ্যপালিকা। মন্ত্ৰীসকল সংসদৰ সদস্য আৰু সংসদৰ যিকোনো কাৰ্যৰ বাবে মন্ত্ৰী পৰিষদ সমূহীয়াকৈ দায়বদ্ধ।
- **দ্বিসদনীয় সংসদ ঃ** ভাৰতীয় সংসদীয় ব্যৱস্থা দ্বিসদনীয়, লোক সভা আৰু ৰাজ্য সভা। লোক সভা হ'ল নিম্ন সদন যাৰ সদস্যবোৰ জনসাধাৰণৰ দ্বাৰা প্ৰত্যক্ষ ভাৱে নিৰ্বাচিত কৰা হয়। লোকসভাত উৰ্ধতম ৫৫০ জন সদস্য থাকিব পাৰে আৰু এই ৫৫০ জন সদস্যৰ ভিতৰত ৫৩০ জনে ৰাজ্যসমূহক আৰু ২০ জনে কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক প্ৰতিনিধিত্ব কৰে। লোকসভাৰ কাৰ্যকাল যদিও ৫ বছৰ কিন্তু প্ৰধানমন্ত্ৰীৰ নিৰ্দেশ মতে ৰাষ্ট্ৰপতিয়ে কাৰ্যকাল শেষ হোৱাৰ আগেয়ে ইয়াক ভংগ কৰিব পাৰে। ৰাজ্যসভা হৈছে উচ্চসদন যিয়ে ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰে। ইয়াৰ মুঠ ২৫০ জন সদস্যৰ ২৩৮ জন সদস্য ৰাজ্যৰ বিধানসভাৰ সদস্যৰ দ্বাৰা সমানুপাতিক প্ৰতিনিধিত্ব পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰা হয় আৰু ১২ জন সদস্য কলা, বিজ্ঞান. সাহিত্য আদিৰ দিশত অভিজ্ঞতা থকা ব্যক্তিক ৰাষ্ট্ৰপতিয়ে প্ৰত্যক্ষভাৱে মনোনীত বা বাঁচনি কৰিব পাৰে।

ৰাজ্যসভাৰ তুলনাত লোকসভা বেছি ক্ষমতাশালী। ইয়াৰ বিত্তীয় ক্ষমতা আছে আৰু ইয়ে কেৱল কেন্দ্ৰীয় কেবিনেটক ভংগ কৰাৰ ক্ষমতা আছে। মন্ত্ৰীপৰিষদ লোকসভাৰ ওচৰত দায়বদ্ধ থাকে।



জানো আহক (সংবিধানৰ ১০৪ নং সংশোধনী)

লোকসভাৰ মুঠ সদস্যৰ ভিতৰত ২ জন সদস্য এংলো ইণ্ডিয়ান সম্প্ৰদায়ৰ লোকৰ মাজৰ পৰা ৰাষ্ট্ৰপতিয়ে প্ৰত্যক্ষভাৱে লোকসভালৈ বাঁচনি কৰিব পাৰিছিল কিন্তু ২০২০ চনত সংবিধানৰ ১০৪ নং সংশোধনী আইন ২০১৯ ৰ জৰিয়তে এই ব্যৱস্থাটো লুপ্ত কৰা হয় আৰু এই সংশোধনীয়ে লোকসভা আৰু ৰাজ্যিক বিধানসভাত অনুসূচীত জাতি আৰু জনজাতিৰ (SC & St)ৰ বাবে আসন সংৰক্ষণৰ ম্যাদ শেষ হোৱাৰ সীমাও বৃদ্ধি কৰিছিল।

- **সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ ঃ** সাৰ্বজনীয় প্ৰাপ্তবয়স্ক ভোটাধিকাৰ হ'ল ভাৰতীয় সংবিধানৰ এক অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। সকলো নাগৰিকে ১৮ বছৰ হ'লে ভোটদানৰ অধিকাৰ লাভ কৰে।
- **একক নাগৰিকত্ব ঃ** ভাৰতীয় নাগৰিকে একক নাগৰিকত্ব লাভ কৰে যিয়ে নাগৰিকক সমানে সকলো ধৰণৰ অধিকাৰ ভোগ কৰাৰ সুবিধা প্ৰদান কৰে।
- **ন্যায়িক সমীক্ষাৰ ক্ষমতা থকা কেন্দ্ৰীয় ন্যায়িক ব্যৱস্থা ঃ** ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত এক সংহত ন্যায়িক ব্যৱস্থা থকা দেখা যায়। সংবিধানে সৰ্বোচ্চ আদালত হিচাপে উচ্চতম

ন্যায়ালয়, ৰাজ্যবোৰত উচ্চ ন্যায়ালয় আৰু তাৰ অধীনত কিছুমান অধীনস্থ আদালতৰ ব্যৱস্থা থকা দেখিবলৈ পোৱা যায়। উচ্চতম ন্যায়ালয় হৈছে সর্বোচ্চ আদালত আৰু ইয়ে ন্যায়িক প্রশাসন চলায়। ভাৰতৰ ন্যায়িক ব্যৱস্থা স্বাধীন। কার্যপালিকা বা বিধানমণ্ডলে ইয়াক নিয়ন্ত্রণ কৰিব নোৱাৰে।

ভাৰতৰ উচ্চতম আৰু উচ্চ ন্যায়ালয়ে ন্যায়িক সমীক্ষাৰ ক্ষমতা লাভ কৰে। উচ্চতম ন্যায়ালয় হৈছে সংবিধানৰ ৰক্ষক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ অভিভাৱক। এইটো ক্ষেত্রত ই ন্যায়িক সমীক্ষাৰ ক্ষমতা লাভ কৰে। ইয়াৰ দ্বাৰা উচ্চতম ন্যায়ালয়ৰ বিধানমণ্ডলৰ আইন আৰু কার্যপালিকাৰ আদেশৰ সাংবিধানিক বৈধতা নির্ধাৰণ কৰাৰ ক্ষমতা আছে। ই বিধানমণ্ডলৰ আইন আৰু কার্যপালিকাৰ আদেশ বাতিল কৰিব পাৰে যদিহে ই ইয়াক অসাংবিধানিক বুলি বিবেচনা কৰে।

- **জৰুৰীকালীন ব্যৱস্থা ঃ** ভাৰতৰ সংবিধানে ৰাষ্ট্রপতিৰ হাতত কিছুমান জৰুৰীকালীন ক্ষমতা প্রদান কৰিছে। তিনি ধৰণৰ জৰুৰীকালীন ব্যৱস্থাৰ বিষয়ে সংবিধানত উল্লেখ আছে, যেনে - জাতীয় জৰুৰীকালীন অৱস্থা, ৰাজ্যিক জৰুৰীকালনী আৰু বৃত্তীয় জৰুৰীকালীন অৱস্থা। জৰুৰীকালীন সময়ত ৰাষ্ট্রপতিৰ হাতত সকলো ধৰণৰ ক্ষমতা থাকে। অৱশ্যে এই ক্ষমতা ব্যৱহাৰ কৰাৰ বাবে কিছুমান নির্দিষ্ট নিয়ম আছে আৰু এই ক্ষমতা প্রয়োগৰ ওপৰত কেইবাটাও সীমাবদ্ধতা আছে।

ওপৰৰ আলোচনাৰ পৰা আমি বুজিব পাৰো যে ভাৰতীয় সংবিধানখন এখন বিস্তৃত সংবিধান। ইয়াত সকলোবোৰ কথা বিতংভাৱে বর্ণনা কৰা আছে। সংবিধানখন দেশৰ মৌলিক আইন যাক সকলোৱে মানি চলিবলৈ বাধ্য। চৰকাৰৰ সকলো আইন সংবিধানৰ গণ্ডীৰ ভিতৰত হ'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় সংবিধানৰ এক মূল বৈশিষ্ট্য ধর্মনিৰপেক্ষতাৰ বিষয়ে লিখক।

প্রশ্ন নং ২ ঃ ভাৰতৰ সংসদৰ গঠন প্রণালীৰ বিষয়ে লিখক।

প্রশ্ন নং ৩ ঃ ভাৰতীয় সংবিধানৰ যিকোনো দুটা বৈশিষ্ট্যৰ বিষয়ে বিতংভাৱে লিখক।

২.৪ সংবিধানৰ মূল গাঁথনিৰ ধাৰণা ঃ ন্যায়িক ব্যাখ্যা

ওপৰত উল্লেখ কৰাৰ দৰে উচ্চতম ন্যায়ালয় হৈছে সংবিধানৰ ৰক্ষক। সংবিধানত এক মূল গাঁথনি আছে যিয়ে সংবিধানিৰ প্রকৃতি আৰু আদর্শ ব্যাখ্যা কৰে।

গোলকনাথ গোচৰ (গোলক নাথ বনাম পাঞ্জাৰ ৰাজ্য) ১৯৬৭ৰ আগলৈকে ভাৰত উচ্চতম ন্যায়ালয়ে ধাৰণা কৰিছিল যে সংসদে ৩৬৮ অনুচ্ছেদ অনুসৰি সংবিধানৰ যিকোনো অংশ সংশোধন কৰিব পাৰে। এইটো ধাৰণা কৰা হৈছিল (অনুচ্ছেদ ১৩ (২) ৰ "আইন" শব্দটোৱে

সংবিধান সংশোধনী আইন অন্তর্ভূক্ত নকৰে যিটো সংসদৰ দ্বাৰা ইয়াৰ সাংবিধানিক ক্ষমতাত গৃহীত হৈছিল। এই অনুচ্ছেদটো অনুসৰি আইন গৃহীত হ'লে সেই আইনে সংবিধানত উল্লেখ থকা কোনো ধাৰণা উলংঘা কৰিব নোৱাৰে। এই ক্ষেত্রত ন্যায়িক সমীক্ষাই বাধা দিয়ে। কিন্তু গোলক নাথ গোচৰত বিশেষ বিচাৰপীঠৰ ছয়জন ন্যায়াধীশৰ সংখ্যা গৰিষ্ঠতাই মত পোষণ কৰিছিল যে সংবিধানৰ মৌলিক অধিকাৰ সংশোধন কৰিব পৰা নাযায়। লগতে তেওঁলোকে ধাৰণা কৰিছিল যে সংবিধান সংশোধনী আইনো ১৩২ নং অনুচ্ছেদৰ পৰিসৰৰ ভিতৰত এখন আইন। গোলকনাথ গোচৰৰ পিছত, সংসদে সংবিধান (২৪ তম সংশোধনী) আইন, ১৯৭১ ৰ দ্বাৰা ৩৬৮ নং অনুচ্ছেদ সংশোধন কৰি ইয়াক বাতিক কৰিব বিচাৰিছিল, যাৰ ফলস্বৰূপে, ১৩ নং অনুচ্ছেদৰ ভিতৰত "আইন" হ'ব নোৱাৰিব আৰু সংবিধান সংশোধনী আইনৰ বৈধতাৰ ভিত্তিত প্রশ্নৰ সন্মুখীন হ'ব নোৱাৰিব যে এটা মৌলিক অধিকাৰ কাঢ়ি লয় বা প্রভাৱিত কৰে।

ইয়াৰ উপৰিও ১৯৭১ চনৰ সংবিধানৰ ২৫ তম সংশোধনী আইনৰ দ্বাৰা সংসদত অনুচ্ছেদ ৩১(C) অন্তর্ভূক্ত কৰা হৈছিল যিয়ে ন্যায়ালয়ক সংবিধানিৰ কিছুমান ব্যৱস্থা উলংঘন কৰাৰ ভিত্তিত সংশোধনী আইনৰ বৈধতা নির্ধাৰণ কৰাৰ ক্ষমতাৰ পৰা বঞ্চিত কৰিছিল। সংবিধানৰ ২৪ তম সংশোধনী আইনক কেশৱানন্দ ভাৰতী বনাম কেৰালা ৰাজ্যৰ গোচৰত প্রত্যাহ্বান জনোৱা হৈছিল যিটোৰ শুনানি ১৩ জন ন্যায়াধীশৰ পূর্ণ বিচাৰপীটে লৈছিল। সেই ক্ষেত্রত ন্যায়ালয়ে ৰায় প্রদান কৰে যে ভাৰতত মৌলিক অধিকাৰ অনুচ্ছেদ ৩৬৮ ৰ অধীনত সংশোধন কৰিব পাৰি, সংবিধান সংশোধনী আইনৰ বৈধতাৰ ওপৰত প্রশ্ন উত্থাপন কৰিব নোৱাৰি। একেটা ৰায়দানত ন্যায়ালয়ে আন এটা প্রস্তাৱ নিশ্চিত কৰিছিল যে ভাৰতৰ সংবিধানৰ কিছুমান মৌলিক গাঁথনি আছে যাক ৩৬৮ নং অনুচ্ছেদ অনুসৰি আইনৰ দ্বাৰা সংশোধন কৰিব নোৱাৰি। যদি কোনো আইনে মৌলিক গাঁথনি সলনি বা সংশোধন কৰিব বিচাৰে তেন্তে ন্যায়ালয়ে ইয়াক বাতিল কৰিব পাৰিব। বিতর্ক ইয়াতেই শেষ হোৱা নাছিল। ভাৰত চৰকাৰে ১৯৭৬ চনত ৪২ তম সংবিধান সংশোধনীৰ জৰিয়তে ৩৬৮ নং অনুচ্ছেদত দফা (৪) আৰু (৫) অন্তর্ভূক্ত কৰে। দফা ৫ত উল্লেখ কৰা হৈছে যে সংবিধানৰ ব্যৱস্থাসমূহ সংশোধন কৰাৰ বাবে সংসদৰ সাংবিধানিক ক্ষমতাৰ ওপৰত কোনো সীমাবদ্ধতা নাথাকিব। দফা ৪ ত উল্লেখ কৰা হৈছে যে কোনো সংবিধান সংশোধনী আইনৰ বৈধতাৰ ওপৰত যিকোনো আদালতত যিকোনো ভিত্তিত প্রশ্ন উত্থাপন কৰা নহব। কিন্তু সংসদৰ এইটো চেষ্টা উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নাকচ কৰা হয় আৰু ৪ আৰু ৫ দফা বাতিল কৰি, মিনাৰভা মিলচ গোচৰত ইয়াৰ সিদ্ধান্তৰ দ্বাৰা ন্যায়িক পুনৰীক্ষণ ভাৰতীয় সংবিধানৰ এক মৌলিক বৈশিষ্ট্য হিচাপে বিবেচনা কৰা হয় আৰু ইয়াক সংশোধন কৰিও আওঁৰাব নোৱাৰি।

এতিয়ালৈকে, ভাৰতৰ উচ্চতম ন্যায়ালয়ে ইয়াৰ পৰবর্তী গোচৰসমূহত কেশৱানন্দ ভাৰতী গোচৰৰ সিদ্ধান্ত অনুসৰণ কৰি আহিছে আৰু ইয়াৰ ফলত ভাৰতৰ সংবিধানৰ 'মৌলিক গাঁথনি'ৰ ধাৰণা প্রৱর্তন কৰিছে।

মৌলিক গাঁথনিৰ ভিতৰত থকা ধাৰণাসমূহ তলত উল্লেখ কৰা হ'ল —

- সংবিধানৰ সর্ব্বোচ্চতা

- আইনৰ শাসন
- ক্ষমতাৰ পৃথকীকৰণ নীতি
- সংবিধানৰ প্ৰস্তাৱনাৰ উদ্দেশ্য
- ন্যায়িক পুনৰীক্ষণ, অনুচ্ছেদ ৩২
- যুক্তৰাষ্ট্ৰীয়বাদ
- ধৰ্মনিৰপেক্ষতা
- সাৰ্বভৌম, গণতান্ত্ৰিক আৰু গণৰাজ্যিক গাঁথনি
- ব্যক্তিৰ স্বাধীনতা আৰু মৰ্যদা
- জাতিৰ ঐক্য আৰু অখণ্ডতা
- সমতাৰ নীতি
- মৌলিক অধিকাৰ
- সামাজিক-অৰ্থনৈতিক ন্যায়
- মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যৰ মাজৰ ভাৰসাম্যতা
- সংসদীয় চৰকাৰ
- মুক্ত আৰু নিকা নিৰ্বাচনৰ নীতি
- অনুচ্ছেদ ৩৬৮ ৰ দ্বাৰা প্ৰদান কৰা সংশোধনী ক্ষমতাৰ সীমাবদ্ধতা
- স্বাধীন ন্যায়পালিকা
- ন্যায়ৰ ফলপ্ৰসূ অভিগম্যতা
- অনুচ্ছেদ ৩২, ১৩৬, ১৪১ আৰু ১৪২ ত থকা উচ্চতম ন্যায়ালয়ৰ ক্ষমতা



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কোনটো গোচৰত মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি বুলি কোৱা হৈছিল?

প্ৰশ্ন নং ৫ ঃ ভাৰতীয় সংবিধানৰ মৌলিক গাঁথনি হিচাপে গণ্য কৰা যিকোনো ছয়টা ব্যৱস্থা উল্লেখ কৰক।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ বৈশিষ্ট্যসমূহে ইয়াৰ আদৰ্শ আৰু দাৰ্শনিক ভেটি প্ৰতিফলিত কৰে। ইয়াৰ কিছুমান মৌলিক বৈশিষ্ট্য যেনে - এখন লিখিত আৰু বিশদ সংবিধান আৰু ইয়াত প্ৰস্তাৱনা আছে।
- ভাৰতীয় সংবিধানৰ অন্য কিছুমান বৈশিষ্ট্য যেনে সাৰ্বভৌমত্ব, সমাজবাদ, ধৰ্মনিৰপেক্ষতা,

গণতান্ত্রিক ৰাজ্য, গণৰাজ্য, যুক্তৰাষ্ট্রবাদ, মৌলিক অধিকাৰ, মৌলিক কর্তব্য, ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি, সংসদীয় চৰকাৰ, দ্বিসদনীয় সংসদ, প্রাপ্তবয়স্ক ভোটাধিকাৰ, সংহত ন্যায়ালয়, ন্যায়িক পুনৰীক্ষণ, জৰুৰীকালীন ব্যৱস্থা আদি।

- ভাৰতীয় সংবিধানৰ মূল গাঁথনি সংশোধন কৰিব পৰা নাযায়। এই বিষয়টো অতি বিতর্কিত বিষয়। এই বিষয়টোৰ লগত জড়িত গোচৰবোৰ হ'ল গোলক নাথ বনাম পাঞ্জাৱ ৰাজ্য, ১৯৬৭, কেশৱানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য।
- এক দীঘলীয়া আলোচনাৰ পিছত কিছুমান গুৰুত্বপূর্ণ ব্যৱস্থাক সংবিধানৰ মৌলিক গাঁথনি হিচাপে বিবেচনা কৰা হয়। যেনে - সংবিধানৰ সর্বোচ্চতা, আইনৰ শাসন, ক্ষমতা পৃথকীকৰণ, প্রস্তাৱনাৰ নির্দিষ্ট উদ্দেশ্য, ন্যায়িক পুনৰীক্ষণ, যুক্তৰাষ্ট্রবাদ, ধর্মনিৰপেক্ষতা আদি।



২.৬ অধিক জানিবলৈ

১) Basu Durga Das (2015). An introduction to the Constitution of India.

২) Basu, Durga Das and Bakhi, P.M. (2013). The Constitution of India. New Delhi : Universal Law Publishing Co.

৩) Ghai, K.K. (2008). Indian Government and Politics. New Delhi. Kalyani Publishers.

৪) Sikri, S.L. (2002). Indian Government and Politics. New Delhi : Kalyani Publishers.



২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৪২ তম সংবিধান সংশোধনৰ জৰিয়তে ভাৰতীয় সংবিধানত ধর্মনিৰপেক্ষ শব্দটো অন্তর্ভূক্ত কৰা হৈছিল। ভাৰতবর্ষত কোনো ধর্মক কোনো ধৰণৰ বিশেষ মর্যদা দিয়া নহয়। ইয়ে জনসাধাৰণক সকলো ধর্মৰ ক্ষেত্রত সমান স্বাধনীত প্রদান কৰে। ৰাজ্য বা চৰকাৰে ধর্মৰ ক্ষেত্রত কোনো ধৰণৰ হস্তক্ষেপ নকৰে আৰু ধর্মৰ উদ্দেশ্যত কৰ লগোৱাটো বৈধ নহয়।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত দ্বিসদনীয় বিধানমণ্ডল আছে, লোকসভা আৰু ৰাজ্যসভা। লোকসভা হ'ল নিম্ন সদন, ইয়াৰ সদস্যবোৰ জনসাধাৰণৰ দ্বাৰা প্রত্যক্ষ ভাৱে ৫ বছৰৰ বাবে নির্বাচিত কৰা হয়। সর্বচ্চো ৫৫০ জন সদস্যৰ ৫৩০ জনে ৰাজ্যসমূহক আৰু ২০ জনে কেন্দ্রীয়

শাসিত অঞ্চলসমূহক প্রতিনিধিত্ব কৰে। ৰাজ্যসভা হ'ল উচ্চ সদন যিয়ে ভাৰতৰ ৰাজ্যবোৰক প্রতিনিধিত্ব কৰে। ইয়াৰে মুঠ ২৫০ জন সদস্যৰ ২৩৮ জন ৰাজ্যবোৰৰ বিধানসভাৰ সদস্যৰ দ্বাৰা সমানুপাতিক প্রতিনিধিত্ব পদ্ধতিৰ দ্বাৰা নির্বাচিত কৰা হয় আৰু বাকী ২২ জন সদস্য কলা, বিজ্ঞান, সাহিত্য আদিৰ দিশত পাৰদর্শিতা থকা ব্যক্তিৰ পৰা ৰাষ্ট্রপতিয়ে প্রত্যক্ষভাৱে বাচনি কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) **যুক্তৰাষ্ট্রীয় ব্যৱস্থা ঃ** ভাৰতবর্ষ এখন যুক্তৰাষ্ট্রীয় দেশ যদিও দার্শনিক K.C. Wheare য়ে ইয়াক 'অর্ধ যুক্তৰাষ্ট্র' বুলিহে কয়। যুক্তৰাষ্ট্রৰ দৰে ভাৰতীয় সংবিধানে ক্ষমতাৰ ভাগ বিতৰণ কৰে কেন্দ্র আৰু ৰাজ্যবোৰৰ মাজত। এখন লিখিত আৰু সিথিল সংবিধান, সংবিধানৰ সর্বোচ্চতা, স্বাধীন ন্যায়ালয়, ন্যায়িক পুনৰীক্ষণৰ ক্ষমতা আদিবোৰ থকা দেখিবলৈ পোৱা যায়।

২) **শিথিল আৰু অনমনীয়তাৰ সংমিশ্রণ ঃ** ভাৰতীয় সংবিধানখন কিছু পৰিমাণে শিথিল আৰু কিছু পৰিমাণে অনমনীয়। ইয়াৰ কিছুমান অংশ সংশোধন কৰিব পাৰি যদিও সংবিধানৰ মৌলিক গাঁথনি সংশোধন কৰিব পৰা নাযায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ কেশৱানন্দ ভাৰতী বনাম কেৰেলা ৰাজ্য গোচৰ।

৫ নং প্রশ্নৰ উত্তৰ ঃ সংবিধানৰ শ্রেষ্ঠতা, আইনৰ শাসন, ক্ষমতাৰ পৃথকীকৰণ নীতি, প্রস্তাৱনাৰ উদ্দেশ্য, ন্যায়িক পুনৰীক্ষণ, যুক্তৰাষ্ট্রবাদ।



২.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় সংবিধানত কিমানটা অংশ আছে?

প্রশ্ন ২ ঃ সমাজবাদ শব্দটো কেতিয়া ভাৰতীয় সংবিধানত অন্তর্ভূক্ত কৰা হৈছিল?

প্রশ্ন ৩ ঃ কোনে ভাৰতক 'অর্ধ যুক্তৰাষ্ট্র' বুলি কৈছে?

প্রশ্ন ৪ ঃ কোনটো গোচৰত ন্যায়িক পুনৰীক্ষণটো সংবিধানৰ মৌলিক গাঁথনিৰ অন্তর্ভূক্ত বুলি কোৱা হৈছে?

প্রশ্ন ৫ ঃ ভাৰতীয় সংবিধানৰ 'ধর্মনিৰপেক্ষতাৰ' ধাৰণাটো বর্ণনা কৰক।

প্রশ্ন ৬ ঃ ভাৰতক কিয় 'অর্ধ যুক্তৰাষ্ট্র' বুলি কোৱা হয়?

প্রশ্ন ৭ ঃ ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৮ ঃ ভাৰতীয় সংবিধানৰ সমাজবাদৰ বৈশিষ্ট্যবোৰ বর্ণনা কৰক।

প্রশ্ন ৯ ঃ ভাৰতীয় সংবিধানৰ মৌলিক গাঁথনিৰ ধাৰণাটোৰ কেনেদৰে সৃষ্টি হৈছিল আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সংসদীয় গণতন্ত্র-গাঁথনি আৰু শেহতীয়া প্ৰৱণতা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাৰতীয় সংসদৰ গাঁথনি

৩.৪ ভাৰতীয় সংসদৰ আইন প্ৰণয়ন পদ্ধতি

৩.৫ সংসদৰ অৱনতি

৩.৬ ভাৰতত সংসদীয় গণতন্ত্ৰৰ কাৰ্য্যকলাপ-প্ৰত্যাহ্বান আৰু সম্ভাৱনা

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় সংসদৰ গাঁথনিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সংসদৰ আইন প্ৰণয়ন পদ্ধতি পৰীক্ষা কৰিব পাৰিব
- শেহতীয়াকৈ সংসদৰ অৱনতিৰ বিষয়টো বিশ্লেষণ কৰিব পাৰিব
- ভাৰতত সংসদীয় গণতন্ত্ৰৰ কাৰ্য্যকলাপৰ বিভিন্ন প্ৰত্যাহ্বান পৰীক্ষা কৰিব।

৩.২ পৰিচয়

ভাৰতৰ কেন্দ্ৰীয় বিধানমণ্ডলক দুটা সদনৰে গঠিত সংসদ বুলি জনা যায়। কেন্দ্ৰীয় চৰকাৰ সংসদৰ নিম্ন সদনৰ ওচৰত দায়বদ্ধ হৈ থাকে আৰু ৰাজ্য চৰকাৰ ৰাজ্যিক বিধানমণ্ডলৰ ওচৰত দায়বদ্ধ হৈ থাকে আৰু যেতিয়ালৈকে ই বিধানমণ্ডলৰ আস্থা লাভ কৰে তেতিয়ালৈকে ক্ষমতাত থাকে। সেয়েহে, ভাৰতত কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ মাজত এক ঘনিষ্ঠ আছে যাক কে সংসদীয় চৰকাৰৰ ৰূপত পোৱা যায়। যদিও আমাৰ ভাৰতত থকা সংসদীয় চৰকাৰ প্ৰধানকৈ ব্ৰিটিছ আৰ্হিৰ ওপৰত আধাৰিত, তথাপিও ভাৰতৰ সংবিধান প্ৰস্তুতকাৰীসকলে এই আৰ্হিটো সম্পূৰ্ণৰূপে অনুকৰণ কৰা নাছিল। তেওঁলোকে আমাৰ নিজৰ ৰাজনৈতিক পৰিস্থিতি আৰু ঐতিহাসিক উত্তৰাধিকাৰৰ সৈতে খাপ খোৱাকৈ ইয়াত কিছুমান পৰিৱৰ্তন কৰিছিল।

৩.৩ ভাৰতীয় সংসদৰ গাঁথনি

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটো সংসদীয় প্ৰকৃতিৰ আৰু ইয়াৰ দ্বি-সদনযুক্ত বিধানসভা আছে যিটো দুটা সদন ক্ৰমে লোকসভা (সৰ্বাধিক ৫৫০ আসন) আৰু ৰাজ্যসভা (২৫০ আসন) ৰে গঠিত।

- **লোকসভা ঃ** লোকসভাৰ সদস্যসকলক ৫ বছৰৰ বাবে সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত ভাৰতৰ জনসাধাৰণে প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰে। ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি সদনৰ অধিবেশন আহ্বান ক�ৰিব পাৰে, স্থগিত ৰাখিব পাৰে আৰু ভংগ ক�ৰিব পাৰে। সদনৰ দৈনন্দিন কাম-কাজ সুচাৰুৰূপে চলোৱাৰ বাবে সংবিধানে এজন অধ্যক্ষৰ ব্যৱস্থা কৰিছে। অধ্যক্ষৰ প্ৰশ্ন প্ৰস্তাৱ আৰু প্ৰস্তাৱৰ গ্ৰহণযোগ্যতাৰ বিষয়ে সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে, আৰু সদনৰ কাৰ্যক্ৰমত তেওঁৰ কৰ্তৃত্ব চূড়ান্ত।

➢ **লোক সভাৰ ক্ষমতা আৰু কাৰ্য্য ঃ** বিত্ত বিধেয়ককে ধৰি যিকোনো বিধেয়ক লোকসভাত উত্থাপন কৰিব পাৰি। ই কেন্দ্ৰীয় আৰু সমৱৰ্তী তালিকাৰ সকলো বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে আৰু ই অৱশিষ্ট ক্ষমতাও লাভ কৰে। মন্ত্ৰী পৰিষদে যেতিয়ালৈকে সদনৰ সংখ্যাগৰিষ্ঠতাৰ আস্থা লাভ কৰে তেতিয়ালৈকে ক্ষমতাত থাকিব পাৰে কিয়নো ই ব্যক্তিগতভাৱে আৰু সামূহিকভাৱে লোকসভাৰ ওচৰত দায়বদ্ধ। লোকসভাই মন্ত্ৰীসকলক প্ৰশ্ন সুধি আৰু চৰকাৰক সমালোচনা কৰি কাৰ্যপালিকাকক নিয়ন্ত্ৰণ কৰিব পাৰে; ইয়াৰ অনাস্থাৰ প্ৰস্তাৱ উত্থাপন কৰাৰ ক্ষমতাও আছে। লোকসভাৰ সংবিধান সংশোধন কৰাৰ ক্ষমতা আছে। ই কোনবোৰ কৰ আৰোপ কৰা হ'ব, হ্ৰাস কৰা হ'ব বা বিলুপ্ত কৰা হ'ব সেই বিষয়ে সিদ্ধান্ত লয়। ৰাজ্যসভাৰ লগত এই সদনখনে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন কৰে।

- **ৰাজ্যসভা ঃ** ৰাজ্যসভাই ভাৰতীয় সংঘৰ গোটসমূহক (ৰাজ্য) প্ৰতিনিধিত্ব কৰে। এই সদনটো এটা স্থায়ী সদন; ইয়াৰ প্ৰতিজন সদস্যই ছয় বছৰৰ কাৰ্যকালৰ বাবে নিৰ্বাচিত হয়। ভাৰতৰ উপ-ৰাষ্ট্ৰপতি ৰাজ্যসভাৰ পদেন অধ্যক্ষ; উপ-ৰাষ্ট্ৰপতিৰ অনুপস্থিতিত ৰাজ্যসভাৰ নিয়মীয়া কাম-কাজ কৰিবলৈ ইয়াৰ সদস্যসকলৰ মাজৰ পৰা এজন উপাধ্যক্ষ নিৰ্বাচিত কৰা হয়।

➢ **ৰাজ্যসসভাৰ ক্ষমতা আৰু কাৰ্যসমূহ ঃ** লোকসভাৰ তুলনাত ৰাজ্যসভাত ক্ষমতা কম। ৰাজ্যসভাত কোনো বিত্ত বিধেয়ক উত্থাপন কৰিব নোৱাৰি। মন্ত্ৰীসকল উচ্চ সদনৰ ওচৰত দায়বদ্ধ নোহোৱাৰ বাবে চৰকাৰ উচ্চ সদনৰ ওচৰত দায়বদ্ধ নহয়। অৱশ্যে, কিছুমান ক্ষেত্ৰত, ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন আৰু অপসাৰণ, উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক অপসাৰণ, আৰু সংবিধানৰ সংশোধনীৰ দৰে বিষয়ত নিম্ন সদনৰ সৈতে ইয়াৰ সমান ক্ষমতা আছে।

সংবিধানে ৰাজ্যসভালৈ কিছুমান বিশেষ অধিকাৰ প্ৰদান কৰিছে যেনে-ৰাজ্যিক তালিকাৰ অধীনত এটা নিৰ্দিষ্ট বিষয় কেন্দ্ৰীয় তালিকা/ সমৱৰ্তী তালিকালৈ স্থানান্তৰ কৰাৰ পৰামৰ্শ আৰু ৰাষ্ট্ৰীয় স্বাৰ্থত নতুন সৰ্বভাৰতীয় সেৱা সৃষ্টি কৰা। যদিও চৰকাৰ এই সদনৰ ওচৰত দায়বদ্ধ নহয়, এইটো দেখা গৈছে যে বছৰ বছৰ ধৰি ৰাজ্যসভাই ৰাজনৈতিক শিক্ষাৰ বাবে আটাইতকৈ উপযুক্ত স্থান হিচাপে কাম কৰি আহিছে।

সংবিধানে ধাৰণা কৰা ভাৰতত এখন ধর্মনিৰপেক্ষ ৰাষ্ট্র একান্তভাৱে ৰাজনৈতিক বৌদ্ধিক গঠন নাছিল, কিন্তু ই ভাৰতীয় সমাজৰ সামাজিক আৰু সাংস্কৃতিক বাস্তৱতাক প্রতিফলিত কৰিছিল। সামাজিক বাস্তৱতাৰ প্রতি সজীৱ হৈ থকাৰ বাবে মহাত্মা গান্ধী আৰু নেহৰুৱে ভাৰতত ধর্মনিৰপেক্ষতাৰ অস্তিত্ব ৰক্ষাৰ বাবে সাম্প্রদায়িক সমন্বয়ক অতি গুৰুত্ব দিছিল। ধর্মনিৰপেক্ষতা জীয়াই থাকিবলৈ হ'লে সহনশীলতাৰ এটা উমৈহতীয়া নীতি থাকিব লাগিব আৰু ইয়াৰ বাবে ধর্মনিৰপেক্ষ ৰাজনীতিৰ প্রয়োজন। ৰাজনীতিৰ অর্থ হ'ল চৰকাৰৰ জৰিয়তে জনসাধাৰণৰ সামস্যা সমাধান কৰা। সঠিকভাৱে চলি থকা ধর্মনিৰপেক্ষ চৰকাৰৰ অধীনত মানুহৰ খাদ্য, আৰাম আৰু নিৰাপত্তাৰ সমস্যাবোৰ সহজে সমাধান কৰিব পাৰি। কিন্তু এখন চৰকাৰৰ কাম-কাজত ধর্মীয় বিশ্বাস আৰু আধ্যাত্মিক বিবেচনাৰ হস্তক্ষেপে উদ্দেশ্য নষ্ট কৰি পেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাৰতত ধর্মনিৰপেক্ষতাৰ যি কোনো দুটা প্রত্যাহ্বানৰ বিষয়ে চমুৱাই লিখক।

.....

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধর্মনিৰপেক্ষতা কেৱল এটা শব্দ নহয়, ই এটা ধাৰণা, যিটো স্বাধীন ভাৰতৰ প্রতিষ্ঠাপক পিতৃসকল আৰু ভাৰতৰ সংবিধানৰ স্থাপতিসকলে সমর্থন কৰিছিল। ইয়াত বহুত্ববাদী সমাজ আৰু ইয়াৰ ৰাষ্ট্রখন কেনেকৈ সংগঠিত হ'ব লাগে সেই সম্পর্কে কেইবাটাও নীতি আৰু মূল্যবোধক বুজোৱা হৈছে। ইয়াৰ মূল ধাৰণাটো হ'ল যে ৰাষ্ট্র আৰু আইনসমূহ ধর্মৰ ক্ষেত্রখনৰ লগত মিহলি হ'ব নালাগে। বৰঞ্চ ভাৰতীয়ক ভাল আৰু সৎ নাগৰিকলৈ পৰিণত

কৰিবলৈ চৰকাৰৰ ধর্মনিৰপেক্ষ প্রচেষ্টাক প্রত্যেক ধর্মই উপযোগী লংঘন প্রদান কৰা উচিত।

- ভাৰতৰ বাবে, ধর্মনিৰপেক্ষতা কোনো সৰল দৃষ্টিকোণ নহয়, ই জীয়াই থকা, সমাজত শান্তি, শৃংখলা আৰু বিবেকৰ সুৰক্ষাৰ প্রশ্ন। ভাৰতত ধর্মনিৰপেক্ষতা মানে ৰাষ্ট্রৰ দ্বাৰা সকলো ধর্মৰ প্রতি সমান ব্যৱহাৰ।
- ধর্মনিৰপেক্ষ পৰম্পৰা ৰক্ষাৰ বাবে ভাৰতৰ সংবিধানত কেইবাটাও বিধান সন্নিবিষ্ট কৰা হৈছে।
- গান্ধীজীৰ মতামত আছিল যে ধর্ম সম্পূর্ণৰূপে ব্যক্তিগত বিষয়। তেওঁ ধর্মীয় অনুষ্ঠানসমূহক আংশিকভাৱে বা সম্পূর্ণৰূপে ৰাষ্ট্রীয় সাহায্যৰ বিৰোধিতা কৰিছিল। তেওঁ ৰাজ্যিক প্রতিষ্ঠানত ধর্মীয় আৰু সম্প্রদায়িক ধর্মীয় শিক্ষাৰ ৰোপণৰ বিৰোধী আছিল। তেওঁ বিচাৰিছিল যে ধর্মীয় শিক্ষা ধর্মীয় সংঘৰ একচেটীয়া চিন্তা হওঁক গান্ধীজীৰ মত আছিল যে সকলো ধর্মৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু সহনশীলতা থাকিব লাগিব।

  নেহৰুৰ মতে, ধর্মনিৰপেক্ষতা কেৱল ৰাজনৈতিক মতবাদেই নহয়, ভাৰতৰ সকলো ধর্ম আৰু সাম্প্রদায়িক সামৰি লোৱা বিপ্লৱী চৰিত্রৰ সামাজিক মতবাদ আছিল। ধর্মনিৰপেক্ষতা সন্দর্ভত নেহৰু মতামতত চাৰিটা দিশ প্রতিফলিত হৈছে, যেনে -- ধর্মীয় স্বাধীনতা, ধর্মীয় বিষয়ত ৰাষ্ট্রৰ নিৰপেক্ষতা, সামাজিক জীৱনত ধর্মনিৰপেক্ষতা আৰু মনত ধর্মনিৰপেক্ষতাৰ মনোভাৱ।
- ভাৰতত ধর্মনিৰপেক্ষতাৰ কিছু প্রত্যাহ্বান আছে, যেনে-- একেধৰণৰ নাগৰিক সংহিতাৰ সমস্যা, ধর্মৰ ৰাজনীতিকৰণ, চৰকাৰে ন্যায়সংগত অর্থনৈতিক ব্যৱস্থা আৰু সংখ্যালঘূ গোটৰ ধাৰণা, ত্রুটিপূর্ণ শিক্ষা ব্যৱস্থা, সাংবিধানিক আৰু গণতান্ত্রিক প্রতিষ্ঠানৰ বিকৃতিত ব্যর্থ হোৱা।




৪.৯ অধিক জানিবলৈ

১) ভার্গৱ, ৰাজীৱ (২০১০) ভাৰতৰ ধর্মনিৰপেক্ষ গণতন্ত্রৰ প্রতিশ্রুতি, নতুন দিল্লীঃ অক্সফর্ড ইউনিভাৰচিটি প্রেছ।

২) ভূঞা, ড০ পি. আৰ (২০১৪) ধর্মনিৰপেক্ষতাঃ ভাৰতীয় গণতন্ত্রৰ কেন্দ্রবিন্দু নতুন দিল্লীঃ কুনাল বুকছ.

৩) ধ্যানি, এছ, এন. (১৯৯৬) ধর্মনিৰপেক্ষতাঃ সামাজিক আইনী বিষয়, জয়পুৰঃ ৰাৱাৰ পাব্লিকেচনছ।

৪) নিধাম, এ.ডি. আৰু ৰাজন, আৰ. এছ. (সম্পা)(২০০৯) ভাৰতত ধর্মনিৰপেক্ষতাৰ সংকট। ৰাণীখেতঃ স্থায়ী কৃষ্ণাংগ প্রকাশন।



৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (১) ব্যক্তি আৰু তেওঁলোক যিবোৰ সৰু সৰু গোটৰ অংশ সেইবোৰৰ প্রতি সন্মান। (২) সকলো মানুহৰ সমতা

২ নং প্রশ্নৰ উত্তৰ ঃ (১) ভাৰতত ধর্মনিৰপেক্ষতাৰ অর্থ হ'ল ৰাষ্ট্রৰ দ্বাৰা সকলো ধর্মক সমান ব্যৱহাৰ কৰা যিটো পশ্চিমীয়া ধর্মনিৰপেক্ষতাৰ ধাৰণাটোৱে ৰাষ্ট্রৰ পৰা ধর্মক পৃথক কৰাৰ কল্পনা কৰে।

(২) ধর্মনিৰপেক্ষতাৰ ধাৰণাত ধর্মীয় আইনক ৰাষ্ট্রৰ বাবে বাধ্যতামূলক বুলি গ্রহণ কৰা আৰু বিভিন্ন ধর্মত ৰাষ্ট্রৰ সমান অংশগ্রহণৰ কল্পনা কৰা হৈছে.

৩ নং প্রশ্নৰ উত্তৰ ঃ (১) মৌলিক অধিকাৰৰ অনুচ্ছেদ ২৭ ৰ অধীনত উল্লেখ কৰা কোনো বিশেষ ধর্ম বা ধর্মীয় প্রতিষ্ঠানৰ প্রচাৰ বা ৰক্ষণাবেক্ষণৰ বাবে ৰাষ্ট্রই কোনো নাগৰিকক কৰ দিবলৈ বাধ্য নকৰে।

(২) ৰাজ্যৰ পুঁজিৰে সম্পূর্ণৰূপে পৰিচালিত কোনো শিক্ষানুষ্ঠানত কোনো ধর্মীয় শিক্ষা প্রদান কৰা নহ'ব।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) ধর্মীয় স্বাধীনতা- ইয়াৰ অর্থ হৈছে ভাৰতৰ সকলো ধর্মকে সম-মর্য্যদা প্রদান কৰা, কোনো ধর্মক বিশেষ সুবিধা প্রদান কৰিব নালাগে। কোনো সম্প্রদায়ক ধর্মৰ আধাৰত নিজৰ বৈধ অধিকাৰৰ পৰা বঞ্চিত কৰা উচিত নহয়। লগতে তেওঁ সকলো সামাজিক বৈষম্য দূৰ কৰাৰ প্রয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁৰ মতে জাতিগত সমাজ এখন ধর্মনিৰপেক্ষ হ'ব নোৱাৰে। যদিও তেওঁ কাৰোবাৰ ব্যক্তিগত বিশ্বাসত হস্তক্ষেপ কৰাৰ বিৰোধিতা কৰিছিল তথাপিও যদি এই বিশ্বাসবোৰ জাতিগত বিভাজনত শিল হৈ পৰে, তেন্ত ই ৰাষ্ট্রৰ সামাজিক গাঁথনিত প্রভাৱ পেলায়। সেয়েহে সমাজখন এনে বিশ্বাসৰ পৰা মুক্ত হ'ব লাগে। এজনৰ সুযোগ বেছি, আনজনৰ কম।

৫ নং প্রশ্নৰ উত্তৰ ঃ (১) ত্রুটিপূর্ণ শিক্ষা ব্যৱস্থাঃ যি ত্রুটিপূর্ণ শিক্ষা ব্যৱস্থাই জনসাধাৰণক গোট আৰু সম্প্রদায়ৰ ৰূপত চিন্তা কৰিবলৈ উৎসাহিত কৰি আহিছে, সেইটোৱেও যুৱ ছাত্র-ছাত্রীৰ মনত ধর্মনিৰপেক্ষ ধাৰণা ৰোপণ কৰাত আৰু পাৰস্পৰিক দিয়া আৰু লোৱা অনুভৱক প্রসাৰিত কৰাত ব্যর্থ হৈছে।

(২) সাংবিধানিক আৰু গণতান্ত্রিক প্রতিষ্ঠানৰ বিকৃতিঃ

সাংবিধানিক আৰু গণতান্ত্রিক প্রতিষ্ঠানৰ বিকৃতিয়েও ভাৰতৰ ধর্মনিৰপেক্ষতা দুর্বল হোৱাত যথেষ্ট অৰিহণা যোগাইছে। সংবিধান আৰু ৰাজনৈতিক প্রতিষ্ঠানসমূহে সংবিধান প্রণয়কসকলে কল্পনা কৰা ধৰণে কাম কৰা নাই। উদাহৰণস্বৰূপে, যদিও ভোট বিচৰাৰ বাবে ধর্মৰ ব্যৱহাৰ অনুমোদিত নহয়, তথাপিও কিছুমান ৰাজনৈতিক দলে ভোট লাভৰ বাবে ধর্ম, জাতি আদিৰ দৰে কাৰকৰ মুক্ত ব্যৱহাৰ কৰিছে। এই সকলোবোৰে দেশত

প্রকৃত ধর্মনিৰপেক্ষ ৰাজনীতিৰ বৃদ্ধিত বাধাৰ সৃষ্টি কৰিছে।



৪.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ভাৰতীয় ধর্মনিৰপেক্ষতাৰ যিকোনো দুটা স্বকীয় চৰিত্র উল্লেখ কৰক।

প্রশ্ন ২ ঃ ধর্মৰ ৰাজনীতিকৰণ বুলিলে কি বুজোৱা হয়?

প্রশ্ন ৩ ঃ ধর্মনিৰপেক্ষ সমাজ এখনৰ আঁৰৰ যিকোনো দুটা ধাৰণা উল্লেখ কৰক।

প্রশ্ন ৪ ঃ অর্থ লিখক - ধর্মনিৰপেক্ষতাৰ অর্থ।

প্রশ্ন ৫ ঃ ধর্মনিৰপেক্ষতাৰ ওপৰত গান্ধীৰ মতামতৰ ওপৰত এটা চমু টোকা লিখক।

প্রশ্ন ৬ ঃ ধর্মনিৰপেক্ষতাৰ ওপৰত নেহৰুৰ মতামত পৰীক্ষা কৰক।

প্রশ্ন ৭ ঃ ধর্মনিৰপেক্ষ নীতি সুনিশ্চিত কৰিবলৈ ভাৰতৰ সংবিধানত অন্তর্ভুক্ত কৰা বিধানসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৮ ঃ ভাৰতত ধর্মনিৰপেক্ষতাৰ প্র্যাহ্বানৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাৰতৰ ন্যায় ব্যৱস্থা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ উচ্চতম ন্যায়ালয়

৫.৪ উচ্চ ন্যায়ালয়

৫.৪.১ নিম্ন আদালত

৫.৫ ন্যায়িক সমীক্ষা

৫.৬ ৰাজহুৱা স্বার্থজড়িত গোচৰ

৫.৭ ন্যায়পালিকাৰ সক্রিয়তা

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান

৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ ন্যায়িক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ন্যায়িক সমীক্ষাৰ প্রক্রিয়া বষয়ে আলোচনা কৰিব পাৰিব।
- ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ নতুন উন্নয়নমূলক বিষয় যেনে ৰাজহুৱা স্বার্থজড়িত গোচৰ আৰু ন্যায়িক সক্রিয়তা বিষেয়ে বিশ্লেষণ কৰিব পাৰিব।

৫.২ পৰিচয়

ভাৰতে এক সংহত ন্যায়িক ব্যৱস্থা প্রতিষ্ঠা কৰিছে। এই ব্যৱস্থাৰ শীর্ষত আছে উচ্চতম ন্যায়ালয়, তাৰ পিছত আছে উচ্চ ন্যায়ালয় আৰু অন্যান্য নিম্ন আদালত। ভাৰতীয় ন্যায় ব্যৱস্থাৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ন্যায়িক সমীক্ষাৰ ব্যৱস্থা, যিয়ে আদালতক বিধানমণ্ডলে প্রস্তুত কৰা আইন আৰু কার্যপালিকাৰ কার্য্যকৰিতাৰ সাংবিধানিকতা পৰীক্ষা কৰাৰ ক্ষমতা প্রদান কৰে। ভাৰতীয় ন্যায়িক ব্যৱস্থাত কিছুমান নতুন বৈশিষ্ট্যৰ উদ্ভৱ হৈছে, যেনে ৰাজহুৱা স্বার্থজড়িত গোচৰ আৰু ন্যায়িক সক্রিয়তা।

৫.৩ উচ্চতম ন্যায়ালয়

ভাৰতে এক যুক্তৰাষ্ট্ৰীয় চৰকাৰ প্ৰতিষ্ঠা কৰিছে। উচ্চতম ন্যায়পালিকাৰ উপস্থিতি যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। সেয়েহে, ভাৰতত উচ্চতম ন্যায়ালয় ন্যায়িক ব্যৱস্থাৰ শীৰ্ষত। ভাৰতীয় নাগৰিকে আবেদন কৰিব পৰা সৰ্বোচ্চ আদালতখনেই ভাৰতৰ উচ্চতম ন্যায়ালয়।

গঠন ঃ

ভাৰতৰ সংবিধান অনুসৰি উচ্চতম ন্যায়ালয় মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশৰ দ্বাৰা গঠিত হ'ব। বৰ্তমান ইয়াত মুখ্য ন্যায়াধীশৰ সৈতে মুঠ ৩০ জন ন্যায়াধীশ আছে।

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। ৰাষ্ট্ৰপতিয়ে মুখ্য ন্যায়াধীশৰ অনুৰোধত আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰি দ্ৰুত আৰু ফলপ্ৰসূ ৰায়দানৰ বাবে কিছু সংখ্যক অস্থায়ী ন্যায়াধীশক নিযুক্তি দিব পাৰে।

উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশে ৬৫ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰে। তেওঁ যিকোনো সময়তে নিজৰ কার্যালয়ৰ পৰা পদত্যাগ কৰিব পাৰে। 'প্ৰমাণিত দুৰ্ব্যৱহাৰ' বা 'অক্ষমতা'ৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে এজন ন্যায়াধীশক তেওঁৰ কার্যালয়ৰ পৰা অপসাৰণ কৰিব পাৰে।

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হ'বলৈ নিম্নোক্ত অৰ্হতা থাকিব লাগিব —

১) ভাৰতৰ নাগৰিক হ'ব লাগিব,

২) কমেও পাঁচ বছৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব লাগিব বা

৩) কমেও দহ বছৰ উচ্চ ন্যায়ালয়ৰ অধিবক্তা হ'ব লাগিব, বা

৪) ৰাষ্ট্ৰপতিৰ মতে এগৰাকী বিশিষ্ট আইনজ্ঞ হ'ব লাগিব।

অধিকাৰ ক্ষেত্ৰ ঃ

উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰ ক্ষেত্ৰ আছে। ই তলত উল্লেখ কৰা বিষয়সমূহত বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত নিজৰ ক্ষমতা প্ৰয়োগ কৰে ঃ

ক) কেন্দ্ৰ আৰু এক বা তাতোধিক ৰাজ্যৰ মাজত বিবাদ;

খ) এফালে কেন্দ্ৰ আৰু কোনো ৰাজ্য বা ৰাজ্যসমূহ আৰু আনটো ফালে এক বা তাতোধিক ৰাজ্যৰ মাজত বিবাদ;

গ) দুখন বা তাতোধিক ৰাজ্যৰ মাজত বিবাদ।

আপীলৰ অধিকাৰ ক্ষেত্ৰৰ অধীনত, উচ্চতম ন্যায়ালয়ে নিম্নলিখিত গোচৰবোৰৰ শুনানি ল'ব পাৰে ঃ—

ক) সাংবিধানিক গোচৰ ঃ যদি কোনো গোচৰ সংবিদানৰ ব্যাখ্যাৰ সৈতে সম্পৰ্কিত হয় তেন্তে উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰি।

খ) দেৱানী গোচৰ ঃ দেৱানী গোচৰত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। ইয়াত উচ্চ ন্যায়ালয়ে প্ৰমাণ কৰিব লাগিব যে গোচৰটোত সংবিধানৰ ব্যাখ্যা সম্পৰ্কে আইনৰ প্ৰশ্ন জড়িত হৈ আছে। আৰু প্ৰশ্নটোত উচ্চতম ন্যায়ালয়ৰ বাখ্যাৰ প্ৰয়োজন আছে।

গ) ফৌজদাৰী গোচৰ ঃ উচ্চ ন্যায়ালয়ৰ যিকোনো ৰায়, চূড়ান্ত আদেশ বা শাস্তিৰ বিৰুদ্ধে

উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। সাধাৰণতে, উচ্চ ন্যায়ালয়সমূহ হৈছে অপৰাধমূলক গোচৰৰ আপীলৰ চূড়ান্ত আদালত। কিন্তু উচ্চতম ন্যায়ালয়ে সংসদৰ দ্বাৰা প্রদান কৰা বিশেষ ক্ষমতাৰ বাবে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ বিৰুদ্ধে আপীলৰ শুনানি ল'ব পাৰে।

উচ্চতম ন্যায়ালয়ে কিছুমান পৰামর্শদানৰ ক্ষমতাও প্রয়োগ কৰে। ই ভাৰতৰ ৰাষ্ট্রপতিক আইনৰ প্রশ্ন বা সংবিধানৰ ব্যাখ্যাৰ সৈতে জড়িত কোনো তথ্যৰ ওপৰত নিজৰ মতামত প্রদান কৰিব পাৰে। অৱশ্যে, উচ্চতম ন্যায়ালয়ৰ মতামত বাধ্যতামূলক নহয়।

উচ্চতম ন্যায়ালয়ে সংবিধানৰ অভিভাৱক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপেও কাম কৰে। বিধানমণ্ডলে গৃহীত কৰা যিকোনো আইন বা কার্যপালিকাৰ দ্বাৰা লোৱা সিদ্ধান্তৰ পৰা সংবিধানক সুৰক্ষিত কৰাৰ বাবে বৈধতা বিচাৰৰ ক্ষমতা দিয়া হৈছে। উচ্চতম ন্যায়ালয়ে প্রস্তুত কৰা সংবিদানৰ ব্যাখ্যাৰ যথেষ্ট গুৰুত্ব আছে। ই মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে নির্দেশ, আদেশ আৰু লেখ জাৰি কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে বন্দী প্রত্যক্ষকৰণ (Habeas Corpus), পৰমাদেশ (Mandamus), প্রতিৰোধ (Prohibition), অধিকাৰ পৃচ্ছা (Quo Warrento) আৰু উৎপ্রেষণ (Certiorari) ৰ দৰে লেখ জাৰি কৰিব পাৰে।

ইয়াৰ নির্দেশ আৰু কার্যকলাপৰ তথ্য ৰখাটো উচ্চতম ন্যায়ালয়ৰ অন্যতম কাম। সময়ে সময়ে গৃহীত হোৱা ৰায়, আদেশ, নির্দেশনা ভৱিষ্যতৰ বাবে ৰাখিব লাগিব। সেইবোৰ কর্তৃত্বপূর্ণ আৰু ইয়াৰ যথেষ্ট প্রমাণমূলক মূল্য আছে। এইবোৰ নিম্ন আদালতসমূহে অনুসৰণ কৰে।

উচ্চতম ন্যায়ালয়ৰ আদালত অৱমাননাৰ বাবে শাস্তি প্রদান কৰাৰ ক্ষমতাও আছে। এই ক্ষমতা অনুসৰি, ই আদালতৰ ৰায়ক সমালোচনা কৰা, ন্যায়াধীশ আৰু আদালতক সমালোচনা কৰা, আদালতৰ বিৰুদ্ধে অপমানজনক মন্তব্য কৰা, আদালতৰ সিদ্ধান্ত মানি চলিবলৈ অস্বীকাৰ কৰা আদিৰ বাবে যিকোনো লোকক শাস্তি দিব পাৰে।



জানি থোৱা ভাল

লেখ হৈছে আদালতৰ দ্বাৰা প্রদান কৰা এক আনুষ্ঠানিক আদেশ। এজন ব্যক্তিক অন্যায়ভাৱে আটক কৰাৰ পৰা ৰক্ষা কৰিবলৈ প্রত্যক্ষকৰণ (Habeas Corpus)ৰ লেখ জাৰি কৰা হয়। পৰমাদেশ (Mandamus)ৰ লেখ কিছুমান নিম্ন কর্তৃপক্ষক নিজৰ অধিকাৰ ক্ষেত্রৰ ভিতৰত পৰা এক কার্য সম্পাদন কৰিবলৈ নির্দেশ দিবলৈ জাৰি কৰা হয়। প্রতিৰোধ (Prohibition)ৰ লেখ এখন উচ্চ আদালতৰ দ্বাৰা এখন নিম্ন আদলতলৈ জাৰি কৰা হয় যাতে ইয়াক এনে এটা বিষয়ৰ সৈতে মোকাবিলা কৰাত বাধা দিয়া হয় যাৰ ওপৰত ইয়াৰ কোনো অধিকাৰ নাই। এজন ব্যক্তিয়ে তেওঁৰ অধিকাৰ নথকা ৰাজহুৱা পদত কাম কৰাত বাধা দিবলৈ জাৰি কৰা লেখক অধিকাৰ পৃচ্ছা (Quo Warento) বুলি কোৱা হয়। আন এটা লেখ, যিটো উচ্চ আদালতৰ দ্বাৰা এটা গোচৰৰ অভিলেখ ইয়াৰ সঠিক বিবেচনাৰ বাবে দাখিল কৰাৰ বাবে নিম্ন আদালতলৈ জাৰি কৰা হয়, তাক উৎপ্রেষণ (Certiorari) বুলি কোৱা হয়।

৫.৪ উচ্চ ন্যায়ালয়

ভাৰতৰ সংবিধানে দেশৰ প্ৰতিখন ৰাজ্যতে এখন উচ্চ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে। কিন্তু কেতিয়াবা দুখন বা তাতোধিক ৰাজ্যৰ বাবে এখন উচ্চ ন্যায়ালয় থাকিব পাৰে। যিহেতু ভাৰতত এক একক ন্যায়িক ব্যৱস্থা আছে, সেয়েহে উচ্চ ন্যায়ালয়বোৰ পদানুক্ৰমত উচ্চতম ন্যায়ালয়ৰ পিছতে স্থান।

গঠন ঃ

ৰাষ্ট্ৰপতিয়ে উচ্চ ন্যায়লয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলক নিযুক্তি দিয়ে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যাৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো নিৰ্দিষ্ট নিয়ম নাই। ৰাষ্ট্ৰপতিয়ে প্ৰয়োজন অনুভৱ কৰিলে ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে কিছুমান অতিৰিক্ত ন্যায়াধীশকো নিযুক্তি দিব পাৰে।

উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ ৬২ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰে। তেওঁ তেওঁৰ কাৰ্যকাল শেষ হোৱাৰ আগতেই পদত্যাগ কৰিব পাৰে। "প্ৰমাণিত দুৰ্ব্যৱহাৰ" বা "অক্ষমতা"ৰ বাবে ৰাষ্ট্ৰপতিয়ে এজন ন্যায়াধীশক তেওঁৰ কাৰ্যালয়ৰ পৰা আঁতৰাব পাৰে।

উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশয়ে উচ্চতম ন্যায়ালয় আৰু অন্যান্য উচ্চ ন্যায়ালয়ৰ বাহিৰে কোনো আদালতত বা কোনো কৰ্তৃপক্ষৰ আগত যুক্তি দিব নোৱাৰে বা কাম কৰিব নোৱাৰে।

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'বলৈ হ'লে — (i) ভাৰতৰ নাগৰিক হ'ব লাগিব, (ii) ভাৰতৰ ভূখণ্ডত কমেও ১০ বছৰ ধৰি ন্যায়িক পদত অধিষ্ঠিত হ'ব লাগিব, বা (iii) কমেও ১০ বছৰ ধৰি এখন বা তাতকৈ অধিক উচ্চ ন্যায়ালয়ত অধিবক্তা হ'ব লাগিব।

অধিকাৰ ক্ষেত্ৰ

নাগৰিকৰ মৌলিক অধিকাৰ উলংঘনৰ বাবে যিকোনো ব্যক্তি, কৰ্তৃপক্ষ বা যিকোনো চৰকাৰক লেখকে ধৰি নিৰ্দেশনা আৰু আদেশ জাৰি কৰাৰ মূল অধিকাৰ উচ্চ ন্যায়ালয়সমূহৰ আছে। উচ্চ ন্যায়ালয়সমূহক বিবাহ বিচ্ছেদ, বিবাহ, কোম্পানী আইন আৰু আদালত আৱমাননা সম্পৰ্কীয় গোচৰত সীমিত অধিকাৰ প্ৰদান কৰা হৈছে।

উচ্চ ন্যায়ালয়সমূহৰ আপীলৰ অধিকাৰ ক্ষেত্ৰখন দেৱানী আৰু অপৰাধমূলক দুয়োটা গোচৰতে নিম্ন ন্যায়ালয়সমূহৰ সিদ্ধান্তৰ বিৰুদ্ধে আপীলৰ শুনানীলৈ সম্প্ৰসাৰিত হয়। উচ্চ ন্যায়ালয়ে নিম্ন আদালতৰ দ্বাৰা গৃহীত মৃত্যুদণ্ড নিশ্চিত কৰিব লাগিব।

উচ্চ ন্যায়ালয়সমূহবো প্ৰশাসনিক অধিকাৰ ক্ষেত্ৰও আছে। উচ্চ ন্যায়ালয়সমূহে সকলো নিম্ন আদালতৰ কাম-কাজ নিৰীক্ষণ কৰে। তেওঁলোকে নিম্ন আদালতৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ সাধাৰণ নিয়ম জাৰি কৰিব পাৰে।

উচ্চতম ন্যায়ালয়ৰ দৰে উচ্চ ন্যায়ালয়ে ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে পাঁচটা লেখ জাৰি কৰিব পাৰে।

৫.৫.১ নিম্ন আদালত

উচ্চ ন্যায়ালয়ৰ আধীনত কাম কৰা নিম্ন আদালতসমূহ হ'ল — জিলা ন্যায়াধীশৰ আদালত, সহকাৰী ন্যায়াধীশৰ আদালত, উপ-ন্যায়াধীশৰ আদালত, মুন্সিফৰ আদালত।

জিলা ন্যায়াধীশৰ আদালত হৈছে এখন জিলাৰ সর্বোচ্চ আদালত। ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ সৈতে আলোচনা কৰি ৰাজ্যপালে জিলা ন্যায়াধিশক নিযুক্তি দিয়ে। দেৱানী গোচৰৰ সৈতে মোকাবিলা কৰোঁতে তেওঁক জিলা ন্যায়াধীশ আৰু অপৰাধমূলক গোচৰৰ সৈতে মোকাবিলা কৰোঁতে চেচন্ (Session) ন্যায়াধীশ কোৱা হয়।

উচ্চ ন্যায়ালয়সমূহক জিলা আদালত আৰু অন্যান্য অদীনস্থ নিম্ন আদালতৰ ওপৰত নিয়ন্ত্রণ প্রয়োগ কৰাৰ ক্ষমতা দিয়া হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ যিকোনো দুটা অধিকাৰ ক্ষেত্রৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ উচ্চ ন্যায়ালয়ৰ গঠনৰ বিষয়ে লিখক।

.....

.....

.....

.....

প্রশ্ন নং ৩ ঃ উচ্চতম ন্যায়ালয়ক সংবিদান আৰু মৌলিক অধিকাৰৰ ৰক্ষক হিচাপে কিয় গণ্য কৰা হয় বুজাই লিখক।

.....

.....

.....

.....

কার্য ৫.১



গুৱাহাটী উচ্চ ন্যায়ালয়ে সেৱা আগবঢ়োৱা ৰাজ্যসমূহৰ নাম জানি লওক।

.....

.....

৫.৫ ন্যায়িক সমীক্ষা (Judicial Review)

ভাৰতৰ সংবিধানে ন্যায়িক সমীক্ষাৰ এক বিশেষ ক্ষমতা উচ্চতম ন্যায়লয় আৰু উচ্চ ন্যায়ালয়ক প্রদান কৰিছে। এই ক্ষমতা অনুসৰি আদালতে বিধানমণ্ডলৰ দ্বাৰা গৃহীত আইন আৰু কার্যপালিকাৰ দ্বাৰা গ্রহণ কৰা পদক্ষেপ সংবিধানৰ ব্যৱস্থাৰ সৈতে সামঞ্জস্যপূর্ণ নে নহয় সেয়া পৰীক্ষা কৰিব পাৰে। যদি আদালতে বিচাৰে যে কোনো আইন বা কার্যবাহী পদক্ষেপ সংবিধানৰ বিৰোধী বা সংবিধান উলংঘা কৰিছে, তেন্তে তাক অসাংবিধানিক বা অবৈধ বুলি ঘোষণা কৰিব পাৰে। এই ক্ষমতাই উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতীয় সংবিধানৰ অভিভাৱক কৰি তুলিছে।

ন্যায়পালিকাৰ এই শক্তিয়ে বিধানমণ্ডল আৰু কার্যবাহীৰ ওপৰত নির্দিষ্ট পৰিমাণৰ দায়িত্ব আৰোপ কৰাত সহায় কৰিছে। বিধানমণ্ডলে আইন প্রণয়ন কৰাৰ সময়ত মনত ৰাখিব লাগে যাতে আইনবোৰ সংবিধানৰ বিৰুদ্ধে নাযায়। একেদৰে কার্যবাহীসকলেও সংবিধানৰ ব্যৱস্থা অনুসৰি পদক্ষেপ গ্রহণ কৰিব লাগে।

ভাৰতীয় ন্যায়পালিকাৰ ন্যায়িক সমীক্ষাৰ ক্ষমতা সীমিত। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়লয়ে কেৱল দুটা ভিত্তিতহে এই ক্ষমতা প্রয়োগ কৰিব পাৰে। সেয়া হ'ল —

১) সমীক্ষাৰ অধীনত অহা আইন বা কার্যবাহী সিদ্ধান্তটো ইয়াক প্রস্তুত কৰা কর্তৃপক্ষৰ ক্ষমতাৰ ভিতৰত পৰে নে নাই, আৰু

২) কোনো আহ্বান বা কার্যপালিকাৰ সিদ্ধান্ত নাগৰিকৰ মৌলিক অধিকাৰৰ সৈতে সম্পর্কিত সংবিধানৰ তৃতীয় অংশৰ সৈতে সুসংগত হয় নে নাই।

ভাৰতীয় ন্যায়পালিকাৰ ন্যায়িক সমীক্ষাৰ সীমাহীন ক্ষমতা নাই। ই "আইনৰ দ্বাৰা স্থাপিত পদ্ধতি" ৰ নীতি অনুসৰণ কৰি নিজৰ ক্ষমতা প্রয়োগ কৰিব লাগিব। সংবিধানৰ ২১ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে "কোনো ব্যক্তিক আইনৰ দ্বাৰা স্থাপিত পদ্ধতিৰ বাহিৰে তেওঁৰ জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰা নহ'ব।" ইয়াত উল্লেখ কৰা "আইন" শব্দটোৱে প্রাকৃতিক আইনক নুবুজায়, বৰঞ্চ ই "ৰাষ্ট্র-নির্মিত আইনকহে" বুজায়। ইয়াৰ অর্থ হৈছে যে আদালতে আইনসমূহ পৰীক্ষা কৰাৰ সময়ত কেৱল প্রক্রিয়াটোৰ ওপৰত প্রশ্ন উত্থাপন কৰিব পাৰে আৰু যদি প্রক্রিয়াটো অনুসৰণ কৰা নহয়, তেতিয়াহে আদালতে বিধানমণ্ডলে প্রণয়ন কৰা সংবিধানিকনীতিৰ উলংঘন কৰা যিকোনো আইনক অসাংবিধানিক বুলি ঘোষণা কৰিব

পাৰে। একে সময়তে আদালতে সংবিধানিক নীতিৰ উলংঘন কৰা যিকোনো আইনক অসাংবিদানিক বুলি ঘোষণা কৰিব পাৰে সীমাবদ্ধতা থকা স্বত্বেও উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে ন্যায়িক সমীক্ষাৰ ক্ষমতা সফলতাৰে ব্যৱহাৰ কৰি আহিছে আৰু সংবিদানৰ অভিভাৱক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপে কাম কৰি আহিছে।

৫.৬ ৰাজহুৱা স্বার্থজড়িত গোচৰ (PUBLIC INTEREST LITIGATION)

জনসাধাৰণক দ্রুত আৰু সুলভ ন্যায়িক সেৱা প্রদানৰ বাবে ভাৰতীয় ন্যায়িক ব্যৱস্থাত ৰাজহুৱা স্বার্থজড়িত গোচৰে (পি.আই.এল.) এক নতুন আহিলা হিচাপে আত্মপ্রকাশ কৰিছে। "নিউ লিগেল হৰাইজন" হিচাপেও বর্ণনা কৰা পি.আই.এল. -টো চাৰিটা মুখ্য উদ্দেশ্য প্রাপ্ত কৰাৰ বাবে প্রস্তুত কৰা হৈছে, যেনে, ন্যায়িক ব্যৱস্থাটোক সক্রিয়, দক্ষ, কম ব্যয়বহুল আৰু সৰল কৰি তোলা।

ৰাজহুৱা স্বার্থজড়িত গোচৰ তেতিয়া উদ্ভৱ হৈছিল যেতিয়া উচ্চতম ন্যায়ালয়ৰ সাতজনীয়া ন্যায়াধীশৰ সাংবিধানিক বিচাৰপীঠে ন্যায়াধীশৰ বদলি গোচৰৰ ঐতিহাসিক ৰায়দানত ৰায় দিছিল যে জনসাধাৰণৰ যিকোনো সদস্যই যদিও প্রত্যক্ষভাৱে জড়িত নহয় কিন্তু "পর্যাপ্ত আগ্রহৰ" বাবে ২২৬ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰে বা মৌলিক অধিকাৰ উলংঘনৰ ক্ষেত্রত ৩২ নং অনুচ্ছেদৰ অধীনত উচ্চতম ন্যায়ালয়ৰ কাষ চাপিব পাৰে। "দৰিদ্রতা, অসহায়তা বা অক্ষমতা বা সামাজিক বা অর্থনৈতিকভাৱে বঞ্চিত অৱস্থা" ৰ বাবে আদালতলৈ যাব নোৱাৰা ব্যক্তিসকলৰ অভিযোগ নিষ্পত্তিৰ বাবে আদালতত আবেদন কৰিব পাৰি।

পি. আই. এল. হৈছে এনে এক ব্যৱস্থা যি ন্যায়িক ব্যৱস্থাৰ প্রতি আনুষ্ঠানিক দৃষ্টিভংগীৰ পৰা আঁতৰি থাকে। কোনো আনুষ্ঠানিক আবেদন নকৰাকৈ ইয়াক আৰম্ভ কৰিব পাৰি। ন্যায় বিচৰা ব্যক্তিসকলে আনকি আদালতত এখন পোষ্টকার্ডও লিখিব পাৰে আৰু উপযুক্ত বুলি প্রমাণিত হ'লে আদালতে গোচৰটো ব্যৱস্থা গ্রহণৰ বাবে বিবেচনা কৰিব পাৰে। ইয়াক উচ্চ ন্যায়ালৰ পত্রমূলক অধিকাৰক্ষেত্র বুলি কোৱা হয়।

কিছুমান অসাধু ব্যক্তিয়ে নিজৰ স্বার্থৰ বাবে পি. আই. এলৰ অপব্যৱহাৰ কৰিব পাৰে। সমালোচকসকলে এইটোও মত পোষণ কৰে যে যিহেতু পি. আই. এ. গোচৰসমূহ গ্রহণ আৰু নিষ্পত্তিৰ বাবে কোনো সঠিক নির্দেশনা নাই, সেয়েহে আদালতসমূহৰ নিজৰ সীমা অতিক্রম কৰাৰ সম্ভাৱনা আছে। তাৰ পিছত পৰৱর্তী পদক্ষেপৰ অভাৱত আদালতে ক্ষতিগ্রস্ত লোকসকলক সাহার্য্য প্রদান কৰাৰ পিছতো পি. আই. এল. প্রণালীটো নিষ্ক্রিয় হৈ পাৰিব পাৰে। একে সময়তে, এনে এক গ্রগতিশীল সঁজুলিৰ সঠিকভাৱে কাম কৰাৰ বাবে ভাৰতত জনসাধাৰণৰ চেতনাও ইমান শক্তিশালী নহয়।

৫.৭ ন্যায়পালিকাৰ সক্রিয়তা (JUDICIAL ACTIVISM)

শেহতীয়া সময়ত ন্যায়পালিকাৰ সক্রিয়তা ভাৰতীয় ন্যায়িক ব্যৱস্তাৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হিচাপে পৰিগণিত হৈছে। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতৰ সংবিধান আৰু নাগৰিকসকলৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ দায়িত্ব দিয়া হৈছে। এই দায়িত্ব পালন কৰিবলৈ তেওঁলোকক ন্যায়িক সমীক্ষাৰ ক্ষমতা প্রদান কৰা হৈছে আৰু সেইবাবে তেওঁলোক জনস্বার্থ সুৰক্ষিত কৰাৰ বাবে অতি সক্রিয় হৈ পৰিছে যাক ন্যায়পালিকাৰ সক্রিয়তা বুলি বর্ণনা কৰা হয়। আদালতসমূহে জনসাধাৰণৰ প্রতি তেওঁলোকৰ কর্তব্য আৰু দায়িত্বৰ কথা মনত পেলাই দি কাযপালিকা আৰু বিধানমণ্ডলৰ কার্যকলাপত হস্তক্ষেপ আৰু প্রশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে।

উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহে সাধাৰণ জনস্বার্থৰ বিষয়ত কার্যবাহী আৰু বিধানমণ্ডলৰ উদাসীন আৰু দায়িত্বহীন মনোভাৱৰ বিৰুদ্ধে ৰায়, সিদ্ধান্ত আৰু নির্দেশনা প্রদান কৰি আহিছে। তেওঁলোকে ৰাজহুৱা কর্মচাৰী আৰু অন্যান্যসকলৰ দুর্নীতিৰ বিৰুদ্ধেও সক্রিয় হৈ পৰিছে।

সক্রিয়তা হিচাপে, উচ্চতম ন্যায়ালয়ে প্রদূষণ নিয়ন্ত্রণ কৰিবলৈ শিশু পতিতাবৃত্তিৰ নিয়ন্ত্রণ কৰিবলৈ, ১০,০০০ কর্মচাৰীৰ জীৱিকা সুৰক্ষিত কৰিবলৈ এটা নিষ্ক্রিয় কোম্পানীক পুনৰুজ্জীৱিত কৰিবলৈ, বান্ধ নির্মাণৰ বিপদাশংকা নিৰীক্ষণ কৰিবলৈ, তাজমহলক পৰিৱেশ প্রদূষণ আৰু আন বহুতৰ পৰা সুৰক্ষিত কৰিবলৈ নির্দেশনা জাৰি কৰিছে।

ন্যায়পালিকাৰ সক্রিয়তাৰ প্রক্রিয়া প্রকৃততে ভাৰতত ১৯৮৫ চনত আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ভাৰতৰ তেতিয়াৰ মুখ্য ন্যায়াধীশ, ন্যায়াধীশ পি.এন ভগৱতীয়ে ন্যায়িক সিদ্ধান্তৰ বিবেচনাৰ বাবে এজন ভুক্তভোগী নাগৰিকে তেওঁক পোষ্ট কার্ডত লিখা এখন পত্র গ্রহণ কৰিছিল। এইদৰে ভাৰতত ন্যায়পালিকাৰ সক্রিয়তাৰ প্রক্রিয়া আৰম্ভ হৈছিল। ১৯৯০ৰ দশকত ই ক্রমান্বয়ে অধিক স্পষ্ট হৈ পৰিছিল।

সক্রিয়তা থাকিলেও ন্যায়পালিকাই সংবিধানৰ নির্ধাৰিণ কৰি দিয়া সীমা অতিক্রম কৰিব নালাগে। ই নিজৰ কার্যকলাপত সংযম বজাই ৰাখিব লাগিব। ই নিজৰ অধিকাৰক্ষেত্র মনত ৰাখিব লাগিব আৰু কার্যপালিকা আৰু বিধানমণ্ডলৰ কর্তৃত্বক সন্মান কৰিব লাগিব।



জানি থোৱা ভাল

লোক আদালত হৈছে বিবাদৰ দ্রুত আৰু দক্ষ নিষ্পত্তিৰ বাবে ভাৰতীয় ন্যায়িক ব্যৱস্থাত প্রদান কৰা এক গুৰুত্বপূর্ণ সঁজুলি। সেইবোৰ আনুষ্ঠানিক ন্যায়িক কার্য্যকলাপৰ বাহিৰত সংগঠিত কৰা হৈছে। লোক আদালতত এজন ন্যায়িক বিষয়া আৰু অন্যান্য সদস্য থাকে যিসকলক সাধাৰণতে সামাজিক কর্মী, মহিলা সংগঠনৰ সদস্য, অৱসৰপ্রাপ্ত অসামৰিক কর্মচাৰী, চিকিৎসক, শিক্ষক

আদিৰ মাজৰ পৰা মনোনীত কৰা হয়। ন্যায়িক বিষয়া আৰু লোক আদালতৰ সদস্যসকলে গোচৰৰ সিদ্ধান্ত লোৱাৰ সময়ত সদায় বিবাদকাৰী পক্ষসমূহে পাৰস্পৰিক উপনীত হোৱা এক মীমাংসা বিচাৰিবলৈ চেষ্টা কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ন্যায়িক সমীক্ষা বুলিলে কি বুজোৱা হৈছে?

.....

.....

প্রশ্ন নং ৫ ঃ ৰাজহুৱা স্বার্থজড়িত গোচৰ কি?

.....

.....

প্রশ্ন নং ৬ ঃ ন্যায়পালিকাৰ সক্রিয়তাৰ অর্থ উল্লেখ কৰক।

.....

.....

.....



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত এক সংহত ন্যায়িক ব্যৱস্থা আছে, যাৰ শীর্ষত উচ্চতম ন্যায়ালয়, তাৰ পিছত উচ্চ ন্যায়ালয় আৰু অন্যান্য নিম্ন আদালত আছে।
- সংবিধানে প্রদান কৰিছে যে উচ্চতম ন্যায়ালয়ে মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশৰ দ্বাৰা গঠিত হ'ব। বর্তমান ইয়াত মুঠ ৩০ জন ন্যায়াধীশ আছে যাৰ মুৰব্বী হৈছে মুখ্য ন্যায়াধীশ। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশসকলক ভাৰতৰ ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হ'বলৈ এজন ব্যক্তিৰ কিছুমান বিশেষ যোগ্যতা থাকিব লাগিব।
- ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰক্ষেত্র আৰু আপীলৰ অধিকাৰক্ষেত্র আছে। ই কিছুমান পৰামর্শমূলক ক্ষমতাও প্রয়োগ কৰে। উচ্চতম ন্যায়ালয়ে সংবিধানৰ অভিভাৱক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপেও কাম কৰে। ইয়াৰ নির্দেশ আৰু কার্য্যকলাপৰ তথ্য ৰখাটো উচ্চতম ন্যায়ালয়ৰ অন্যতম কাম।
- ভাৰতৰ সংবিধানে প্রতিখন ৰাজ্যত বা দুখন বা তাতোধিক ৰাজ্যৰ বাবে এখন উচ্চ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে। ভাৰতৰ ৰাষ্ট্রপতিয়ে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলক নিযুক্তি দিয়ে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'বলৈ এজন ব্যক্তিৰ

কিছুমান নির্দিষ্ট অর্হতা থাকিব লাগিব।

- উচ্চ ন্যায়ালয়সমূহৰ মূল অধিকাৰ ক্ষেত্র আৰু আপীলৰ অধিকাৰ ক্ষেত্র আছে। উচ্চ ন্যায়ালয়সমূহৰ প্রশাসনিক অধিকাৰ আছে। তেওঁলোকে সকলো নিম্ন আদালতৰ কাম-কাজ নিৰীক্ষণ কৰে। উচ্চ ন্যায়ালয়ে ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰিবলৈ পাঁচটা লেখ জাৰি কৰিব পাৰে।
- নিম্ন আদালতসমূহে উচ্চ ন্যায়ালয়ৰ অধীনত কাম কৰে। নিম্ন আদালতসমূহ হ'ল — জিলা ন্যায়াধীশৰ আদালত, সহকাৰী ন্যায়াধীশৰ আদালত, উপ-ন্যায়াধীশৰ আদালত, মুন্সিফৰ আদালত।
- ভাৰতৰ সংবিধানে ন্যায়িক সমীক্ষাৰ এক বিশেষ ক্ষমতা উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক প্রদান কৰিছে। এই ক্ষমতা অনুসৰি আদালতে বিধানমণ্ডলৰ দ্বাৰা গৃহীত আইন আৰু কার্যবাহীৰ দ্বাৰা গ্রহণ কৰা পদক্ষেপ সংবিদানিক ব্যৱস্থাৰ সৈতে সমাঞ্জস্যপূর্ণ নে নহয় সেয়া পৰীক্ষা কৰিব পাৰে। যদি আদালতে বিচাৰে যে কোনো আইন বা কার্যবাহী পদক্ষেপ সংবিধানৰ ব্যৱস্থাৰ বিৰোধী বা সংবিধান উলংঘা কৰিছে, তেন্তে তেওঁলোকে তাক অসাংবিধানিক বা অবৈধ বুলি ঘোষণা কৰিব পাৰে। এই ক্ষমতাই উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতীয় সংবিধানৰ অভিভাৰক কৰি তুলিছে।
- জনসাধাৰণক দ্রুত আৰু সুলভ ন্যায়িক সেৱা প্রদানৰ বাবে বাৰতীয় ন্যায়িক ব্যৱস্থাত ৰাজহুৱা স্বার্থজড়িত গোচৰে (পি.আই.এল.) এক নতুন সঁজুলি হিচাপে আত্মপ্রকাশ কৰিছে। পি. আই. এল. হৈছে এনে এক ব্যৱস্থা যি ন্যায়িক ব্যৱস্তা আনুষ্ঠানিক দৃষ্টিভংগীৰ পৰা আঁতৰি থাকে। আনুষ্ঠানিক আবেদন নকৰাকৈ ইয়াক আৰম্ভ কৰিব পাৰি। ন্যায় বিচৰা ব্যক্তিসকলে আনকি আদালতত এখন পোষ্টকার্ডও লিখিব পাৰে আৰু উপযুক্ত বুলি প্রমাণিত হ'লে আদালতে গোচৰটো ব্যৱস্থা গ্রহণৰ বাবে বিবেচনা কৰিব পাৰে।
- উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতৰ নাগৰিকসকলৰ সংবিধান আৰু মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ দায়িত্ব দিয়া হৈছে। এই দায়িত্ব পালন কৰিবলৈ তেওঁলোকক ন্যায়িক সমীক্ষাৰ ক্ষমতা প্রদান কৰা হয় আৰু তেওঁলোক জনস্বার্থ সুৰক্ষিত কৰাৰ বাবে অতি সক্রিয় হৈ পৰিছে যাক ন্যায়পালিকাৰ সক্রিয়তা বুলি বর্ণনা কৰা হয়। আদালতসমূহে জনসাধাৰণৰ প্রতি তেওঁলোকৰ কর্তব্য আৰু দায়িত্বৰ কথা মনত পেলাই দি কার্যবাহী আৰু বিধানমণ্ডলৰ কার্যকলাপত হস্তক্ষেপ আৰু প্রশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে।



৫.৯ অধিক জানিবলৈ

1) Abbas, H.; Kumar, R & Lam, M.A. (2011). *Indian Government and Politics.* New Delhi: Pearson.

2) Jha, Rajesh. (ed) (2012). *Fundamental of Indian Political System.* New Delhi: Pearson.

3) Narula, Sanjay. (2007). *The Indian Political System*. New Delhi: Murari Lal & Sons.

4) Sikri, S.L. (2002). *Indian Government and Politics.* New delhi: Kalyani Publishers.



৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰ ক্ষেত্র আছে। ই তলত উল্লেখ কৰা বিষয়সমূহত বিবাদ নিষ্পত্তি কৰাৰ ক্ষেত্রত নিজৰ ক্ষমতা প্রয়োগ কৰে ঃ

ক) কেন্দ্র আৰু এক তাতোধিক ৰাজ্যৰ মাজত বিবাদ;

খ) এফালে কেন্দ্র আৰু কোনো ৰাজ্য বা ৰাজ্যসমূহ আৰু আনটো ফালে এক বা ততোধিক ৰাজ্যৰ মাজত বিবাদ;

গ) দুখন বা ততোধিক ৰাজ্যৰ মাজত বিবাদ।

আপীলৰ অধিকাৰ ক্ষেত্রৰ অধীনত, উচ্চতম ন্যায়ালয়ে নিম্নলিখিত গোচৰবোৰৰ শুনানি ল'ব পাৰে ঃ-

ক) সাংবিধানিক গোচৰ-যদি কোনো গোচৰ সংবিধানৰ ব্যাখ্যাৰ সৈতে সম্পর্কিত হয় তেন্তে উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰি।

খ) দেৱানী গোচৰ-দেৱানী গোচৰত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। ইয়াত উচ্চ ন্যায়ালয়ে প্রমাণ কৰিব লাগিব যে গোচৰটোত সংবিদানৰ ব্যাখ্যা সম্পর্কে আইনৰ প্রশ্ন জড়িত হৈ আছে।

গ) ফৌজদাৰী গোচৰ- উচ্চ ন্যায়ালয়ৰ যিকোনো ৰায় চূড়ান্ত আদেশ বা শাস্তিৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। সাধাৰণতে, উচ্চ ন্যায়াল.সমূহ হৈছে অপৰাধমূলক গোচৰৰ আপীলৰ চূড়ান্ত আদালত। কিন্তু উচ্চতম ন্যায়ালয়ে সংসদৰ দ্বাৰা প্রদান কৰা বিশেষ ক্ষমতাৰ বাবে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ বিৰুদ্ধে সিদ্ধান্তৰ বিৰুদ্ধে আপীলৰ শুনানি ল'ব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রপতিয়ে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলক নিযুক্তি দিয়ে। উচ্চ ন্যায়ালয়ৰ সংখ্যাৰ ক্ষেত্রত এতিয়ালৈকে কোনো নির্দিষ্ট নিয়ম নাই। ৰাষ্ট্রপতিয়ে প্রয়োজন অনুভৰ কৰিলে ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰিব পাৰে। তেওঁ কিছুমান অতিৰিক্ত ন্যায়াধীশ নিয়োগ কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চতম ন্যায়ালয়ে সংবিধানৰ অভিভাৱক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপে কাম কৰে। বিধানমণ্ডলে গৃহীত কৰা যিকোনো আইন বা কাৰ্যবাদীৰ দ্বাৰা লোৱা সিদ্ধান্তৰ পৰা সংবিধানক সুৰক্ষিত কৰাৰ বাবে ইয়াক ন্যায়িক সমীক্ষাৰ ক্ষমতা দিয়া হৈছে। উচ্চতম ন্যায়ালয়ে প্ৰস্তুত কৰা সংবিধানৰ ব্যাখ্যাৰ যথেষ্ট গুৰুত্ব আছে। ই মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে নিৰ্দ্দেশনা, আদেশ আৰু লেখ জাৰি কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে বন্দী প্ৰত্যক্ষীকৰণ (Habeas Corpus), পৰমাদেশ (Mandamus), প্ৰতিৰোধ (Prohibition), অধিকাৰ পৃচ্ছা (Quo Warrento) আৰু উৎপ্ৰেষণ (Certiorari)ৰ দৰে লেখ জাৰি কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানে ন্যায়িক সমীক্ষাৰ এক বিশেষ ক্ষমতা উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক প্ৰদান কৰিছে। এই ক্ষমতা অনুসৰি আদালতে বিধানমণ্ডলৰ দ্বাৰা গৃহীত আইন আৰু কাৰ্যবাহীৰ দ্বাৰা গ্ৰহণ কৰা পদক্ষেপ সংবিধানৰ ব্যৱস্থাৰ সৈতে সামঞ্জস্যপূৰ্ণ নে নহয় সেয়া পৰীক্ষা কৰিব পাৰে। যদি আদালতে বিচাৰে যে কোনো আইন বা কাৰ্যবাদী পদক্ষেপ সংবিধানৰ ব্যৱস্থাৰ বিৰোধী বা সংবিধান উলংঘা কৰিছে, তেন্তে তেওঁলোকে তাক অসাংবিধানিক বা অবৈধ বুলি ঘোষণা কৰিব পাৰে। এই ক্ষমতাই উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতীয় সংবিধানৰ অভিভাৱক কৰি তুলিছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পি. আই. এল হৈছে এনে এক ব্যৱস্থা যি ন্যায়িক ব্যৱস্থাৰ প্ৰতি আনুষ্ঠানিক দৃষ্টিভংগীৰ পৰা আঁতৰি থাকে। কোনো আনুষ্ঠানিক আবেদন নকৰাকৈ ইয়াক আৰম্ভ কৰিব পাৰি। ন্যায় বিচৰা ব্যক্তিসকলে আনকি আদালতত এখন পোষ্টকার্ডও লিখিব পাৰে আৰু উপযুক্ত বুলি প্ৰমাণিত হ'লে আদালতে গোচৰটো ব্যৱস্থা গ্ৰহণৰ বাবে বিবেচনা কৰিব পাৰে। ইয়াক উচ্চ ন্যায়ালয়ৰ পত্ৰমূলক অধিকাৰক্ষেত্ৰ বুলি কোৱা হয়। ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ চাৰিটা মুখ্য উদ্দেশ্য প্ৰাপ্ত কৰাৰ বাবে প্ৰস্তুত কৰা হৈছে, যেনে, ন্যায়িক ব্যৱস্তাটোক সক্ৰিয়, দক্ষ, কম ব্যয়বহুল আৰু সৰল কৰি তোলা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শেহতীয়া সময়ত ন্যায়পালিকাৰ সক্ৰিয়তা ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিচাপে পৰিগণিত হৈছে। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক ভাৰতৰ সংবিধান আৰু নাগৰিকসকলৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ দায়িত্ব দিয়া হৈছে। এই দায়িত্ব পালন কৰিবলৈ তেওঁলোকক ন্যায়িক সমীক্ষাৰ ক্ষমতা প্ৰদান কৰা হৈছে আৰু সেইবাবে তেওঁলোক জনস্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে অতি সক্ৰিয় হৈ পৰিছে যাক ন্যায়পালিকাৰ সক্ৰিয়তা বুলি বৰ্ণনা কৰা হয়। আদালতসমূহে জনসাধাৰণৰ প্ৰতি তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্বৰ কথা মনত পেলাই দি কাৰ্যবাহী আৰু বিধানমণ্ডলৰ কাৰ্যকলাপত হস্তক্ষেপ আৰু প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে।



৫.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হোৱাৰ যোগ্যতা কি?

প্ৰশ্ন ২ ঃ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক কেনেদৰে কার্যালয়ৰ পৰা অপসাৰণ কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ ভাৰতৰ নিম্ন আদালতসমূহ কি কি?

প্ৰশ্ন ৪ ঃ ভাৰতত ন্যায়পালিকাৰ সক্ৰিয়তাৰ প্ৰক্ৰিয়া কেনেকৈ আৰম্ভ হৈছিল?

প্ৰশ্ন ৫ ঃ ভাৰতত পি.আই. এল প্ৰণালীটোৱে কেনেদৰে কাম কৰে?

প্ৰশ্ন ৬ ঃ ন্যায়িক সমীক্ষাৰ ওপৰত এটা চমু টোকা লিখক।

প্ৰশ্ন ৭ ঃ ভাৰতৰ উচ্চতম ন্যালয়ৰ গঠন আৰু ক্ষমতা আৰু কার্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ উচ্চ ন্যায়ালয়ৰ গঠন আৰু ক্ষমতাৰ আৰু কার্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ যুক্তৰাষ্ট্ৰীয় গাঁথনি আৰু ইয়াৰ গতিশীলতা - কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কীয় বিষয়সমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি

৬.৩.১ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য

৬.৩.২ অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ

৬.৪ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিভাজন

৬.৪.১ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক

৬.৫ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ এক অনুমান

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্ৰগতিৰ খতিয়ান

৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় সংবিধানৰ ফেডাৰেল গাঁথনিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতাৰ বিতৰণৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- ভাৰতীয় যুক্তৰাষ্ট্ৰীয়তাবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

ভাৰতৰ সংবিধানে ভাৰতক ইয়াৰ প্ৰথম অনুচ্ছেদতে "ৰাষ্ট্ৰৰ সংঘ" (Union of States) বুলি অভিহিত কৰিছে। সংবিধানৰ ক'তো ভাৰতক যুক্তৰাষ্ট্ৰ বুলি অভিহিত কৰা হোৱা নাই। ভাৰতৰ সংবিধানত কিছুমান যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ লগতে কিছুমান অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যও আছে। গতিকে ভাৰতক প্ৰকৃত যুক্তৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। ইয়াক ৰাজ্যসমূহক সংঘ বুলি অভিহিত কৰা হৈছে কাৰণ বিষয়সমূহ ভাৰতীয় যুক্তৰাষ্ট গঠনকাৰী ৰাজ্যসমূহৰ চুক্তিৰ ফল নহয় আৰু ৰাজ্যসমূহৰ প্ৰকৃত যুক্তৰাষ্ট্ৰৰ দৰে সংঘৰ পৰা বিচ্ছিন্ন হোৱাৰ অধিকাৰ নাই। তলত আমি ভাৰতীয় যুক্তৰাষ্ট্ৰৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম।

৬.৩ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি

ভাৰতীয় যুক্তৰাষ্ট্ৰ স্বৰূপৰ বিষয়ে আলোচনা কৰোতে আমি ক'ব লাগিব যে ই নিজৰ মাজতে অনন্য। ভাৰতৰ সংবিধান নিৰ্মাতাসকলে শক্তিশালী কেন্দ্ৰীয় ভাৱধাৰাৰে যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ কল্পনা কৰিছিল। ভাৰতীয় যুক্তৰাষ্ট্ৰত কেন্দ্ৰীভূতকৰণৰ প্ৰৱণতা দেখা গৈছে। কেন্দ্ৰীয় চৰকাৰক অধিক সবল আৰু শক্তিশালী কৰি তোলা হৈছে। সংবিধান নিৰ্মাতাসকলে বিভিন্ন কাৰণত এনে ধৰণৰ যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ ব্যৱস্থা কৰিছে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষ এখন বিশাল দেশ য'ত জনসংখ্যাৰ গাঁথনি বৈচিত্ৰপূৰ্ণ। গতিকে দেশৰ ঐক্য আৰু অখণ্ডতা বজাই ৰাখিবলৈ এক শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়োজন বুলি গণ্য কৰা হয়। পুনৰ আধুনিক কল্যাণকামী ৰাষ্ট্ৰৰ বিশাল দায়িত্ব পালন কৰিবলৈ আৰু নতুনকৈ স্বাধীন ৰাষ্ট্ৰৰ অৰ্থনৈতিক উন্নয়নৰ বাবে পৰ্যাপ্ত সম্পদ আৰু ক্ষমতাৰে সজ্জিত শক্তিশালী কেন্দ্ৰ গুৰুত্বপূৰ্ণ আছিল। একে সময়তে আন্তৰাষ্ট্ৰীয় মঞ্চত ভাৰতক প্ৰতিষ্ঠা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰভাৱশালী কণ্ঠস্বৰ প্ৰয়োগ কৰিব পৰাকৈ শক্তিশালী হ'ব লাগে।

সংবিধানে কেন্দ্ৰীয় চৰকাৰক ৰাজ্যতকৈ অধিক শক্তিশালী কৰি তুলিছে। যদিও আমাৰ দুই প্ৰকাৰৰ চৰকাৰৰ গোট আছে আৰু সাংবিধানিকভাৱে ক্ষমতা ইয়াৰ মাজত বিভক্ত, সেই বিভাজন নাম্য নহয়। ৰাজ্যৰ বিধানমণ্ডলতকৈ প্ৰশাসনিক আৰু বিত্তীয় বিষয়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যতকৈ অধিক ক্ষমতা প্ৰয়োগ কৰি।

ভাৰতৰ সংবিধানৰ কিছুমান যুক্তৰাষ্ট্ৰীয় আৰু কিছুমান অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য আছে। সেইসমূহ তলত উল্লেখিত ধৰণেৰে আলোচনা কৰিব পাৰি।

৬.৩.১ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ

- ভাৰতীয় সংবিধান এখন লিখিত সংবিধান। সংবিধানসভাই ইয়াৰ খচৰা প্ৰস্তুত কৰি ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গ্ৰহণ কৰি ১৯৫০ চনৰ ২৬ জানুৱাৰীত বলবৎ হয়। সংবিধানৰ দফাসমূহক বিতং আৰু স্পষ্টভাৱে আলোচনা কৰা হৈছে। ই বিশ্বৰ অন্যতম দীঘলীয়া সংবিধান।
- ভাৰতীয় সংবিধানৰ এটা গুৰুত্বপূৰ্ণ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হৈছে ইয়াত দেশত দুই প্ৰকাৰৰ চৰকাৰৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত কাম কৰে আৰু ৰাজ্য চৰকাৰে ৰাজ্যিক পৰ্যায়ত কাম কৰে। সংবিধানে নিদিষ্ট কৰা তেওঁলোকৰ নিজস্ব কাৰ্যকলাপৰ ক্ষেত্ৰ আছে।
- সংবিধানত দুয়োখন চৰকাৰৰ ক্ষমতা স্পষ্টভাৱে বিভক্ত কৰা হৈছে। দুয়োখন চৰকাৰৰ মাজৰ ক্ষমতাসমূহ বিধায়িনী প্ৰশাসনিক আৰু বিত্তীয় ক্ষেত্ৰত বিভক্ত কৰা হৈছে।
- ভাৰতীয় সংবিধানৰ আন এটা যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হৈছে দেশৰ বাবে সৰ্বোচ্চ

ন্যায়পালিকাৰ অস্তিত্ব। ভাৰতৰ উচ্চতম ন্যায়ালয় ভাৰতীয় ন্যায়িক ব্যৱস্থাৰ শীৰ্ষত অৱস্থিত। ইয়াত শীৰ্ষত সৰ্বোচ্চ ন্যায়ালয়, তাৰ পিছতে উচ্চ ন্যায়ালয় আৰু অন্যান্য অধীনস্থ আদালতসমূহ। ইয়াক সংবিধানৰ ৰক্ষক আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপে গণ্য কৰা হয়।

- ভাৰতত সংবিধানৰ সৰ্ব্বোচ্চতা আছে। সংবিধানৰ স্থান সকলোৰে ওপৰত। ই দেশৰ সৰ্বোচ্চ আইন। সংবিধানৰ বিৰুদ্ধে কোনো আইন বা কাৰ্যবাহী ব্যৱস্থা হ'ব নোৱাৰে।
- দ্বি-সদস্যৰ বিধায়িনী দল ভাৰতীয় সংবিধানৰ আন এক যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য। ভাৰতীয় সংসদ দুখন সদনেৰে গঠিত - লোকসভা আৰু ৰাজ্যসভা। হাউছ অৰ পিপল বুলিও জনাজাত লোকসভাই সাধাৰণভাৱে জনসাধাৰণক প্ৰতিনিধিত্ব কৰে। ই ভাৰতীয় সংসদৰ নিম্ন সদন। ভাৰতীয় সংঘৰ ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰা ৰাজ্যসভাক ৰাজ্য পৰিষদ বুলিও কোৱা হৈছে। ই হৈছে উচ্চ সদন।
- ওপৰত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ উপৰিও সংবিধানৰ যুক্তৰাষ্ট্ৰীয় অংশসমূহ সংশোধনৰ বাবে সংশোধনী পদ্ধতি যথেষ্ট দৃঢ়। যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ই এক বৈশিষ্ট্য।

যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰাৰ পাছত এতিয়া আমি সংবিধানৰ অযুক্তৰাষ্ট্ৰীয় বা এককেন্দ্ৰীয় বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো।

৬.৩.২ অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ

- ভাৰতে যেনেকৈ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ৰূপ গ্ৰহণ কৰিছে, তেনেকৈ ইয়াত দুটা প্ৰকাৰৰ চৰকাৰ আছে। সংবিধানে তেওঁলোকৰ মাজত ক্ষমতা বিভাজন কৰিছে। কিন্তু সেই বিভাজন সমানে হোৱা নাই। ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতা দিয়া হৈছে। এয়া ভাৰতীয় সংবিধানৰ এক অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য।
- ভাৰতীয় যুক্তৰাষ্ট্ৰ গঠনকাৰী অংশ ৰাজ্যসমূহৰ স্থায়ী অস্তিত্ব নাই। কেন্দ্ৰীয় চৰকাৰে যিকোনো সময়তে বৰ্তমানৰ ৰাজ্যৰ পৰা কিছুমান নতুন ৰাজ্য সৃষ্টি কৰিব পাৰে আৰু নাম সলনি কৰিবও পাৰে।
- যদিও সংবিধান সংশোধনৰ বাবে কিছুমান কঠিন পদ্ধতি আছে, তথাপিও মূলতঃ সংবিধানখন কঠোৰ নহয়। প্ৰায়বোৰ দফা সহজ পদ্ধতিৰে সংশোধন কৰিব পাৰি। ভাৰতৰ সংসদে ৰাজ্যৰ বিধায়িনী দলৰ অংশগ্ৰহণ অবিহনে সংবিধানৰ বহু অংশ একপক্ষীয়ভাৱে সংশোদন কৰিব পাৰে।
- প্ৰকৃত যুক্তৰাষ্ট্ৰত দুখন সংবিধান আছে - এখন সামগ্ৰিকভাৱে যুক্তৰাষ্ট্ৰীয় বাবে

আনখন প্ৰতিখন ৰাজ্যৰ বাবে। কিন্তু ভাৰতত আমাৰ মাত্ৰ এখন সংবিধান আছে আৰু সেই সংবিধান ৰাজ্যসমূহৰ বাবেও। ভাৰতৰ ৰাজ্যসমূহৰ নিজা কোনো সংবিধান নাই।

- ভাৰতীয় সংবিধানৰ আন এক অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হ'ল সমগ্ৰ দেশৰ বাবে এক ঐক্যবদ্ধ আৰু সংহত ন্যায়িক ব্যৱস্থাৰ অস্তিত্ব। এই ন্যায়িক ব্যৱস্থাৰ শিখৰত উচ্চতম ন্যায়ালয় অৱস্থিত আৰু ইয়াৰ পিছতে ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয় আৰু অন্যান্য অধীনস্থ আদালত আছে। ভাৰতৰ ৰাজ্যসমূহৰ বাবে কোনো সুকীয়া ন্যায়িক ব্যৱস্থা নাই।
- ভাৰতত আমাৰ মাত্ৰ এক প্ৰকাৰৰ নাগৰিকত্ব আছে। সেইয়াই হৈছে ভাৰতৰ নাগৰিকত্ব। আমাৰ নিজৰ নিজৰ ৰাজ্যৰ নাগৰিকত্ব নাই কিন্তু প্ৰকৃত যুক্তৰাষ্ট্ৰত নাগৰিকৰ দুবিধ নাগৰিকত্ব থাকে এটা গোটেই দেশৰ বাবে আৰু আনটো নিজৰ ৰাজ্যৰ বাবে।
- ৰাজ্যসমূহৰ প্ৰশাসন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক নিৰ্দেশনা দিব পাৰে। ৰাজ্য চৰকাৰসমূহে এই নিৰ্দেশনাসমূহ মানি চলি সেই অনুসৰি প্ৰশাসন চলাব লাগিব। সংবিধানৰ ৩৬৫ নং অনুচ্ছেদত উল্লেখ আছে যে যদি কোনো ৰাজ্যই কেন্দ্ৰৰ নিৰ্দেশনা পালন নকৰে তেন্তে সেয়া ৰাজ্যখনৰ সংবিধানিক যন্ত্ৰপাতিৰ বিফলতাৰ সমান হ'ব। তাৰ পিছত ভাৰতৰ ৰাষ্ট্ৰপতিক ৩৬৫ নং অনুচ্ছেদৰ অধীনত ৰাজ্যত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়াৰ ক্ষমতা প্ৰদান কৰা হৈছে। এয়া ভাৰতীয় সংবিধানৰ আন এক অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য।
- ৰাজ্যৰ ৰাজ্যপালসকলক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে। ৰাজ্যপালসকলক ৰাজ্যসমূহত কেন্দ্ৰৰ প্ৰতিনিধি বুলি ক'ব পাৰি কাৰণ তেওঁলোকে সময়ে সময়ে ৰাজ্যসমূহৰ প্ৰশাসন সন্দৰ্ভত ৰাষ্ট্ৰপতিলৈ প্ৰতিবেদন প্ৰেৰণ কৰে। প্ৰকৃত যুক্তৰাষ্ট্ৰত ৰাজ্যৰ মূৰব্বীক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি নিদিয়ে।
- তদুপৰি ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰা ভাৰতীয় সংসদৰ উচ্চ সদন ৰাজ্যসভাই সমতাৰ ভিত্তিত ৰাজ্যসমূহক প্ৰতিনিধিত্ব নকৰে। জনসংখ্যাৰ ভিত্তিত ৰাজ্যসমূহে প্ৰতিনিধিত্ব লাভ কৰে। কম জনসংখ্যা থকা ৰাজ্যতকৈ বৃহৎ জনসংখ্যা থকা ৰাজ্যসমূহে সদনলৈ অধিক প্ৰতিনিধি প্ৰেৰণ কৰে।

এইদৰে আমি ক'ব পাৰো যে ভাৰত এখন প্ৰকৃত যুক্তৰাষ্ট্ৰ নহয়। ভাৰতীয় সংবিধানত কিছুমান যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য আছে। কিন্তু ইয়াৰ বহুতো অযুক্তৰাষ্ট্ৰীয় বা একক বৈশিষ্ট্যও আছে। গতিকে, ভাৰতক এখন কেন্দ্ৰীয় মনোভাৰৰ সৈতে যুক্তৰাষ্ট্ৰ হিচাপে আখ্যা দিব পাৰে। সংবিধান নিৰ্মাতা সকলে ভাৰতৰ বাবে এক অনন্য যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা বিচাৰিছিল যাক Dr. K.C. Wheare য়ে 'অৰ্ধ-যুক্তৰাষ্ট্ৰ' বুলি বৰ্ণনা কৰিছে অৰ্থাৎ ভাৰত এখন অৰ্ধ যুক্তৰাষ্ট্ৰ।



জানি থোৱা ভাল

'ফেডাৰেল' শব্দটো লেটিন ভাষাৰ 'Foedus' শব্দৰ পৰা আহিছে যাৰ অর্থ হৈছে চুক্তি বা সন্ধি। গতিকে, যুক্তৰাষ্ট্ৰৰ অস্তিত্ব আহি পৰে যেতিয়া কিছুমান ৰাজ্যই উমৈহতীয়া শত্ৰুৰ পৰা নিজকে ৰক্ষা কৰিবলৈ নতুন একেলগে কাম কৰি উন্নয়ন নিশ্চিত কৰিবলৈ নতুন বৃহৎ ৰাষ্ট্ৰ গঠনৰ চুক্তিত উপনীত হয়। যুক্তৰাষ্ট্ৰ গঠন কৰা ৰাজ্যসমূহৰ ভৌগোলিক সংলগ্নতা আৰু জাতি ধর্ম ভাষা সংস্কৃতি আদি আৰু সমতাৰ বিষয়ত কিছু পৰিমাণে সামঞ্জস্য থাকিব লাগিব। ডাইচীয়ে কোৱাৰ দৰে, "যুক্তৰাজ্য হৈছে ৰাষ্ট্ৰীয় ঐক্য আৰু ক্ষমতাক ৰাষ্ট্ৰৰ অধিকাৰ বজাই ৰখাৰ সেতে মিলি চলাৰ উদ্দেশ্যেৰে কৰা এক ৰাজনৈতিক কৌশল"।



কার্যকলাপ ৬.১

যুক্তৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰসমূহৰ সংঘৰ পার্থক্য জানিবলৈ চেষ্টা কৰৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় সংবিধানৰ দুটা যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখা।

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় সংবিধানৰ দুটা অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখা।

.....

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতক কিয় প্ৰকৃত যুক্তৰাষ্ট্ৰ হিচাপে গণ্য কৰা নহয়? ব্যাখ্যা কৰক।

.....

.....

৬.৪ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতাৰ বিভাজন

ভাৰতৰ সংবিধানে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিভাজন কৰিছে। যদিও কেন্দ্ৰীয় চৰকাৰ ৰাজ্য চৰকাৰতকৈ অধিক শক্তিশালী, ৰাজ্য চৰকাৰৰ নিজস্ব কাম-কাজৰ ক্ষেত্ৰ আছে।

ভাৰতত দুয়োখন চৰকাৰৰ ক্ষমতা সুনির্দিষ্ট। অৱশিষ্ট ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত এৰি দিয়া হৈছে। বিধায়িনী প্ৰশাসনিক আৰু বিত্তীয় বিষয়ত ক্ষমতা বিভাজনৰ বিষয়ে তলত উল্লেখ কৰা ধৰণেৰে আলোচনা কৰিব পাৰি।

- **বিধায়িনী ক্ষমতাৰ বিভাজন**

সংবিধানৰ ২৪৬ অনুচ্ছেদত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বিধায়িনী ক্ষমতা বিভাজনৰ বিষয়ে আলোচনা কৰা হৈছে। সপ্তম সূচীত দুয়োখন চৰকাৰে আইন প্ৰণয়নৰ উদ্দেশ্যে কৰা বিভিন্ন বিষয় সন্নিবিষ্ট কৰা তিনিখন তালিকা অন্তৰ্ভূক্ত কৰা হৈছে। এই তালিকাকেইখন হ'ল কেন্দ্ৰীয় তালিকা, ৰাজ্য তালিকা আৰু সমকালীন তালিকা।

কেন্দ্ৰীয় তালিকাত যিবোৰ বিষয় অন্তৰ্ভূক্ত কৰা হৈছে সেইসমূহ হৈছে প্ৰতিৰক্ষা, বৈদশিক পৰিক্ৰমা, মুদ্ৰা, নাগৰিকত্বৰ আৰু লোকপিয়লৰ ওপৰত ভাৰতৰ সংসদক আইন প্ৰণয়নৰ ক্ষমতা দিয়া হৈছে। এই তালিকাত ৯৮ টা বিষয় আছে। ৰাজ্যৰ বিধায়িনী দলৰ এই বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ কোনো অধিকাৰ নাই। কেন্দ্ৰীয় তালিকাত অন্তৰ্ভূক্ত বিষয়সমূহ মূলতঃ দেশৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ আৰু চৰিত্ৰত একেধৰণৰ।

ৰাজ্যিক বিধায়িনী দলে ৰাজ্যিক তালিকাত অন্তৰ্ভূক্ত হোৱা বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে। ৰাজ্যিক তালিকাত ৫৯ টা বিষয় আছে আৰু সেইবোৰ স্থানীয় গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ ভিতৰত আছে - আইন-শৃংখলা, জনস্বাস্থ্য, বনাঞ্চল, ৰাজহ, অনাময় ব্যৱস্থা ইত্যাদি। সংবিধানত উল্লেখ আছে যে কিছুমান অনুষ্ঠানত কেন্দ্ৰীয় বিধায়িনী দলেও ৰাজ্যৰ তালিকাত অন্তৰ্ভূক্ত কিছুমান বিষয়ত আইন প্ৰণয়ন কৰিব পাৰে। ২৪৯ নং অনুচ্ছেদত সংসদক ৰাষ্ট্ৰীয় স্বাৰ্থত, ৰাজ্যিক তালিকাৰ বিষয়বস্তু ল'বলৈ ক্ষমতা প্ৰদান কৰা হৈছে যদিহে ৰাজ্যসভাত ২/৩ সংখ্যাগৰিষ্ঠতাৰে সেই সন্দৰ্ভত প্ৰস্তাৱ লোৱা হয়। আকৌ ২৫০ নং অনুচ্ছেদত উল্লেখ আছে যে জৰুৰী অৱস্থা ঘোষণাৰ সময়ত সংসদে ৰাজ্যিক সূচীৰ বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ ক্ষমতা লাভ কৰে।

সংসদ আৰু ৰাজ্যিক বিধায়িনী দল দুয়োটাই সমকালীন সূচীত অন্তৰ্ভূক্তহাৰা বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে। সমকালীন সূচীত ৫২ টা বিষয় আছে। এই তালিকাৰ বিষয়সমূহৰ গুৰুত্ব বহুল আৰু চৰিত্ৰত একেধৰণৰ। অৱশ্যে সেইসমূহক স্থানীয় মনোযোগৰ প্ৰয়োজনো হ'ব পাৰে। এই তালিকাৰ কিছুমান বিষয় হ'ল শিক্ষা, অৰ্থনৈতিক পৰিকল্পনা, সামাজিক সুৰক্ষা, বিদ্যুৎ আৰু বাতৰি কাকত। এই সূচীৰ ক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে যদি কোনো বিষয়ৰ ওপৰত কেন্দ্ৰীয় আইন আৰু ৰাজ্যিক আইনৰ মাজত সংঘাত হয় এই তালিকাখনত তেতিয়া কেন্দ্ৰীয় আইন বাহাল থাকিব।

এই তিনিটা বিষয়ৰ সূচীত অন্তৰ্ভূক্ত নোহোৱা বিষয়ক অৱশিষ্ট ক্ষমতা বুলি কোৱা হয়। সেই বিষয় সমূহৰ ওপৰত আইন প্ৰণয়নৰ একচেটিয়া ক্ষমতা সংসদক দিয়া হৈছে।

এইদৰে আমি ক'ব পাৰো যে আইন সক্ৰান্তীয় ক্ষমতা বিভাজনৰ বিষয়ত সংসদ ৰাজ্যৰ বিধানসভাতকৈ অধিক শক্তিশালী। কেন্দ্ৰীয় সূচীৰ বিষয় আৰু অৱশিষ্ট ক্ষমতাৰ ক্ষেত্ৰত আইন

প্ৰণয়ন কৰাৰ একচেটিয়া ক্ষমতা সংসদৰ আছে। ৰাজ্যিক তালিকাৰ বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ ক্ষমতাও প্ৰদান কৰা হৈছে আৰু সমকালীন সূচীৰ বিষয়ত ইয়াৰ আধিপত্য আছে।

- **প্ৰশাসনিক ক্ষমতা বিভাজন**

প্ৰশাসনিক ক্ষমতা বিভাজনৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ অংশ বেছি। ভাৰতীয় সংসদৰ ৭৩ নং অনুচ্ছেদত উল্লেখ আছে যে কেন্দ্ৰীয় চৰকাৰে আইন প্ৰণয়ণ কৰিব পৰা সকলো বিষয়তে কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনিক ক্ষমতা আছে। আকৌ ১৬২ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে যিবোৰ বিষয়ত ৰাজ্যিক বিধানমণ্ডলে দলে আইন প্ৰণয়নৰ ক্ষমতা প্ৰয়োগ কৰে, সেই সকলোবোৰ বিষয়তে ৰাজ্য চৰকাৰৰ কাৰ্যবাহী ক্ষমতা আছে।

ভাৰতৰ সংবিধানত স্পষ্টকৈ উল্লেখ আছে যে ৰাজ্যৰ কাৰ্যবাহী ক্ষমতা এনেদৰে ব্যৱহাৰ কৰিব লাগিব যাতে সংসদে প্ৰণয়ন কৰা আইন মানি চলে। ৰাজ্য চৰকাৰে সংঘৰ কাৰ্যবাহী ক্ষমতাৰ ব্যৱহাৰত বাধা বা পক্ষপাতিত্ব কৰিব নোৱাৰে।

২৫৮ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে ৰাষ্ট্ৰপাতিয়ে ৰাজ্য চৰকাৰৰ সন্মতি সাপেক্ষে বা নিঃচৰ্তভাৱে যিকোনো কাম কেন্দ্ৰীয় চৰকাৰত অৰ্পণ কৰিব পাৰে। পুনৰ ৩৫৬ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ যিকোনো ৰাজ্যক বহিঃৰাজ্যৰ আগ্ৰাসন আৰু আভ্যন্তৰীণ অশান্তিৰ পৰা ৰক্ষা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ ল'ব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ মানি চলাত ব্যৰ্থ হ'লে ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন ক্ষমতা প্ৰযোগ কৰি কোনো ৰাজ্যৰ প্ৰশাসনৰ দায়িত্ব ল'ব পাৰে।

কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিয়া কিন্তু ৰাজ্যসমূহত কাম কৰা বিষয়া সকলৰ জৰিয়তেও ৰাজ্য চৰকাৰসমূহৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে। ৰাজ্যৰ সাংবিধানিক মূৰব্বী ৰাজ্যপালগৰাকীয়েও ৰাজ্যসমূহত কেন্দ্ৰীয় প্ৰতিনিধি হিচাপে কাম কৰে। ইয়াৰ উপৰিও সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলো তাত আছে।

- **বিত্তীয় ক্ষমতাৰ বিভাজন**

আইন সংক্ৰান্তিয় আৰু প্ৰশাসনিক ক্ষমতাৰ দৰেই বিত্তীয় ক্ষমতাৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰতকৈ অধিক শক্তিশালী কৰি তোলা হৈছে। মূলতঃ বিভিন্ন কৰৰ পৰা সংগৃহীত আয়ৰ উৎসসমূহ চৰকাৰে আৰোপ আৰু সংগ্ৰহ কৰে আৰু কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিভক্ত হয়। এই বিভাজনৰ বিষয়ে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

সংবিধানত ২৬৪ নং অনুচ্ছেদৰ পৰা ৩০০ অনুচ্ছেদলৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰ আৰু শুল্ক বিতৰণৰ বিষয়ে আলোচনা কৰা হৈছে।

কিছুমান বিশেষ কৰ আছে যিবোৰ ৰাজ্যসমূহে আৰোপ আৰু সংগ্ৰহ কৰে আৰু সেইবোৰে তেওঁলোকৰ বাবে আয়ৰ উৎস গঠন কৰে। ভূমি ৰাজহ, কৃষি আয়ৰ ওপৰত কৰ, আদি কৰ ৰাজ্যসমূহে আৰোপ কৰি সংগ্ৰহ কৰে। টিকট কৰ, ঔষধৰ ওপৰত, আবকাৰী, শৌচাগাৰৰ প্ৰস্তুতি আদিৰ দৰে আন কৰ আছে যিবোৰ কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰে যদিও ৰাজ্যসমূহে সংগ্ৰহ আৰু ব্যয় কৰে। ৰেলৱে ডাক আৰু টেলিগ্ৰাফ আদিৰ পৰা সংগ্ৰহ কৰা কৰ কেন্দ্ৰীয় আয়। ইয়াৰ

উপৰিও কিছুমান কৰ আছে যিবোৰ কেন্দ্ৰই আৰোপ কৰে আৰু সংগ্ৰহ কৰে কিন্তু ৰাজ্যসমূহক সেই দায়িত্ব অৰ্পন কৰে।

বিত্তীয় বিষয়ত ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰই বিভিন্ন প্ৰকাৰে নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত আয়কৰৰ পৰা উপাৰ্জন কৰা ৰাজহৰ বিতৰণৰ পৰিবৰ্তন কৰিব পাৰে।

কেন্দ্ৰই কিছুমান ৰাজ্যক বিশেষ ৰাজসাহায্যৰে ঋণ প্ৰদানৰ লগতে অনুদান- সাহায্যও দিব পাৰে। তদুপৰি, কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত উপাৰ্জিত কৰ নিকা বিতৰণৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াবলৈ প্ৰতি পাঁচ বছৰৰ পিছত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়া ভাৰতীয় নিয়ন্ত্ৰক আৰু মহানিৰীক্ষক আৰু বিত্ত আয়োগৰ দৰে কেন্দ্ৰীয় সংস্থাৰ জৰিয়তে কেন্দ্ৰই ৰাজ্যসমূহৰ ওপৰত বিত্তীয় নিয়ন্ত্ৰণ প্ৰয়োগ কৰিব পাৰে।



জানি থোৱা ভাল

পণ্ডিত জৱাহৰলাল নেহৰুৱে সংবিধান সভাৰ কেন্দ্ৰীয় ক্ষমতা সমিতিৰ (Union Powers Committee) অধ্যক্ষ হিচাপে বিধানসভাত দিয়া এটা ভাষণত কয় যে, "আমি সৰ্বসন্মতিক্ৰমে এই মতত আছো যে দুৰ্বল কেন্দ্ৰীয় কৰ্তৃত্বৰ ব্যৱস্থা কৰিলে দেশৰ স্বাৰ্থৰ বাবে ক্ষতিকাৰক হ'ব যিয়ে শান্তি নিশ্চিত কৰিবলৈ, উমৈহতীয়া চিন্তাৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সমন্বয় সাধন কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সমগ্ৰ দেশৰ হৈ ফলপ্ৰসূভাৱে কথা ক'বলৈ অক্ষম হ'ব।"

৬.৪.১ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সম্পৰ্ক

কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ বিষয়ে আলোচনা কঁৰোতে মনত ৰখা উচিত যে ভাৰত গাঁথনিত যুক্তৰাষ্ট্ৰীয় কিন্তু মনোভাৱত একক। আমাৰ ভাৰতত দুই প্ৰকাৰৰ চৰকাৰ আছে আৰু ইয়াৰ মাজত ক্ষমতাৰ বিভাজন আছে। কিন্তু এই ক্ষমতাৰ বিভাজন যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ প্ৰকৃত স্বৰূপত নহয়। ভাৰতত ক্ষমতা বিভাজনৰ ক্ষেত্ৰত এতিয়ালৈকে ৰাজ্যসমূহৰ কৃৰ্তত্ব আৰু স্বায়ত্বশাসনৰ ক্ষেত্ৰ অতি সীমিত। গতিকে ৰাজ্যসমূহৰ ফালৰ পৰা অধিক স্বায়ত্তশাসনৰ দাবী সদায় থাকে। ৰাজ্যসমূহে দাবী জনাই আহিছে যে তেওঁলোকক স্বাৱলম্বী আৰু উন্নয়নৰ বাবে অধিক ক্ষমতা প্ৰদান কৰা উচিত। ইয়াৰ বাবেই কেতিয়াবা কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সম্পৰ্কত ফাঁট মেলে।

অধ্যাপক মৰিছ জ'নে ভাৰতীয় যুক্তৰাষ্ট্ৰক "দৰদামৰ যুক্তৰাষ্ট্ৰ" বুলি অভিহিত কৰিছে। কাৰণ কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰ প্ৰৱণতা গঢ়ি তুলিছে আৰু ৰাজ্যসমূহেও নিজৰ স্বায়ত্বশাসনৰ দাবী জনাই আহিছে। দেশত আঞ্চলিকতাবাদ আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহৰ বৃদ্ধিৰ লগে লগে শেহতীয়া বছৰবোৰত যুক্তৰাষ্ট্ৰৰ দৰদামৰ ধাৰণাটো শক্তিশালী হৈ উঠিছে। অঞ্চলসমূহৰ নিৰ্দিষ্ট

স্বাৰ্থ বৃদ্ধি আৰু সুৰক্ষিত কৰাৰ উদ্দেশ্যে দেশৰ বিভিন্ন অঞ্চলত আঞ্চলিক ৰাজনৈতিক দল গঠন কৰা হৈছে। জাতীয় দলসমূহে অঞ্চলসমূহৰ বিভিন্ন প্ৰয়োজনীয়তা পূৰণ কৰাত ব্যৰ্থ হোৱা বাবেও আঞ্চলিক ৰাজনৈতিক দল গঠন কৰা হৈছে। গতিকে যেতিয়াই তেওঁলোকে ৰাজ্যসমূহত ক্ষমতালৈ আহে, তেতিয়াই অধিক ক্ষমতা আৰু পৰ্য্যাপ্ত সম্পদৰ দাবী কৰে যাতে নিৰ্দিষ্ট প্ৰয়োজন আৰু সমস্যাৰ সৈতে তেওঁলোকৰ অঞ্চলটোৱে মোকাবিলা কৰিব পাৰে।

কেন্দ্ৰীয় চৰকাৰক ৰাজ্যতকৈ অধিক সম্পদশীল আৰু সবল কৰি তোলাৰ ক্ষেত্ৰত সংবিধান নিৰ্মাতাসকলৰ উদ্দেশ্য ৰাজ্যসমূহৰ ক্ষমতাত বাধা দিয়া নহয়। বৰঞ্চ তেওঁলোকে ভাৰতত সমবায় যুক্তৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ কল্পনা কৰিছিল। ভাৰতত সংবিধানখনে আবণ্টিত ক্ষেত্ৰত নিৰপেক্ষ স্বাধীনতা প্ৰদান কৰাৰ পৰিবৰ্তে যুক্তৰাজ্যৰ সংঘৰ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক চৰকাৰসমূহক আন্তঃনিৰ্ভৰশীলতা ধৰি লৈ সমবায় যুক্তৰাষ্ট্ৰীয় ভেটিত থিয় দিছে। সেয়েহে সংবিধানে প্ৰতিষ্ঠানিক ব্যৱস্থা কৰিছে যেনে- ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ, বিত্ত আয়োগ, আন্তঃৰাজ্যিক পৰিষদ আৰু খণ্ড পৰিষদ য'ত দুয়োখন চৰকাৰে একেলগে বহি বিভিন্ন ৰাষ্ট্ৰীয় আৰু আঞ্চলিক সমস্যা সমাধানৰ বাবে কাম কৰিব। ইয়াৰ উপৰিও আন্তঃৰাজ্যিক নদীৰ ব্যৱহাৰ, বিতৰণ আৰু নিয়ন্ত্ৰণ সম্পৰ্কীয় বিবাদৰ বিচাৰৰ বাবেও কেইবাটাও বিধিগত সংস্থা গঠন কৰা হৈছে। সংবিধান প্ৰণয়কসকলৰ উদ্দেশ্যে আছিল যে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ দুয়োখনেই ইখনে সিখনৰ লগত সহযোগিতা কৰি সুসঙ্গতিপূৰ্ণ কাম কৰক। কোনোৱেই আনখনৰ সীমাক বেদখল কৰিব নালাগে। দুয়োখনে ইখনে সিখনৰ কৰ্তৃত্বক সন্মান কৰা উচিত।

কিন্তু ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃত কাম-কাজৰ পৰাই পোহৰলৈ আহিছে যে কেন্দ্ৰীয় চৰকাৰক সংবিধানেই শক্তিশালী কৰি তুলিছে। সেয়েহে সদায় কেন্দ্ৰীয় চৰকাৰে নিজৰ কাৰ্যকলাপৰ দ্বাৰা ৰাজ্য চৰকাৰ সমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰি আহিছে। ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালক নিযুক্তি দিয়াৰ ব্যৱস্থা, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা মানি চলাৰ ব্যৱস্থা, ৩৫৬ নং অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতি শাসন জাপি দিয়াৰ ব্যৱস্থা আৰু অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যই কেন্দ্ৰীয় চৰকাৰৰ স্থিতি শক্তিশালী কৰি আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত থকা আইনগত সম্পৰ্কৰ ওপৰত এটি চমু টোকা লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ সংবিধান নিৰ্মাতাসকলে কিয় শক্তিশালী কেন্দ্ৰ সৈতে যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ব্যৱস্থা কৰিছে?

.....

.....

৬.৫ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ এক মূল্যাংকন

ভাৰতত কেন্দ্ৰীয় প্ৰয়ণভাৰ সৈতে যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থা আছে। কেন্দ্ৰীয় চৰকাৰৰ শক্তিশালী স্থিতিৰ বিৰুদ্ধে ৰাজ্যসমূহৰ ফালৰ পৰা সদায় ক্ষোভৰ সৃষ্টি হৈ আহিছে। নিজৰ নিজৰ ক্ষেত্ৰত স্বায়ত্তশাসন আৰু নিজৰ কল্যাণৰ বাবে স্বতন্ত্ৰভাৱে কাম কৰিব পৰাকৈ পৰ্যাপ্ত ক্ষমতাৰ দাবী জনাইছে। ৰাজামনাৰ সমিতি (Rajamannar Committee) কেন্দ্ৰীয়-ৰাজ্য সম্পৰ্ক সম্পৰ্কীয় পশ্চিম বংগ চৰকাৰৰ স্মাৰকপত্ৰ, আনন্দ্ৰপুৰ চাহাৰ প্ৰস্তাৱ, জম্মু-কাশ্মীৰ বিধানসভাৰ স্বায়ত্তশাসন প্ৰস্তাৱ আৰু সাৰকাৰিয়া (Sarkaria Commission) আয়োগ সকলোৱে বৰ্তমানৰ স্থিতিৰ তুলনাত ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদানৰ পক্ষপাতী হৈছে। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ প্ৰশ্নটো অধ্যয়ন কৰি প্ৰয়োজন হ'লে পৰামৰ্শ দিবলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৮৩ চনত সাৰকাৰিয়া আয়োগ গঠন কৰিছিল। আয়োগে ভাৰতত শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ প্ৰয়োজনীয়তা মানি লৈছিল যদিও ৰাজ্যসমূহলৈ অধিক ক্ষমতা প্ৰদানৰ পৰামৰ্শ দিছিল যাতে দেশত সহকাৰী যুক্তৰাষ্ট্ৰ স্থাপন কৰিব পৰা যায়।

শেহতীয়া বছৰবোৰত আমি ভাৰতত মিত্ৰজোঁটৰ ৰাজনীতিৰ বৃদ্ধি আৰু বিকাশ দেখিবলৈ পাইছো। মূলতঃ বিভিন্ন আঞ্চলিক আৰু স্থানীয় ৰাজনৈতিক দলৰ উত্থান আৰু বিধানসভা আৰু সংসদীয় উভয় নিৰ্বাচনতে আসনৰ ক্ষেত্ৰত তেওঁলোকৰ দৃঢ় স্থিতিৰ বাবেই এনে হৈছে। ১৯৮৯ চনৰ পৰা ২০১৪ চনৰ ভিতৰত অনুষ্ঠিত হোৱা সংসদীয় নিৰ্বাচনত কোনো এটা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলে নিজাববীয়াকৈ চৰকাৰ গঠন কৰিবলৈ লোকসভাত নিৰপেক্ষ সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম নহ'ল। কেন্দ্ৰত চৰকাৰ গঠনৰ বাবে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক সমমনা দলৰ সৈতে মিত্ৰতা কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ ফলত ভাৰতৰ যুক্তৰাষ্ট্ৰীয় বাৱস্থাৰ কাম-কাজ কিছু পৰিমাণে সলনি হৈছে।

ভাৰতীয় যুক্তৰাষ্ট্ৰৰ ৰাজনীতিৰ কাম-কাজত পৰিবৰ্তনৰ কিছু ইংগিত পৰিকল্পনা আয়োগৰ ঠাইত নেশ্যনেল ইনষ্টিটিউট ফৰ ট্ৰেন্সফৰ্মিং ইণ্ডিয়া বা নীতি আয়োগৰ দ্বাৰাও পৰিলক্ষিত হৈছে। পৰিকল্পনা আয়োগে কেন্দ্ৰীভূত ব্যৱস্থা হিচাপে কাম কৰিছিল। সমগ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াটো কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণ আৰু তত্বাৱধানত চলিছিল। ২০১৫ চনৰ ১ জানুৱাৰীত অস্তিত্ব লাভ কৰা নতুন প্ৰতিষ্ঠানটো প্ৰতিযোগিতামূলক ফেডাৰেচনৰ নীতিৰ ভিত্তিত নক্সা তৈয়াৰ কৰা হৈছে য'ত কেন্দ্ৰ আৰু ৰাজ্য দুয়োটাই দেশৰ সৰ্বাংগীন আৰু দ্ৰুত উন্নয়নৰ বাবে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰত এখন অৰ্ধ যুক্তৰাষ্ট্ৰ। ভাৰতীয় সংবিধানত যুক্তৰাষ্ট্ৰৰ লগতে বহুতো অ-যুক্তৰাষ্ট্ৰীয় বা একক বৈশিষ্ট্য অন্তৰ্ভুক্ত কৰা হৈছে।
  ভাৰতীয় সংবিধানৰ কিছুমান যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হ'ল — লিখিত সংবিধান সংবিধানৰ আধিপত্য চৰকাৰৰ দুটা গোট, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতা বিভাজন ন্যায়পালিকাৰ আধিপত্য দ্বি-সদস্যযুক্ত দলৰ অস্তিত্ব ইত্যাদি।
- ভাৰতৰ সংবিধানৰ কিছুমান অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হ'ল — শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ অস্তিত্ব, কেন্দ্ৰ লগতে ৰাজ্যসমূহৰ বাবেও একেই সংবিধান, সমগ্ৰ দেশৰ বাবে এক ঐক্যবদ্ধ আৰু সংহত ন্যায়িক ব্যৱস্থাৰ অস্তিত্ব, একক নাগৰিকত্ব, ৰাজ্যসভাত অসমতুল্য প্ৰতিনিধিত্ব ইত্যাদি।
- সংবিধানে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত তিনিখন সূচীৰ জৰিয়তে ক্ষমতা বিভাজন কৰিছে, যেনে- কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমকালীন সূচী। যদিও কেন্দ্ৰীয় চৰকাৰ ৰাজ্য চৰকাৰতকৈ শক্তিশালী ৰাজ্য চৰকাৰৰ নিজস্ব কাম কাজৰ ক্ষেত্ৰ আছে। ভাৰতত দুয়োখন চৰকাৰৰ ক্ষমতা সুনিৰ্দিষ্ট। অৱশিষ্ট ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাতত এৰি দিয়া হৈছে।
- কেন্দ্ৰীয় চৰকাৰক ৰাজ্যতকৈ অধিক ক্ষমতা প্ৰদান কৰা হৈছে আৰু ই বহু প্ৰকাৰে ৰাজ্যসমূহৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰে। কিন্তু ভাৰতৰ সংবিধান প্ৰণেতাসকলে দেশৰ বাবে সমভাৰাপন্ন যুক্তৰাষ্ট্ৰ কল্পনা কৰিছিল আৰু এনে ব্যৱস্থা স্থাপনৰ বাবেও সংবিধানত ব্যৱস্থা কৰা হৈছে। দুয়োখন চৰকাৰে এখনে আনখনৰ কাম-কাজৰ ক্ষেত্ৰখনক সন্মান জনাই সমগ্ৰ দেশৰ স্বাৰ্থত একেলগে কাম কৰিব লাগিব।



৬.৭ অধিক জানিবলৈ

১) Basu, Durga Das (2015) An Introduction to the Constitution of India.

২) Basu, Durga Das and akhi, P.M. (2013) The Constitution of India. New Delhi : Universal Law Publidhing Co.

৩) Ghai, K.K. (2008) Indian Government and Politics New Delhi : Kalyani Publishers.

৪) Sikri, S.L. (2002) Indian Government and Politics New Delhi : Kalyani Pulishers.



৬.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (I) ভাৰতীয় সংবিধানৰ এটা গুৰুত্বপূৰ্ণ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য হ'ল ইয়াত দুই প্ৰকাৰৰ চৰকাৰৰ ব্যৱস্থা আছে। কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত কাম কৰে আৰু ৰাজ্য চৰকাৰে ৰাজ্যিক পৰ্যায়ত কাম কৰে। সংবিধানে নিজেই নিৰ্দিষ্ট কৰা তেওঁলোকৰ নিজস্ব কাৰ্যকলাপৰ ক্ষেত্ৰ আছে।

(II) সংবিধানত চৰকাৰৰ দুটা গোটৰ ক্ষমতা স্পষ্টভাৱে বিভক্ত কৰা হৈছে। বিধানমণ্ডলীয় প্ৰশাসনিক আৰু আৰ্থিক ভিত্তিত দুয়োখন চৰকাৰৰ ক্ষমতা বিভক্ত কৰা হৈছে। সপ্তম অনুসূচীত তিনিটা বিষয়ৰ সূচী আছে, য'ত দুয়োখন চৰকাৰৰ ক্ষমতা নিৰ্দিষ্ট কৰা হৈছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (I) ভাৰতে যেনেকৈ চৰকাৰৰ যুক্তৰাষ্ট্ৰীয় ৰূপ গ্ৰহণ কৰিছে তেনেকৈয়ে ইয়াত দুই প্ৰকাৰৰ চৰকাৰ আছে। সংবিধানে তেওঁলোকৰ মাজত ক্ষমতা বিভাজন কৰিছে। কিন্তু সেই বিভাজন ন্যায্য নহয়। কেন্দ্ৰীয় চৰকাৰক ৰাজ্য চৰকাৰতকৈ অধিক ক্ষমতা দিয়া হৈছে। এয়া ভাৰতীয় সংবিধানৰ এক অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য।

(II) যদিও সংবিধান সংশোধনৰ বাবে কিছুমান কঠিন পদ্ধতি আছে, তথাপিও মূলতঃ সংবিধানখন কঠোৰ নহয়। প্ৰায়বোৰ দফা সহজ পদ্ধতিৰে সংশোধন কৰিব পাৰি। ভাৰতৰ সংসদে ৰাজ্যৰ বিধায়িনী দলৰ অংশগ্ৰহণ অবিহনে সংবিধানৰ বহু অংশ একপক্ষীয়ভাৱে সংশোধন কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সংবিধানত ভাৰতক কেতিয়াও যুক্তৰাজ্য বুলি বৰ্ণনা কৰা হোৱা নাই। ভাৰতৰ ১ নং অনুচ্ছেদত ভাৰতক ৰাষ্ট্ৰৰ সংঘ বুলি সংজ্ঞায়িত কৰা হৈছে। যদিও গুৰুত্বপূৰ্ণ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য আছে তথাপিও বহুতো অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য ভাৰতীয় সংবিধানত আছে। ভাৰতত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিভাজন হৈছে যদিও ৰাজ্য চৰকাৰতকৈ কেন্দ্ৰীয় চৰকাৰক অধিক শক্তিশালী কৰি তোলা হৈছে। ৰাজ্য সমূহৰ অস্তিত্ব কেন্দ্ৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃত যুক্তৰাষ্ট্ৰৰ দৰে সমগ্ৰ দেশৰ বাবে একক সংবিধান আৰু একক নাগৰিকত্ব এই সকলোবোৰ কাৰণৰ বাবে ভাৰতক প্ৰকৃত যুক্তৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সংবিধানৰ ২৪৬ নং অনুচ্ছেদত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিধানমণ্ডলীয় ক্ষমতাৰ বিষয়ে আলোচনা কৰা হৈছে। সপ্তম সূচীত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আইন প্ৰণয়নৰ বাবে উদ্দেশ্য কৰা বিভিন্ন বিষয় সন্নিবিষ্ট কৰা তিনিখন তালিকা সন্নিবিষ্ট কৰা হৈছে। এই তালিকাসমূহ হ'ল কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু সমকালীন তালিকা। ভাৰতৰ সংসদক কেন্দ্ৰীয় তালকিাত অন্তৰ্ভুক্ত হোৱা বিষয়সমূহত আইন প্ৰণয়নৰ ক্ষমতা প্ৰদান কৰা হৈছে। ৰাজ্যিক বিধায়িনী দলে ৰাজ্যিক তালিকাত অন্তৰ্ভুক্ত হোৱা বিষয়সমূহত আইন প্ৰণয়ন কৰিব পাৰে। ২৮৯ নং অনুচ্ছেদত সংসদক ৰাষ্ট্ৰীয় স্বাৰ্থৰ বাবে ৰাজ্যিক তালিকাত বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ ক্ষমতা প্ৰদান কৰা হৈছে

যদিহে ৰাজ্যসভাই সেই সন্দৰ্ভত ২/৩ সংখ্যাগৰিষ্ঠতাৰে কোনো প্ৰস্তাৱ গৃহীত কৰে। আকৌ ২৫০ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে জৰুৰীকালীন অৱস্থাৰ সময়ত সংসদে ৰাজ্য তালিকাৰ বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ ক্ষমতা লাভ কৰে। সংসদ আৰু ৰাজ্যিক বিধায়িনী দল দুয়োটাই সমকালীন সূচীত অন্তৰ্ভুক্ত হোৱা বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে। এটা কথা মন কৰিবলগীয়া যে সমকালীন সূচীৰ কোনো বিষয়ৰ ওপৰত কেন্দ্ৰীয় আইন আৰু ৰাজ্যিক আইনৰ মাজত সংঘাত হয় তেন্তে ৰাজ্যিক আইনতকৈ কেন্দ্ৰীয় আইন প্ৰধান হ'ব। এই তিনিটা বিষয়ৰ সূচীত অন্তৰ্ভুক্ত নোহোৱা বিষয়ক অৱশিষ্ট ক্ষমতা বুলি কোৱা হয়। সেই বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ একচেটিয়া ক্ষমতা সংসদক দিয়া হৈছে। এইদৰে আমি ক'ব পাৰো যে বিধানসভাৰ ক্ষমতা বিভাজনৰ বিষয়ত সংসদ ৰাজ্যৰ বিধানসভাতকৈ অধিক শক্তিশালী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধান প্ৰণেতাসকলে মূলতঃ তলত উল্লেখ কৰা কাৰণসমূহৰ বাবেই শক্তিশালী কেন্দ্ৰৰ সৈতে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা কৰিছিল। বৈচিত্ৰ্যপূৰ্ণ জনসংখ্যাৰে ভৰা ভাৰত এখন বিশাল দেশ। গতিকে, দেশত ঐক্য আৰু অখণ্ডতা বজাই ৰাখিবলৈ এক শক্তিশালী কেন্দ্ৰৰ প্ৰয়োজন বুলি গণ্য কৰা হৈছিল। আকৌ আধুনিক কল্যাণকামী ৰাষ্ট্ৰৰ বিশাল দায়িত্ব পালন কৰিবলৈ আৰু নতুনকৈ স্বাধীন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশৰ বাবে পৰ্যাপ্ত সম্পদ আৰু ক্ষমতাৰে সজ্জিত এক শক্তিশালী কেন্দ্ৰ গুৰুত্বপূৰ্ণ আছিল। একে সময়তে আন্তৰাষ্ট্ৰীয় মঞ্চত ভাৰতক প্ৰতিষ্ঠা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আধিপত্যশীল কণ্ঠস্বৰ প্ৰয়োগ কৰিব পৰাকৈ শক্তিশালী হ'ব লাগে।



৬.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ দুটা যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয় সংবিধানৰ দুটা অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ ঃ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিধানমণ্ডলীয় সম্পৰ্কৰ ওপৰত এক চমু টোকা লিখক।

প্ৰশ্ন ৪ ঃ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত প্ৰশাসনিক বিত্তীয় সম্পৰ্ক ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতীয় ৰাজনীতিৰ শেহতীয়া বিকাশৰ পৰা কেন্দ্ৰ আৰু ৰাজ্য সমূহৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

প্ৰশ্ন ৬ ঃ ভাৰতীয় সংবিধানৰ যুক্তৰাষ্ট্ৰীয় আৰু অ-যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ ঃ ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এটি মূল্যায়ণ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ বিকেন্দ্রীকৰণৰ ৰাজনীতি

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান
৭.৪ ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিৱৰ্তন
৭.৫ অসমত স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ
৭.৬ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনী আইন
৭.৭ পঞ্চায়তৰাজৰ কাম-কাজৰ সমস্যা
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্ৰগতিৰ খতিয়ান
৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰত আৰু অসমত বিকেন্দ্রীকৃত ব্যৱস্থাৰ বিকাশ আৰু ইয়াৰ বিভিন্ন প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- পঞ্চায়তীৰাজ ব্যৱস্থাৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- পঞ্চায়তীৰাজ ব্যৱস্থাৰ ক্ষমতা আৰু কাৰ্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

'বিকেন্দ্রীকৰণ' শব্দটোক মেৰিয়ম বেৱষ্টাৰ অভিধানে কাৰ্য আৰু ক্ষমতাৰ বিক্ষিপ্ততা বা বিতৰণ বুলি সংজ্ঞা আগবঢ়াইছে। বিশেষকৈ কেন্দ্ৰৰ পৰা আঞ্চলিক আৰু স্থানীয় কৰ্তৃপক্ষলৈ ক্ষমতা প্ৰদানক বুজায়। ই হৈছে কেন্দ্ৰীয়, আঞ্চলিক আৰু স্থানীয় পৰ্য্যায়ৰ চৰকাৰী প্ৰতিষ্ঠানলৈ কৰ্তৃত্ব হস্তান্তৰ কৰা প্ৰক্ৰিয়া। ইয়াৰ লগত স্থানীয় পৰ্য্যায়ৰ লোকৰ অংশগ্ৰহণ জড়িত হৈ থাকে যিয়ে সিদ্ধান্ত গ্ৰহণৰ সুযোগৰ ভালদৰে উৎসাহিত কৰে, ৰাজনৈতিক ক্ষমতা আৰু পুঁজিৰ হস্তান্তৰ, কাৰ্য হস্তান্তৰ আদি নীতি প্ৰণয়ন আৰু আন্যান্য ৰাজনৈতিক প্ৰক্ৰিয়াৰ বাবে মানুহৰ অংশগ্ৰহণ অতি প্ৰয়োজন। ইয়াৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মানুহক জড়িত কৰা হয় আৰু দক্ষতা আৰু স্বচ্ছতা বৃদ্ধিৰ লগতে মানুহক চৰকাৰৰ ওচৰলৈ লৈ যায়। ভাৰতত বিকেন্দ্রীকৰণৰ প্ৰয়োজনীয়তা বহু আগতেই উপলব্ধি কৰা হৈছিল। গ্ৰাম্য স্থানীয় চৰকাৰক সাংবিধানিক সমৰ্থন দিয়াৰ প্ৰচেষ্টাৰ

ফলত ৭৩ সংখ্যক সংশোধনী আইন গৃহীত হয়। ৭৩ নং সাংবিধানিক সংশোধনী আইন, ১৯৯২চনত গাঁও, আঞ্চলিক আৰু জিলা পর্য্যায়ত পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থা কৰা হৈছিল। এই আইনখনে সমগ্র দেশতে পঞ্চায়তীৰাজ গাঁথনিত একাকাৰিতা আনিছে। ১৯৯২ চনত ৭৩ সংখ্যক সংশোধনী আইন গৃহীত হোৱাৰ লগে লগে পৰিকল্পনা, সিদ্ধান্ত গ্রহণৰ প্রক্রিয়াত মানুহৰ অংশগ্রহণ ভাৰতৰ গ্রাম্য অঞ্চলত ৰূপায়ন আৰু প্রদান ব্যৱস্থাক উল্লেখযোগ্যভাৱে স্বীকৃতি দিয়া হৈছে।

৭.৩ পঞ্চায়তীৰাজ প্রতিষ্ঠান

পঞ্চায়তীৰাজৰ প্রতিষ্ঠানটো প্রায় সকলো ধৰণৰ ৰাজনৈতিক প্রশাসনৰ বাবে মৌলিক হৈ আহিছে যিটো ভাৰতৰ বৃহৎ অংশই কেইবা সহস্রাব্দ ধৰি ইতিহাসৰ মাজত প্রত্যক্ষ কৰি আহিছে। পঞ্চায়ত হৈছে স্থানীয় চৰকাৰৰ বিভিন্ন প্রশাসনিক আৰু বিত্তীয় কাম-কাজৰ সৈতে জড়িত গোট, পঞ্চায়তীৰাজৰ ধাৰণাটোৱে গান্ধীবাদী দর্শনৰ এটা মৌলিক নীতি গঠন কৰে, যিয়ে গাওঁ পঞ্চায়তক স্বায়ত্ব শাসনৰ গোট হিচাপে গণ্য কৰে, ঔপনিৱেশিত কালত লর্ড মেয়ো আৰু লর্ড ৰিপণৰ দৰে কেইজনমান উল্লেখযোগ্য ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে লর্ড ৰিপনৰ দৰে কেইজনমান উল্লেখযোগ্য ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল, সেয়ে লর্ড ৰিপন ভাৰতত স্থানীয় স্বায়ত্ব শাসনৰ পিতৃ হিচাপে পৰিচিত।

ভাৰতৰ স্থানীয় চৰকাৰৰ বিকাশত লর্ড ৰিপনে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। ১৮৮২ চনত আনুষ্ঠানিকভাৱে মনোনীত কৰা লোকসকলে প্রচলিত স্থানীয় চৰকাৰৰ ব্যৱস্থা ত্যাগ কৰি বিকেন্দ্রীকৰণৰ নতুন ব্যৱস্থা আগবঢ়ায়, তেওঁৰ স্থানীয় স্বায়ত্ব শাসনৰ পৰিকল্পনা অনুসৰি অধিক কার্যক্ষমতা লাভৰ বাবে স্থানীয় বর্ডসমূহক সৰু সৰু গোটত বিভক্ত কৰা হৈছিল। তেওঁ জনসাধাৰণৰ অংশগ্রহণ নিশ্চিত কৰাৰ বাবে স্থানীয় ব'র্ডসমূহৰ বাবেও নির্বাচনী ব্যৱস্থা প্রৱর্তন কৰে।

স্বাধীনতাৰ কিছু সময়ৰ পাছতেই পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ কাম ভাৰত চৰকাৰৰ ওপৰত পৰে, আমাৰ দেশৰ নেতাসকলৰ বাবে স্পষ্ট হৈ পৰিছিল যে বহৎ সংখ্যক গাঁৱৰ দেশ ভাৰতে গণতন্ত্রক শক্তিশালী কৰিবলৈ হ'লে গাঁও পঞ্চায়তসমূহ শক্তিশালী কৰিব লাগিব। তেওঁলোকৰ মতে, গাঁওসমূহে স্বাৱলম্বী হ'বলৈ নির্বাচিত পঞ্চায়তৰ জৰিয়তে নিজে শাসন কৰিব পাৰিব লাগে, কিন্তু আশ্চার্য্য জনকভাৱে ১৯৪৮ চনত প্রস্তুত কৰা সংবিধানৰ খচৰাত পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ কোনো স্থান নাছিল। গান্ধীয়ে ইয়াক তীব্র সমালোচনা কৰি তৎকালীনভাৱে গুৰুত্ব দিবলৈ আহ্বান জনায়। অৱশেষত পঞ্চায়তীৰাজৰ অনুষ্ঠানসমূহে ৰাষ্ট্র পৰিচালনাৰ নির্দেশনামূলক নীতিসমূহত স্থান লাভ কৰে।

পৰম্পৰাগতভাৱে পঞ্চায়তসমূহৰ নেতৃত্বত। পাঁচজন জ্ঞানী বৃদ্ধ আছিল যাক প্রশাসনিক দক্ষতা আৰু অভিজ্ঞতাই স্থানীয় স্বায়ত্ব শাসনৰ প্রশাসনত এক উপযোগী উদ্দেশ্য সাধন কৰিছিল।

পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহেই দেশৰ বিকেন্দ্ৰীকৰণ ব্যৱস্থাৰ চালিকাশক্তি বুলি কোৱা হয়। বিকেন্দ্ৰীকৰণক জনসাধাৰণক সবলীকৰণ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জড়িত কৰাৰ এক মাধ্যম হিচাপে দেখা যায়। পথ, পৰিবহণ, পানী আৰু বিদ্যুতৰ দৰে স্থানীয় বিষয়সমূহ স্থানীয় জনসাধাৰণে ভালদৰে বুজি পায় আৰু পৰিচালনা কৰে কাৰণ ইয়াত সম্পদসমূহ যথেষ্ট দক্ষতাৰে ব্যৱহাৰ কৰাৰ ক্ষমতা আছে। ফলত মানুহে স্থানীয় প্ৰয়োজনীয়তাৰ প্ৰতি অধিক সঁহাৰি জনাব পাৰে আৰু উপলব্ধ সম্পদৰ উন্নত ব্যৱহাৰ কৰিব পাৰে। এখন দেশৰ গণতান্ত্ৰিক ব্যৱস্থা নিশ্চিত হ'ব পাৰে যদিহে শাসন ব্যৱস্থাত গণ অংশগ্ৰহণ থাকে। গতিকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণক দেশৰ গণতন্ত্ৰ আৰু আৰ্থসামাজিক উন্নয়ন সুনিশ্চিত কৰাৰ মাধ্যম হিচাপে বিবেচিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন আইনৰ জৰিয়তে ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক মৰ্যদা দিয়া হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ ..... গাঁও, আঞ্চলিক, আৰু জিলা পৰ্যায়ত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থা কৰা হৈছে

প্ৰশ্ন নং ৩ ঃ ভাৰতত কোন 'স্থানীয় প্ৰশাসনৰ পিতৃ' হিচাপে পৰিচিত।

.....

৭.৪ ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিৱৰ্তন

স্বাধীনতাৰ পাছত, ভাৰতত আৰম্ভ হোৱা প্ৰথম বৃহৎ উন্নয়ণ কাৰ্যসূচী আছিল ১৯৫২ চনৰ সামূহিক উন্নয়ন সাধন কাৰ্যসূচী। ইয়াৰ মূল লক্ষ্য আছিল গ্ৰাম্য অঞ্চলৰ সামগ্ৰিক উন্নয়ন সাধন কৰা আৰু জনসাধাৰণৰ অংশগ্ৰহণক উৎসাহিত কৰা। এই কাৰ্য্যসূচী এনেদৰে প্ৰণয়ন কৰা হৈছিল যাতে প্ৰশাসনিক কাঠামো জিলা, তহচিল/ আৰু গাঁও পৰ্য্যায়ৰ অঞ্চললৈকে বিয়পিব পাৰে। দেশৰ আটাইকেইখন জিলাকে উন্নয়ন বিষয়া (বি. ডি. অ) সৃষ্টি কৰা হয়। খণ্ড উন্নয়ন বিষয়াক সহায় কৰিবলৈ Village Level Workers (ভি. এল. ডব্লিউ) নিযুক্তি দিয়া হয়। কিন্তু এই কাৰ্যসূচী সফল নহ'ল। ইয়াৰ বিফলতাৰ প্ৰত্যক্ষ কাৰণ আছিল স্থানীয় পৰ্য্যায়ৰ গ্ৰাম্য উন্নয়নৰ কাৰ্যসূচীত মানুহৰ অংশগ্ৰহণৰ অপৰ্যাপ্ত মাত্ৰা।

ভাৰতত কেইবাখনো সমিতি গঠন কৰা হৈছিল যিয়ে পঞ্চায়তীৰাজ বিকাশত অৰিহণা যোগাইছে। ইয়াৰে কিছুমান হ'ল—

বলবন্ত ৰায় মেহতা সমিতি

১৯৫৭ চনত ভাৰত চৰকাৰে সামূহিক উন্নয়ন কাৰ্যসূচী আৰু ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ কাম-কাজ পৰীক্ষা কৰাৰ লগতে সম্প্ৰসাৰণ সেৱা আৰু তেওঁলোকৰ উন্নতিৰ উপায়ৰ পৰামৰ্শ দিবলৈ এখন সমিতি গঠন কৰি দিছিল। এই সমিতিখন বলবন্ত ৰায় মেহতাৰ নেতৃত্বত গঠন হৈছিল আৰু

সেয়েহে ই বলবন্ত ৰায় মেহতা সমিতি নামেৰে পৰিচিত। ১৯৫৭ চনৰ নৱেম্বৰ মাহত সমিতিখনে প্ৰতিবেদন দাখিল কৰি গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ বাবে এখন আঁচনিৰ পৰামৰ্শ দিয়ে যিখন আঁচনি 'পঞ্চায়তী ৰাজ' নামেৰে পৰিচিত হ'ল।

সমিতিৰ পৰামৰ্শ তলত উল্লেখ কৰা হ'ল—

- গাঁৱৰ পৰা জিলা পৰ্যায়লৈকে স্থানীয় তিনি খলপীয়া স্থানীয় স্বায়ত্ব শাসনৰ ব্যৱস্থা থাকিব আৰু প্ৰতিটো স্তৰৰ সভাত এক সংযোগ থাকিব
- এই সংস্থাসমূহে নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব পৰাকৈ ক্ষমতা আৰু দায়িত্বৰ প্ৰকৃত হস্তান্তৰ হ'ব লাগে।
- এই সংস্থাসমূহলৈ পৰ্যাপ্ত সম্পদ হস্তান্তৰ কৰিব লাগে যাতে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰিব পাৰে।
- তিনিওটা স্তৰৰ সকলো কল্যাণমূলক আঁচনি আৰু কাৰ্যসূচী এই সংস্থাসমূহৰ জৰিয়তে কৰিব লাগে।
- তিনি স্তৰৰ ব্যৱস্থাই ভৱিষ্যতে ক্ষমতা আৰু দায়িত্বৰ অধিক বিভাজন আৰু নিস্পত্তিৰ সুবিধা প্ৰদান কৰিব লাগে।এই স্তৰসমূহক পৰোক্ষ নিৰ্বাচনৰ জৰিয়তে প্ৰকৃতভাৱে একেলগে সংযোগ কৰা উচিত। সমিতিখনে তিনি স্তৰৰ পঞ্চায়ত ব্যৱস্থাৰ কথা কৈছে- জিলা পৰিষদ, পঞ্চায়ত সমিতি আৰু গ্ৰাম্য পঞ্চায়ত। পঞ্চায়তসমূহৰ তিনিটা স্তৰৰ ব্যৱস্থাৰ কল্পনা কৰি সামূহিক কামত জনসাধাৰণৰ অংশগ্ৰহণক উৎসাহিত কৰা, কৃষি আৰু পশুপালনৰ প্ৰসাৰ, পঞ্চায়তৰ জৰিয়তে দুৰ্বল শ্ৰেণী আৰু মহিলাসলৰ কল্যাণৰ প্ৰসাৰিত কৰাৰ পৰামৰ্শ আগবঢ়ায়।
- পঞ্চায়ত সমিতি কাৰ্যকৰী সংস্থা হোৱাৰ বিপৰীতে জিলা পৰিষদ পৰামৰ্শ আৰু সমন্বয়ক সংস্থা হ'ব লাগে।
- জিলা পৰিষদৰ অধ্যক্ষ হ'ব জিলা উপায়ুক্ত।

এই পৰামৰ্শসমূহ ১৯৫৮ চনৰ জানুৱাৰী মাহত ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে (NDC) গ্ৰহণ কৰে আৰু ৰাজ্যসমূহৰ বাবে এৰি দিছিল। তেওঁলোকৰ বাবে উপযুক্ত নিজৰ আৰ্হি বিকশিত কৰিব। ৰাজস্থানেই প্ৰথম ৰাজ্য যি ১৯৫৯ চনৰ ২ অক্টোবৰত নাগৌৰ জিলাত পঞ্চায়তীৰাজক প্ৰতিষ্ঠা কৰে। তাৰ পিছত অন্ধ্ৰপ্ৰদেশে পঞ্চায়তীৰাজ প্ৰতিষ্ঠা কৰে।

বলবন্ত ৰায় মেহতা সমিতিৰ পৰামৰ্শসমূহ দেশৰ বহু ৰাজ্যই কাৰ্যকৰী কৰে। কিন্তু ক্ৰমবৰ্ধমান দুৰ্নীতি অদক্ষতা আৰু অনিয়মৰ ফলত ই বৰ বেছি দিন নাথাকিল। নিৰ্বাচন নিয়মিয়াকৈ অনুস্থিত নহ'ল। তদুপৰি এই সংস্থাসমূহত মানুহৰ অংশগ্ৰহণ অতি কম আছিল।

অশোক মেহতা সমিতি

- পূৰ্বৰ তিনিটা স্তৰৰ ব্যৱস্থাৰ ঠাইত দুটা স্তৰৰ ব্যৱস্থা প্ৰস্তাৱ কৰা হৈছিল। অৰ্থাৎ জিলা পৰ্য্যয়ত জিলা পৰিষদ আৰু তাৰ তলত এদল গাঁৱৰে গঠিত মণ্ডল পঞ্চায়ত।
- জিলা পৰিষদ কাৰ্যবাহী সংস্থা হ'ব আৰু জিলা পৰ্য্যায়ত পৰিকল্পনাৰ দায়িত্ব ল'ব লাগিব।

- দুর্বল সামাজিক আৰু অর্থনৈতিক গোটসমূহৰ বাবে আবণ্টিত ধনৰ তদাৰক কৰিবলৈ জিলা পর্যায়ৰ সংস্থা এটাৰ দ্বাৰা নিয়মীয়াকৈ সামাজিক হিচাপ পৰীক্ষা হ'ব লাগে।
- ৰাজ্য চৰকাৰে পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ ঠাই ল'ব নালাগে। Nyaya Panchayats Development Panchayat ৰপৰা পৃথক সংস্থা হিচাপে ৰাখিব লাগে।
- পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ কাম কাজ চোৱাচিতা কৰিবলৈ ৰাজ্যিক মন্ত্রী পৰিষদত এজন পঞ্চায়তীৰাজ মন্ত্রী নিযুক্তি দিব লাগে।
- জনসংখ্যাৰ ভিত্তিত এই প্রতিষ্ঠানসমূহত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিসমূহৰ বাবে সংৰক্ষণ কৰিব লাগিব।

জনতা চৰকাৰৰ পতনৰ বাবে অশোক মেহতা সমিতিৰ পৰামর্শ কার্যকৰী নহ'ল। এই সমিতিৰ পৰামর্শৰ ভিত্তিত কর্ণাটককে ধৰি কমসংখ্যাক ৰাজ্যই নতুন আইন প্রণয়ন কৰিছিল। ১৯৮০ চনৰ ভিতৰত স্থানীয় চৰকাৰসমূহৰ ওপৰত চকু ৰাখিবলৈ দুখন গুৰুত্বপূর্ণ সমিতি নিযুক্তি দিয়া হৈছিল। ১৯৮৫ চনৰ জি. ভি. কে. ৰাও সমিতি আৰু ১৯৮৬ চনৰ ড. এল. এম. সিংভী সমিতি জি. ভি. কে. ৰাও সমিতিয়ে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক পুনৰুজ্জীৱিত কৰাৰ পৰামর্শ দিছিল যাতে গ্রাম্য উন্নয়ন কার্যসূচীসমূহৰ পৰিকল্পনা ৰূপায়ণ আৰু নিৰীক্ষণৰ অধিক দায়িত্ব তেওঁলোকৰ ওপৰত অর্পণ কৰিব পৰা যায়। এল. এম. সিংভী সমিতিয়ে পৰামর্শ আগবঢ়াইছিল যে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহ সাংবিধানিকভাৱে স্বীকৃতিপ্রাপ্ত আৰু সুৰক্ষিত হ'ব লাগে। সমিতিখনে লগতে প্রস্তাৱ আগবঢ়াইছিল যে এখন বিত্তীয় আয়োগ নিয়োগ আৰু সংবিধানৰ সপ্তমসূচীৰ সংশোধনীৰ যোগেদি গ্রাম্য উন্নয়ণ কার্যসূচী পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ হাতত অর্পন কৰিব লাগে। ভাৰতত পি. আৰ. আই. (PRI) ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ ১৯৮৮ চনত থুংগন সমিতি আৰু গাভগিল সমিতি গঠন কৰা হৈছিল।

এই ঘটনাৰ পিছত ভাৰতৰ তেতিয়াৰ প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে ১৯৮৯ চনৰ ১৫ জুলাইত স্থানীয় বিষয়ত ৬৪ সংখ্যক সংশোধনী বিধেয়ক উত্থাপন কৰে। কিন্তু সংসদত প্রয়োজনীয় সমর্থন লাভ কৰাত ব্যর্থ হয়। ১৯৯০ চনৰ ছেপ্টেম্বৰ মাহত সংসদত বিধেয়কখন গৃহীত কৰিবলৈ দ্বিতীয়বাৰৰ বাবে প্রচেষ্টা চলোৱা হয় আৰু বিফল হয়। ১৯৯১ চনৰ ছেপ্তেম্বৰ মাহত কংগ্রেছ চৰকাৰে তেতিয়াৰ প্রধানমন্ত্রী পি. ভি. নৰসিংহ ৰাওৰ নেতৃত্বত পঞ্চায়তীৰাজৰ এখন নতুন উত্থাপন কৰিছিল। ইয়াক সামান্য পৰিবর্তন কৰি ১৯৯২ চনৰ ৭৩ সংখ্যক সংশোধনী আইন হিচাপে গৃহীত কৰা হয় আৰু অৱশেষত ১৯৯৩ চনৰ ২৪ এপ্রিলৰ পৰা বলবৎ হয়।

৭.৫ অসমত স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ

বর্তমানৰ স্থানীয় স্বশাসনৰ সূত্রপাত ব্রিটিছ শাসনৰ পৰাই হ'ব পাৰে। ব্রিটিছ শাসনৰ সময়ত স্থানীয় প্রতিষ্ঠানসমূহক সীমিত ক্ষমতা প্রদান কৰা হৈছিল। পঞ্চায়তৰ পৰম্পৰাগত ব্যৱস্থাই এক বৃহৎ বিপর্যয়ৰ সন্মুখীন হ'বলগীয়া হয়। কিয়নো ব্রিটিছসকলৰ থলুৱা জনসাধাৰণৰ কল্যাণৰ প্রতি আগ্রহ কম আছিল। কিন্তু ব্রিটিছৰ আগমনৰ আগতে গাঁৱৰ মানুহৰ জীৱন সম্পত্তি

সুৰক্ষাৰ বাবে আমাৰ গাঁওসমূহ পৰিচালনা কৰিবলৈ কিছুমান নীতি-নিয়ম আছিল। ১৮৮৭ চনত চৌকিদাৰ পঞ্চায়ত আইন গৃহীত হয় আৰু ষাঠি (৬০) তকৈ অধিক ঘৰৰে গঠিত যিকোনো গাঁৱত পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হয়। এখন গাঁৱত যিকোনো পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হয়। এখন গাঁৱত যিকোনো পঞ্চায়ত সৃষ্টিৰ দায়িত্ব জিলা দণ্ডাধীশৰ ওপৰত ন্যস্ত কৰা হৈছিল। ইয়াৰ উপৰিও দুখনতকৈ অধিক গাঁৱৰ বাবে পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হৈছিল যদিহে সেইবোৰ ইটোৱে সিটোৰ লগত অবিৰতভাৱে থাকে। পঞ্চায়তৰ কাম-কাজ কেৱল চৌকিদাৰী ব্যৱস্থাৰ মাজতে সীমাবদ্ধ আছিল। ইয়াত উল্লেখ কৰিব পাৰি যে প্ৰাচীন অসমত চৌকীদাৰী ব্যৱস্থা প্ৰচলিত আছিল আৰু চৌকীদাৰে গাঁওবোৰক সেৱা আগবঢ়াইছিল আৰু তেওঁলোকৰ পৰা সেৱা নিশ্চিত কৰিবলৈ কৰ সংগ্ৰহৰ পৰা দৰমহা দিয়া হৈছিল।

ভাৰত আৰু অসম উভয়ৰে বাবে ১৯০৯ চনৰ পিছত পঞ্চায়ত ব্যৱস্থাৰ ইতিহাস এক নিৰ্দিষ্ট দিশলৈ পৰিণত হয়। কাৰণ, ১৯০৭ চনত বিকেন্দ্রীকৰণৰ ওপৰত বহুওৱা ৰয়েল আয়োগৰ পৰামৰ্শ ১৯০৯ চনত গ্ৰহণ কৰা হয়। আয়োগে পঞ্চায়তক অধিক ক্ষমতা প্ৰদান কৰিব লাগে বুলি পৰামৰ্শ দিছিল। তেতিয়াৰ পৰাই অৱগত গাঁও কৰ্তৃপক্ষ স্থাপনৰ চেষ্টা কৰা হৈছিল। সেই অনুসৰি অসম চৰকাৰে বিকেন্দ্রীকৰণৰ ওপৰত ৰয়েল আয়োগৰ পৰামৰ্শ গ্ৰহণ কৰি অনাময়, পানী যোগান আদি সম্পৰ্কে অধিক ক্ষমতা প্ৰদানৰ প্ৰয়াস কৰিছিল। এই বিধানসমূহ স্থানীয় স্বায়ত্ব শাসন আইন, ১৯১৫ত অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু প্ৰতিষ্ঠানসমূহে এই আইনৰ অধীনত যেনেকৈ পঞ্চায়ত প্ৰতিষ্ঠা কৰিছিল। একেখন গাঁৱৰ বিভিন্ন অঞ্চলৰ মানুহৰ মাজত সংঘাতৰ বাবে বহু প্ৰশাসনিক আৰু আৰ্থিক সমস্যাৰ সন্মুখীন হৈছিল।

১৯২৬ চনৰ অসম গ্ৰাম্য স্বায়ত্ব শাসন আইনখন গৃহীত হয় য'ত গাঁৱৰ মানুহে নিজৰ সমস্যা সমাধানৰ বাবে অংশগ্ৰহণ কৰিব পৰাকৈ প্ৰশাসনিক ব্যৱস্থাৰ ব্যৱস্থা কৰা হৈছিল। এই আইনৰ অধীনত পঞ্চায়তক ক্ষমতা প্ৰদান কৰা হৈছিল আৰু একেখন আইনৰ অধীনত সময়ৰ লগে লগে পঞ্চায়তৰ ক্ষমতা আৰু কাম-কাজ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু, গাঁওবাসীয়ে নিজৰ কাম-কাজৰ প্ৰশাসন চলাব পৰা নাছিল।

১৯৪৮ চনত অসম গাঁও পঞ্চায়ত আইন গ্ৰহণ কৰা হয় আৰু ইয়াত দুই স্তৰীয় পঞ্চায়ত ব্যৱস্থা অৰ্থাৎ প্ৰাথমিক পঞ্চায়ত আৰু গ্ৰাম্য গঠন কৰা হৈছিল। গ্ৰাম্য পঞ্চায়তসমূহে এখনতকৈ অধিক গাঁও সেৱা আৰু প্ৰাথমিক পঞ্চায়তৰ প্ৰশাসনিক এলেকা হ'ব এখন গাঁও। কিন্তু এই আইনখনেও গাঁওসমূহক সন্তোষজনকভাৱে সেৱা আগবঢ়োৱাত ব্যৰ্থ হৈছিল।

অশোক মেহতা সমিতিৰ পৰামৰ্শ মতে (১৯৫৭) ১৯৫৯ চনৰ অসম পঞ্চায়তীৰাজ আইনত অসমৰ গ্ৰাম্যঞ্চলত মহকুমা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত স্থাপনৰ ব্যৱস্থা কৰা হৈছিল। ব্যৱস্থাটোৰ শীৰ্ষত মহকুমা পৰিষদ এটা পৰামৰ্শদাতা সংস্থা আৰু আঞ্চলিক পঞ্চায়ত আছিল মধ্যম স্তৰ আৰু নিম্নস্তৰত আছিল গাঁও পঞ্চায়ত। আঞ্চলিক পঞ্চায়ত ফলপ্ৰসূভাৱে কাম কৰিব নোৱাৰিলে আৰু ফলস্বৰূপে ১৯৭২ চনত ইয়াক বিলুপ্ত কৰা হ'ল। ১৯৭২ চনত দুই স্তৰীয় পঞ্চায়ত ব্যৱস্থা প্ৰৱৰ্তন কৰা হয় আৰু সেই অনুসৰি গাঁও পৰ্য্যায়ত গাঁও

পঞ্চায়ত আৰু জিলা পর্যায়ত মহকুমা পৰিষদ স্থাপন কৰা হয়। মহকুমা পৰিষদক জনস্বাস্থ্য, শিক্ষা, কল্যাণ, কৃষি, ক্ষুদ্র উদ্যোগ, সমবায় সমিতি আদিৰ ক্ষেত্রত কার্যকৰী, কামৰ দায়িত্ব অর্পণ কৰা হয়। গাঁও পঞ্চায়তক কেইবাটাও উন্নয়নমূলক কামৰ দায়িত্ব অর্পণ কৰা হয়।

১৯৮৬ চনত অসম পঞ্চায়তীৰাজ আইনখন গৃহীত হয় আৰু ইয়াত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ সমূহক আঞ্চলিক পঞ্চায়তৰ নিৰাপত্তা আৰু বাজেট অনুমোদন, পুঁজি বিতৰণৰ ক্ষেত্রত চৰকাৰক পৰামর্শ দিবলৈ আঞ্চলিক পঞ্চায়তৰ কাম-কাজৰ পর্যালোচনা আদি কেইবাটাও কামৰ দায়িত্ব অর্পন কৰা হয়।

১৯৯২ চনত অসমত পঞ্চায়ত নির্বাচন অনুষ্ঠিত হৈছিল যিটো অসমৰ পঞ্চায়তীৰাজ ব্যৱস্থাত মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। ১৯৯২ চনত ভাৰত চৰকাৰে সংবিধান (৭৩ সংশোধনী) আইন ১৯৯২ ৰ দ্বাৰা নতুন পঞ্চায়তীৰাজ ব্যৱস্থা প্রৱর্তন কৰে। ৭৩ তম সংশোধনীৰ অধীনত উপযুক্ত ব্যৱস্থা গ্রহণৰ উদ্দেশ্য অসম চৰকাৰে অসম পঞ্চায়তীৰাজ আইন ১৯৮৬ ৰ ঠাইত অসম পঞ্চায়ত আইন ১৯৯৪ প্রণয়ন কৰে। এই আইনৰ অধীনত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহ ক্রমে জিলা পর্যায়, ব্লক বা মধ্যম পর্যায় আৰু গাঁও পঞ্চায়ত গঠন কৰা হয়।

গাঁও পঞ্চায়তৰ ভোটাৰে পোনপটীয়াকৈ সভাপতি আৰু গাঁও পঞ্চায়তৰ সদস্য নির্বাচন কৰে। আঞ্চলিক পঞ্চায়তৰ সভাপতি আঞ্চলিক পঞ্চায়তৰ সদস্যৰ মাজত পৰা নির্বাচিত হয়। জিলা পৰিষদৰ সদস্যসকলক জিলা পৰিষদ সমষ্টিৰ ভোটাৰে নির্বাচন কৰে। এছ. ছি. এছ. টি আৰু মহিলাৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা আছে। পঞ্চায়তৰ মুঠ আসনৰ ৩৩% মহিলাৰ বাবে সংৰক্ষিত। জনসংখ্যাৰ ভিত্তিত অনুসূচিত জনজাতি আৰু অনুসূচিত জাতি জনগোষ্ঠীৰ বাবে আসন সংৰক্ষিত কৰা হৈছি। এই আইনখনত পঞ্চায়ত সংস্থাসমূহৰ বিত্তীয় অৱস্থা পুনৰীক্ষণৰ বাজ্যিক বিত্ত আয়োগ গঠনৰ ব্যৱস্থা কৰা হৈছে আৰু ৰাজ্য আৰু পঞ্চায়তৰ মাজত সম্পদৰ ভাগ-বতৰা কৰাৰ পৰামর্শৰ দিয়া হৈছে। তদুপৰি জিলা আঁচনি একত্রিত কৰাৰ বাবে এখন জিলা পৰিকল্পনা সমিতি গঠন কৰা হ'ব। এই আইনখনে পঞ্চায়তৰ সম্পদসমূহ বহু দিশত সংগঠিত কৰাৰ সুযোগো প্রদান কৰে।

অসম পঞ্চায়ত আইন, ১৯৯৪ তিনি স্তৰৰ পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ কিছু কামৰ কথা উল্লেখ আছে ইয়াৰ ভিতৰত বার্ষিক পৰিকল্পনা আৰু বার্ষিক বাজেট প্রস্তুত কৰা, প্রাকৃতিক দুর্যোগত সাহার্য সংগঠিত কৰা, ৰাজহুৱা সম্পত্তিৰ বেদখল দূৰ কৰা, স্বেচ্ছাসেৱী শ্রমিকৰ সংগঠন আৰু সামূহিক কামত অৱদান আগবঢ়োৱা।

একেদৰে আঞ্চলিক পঞ্চায়তসমূহক বার্ষিক পৰিকল্পনা আৰু বার্ষিক বাজেট প্রস্তুত কৰাৰ দায়িত্ব অর্পণ কৰা হয় যিবোৰ অনুমোদনৰ বাবে জিলা পৰিষদৰ ওচৰত দাখিল কৰা হয়, সকলো গাঁও পঞ্চায়তৰ বার্ষিক পৰিকল্পনা একত্রিত কৰা চৰকাৰ বা জিলা পৰিষদে ন্যস্ত কৰা কাম-কাজ সম্পাদন কৰা আৰু প্রাকৃতিক দুর্যোগত সাহার্য অভিযানত চৰকাৰক সহায় কৰা।

জিলা পৰিষদৰ কাম হ'ল জিলাখনৰ অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বাবে

পৰিকল্পনা প্ৰস্তুত কৰা আৰু এনে পৰিকল্পনাৰ সময়ত ৰূপায়ন সনিশ্চিত কৰা।

ৰাজ্যৰ বিধায়িনী দলে আইনৰ দ্বাৰা পঞ্চায়তক ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ দৰে স্ব-চৰকাৰী প্ৰতিষ্ঠান হিচাপে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বাবে আসন সংৰক্ষণ, জনসংখ্যাৰ অনুপাতে মহিলাৰ বাবে আসন সংৰক্ষণ (এক তৃতীয়ংশতকৈ কম নহয়) বাধ্যতামূলক সংৰক্ষণ অত্যাদি কাম কৰিবলৈ সক্ষম হ'বলৈ প্ৰয়োজনীয় ক্ষমতা আৰু কৰ্তৃত্ব প্ৰদান কৰিব পাৰে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ ক্ষমতা আৰু কাম-কাজৰ ওপৰত কাৰ্যবাহী নিয়ন্ত্ৰণ ৰোধ কৰিবলৈ বহু ৰাজ্য চৰকাৰে আইন প্ৰণয়ন কৰি পঞ্চায়তক স্বায়ত্ব শাসনৰ প্ৰতিষ্ঠান হিচাপে ক্ষমতা প্ৰদান কৰি বহু বিভাগ পঞ্চায়তলৈ হস্তান্তৰ কৰিছে। মধ্যপ্ৰদেশত ৰাজ্য চৰকাৰে ২২ টা বিভাগ পঞ্চায়তলৈ বদলি কৰে। অসমত ৰাজ্যচৰকাৰে ২৯ টা বিষয়ক ভিতৰত ১৪ টা বিষয় পঞ্চায়তীৰাজ প্ৰতিষ্ঠানলৈ বদলি কৰে।

৭.৬ ৭৩ আৰু ৭৪ সংখ্যক সংশোধনী আইন

৭৩ সংখ্যক সংশোধনী আইনখনৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহ হৈছে—

- এই আইনখন ভাৰতৰ সংবিধানৰ নৱম খণ্ডৰ সৈতে মিল আছে। এই অংশটো ২৩৪ ৰ পৰা ২৪৩ (০) লৈকে বিধানেৰে গঠিত।
- এই আইনখনে ভাৰতৰ সংবিধানত একাদশ অনুসূচিত সংযোজন কৰিছে। ইয়াত পঞ্চায়তসমূহৰ ২৯ টা কাৰ্যকৰী বস্তু সন্নিবিষ্ট কৰা হৈছে আৰু ২৪০(G) অনুচ্ছেদৰ বিষয়ে আলোচনা কৰা হৈছে।
- এই আইনখনে পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিক মৰ্যদা প্ৰদান কৰে।
- এই আইনৰ চৰ্ত অনুসৰি ৰাজ্য চৰকাৰসমূহে নতুন পঞ্চায়তীৰাজ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাংবিধানিক বাধ্যবাধকতাৰ অধীনত আছে।
- গাঁও, আঞ্চলিক আৰু জিলা পৰ্যায়ত পঞ্চায়তত তিনিটা স্তৰৰ ব্যৱস্থা থাকিব।
- আইনখনৰ বিষয়সমূহক দুটা ভাগত ভাগ কৰিব পাৰিঃ।

(ক) নিয়মীয়া নিৰ্বাচন আৰু সংসৰক্ষণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৰ সৃষ্টি কৰি আইনখনৰ বাধ্যতামূলক ব্যৱস্থা সমূহ ৰাজ্যিক আইনত অন্তৰ্ভক্ত কৰিব লাগে।

(খ) আনহাতে স্বেচ্ছামূলক ব্যৱস্থাসমূহ ৰাজ্যসমূহৰ বিবেচনা অনুসৰি অন্তৰ্ভুক্ত হ'ব।

৭৩ সংখ্যক সংশোধনী আইনৰ বিধানসমূহ ঃ

(১) গ্ৰাম সভা (ধাৰা ২৪৩ A) ঃ এই আইনত পঞ্চায়তীৰাজ ব্যৱস্থাৰ ভেটি হিচাপে এখন গ্ৰাম্য সভাৰ ব্যৱস্থা আছে। ই গাঁও পৰ্যায়ত পঞ্চায়তৰ এলেকাৰ ভিতৰত গঠিত গাঁৱৰ নিৰ্বাচনী তালিকাত পঞ্জীয়নভুক্ত ব্যক্তিৰে গঠিত সংস্থা।

(২) সদস্য আৰু অধ্যক্ষ নিৰ্বাচন (ধাৰা ২৪৩ C) ঃ গাঁও আঞ্চলিক আৰু জিলা পৰ্যায়ৰ পঞ্চায়তসমূহৰ সকলো সদস্যকে পোনপটীয়াকৈ ৰাইজে নিৰ্বাচন কৰিব। মধ্যৱৰ্তী আৰু জিলা পৰ্যায়ৰ পঞ্চায়তসমূহৰ অধ্যক্ষসকলক পৰোক্ষভাৱে নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা

আৰু তেওঁলোকৰ মাজত নির্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজত নির্বাচিত কৰা হ'ব।

(৩) আসম সংৰক্ষণ (ধাৰা ২৪৩ D) ঃ এই আইনত অনুসূচিত জাতি বা অনুসূচিত জনজাতিসকলৰ জনসংখ্যা অনুপাতে প্রতিখন পঞ্চায়তত আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। যদি ৰাজ্যসমূহে প্রয়োজনীয় বুলি বিবেচনা কৰে, তেন্তে তেওঁলোকে আন পিছপৰা শ্রেণীৰ বাবেও সংৰক্ষণ ব্যৱস্থা কৰিব পাৰে (OBC)। এই আইনখনে মহিলাৰ বাবে মুঠ আসনৰ ১/৩ ভাগতকৈ যাতে কম নহয় তাক নিশ্চিত কৰিছিল। মন কৰিবলগীয়া যে এই সংৰক্ষণসমূহ কেৱল পঞ্চায়তসমূহৰ সাধাৰণ সদস্যৰ ক্ষেত্রতে প্রযোজ্য নহয় বৰঞ্চ তিনিওটা স্তৰতে অধ্যক্ষ বা 'অধ্যক্ষাৰ' ক্ষেত্রটো প্রযোজ্য। তদুপৰি মহিলাৰ বাবে এক তৃতীয়াংশ আসনৰ সংৰক্ষণ কেৱল সাধাৰণ শ্রেণীৰ বাবেই নহয়, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্রেণীৰ বাবেও সংৰক্ষিত।

(৪) ক্ষমতা আৰু কার্য (২৪৩ G) ঃ ৰাজ্যিক বিধানসভা পঞ্চায়তসমূহক এনে ক্ষমতা আৰু কর্তৃত্ব প্রদান কৰিব পাৰে যাতে তেওঁলোকে নিজ চৰকাৰৰ প্রতিষ্ঠান হিচাপে কাম কৰিবলৈ সক্ষম হ'ব পাৰে। এনে আঁচনিত পঞ্চায়তসমূহৰ ক্ষমতা আৰু দায়িত্ব বিতৰণৰ বাবে কোনো আঁচনিৰ ব্যৱস্থা থাকিব পাৰে যেনে অর্থনৈতিক উন্নয়নৰ আঁচনি ৰূপায়ণ আৰ তেওঁলোকৰ ওপৰত ন্যস্ত কৰা সামাজিক ন্যায়। ইয়াৰ উপৰিও পঞ্চায়তসমূহৰ স্বার্থত বিত্তীয় বিষয়সমূহ চাবলৈ ৰাজ্যিক বিত্ত আয়োগ (২৪৩ (১) অনুচ্ছেদৰ অধীনত) নিযুক্তি দিয়া হৈছে।

উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীসমূহৰ বিকেন্দ্রীকৰণৰ বিষয়সমূহ চোৱাৰ বাবে ইতিমধ্যে ষষ্ঠ অনুসূচীৰ অধীনত এটা সুকীয়া ব্যৱস্থা অর্থাৎ স্বায়ত্ব শাসিত জিলা পৰিষদসমূহৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী সৃষ্টিৰ আঁৰৰ ধাৰণা আছিল উত্তৰ-পূৱ ভাৰতৰ জনজাতীয় লোকক তেওঁলোকৰ ৰীতি-নীতি আৰু জীৱন-ধাৰণৰ পদ্ধতি সুৰক্ষিত কৰিব পৰাকৈ সহজ প্রশাসনিক ব্যৱস্থা প্রদান কৰা আৰু তেওঁলোকৰ কাম-কাজ পৰিচালনাত স্বায়ত্ব শাসন প্রদান কৰা।

৭৪ তম সংশোধনী আইন ঃ

১৯৯৩ চনৰ এপ্রিল মাহৰ পৰা সংবিধান (৭৪ সংশোধনী) আইন, ১৯৯২ কার্যকৰী হয়। সংবিধান (৭৪ সংশোধনী) আইন, ১৯৯২ ৰ মূল বৈশিষ্ট্যসমূহ হ'ল --

বৈশিষ্ট্যসমূহ ঃ-

- ভাৰতীয় সংবিধানৰ নৱম খণ্ড (A) ৭৪ সংখ্যক সংশোধনী আইনৰ দ্বাৰা সংযোজন কৰা হৈছিল। এই অংশৰ শিৰোনাম হৈছে- পৌৰসভা আৰু ইয়াত ২৪৩ (P) অনুচ্ছেদৰ পৰা ২৪৩ (Z. G) লৈকে বিষয় উল্লেখ আছে।
- এই আইনখনে ভাৰতৰ সংবিধানত দ্বাদশ অনুসূচীও সংযোজন কৰে। এই সূচীত পৌৰসভাৰ ১৮ টা বিষয় সন্নিবিষ্ট কৰা হৈছে। ইয়াত ২৪৩ (W) অনুচ্ছেদৰ বিষয়ে আলোচনা কৰা হৈছে।

- এই আইনখনে প্রতিখন ৰাজ্যতে তিনি প্রকাৰৰ পৌৰসভা গঠনৰ ব্যৱস্থা কৰিছে- নগৰ পঞ্চায়ত, পৌৰসভা আৰু পৌৰনিগম।
- পৌৰসভাৰ সকলো আসন পৌৰসভা এলেকাৰ ভূখণ্ডীয় সমষ্টিৰ পৰা পোনপটীয়া নির্বাচনৰ দ্বাৰা পূৰণ কৰা হ'ব। প্রতিটো পৌৰসভা এলেকাক ৱার্ড হিচাপে সমষ্টিত ভাগ কৰা হ'ব। ৰাজ্যৰ বিধানমণ্ডলে আইনৰ দ্বাৰা ৱার্ড সমিতিৰ গঠন, ধৰণ আৰু সমষ্টিৰ ক্ষেত্রত ব্যৱস্থা গ্রহণ কৰিব পাৰে।
- ৰাজ্যৰ বিধায়িনী দলে আইনৰ দ্বাৰা পৌৰসভাসমূহক আত্মশাসনৰ প্রতিষ্ঠান হিচাপে কাম কৰিবলৈ সক্ষম কৰিবলৈ প্রয়োজনীয় ক্ষমতা আৰু কর্তৃত্ব প্রদান কৰিব পাৰে আৰু এনে আইনত পৰিকল্পনা প্রস্তুত কৰাৰ ক্ষেত্রত ক্ষমতা আৰু দায়িত্বসমূহ বিভাজনৰ ব্যৱস্থা থাকিব পাৰে আৰু ইয়াৰ ৰূপায়ন আৰু অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বিষয়সমূহ দ্বাদশ অনুসূচীত অন্তর্ভুক্ত। ৰাজ্যৰ বিধান মণ্ডলে দলে এনে পদ্ধতি অনুসৰি আৰু এনে সীমাৰ অধীনত এনে কৰ, শুল্ক, টোল আৰু মাচুল সংগ্রহ আৰু ব্যৱহাৰ কৰিবাল পৌৰসভাক আইনৰ দ্বাৰা অনুমোদন দিব পাৰে।
- ৭৩ সংখ্যক সংশোধনী আইনৰ অধীনত গঠন কৰা বিত্ত আয়োগে পৌৰসভাৰ বিত্তীয় অৱস্থা পুনৰীক্ষণ কৰিব। একেদৰে পৌৰসভাসমূহৰ বাবে নির্বাচনী তালিকা প্রস্তুত আৰু পৰিচালনাৰ অধীক্ষকৰ নির্দেশনা আৰু নিয়ন্ত্রণ ৰাজ্যিক নির্বাচন আয়োগক ওপৰত ন্যস্ত হ'ব।

৭.৭ পঞ্চায়তৰাজৰ সমস্যা

ভাৰতৰ পঞ্চায়তীৰাজ ৰাজনৈতিক, সামাজিক, অর্থনৈতিক পর্যায়ত সমস্যাৰ সন্মুখীন হৈছে। এই সমস্যাসমূহে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ সুদক্ষ কাম-কাজৰ বাধাৰ সৃষ্টি কৰিছে। ইয়াৰে কিছুমান সমাস্যা হ'ল—

(১) পঞ্চায়তসমূহৰ নিয়মীয়া নির্বাচন নহয়। যদিও সংবিধানত প্রতি ৫ বছৰৰ মূৰে মূৰে নির্বাচনৰ ব্যৱস্থা আছে কিছুমান ৰাজ্যত নির্বাচন দশকৰ পিছত হয়.

(২) জাতিবাদ, শ্রেণী, আদি কাৰকে নির্বাচনী প্রক্রিয়াত প্রধান ভূমিকা পালন কৰে সিয়ে এই প্রতিষ্ঠানসমূহৰ মসৃণ কার্যকলাপত বাধাৰ সৃষ্টি কৰে।

(৩) ৰাজ্য চৰকাৰ আৰু প্রশাসনিক সংস্থাসমূহৰ ৰাজনৈতিক হস্তক্ষেপ এক সাধাৰণ পৰিঘটনাত পৰিণত হৈছে, পঞ্চায়ত ব্যৱস্থাৰ নির্বাচনত জনশক্তি, ধনশক্তি আৰু বাহুবলৰ অবৈধ ব্যৱহাৰে এই প্রতিষ্ঠানসমূহ দুর্বল কৰি তুলিছে।

(৪) পঞ্চায়তসমূহৰ বাবে দক্ষ আৰু স্বচ্ছ কার্যকৰী বিধি আৰু প্রশাসনিক স্বায়ত্বশাসনৰ স্পষ্ট অনুপস্থিতি।

(৫) জনসাধাৰণ আৰু তেওঁলোকৰ প্রতিনিধিৰ অজ্ঞানতা আৰু নিৰক্ষৰতাৰ বাবে দুর্বল শ্রেণীৰ বাবে সংৰক্ষণৰ নীতিৰ বিশেষ লাভ হোৱা নাই।

(৬) প্রশাসকসকলক সিদ্ধান্ত অনুসৰণ কৰিবলৈ বাধ্য কৰিব পৰাকৈ অন্তর্নিহিত গাঁথনিগত আৰু সাংগঠনিক শক্তিৰ অনুপস্থিতি এই প্রতিষ্ঠানসমূহৰ কার্যকলাপত আন এক বাধা।

(৭) ধন আৰু সম্পদৰ অভাৱ আন এটা সমস্যা।

(৮) এই প্রতিষ্ঠানসমূহৰ বাবে এটা ডাঙৰ সমস্যা হ'ল কৰ আৰু মূল্য আৰোপ কৰিবলৈ আর্থিক স্বায়ত্বশাসনৰ অভাৱ।

(৯) পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ উন্নয়নৰ বাবে আবণ্টিত ধন ৰাজ্য চৰকাৰসমূহে আন শিতানত ব্যয় কৰাটোৱেও সমস্যাৰ সৃষ্টি কৰে।

(১০) বিভাজনৰ সাধাৰণ প্রকৃতিয়ে ডি. আৰ. ডি. এ. ডি. পি. চি আৰু অন্যান্য সংস্থাসমূহৰ বিভাগসমূহৰ সৈতে ওপৰা ওপৰিকৈ সোমাই থকাৰ বাবে কার্যকৰী বিভাজনৰ প্রক্রিয়াটোকে অর্থহীন কৰি তোলে। ইয়াৰ উপৰিও বহুতো কার্য পি. আৰ. আইৰ তিনিটা স্তৰৰ দুটাৰ মাজত ভাগ কৰা হয়। এইবোৰে পাছলৈ পঞ্চায়তসমূহৰ কার্যক্ষমতা আৰু ফলপ্রসূতাত বিৰূপ প্রভাৱ পেলোৱাই নহয়, সংবিধানে কল্পনা কৰা ধৰণে অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ পৰিকল্পনা প্রস্তুত কৰিবলৈও সক্ষম হোৱা নাই।

পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহৰ সঠিক কাম কাজ সুনিশ্চিত কৰিবলৈ ল'ব পৰা কেইটামান পদক্ষেপ তলত উল্লেখ কৰা হ'ল—

(১) পঞ্চায়তীৰাজ প্রতিষ্ঠানৰ নির্বাচিত সদস্য আৰু বিষয়াসকলক সামর্থ্য বিকাশৰ সমর্থন নিশ্চিত কৰা যিয়ে তেওঁলোকৰ কর্মদক্ষমতা যথেষ্ট বৃদ্ধি কৰিব পঞ্চায়ত প্রশিক্ষণে জিলা আৰু ৰাজ্যৰ মাজত এক্সপজাৰ ভ্রমণ আৰু পাৰস্পৰিক ক্রিয়াৰ জৰিয়তে পঞ্চায়তৰ নেতা আৰু বিষয়াসকলৰ মাজত একতাৰ সংস্কৃতিক প্রসাৰিত কৰিব লাগিব।

(২) পি আৰু আইনসমূহত সক্ষম পশিক্ষক আৰু সুবিধা প্রদানকাৰী দলৰ লগতে নূন্যতম সামর্থ্য বিকাশৰ আন্তঃগাঁথনি থাকিব লাগিব। পঞ্চায়ত (অনুসূচিত এলেকালৈ সম্প্রসাৰণ) অইন ১৯৯৬ ৰ অন্তর্গত অঞ্চলসমূহতো বিশেষ পশিক্ষণ কার্যসূচী আয়োজন কৰিব লাগিব যাতে জনজাতীয় লোকসকলৰ সাংস্কৃতিক পৰম্পৰা আৰু বিশেষ প্রয়োজনীয়তাসমূহৰ প্রতি লক্ষ্য ৰাখিব পাৰি।

(৩) গোটৰ আলোচনা, ৰাজহুৱা শুনানি, অংশগ্রহণমূলক সঁজুলি বিকশিত কৰা আদিৰ দৰে পৰামর্শমূলক প্রক্রিয়াৰ জৰিয়তে স্থানীয় শাসন পর্যায়ত ডাঙৰ ডাঙৰ বিঘিনিক চিনাক্ত কৰিলেও পি. আৰ. আইৰ কার্যকলাপৰ সৈতে জড়িত গৱেষণা, অধ্যয়ন, মূল্যায়নক উৎসাহিত কৰা, যিয়ে নীতিগত ব্যৱস্থাৰ পৰামর্শ দিয়াৰ লগতে অধিক প্রশাসনিক সংস্কাৰৰ ক্ষেত্রসমূহৰ ইংগিত দিব।

(৪) নাগৰিক সমাজ, সম্প্রদায় ভিত্তিক সংগঠন, স্বেচ্ছাসেৱী সংগঠন, স্থানীয় বেচৰকাৰী সংস্থা আদি জনসংগঠনসমূহৰ ৰাইজৰ অংশগ্রহণ আৰু জড়িততা উন্নয়নৰ সকলো পর্যায়তে এক অপৰিহার্য নিয়োজিত শক্তি, গতিকে এই দিশত অধিক প্রচেষ্টা চলোৱাৰ প্রয়োজন.

স্থানীয় চৰকাৰৰ প্রতিষ্ঠানসমূহ হৈছে কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ কল্যাণ আৰু উন্নয়ন

কার্যকৰী কৰা সংস্থা। স্থানীয় চৰকাৰক অধিক ক্ষমতা প্রদান কৰাৰ অর্থ হ'ল ক্ষমতাৰ অধিক সংযোগ গণতন্ত্রৰ অর্থ হ'ল ক্ষমতা জনসাধাৰণৰ মাজত ভাগ হ'ব লাগে। গণতন্ত্রৰ অর্থ হ'ল ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু স্থানীয় চৰকাৰৰ সন্দর্ভত জনসাধাৰণক অধিক ক্ষমতা প্রদান কৰাটো গণতন্ত্রৰ দিশত গুৰুত্বপূর্ণ পদক্ষেপ। কিন্তু গণতন্ত্র কেৱল আইনী বিধানত নহয়, এই বিধানসমূহৰ অনুশীলনতহে দেখা যায় যে তেওঁলোকে সময়ৰ প্রত্যাহ্বানমূলক জোৱাৰ সহ্য কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বলবন্ত ৰায় মেহতা সমিতিৰ যিকোনো চাৰিটা পৰামর্শৰলী উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ ৭৩ তম সংশোধনীত মহিলাৰ উন্নয়নৰ কাৰণে প্রণয়ন কৰা চর্তসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ ঃ ৭৩ তম সংশোধনী যি কোনো দুটা বিধানৰ বিষয়ে চমুৱাই লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থা সূচাৰুৰূপে পৰিচালনা হোৱা চাৰিটা সমস্যাৰ বিষয়ে চমুৱাই লিখক।

.....

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ বৃহৎ অংশই ইতিহাসৰ বুকুত প্রত্যক্ষ কৰা প্রায় সকলো ধৰণৰ ৰাজনৈতিক প্রশাসনৰ বাবে পঞ্চায়তীৰাজ প্রতিষ্ঠানটো কেইবাসহস্রাব্দ ধৰি গুৰুত্বপূর্ণ হৈ আহিছে। পঞ্চায়তসমূহ হৈছে বিভিন্ন প্রসাশনিক আৰু বিত্তীয় কাম-কাজ জড়িত স্থানীয় শাসনৰ একক।
- ভাৰতত ঔপনিবেশিক কালত লর্ড মেয়ো আৰু লর্ড ৰিপনৰ দৰে কেইজনমান উল্লেখযোগ্য

ব্রিটিছ কর্তৃপক্ষই সুদক্ষ স্থানীয় প্রশাসনৰ বাবে পঞ্চায়তৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিছিল।

- স্বাধীনতাৰ পিছত ভাৰতীয় নেতাসকলে পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু এই ব্যৱস্থাক অধিক ফলপ্রসূ কৰি তুলিবলৈ কেইবাখনো সমিতি নিযুক্তি দিয়া হৈছিল। কিছুমান গুৰুত্বপূর্ণ সমিতি আছিল বলবন্ত ৰায় মেহতা সমিতি, অশোক মেহতা সমিতি আদি। এই সমিতিসমূহে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক ফলপ্রসূ আৰু কার্যক্ষম কৰি তোলাৰ বাবে গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়াইছিল।
- ১৯৯২ চনত ৭৩ তম সংবিধান সংশোধনী আইন গৃহীত হয় যাৰ জৰিয়তে পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহক সাংবিধানিক মর্যদা প্রদান কৰা হৈছে।
- ভাৰতত পঞ্চায়তীৰাজে ৰাজনৈতিক সামাজিক অর্থনৈতিক পর্যায়ত সমস্যৰ সন্মুখীন হয় যিয়ে এই প্রতিষ্ঠানসমূহৰ কার্যক্ষম কার্যকলাপত বাধাৰ সৃষ্টি কৰে। পঞ্চায়তীৰাজ প্রতিষ্ঠানসমূহত মানুহৰ সক্রিয় অংশগ্রহণে নিশ্চিতভাৱে এই প্রতিষ্ঠানসমূহক অধিক ফলপ্রসু আৰু কার্যক্ষম কৰি তুলিব।



৭.৯ অধিক জানিবলৈ

১) জৈন. এল. চি. (২০০৫) বিকেন্দ্রীকৰণ আৰু স্থানীয় শাসন, নতুন দিল্লী ঃ অৰিয়েণ্ট লংমেন প্রইভেচ লিমিটেড।

২) জয়াল, অন. জি. প্রকাশ, এ আৰু শর্মা, পি, কে (সম্পাদিত) (২০০৬) ভাৰতত স্থানীয় শাসন বিকেন্দ্রীকৰণ আৰু ইয়াৰ বাহিৰত, নতুন দিল্লী ঃ অক্সফর্ড ইউনিভাৰচিটি প্রেছ।

৩) পাৰাৰ, এম আৰ (সম্পাদিত) (২০১৩) ভাৰতত পঞ্চায়তীৰাজ ব্যৱস্থা, নতুন দিল্লীঃ গৰিমা প্রকাশন।

৪) শর্মা আৰু (সম্পাদিত) (২০০৫) তৃণমূল পর্যায়ৰ শাসন ঃ গ্রাম্য ভাৰতত পৰিবর্তন আৰু প্রত্যাহ্বান জয়পুৰঃ আলেখ পাব্লিচার্ছ।



৭.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ৭৩ তম সংবিধান সংশোধনী আইন।

২ নং প্রশ্নৰ উত্তৰ ঃ ৭৩ তম সংবিধান সংশোধনী।

৩ নং প্রশ্নৰ উত্তৰ ঃ লর্ড ৰিপন।

৪ নং প্রশ্নৰ উত্তৰ ঃ (১) গাঁৱৰ পৰা জিলা পর্যায়লৈকে স্থানীয় স্ব-চৰকাৰী সংস্থাসমূহৰ তিনিটা স্তৰৰ গঠন হ'ব লাগে আৰু এই সংস্থাসমূহ একেলগে সংযোগ কৰিব লাগে।

(২) এই সংস্থাসমূহে নিজৰ দায়িত্ব পালন কৰিবলৈ সক্ষম হ'ব পৰাকৈ ক্ষমতা আৰু দায়িত্বৰ প্ৰকৃত হস্তান্তৰ হ'ব লাগে।

(৩) এই সংস্থাসমূহলৈ পৰ্যাপ্ত সম্পদ হস্তান্তৰ কৰিব লাগে যাতে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰিব পাৰে।

(৪) তিনিওটা স্তৰৰ সকলো কল্যাণ আৰু উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচী এই সংস্থাসমূহৰ জৰিয়তে কৰিব লাগে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৭৩ তম সংশোধনী আইনত মহিলাৰ বাবে ১/৩ খন আসন সংৰক্ষণ ব্যৱস্থা আছে। ইয়াৰ উপৰিও মহিলাৰ বাবে সংৰক্ষণৰ প্ৰশ্ন নং ১/৩ আসনৰ সংৰক্ষণ কেৱল সাধাৰণ শ্ৰেণীৰ বাবেই নহয়, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ বাবেও আসন সংৰক্ষিত আছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (১) গাঁও সভা (ধাৰা ২৪৩ ক) ঃ ৭৩ তম সংশোধনী আইনত পঞ্চায়তীৰাজ ব্যৱস্থাৰ ভেটি হিচাপে গাঁওসভাৰ ব্যৱস্থা আছে। ই গাঁও পৰ্যায়ত পঞ্চায়তৰ এলেকাৰ ভিতৰত গঠিত গাওঁৰ নিৰ্বাচনী তালিকাত পঞ্জীয়নভুক্ত ব্যক্তিৰে গঠিত এটা সংস্থা।

(২) সদস্য আৰু অধ্যক্ষ নিৰ্বাচন (ধাৰা ২৪৩ গ) ঃ গাওঁ মধ্যম আৰু জিলা পৰ্য্যায়াৰ পঞ্চায়তসমূহৰ সকলো সদস্যকে পোনপটীয়াকৈ জনসাধাৰণে নিৰ্বাচন কৰিব মধ্যম আৰু জিলা পৰ্যায়ৰ পঞ্চায়তসমূহৰ অধ্যক্ষ নিৰ্বাচিত সদস্যসকলৰ দ্বাৰা আৰু তেওঁলোকৰ মাজৰ পৰা পৰোক্ষভাৱে নিৰ্বাচিত হ'ব।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (১) এই প্ৰতিষ্ঠানসমূহৰ বাবে নিয়মীয়া নিৰ্বাচন নহয়। যদিও, সংবিধানত প্ৰতি ৫ বছৰৰ মূৰে মূৰে নিৰ্বাচনৰ ব্যৱস্থা আছে। কিছুমান ৰাজ্যত নিৰ্বাচন দশক দশকৰ পিছত হয়।

(২) গোটবাদ, জাতি, শ্ৰেণী আদি কাৰকে নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰধান ভূমিকা পালন কৰে যিয়ে এই প্ৰতিষ্ঠানসমূহৰ মসৃণ কাৰ্যকলাপত বাধাৰ সৃষ্টি কৰে।

(৩) ৰাজ্য চৰকাৰ আৰু প্ৰশাসনিক সংস্থাসমূহৰ ৰাজনৈতিক হস্তক্ষেপ এক সাধাৰণ পৰিঘটনাত পৰিণত হৈছে। পঞ্চায়ত ব্যৱস্থাৰ নিৰ্বাচনত জনশক্তি, ধনশক্তি আৰু বাহুবলৰ অবৈধ ব্যৱহাৰে এই প্ৰতিষ্ঠানসমূহ দুৰ্বল কৰি তুলিছে।

(৪) পঞ্চায়তসমূহৰ বাবে দক্ষ আৰু স্বচ্ছ কাৰ্যকৰী অধিকাৰ আৰু প্ৰশাসনিক স্বায়ত্বশাসনৰ স্পষ্ট অনুপস্থিতি।



৭.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ স্থানীয় স্বায়ত্ব শাসনৰ পিতৃ কোন?

প্ৰশ্ন ২ ঃ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ গ্ৰহণ কৰা প্ৰথম ৰাজ্য কোনখন আছিল?

প্ৰশ্ন ৩ ঃ ৭৩ তম সংশোধনী আইনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ৪ ঃ অশোক ৰায় মেহতা সমিতিৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ৫ ঃ ১৯৯২ চনৰ ৭৪ তম সংশোধনী আইনৰ অধীনত পৌৰসভাক কিমান বিষয় অৰ্পণ কৰা হৈছে।

প্ৰশ্ন ৬ ঃ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ যোগেদি লাভ কৰা আঞ্চলিক পঞ্চায়তসমূহৰ কাৰ্যাৱলীৰ বিষয়ে চমুৱাই আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ১৯২৬ চনৰ অসম গাঁও স্ব-চৰকাৰ আইনৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ৮ ঃ ৭৪ তম সংশোধনী আইনৰ যিকোনো চাৰিটা বৈশিষ্ট্যৰ বিষয়ে লিখক।

প্ৰশ্ন ৯ ঃ ১৯৫৯ চনৰ অসম পঞ্চায়তীৰাদ আইনৰ বিষয়ে চমুৱাই লিখক।

প্ৰশ্ন ১০ ঃ ১৯৯৪ অসম পঞ্চায়ত আইনৰ ওপৰত এটি চমু টোকা লিখক।

প্ৰশ্ন ১১ ঃ ৭৪ তম সংশোধনী আইনৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ১২ ঃ অসমত স্থানীয় স্ব-চৰকাৰৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ আঞ্চলিক আকাংক্ষা - অসমত অস্তিত্বৰ ৰাজনীতি (ভাষা আন্দোলন আৰু অসম আন্দোলন)

অধ্যায় গাঁথনি

৮.১ শিকনৰ উদ্দেশ্যসমূহ

৮.২ পৰিচয়

৮.৩ আঞ্চলিক আকাংক্ষা আৰু অসমত অসমীয়াৰ অস্তিত্বৰ ৰাজনীতি ঃ সমস্যাৰ উৎস/উৎপত্তি

৮.৪ ভাষা আন্দোলন

৮.৫ অসম আন্দোলন

৮.৬ সমালোচনাত্মক মূল্যায়ন

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ শিকনৰ উদ্দেশ্যসমূহ

এই অধ্যায়টোৰ জৰিয়তে আপুনি—

- অসমত অসমীয়াৰ অস্তিত্ব সম্পর্কীয় ৰাজনীতিৰ কাৰণ বা মূল সম্পর্কে ব্যাখ্যা কৰিব পাৰিব।
- ভাষা আন্দোলন গঢ় লৈ উঠা কাৰণসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- অসম আন্দোলন সংঘটিত হোৱাত যিবোৰ কাৰক জড়িত আছিল, সেই সম্পর্কে আলোচনা আগবঢ়াব পাৰিব।
- দুয়োটা আন্দোলনকে সমালোচনাত্মক মূল্যায়ণ আগবঢ়াবলৈ সক্ষম হ'ব।

৮.২ পৰিচয়

ঐতিহাসিক দৃষ্টিৰে চালে দেখা যায় যে অসম এনে এখন ৰাজ্য যিয়ে বৃহৎ পৰিমানৰ জনপ্রব্রজনৰ সাক্ষ্য বহন কৰি আহিছে আৰু এই জনপ্রব্রজনে অসমক নৃগোষ্ঠিগত আৰু ভাষিক দিশত বৈচিত্র প্রদান কৰিছে। বৃটিছ শাসনৰ সময়ৰ পৰা ৰাজ্যখনৰ বাহিৰৰ পৰা নিয়মিতভাৱে ঘটা জন প্রবাহে অতি কমসংখ্যক মানুহৰ বসতি এই অঞ্চলৰ স্থানীয় লোকসকলকৰ মনত সামাজিক-সাংস্কৃতিক আৰু অর্থনৈতিক উভয় ক্ষেত্রতে অসুৰক্ষিত হ'বলৈ গৈ থকাৰ অনুভৱ জগাই তোলে। এই অসুৰক্ষিত অনুভৱৰ লগতে কেন্দ্রই ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্রত উপেক্ষা কৰাৰ অভিযোগ এটাও যোগ হৈ এনে এক চূড়ান্ত ৰূপ লাভ কৰে যে বিশেষ এচাম লোকে এই

ৰাজ্যখনক নিজাকৈ স্বাধীন ৰাষ্ট্ৰ হিচাপে বিচৰাৰ প্ৰবণতা এটা চলাবলৈ ধৰে। এইটো উল্লেখযোগ্য যে অসমত একক বা অসাধাৰণ মিশ্ৰিত জনগাঁথনি এটা গঢ় লৈ উঠাত বহিৰাগত প্ৰব্ৰজনক শলাগ ল'বলগীয়া যদিও স্থানীয় জনসাধাৰনে ইয়াক সহজে মানি ল'ব পৰা নাছিল। অসমৰ স্থানীয় জনসাধাৰন অসন্তুষ্ট হৈছিল। যিকোনো অৰ্থনৈতিক সুৰক্ষা বিচৰাতকৈও অসমীয়া মানুহৰ ভাষিক পৰিচয় আৰু সাংস্কৃতিক সুৰক্ষাৰ বাবেই আত্মপৰিচয়ৰ ৰাজনীতি অসমত গঢ় লৈ উঠিছিল। খিলঞ্জীয়াৰ পৰিচয় ৰক্ষাৰ উদ্দেশ্যে অসমত সংঘটিত দুটা উল্লেখযোগ্য ঘটনা হ'ল ভাষা আন্দোলন আৰু অসম আন্দোলন। যদিও অসম বুৰঞ্জীৰ সম্যক জ্ঞান নথকা যিকোনো ব্যক্তিৰ বাবে প্ৰথম দৃষ্টিত দুয়োটা আন্দোলনৰ মাজত সংযোগ নথকা যেন লাগিলেও বাস্তৱত দুয়োটা আন্দোলনৰে মূল শিপা অসমৰ ঔপনিশিক শাসন কালৰ ইতিহাসৰ মাজত বিচাৰি উলিয়াব পাৰি। এনেদৰে আমি ওপৰত উল্লেখ কৰা আন্দোলন দুটাৰ বিষয়ে অধ্যয়ন কৰাৰ আগতে আন্দোলন দুটা গঢ় লৈ উঠাৰ আঁৰত থকা ঐতিহাসিক পটভূমি সম্পৰ্কে চমুকৈ জানি লোৱা দৰকাৰ।

৮.৩ আঞ্চলিক আকাংক্ষা আৰু অসমত স্বপৰিচয়ৰ ৰাজনীতি ঃ সমস্যাৰ উৎস

ধাৰণাগতভাৱে বা সংজ্ঞাৰ ফালৰ পৰা স্বপৰিচয় ৰাজনীতিয়ে কোনো এক এক জাতি, ধৰ্ম, লিংগ, ভাষা সংস্কৃতি অথবা নৃগোষ্ঠীৰ অন্তৰ্গত মানুহৰ নিজৰ অধিকাৰ সুৰক্ষাৰ বাবে আন যিকোনো প্ৰভাৱশালী বা কৰ্তৃত্বশীল গোষ্ঠীৰ বিপক্ষে চলোৱা সামাজিক কুচকাৱাজ বা ৰাজনৈতিক কাম-কাজক বুজায়। পৰিচয় সম্পৰ্কীয় ৰাজনীতিয়ে প্ৰভাৱশালী গোষ্ঠীৰ দ্বাৰা প্ৰান্তীয়কৰনৰ সংশয়ক বহন কৰে। এই প্ৰান্তীয়কৰণৰ সংশয়ে কোনো এক বিশেষ গোষ্ঠীক তেওঁলোকৰ স্বপৰিচয়ৰ সুৰক্ষা আৰু স্বীকৃতিৰ দাবীৰ তোলাত প্ৰধান ভূমিকা পালন কৰে। ভাৰতবৰ্ষৰ প্ৰসঙ্গত, এনে ধৰণৰ অসুৰক্ষিত অনুভৱৰ বাবেই ভাষা ভিত্তিত সুকীয়া ৰাজ্য গঠনৰ দাবী উঠিছিল, যাতে বিভিন্ন জাতি বা গোষ্ঠীৰ ভাষিক পৰিচয় সুৰক্ষিত হয়। অসমৰ পৰিচয় সম্পকীয় ৰাজনীতিও অসমৰ জনসাধাৰণৰ ভাষিক পৰিচয়ৰ সুৰক্ষা আধাৰিত। ইতিমধ্যে কৈ অহা হৈছে, অসমৰ পৰিচয় সম্পৰ্কীয় ৰাজনীতিৰ শিপা ঔপনিৱেশিক শাসনতন্ত্ৰৰ লগত জড়িত।

১৪২৬ চনৰ পৰা ব্ৰিটিছে অসম শাসন কৰিবলৈ আৰম্ভ কৰিছিল আৰু বেংগল প্ৰেচিডেন্সীৰ এক অংশ হিচাপে অসমক অন্তৰ্ভুক্ত কৰি লৈছিল। এই ব্যৱস্থা ১৮৭৪ চনলৈকে বৰ্ত্তী আছিল। তেতিয়া বংগৰ তিনিখন জিলা ছিলেট, কাছাৰ আৰু গোৱালপাৰা একেলগে কৰি এজন চীফ কমিছনাৰ অধীনত শাসন চলোৱা হৈছিল। ১৯০৫ চনত লৰ্ড কাৰ্জনে বংগক দুটা ভাগত কৰে বঙালী হিন্দুৰ আধিপত্য / সংখ্যাধিক্যৰে 'পশ্চিম বংগ' আৰু 'পূব বংগ আৰু অসম' য'ত সংখ্যাধিক্য মুছলিম বঙালীৰ সংখ্যাধিক্য দেখিবলৈ পোৱা গ'ল। এই বিভাজনক বঙালী হিন্দুৰ লগতে অসমীয়া মানুহখিনিয়েও তীব্ৰ বিৰোধ কৰে। এই তীব্ৰ বিৰোধিতাৰ বাবেই ১৯২২ চনত এই বিভাজন বাতিল হয়। নতুন ব্যৱস্থাৰ অধীনত, ছিলেট আৰু কাছাৰ জিলাক অন্তভৰ্উক্তিৰে অসম পুনৰ এখন প্ৰদেশথ পৰিগণিত হয় আৰু এজন চীফ কমিছনাৰৰ অধীন কৰা হয়। তেতিয়াও ছিলেট জিলাত বেংগলী মুছলিমৰ সংখ্যাধিক্য আৰু কাছাৰ জিলাত বেংগলী হিন্দুৰ আধিপত্যই

থাকিল। ব্রিটিছসকলে প্রদেশসমূহৰ মাজত সীমা বন্দৰস্তি প্রশাসনীয় সুযোগ সুবিধাৰ আধাৰতহে কৰিছিল; অঞ্চলসমূহ বা প্রদেশসমূহৰ ভাষা, সংস্কৃতি বা নৃগোষ্ঠীগত স্থিতি সম্পূর্ণ উপেক্ষা কৰা হৈছিল। ইয়াৰ বিপৰিতে, জন সাধাৰণৰ নির্দিষ্ট কোনো এটা অংশই যাতে ব্রিটিছৰ বিৰোদ্ধে একত্রিত হ'ব নোৱাৰে, তাৰ উদ্দেশ্যৰে হয়তো এনে কৰা হৈছিল।

১৮৩১ চনত ফাৰ্চী ভাষাৰ ঠাইত কাছাৰী সমূহত বঙলা ভাষা প্রবর্তন কৰা হয়। ইয়াৰ ফলত অঞ্চলটোৰ স্থানীয় ভাষাসমূহৰ ওপৰত বঙলা ভাষাৰ আধিপত্য আহি পৰে। সময় বাগৰাৰ লগে লগে বঙলা ভাষা চৰকাৰী ভাষা হৈ পৰাৰ ফলস্বৰূপে বঙলা ভাষী লোকসকল চৰকাৰী গুৰুত্বপূর্ণ পদবীসমূহত নিযুক্তি লাভ কৰিছিল আৰু কিদৰে তেওঁলোকৰ স্থানীয় ভাষাটো মর্যাদাহীন হৈ পৰিছিল, সহৈ সম্পর্কে অঞ্চলটোৰ যুৱচাম সচেতন হৈ উঠিল। এই ক্ষেত্রত আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫২ চনত কলিকতাৰ সদৰ কট'ৰ ন্যায়াধীশ মোফাট মিলছক স্থানীয় ভাষাৰ সলনি স্কুলসমূহত বঙলা ভাষা প্রচলন কৰাৰ বাবে প্রদান কৰা নির্দেশ বন্ধ কৰিবলৈ অনুৰোধ জনাইছিল। (সঞ্জীৱ বৰুৱা, ১৯৯৯, পৃঃ ৭১)। এনেদৰে ঔপনিৱেশিক শাসন কালত অসম কেতিয়াও অসমীয়াৰ একচেটীয়া বা স্বতন্ত্র অঞ্চল নাছিল। হিন্দু আৰু মুছলিম উভয় বঙলা ভাষী লোকৰ সংখ্যাধিক্যৰে কৰা অসমৰ ঔপনিৱেশিক পুনৰগঠনে অসমীয়া ভাষাৰ মূল পর্যন্ত শংকা কঢ়িয়াই আনিছিল।

তদুপৰি, ব্রিটিছ ঔপনিবেশিক শাসনে অসমত মৰাপাট আৰু চাহৰ দৰে নতুন উদ্যোগসমূহ প্রতিষ্ঠা কৰিছিল। এই উদ্যোগবোৰৰ বাবে বিশ্বস্ত শ্রমিকৰ যোগন বিচৰা হৈছিল। শ্রমিকৰ আৱশ্যকতা বিহাৰ, চোটনাগপুৰ, উত্তৰ প্রদেশ আৰু মাদ্রাজৰ পৰা অনা লোকৰ নিযুক্তিৰে পুৰণ কৰা হৈছিল। ইও অসমলৈ নিয়মিত বহিৰাগত প্রব্রজনত মুখ্য ভূমিকা পালন কৰিছিল। ইয়াৰ লগতে যোগ হৈছিল পূব বঙ্গৰ পৰা অসমলৈ ঘটা যথেষ্ট পৰিমানৰ বঙালা ভাষী মুছলিম খেতিয়কৰ প্রব্রজন। ১৯৮৭ চনলৈকে ঘটা এনেধৰণৰ বৃহৎ পৰিমানৰ প্রব্রজনে অসমৰ জনসংখ্যাৰ গাথনিটোকে সলনি কৰি দিছিল। বিশেষকৈ বঙলা ভাষী প্রব্রজিত লোকৰ তুলনাত অসমীয়া মানুহৰ জনসংখ্যাৰ শতকৰা হাৰ নিম্নগামী হৈ পৰিছিল। সন্ধ্যা বৰুৱাৰ মতে, ইয়েই অসমীয়া মানুহক তেওঁলোকৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থানক লৈ উদ্বিগ্ন কৰি তুলিছিল। (সন্ধ্যা বৰুৱা, ১৯৭৪, পৃঃ ৭০-৭১)

এনে কাৰণতে ১৯৩৭ চনত অসমৰ দুগৰাকী প্রখ্যাত বুদ্ধিজীৱী অম্বিকাগিৰী ৰায়চৌধুৰী আৰু নীলমণি ফুকনে জৱাহৰলাল নেহৰুক আনুষ্ঠানিকভাৱে জনায় যে অসমে একমাত্র এই চর্ত্ততেই কংগ্রেছক সমর্থন কৰিব যাদিহে পৰৱর্ত্তী সময়ত অসমলৈ বংগৰ পৰা হোৱা প্রব্রজনৰ সমস্যাটো সমাধান বা বন্ধ কৰাত সহায় আগবঢ়ায়। তেওঁলোকে এইটোও জনায় যে ইয়াৰ বিপৰীতে যিকোনো পৰিস্থিতিটো অসমে ভাৰতৰ লগত সম্পর্ক ত্যাগ কৰিব। বঙালী আৰু অসমীয়া মাজৰ সমস্যাৰ কাৰকসমূহৰ সকলোখিনিয়ে ইতিহাসৰ লগত জড়িত আৰু এই বিবাদেই ভাষা আন্দোলন আৰু স্বাধীনতাৰ পৰবর্ত্তীকালত বৃহৎ পৰিসৰত অসম আন্দোলন গঢ় লৈ উঠাত ইন্ধন যোগাইছিল।

৮.৪ ভাষা আন্দোলন

ওপৰৰ আলোচনাত দেখিলো অসমৰ ব্রিটিছকালীন বুৰঞ্জীয়েই অসমীয়া আৰু বঙালীৰ মাজৰ ঐতিহাসিক বিবাদৰ সূত্রপাত ঘটাইছিল। যাৰ বাবে পৰবৰ্ত্তী সময়ত প্রব্রজনকাৰীক ৰাজ্যখনৰ ভিতৰত বিদেশী হিচাপে গণ্য কৰা হৈছিল। ১৯৪৭ চনত স্বাধীনতা আৰু দেশবিভাজনৰ লগে লগে সমস্যাসমূহ অধিক জটিল হৈ পৰে। যেতিয়া চিলেটক পূব পাকিস্থান (বর্তমান বাংলাদেশ)ৰ লগত যুক্ত কৰি দেশ বিভাজন কৰা হ'ল, এই বিভাজনে অসমত যথেষ্ট মাত্রাত বঙালী লোকৰ সংখ্যা হ্রাস ঘটালেও পূব পাকিস্তানৰ পৰা এক বৃহৎ সংখ্যক শৰনার্থীৰ আগমন ঘটে। ইয়াৰ অধিক হিন্দু বঙালী। অনুপ্রৱেশৰ সমস্যাটো সমাধানৰ কাৰণে অসমৰ পৰা হোৱা বহু অনুৰোধৰ পাছত ভাৰতীয় সংসদে ১৯৫০ চনত অনুপ্রবেশ (অসমৰ পৰা বহিষ্কৰণ) আইন অনুমোদন কৰে। যদিও এই আইনৰ অভিপ্রায় অসমৰ পৰা অনুপ্রবেশকাৰীসকলক আঁতৰোৱা আছিল তথাপি এই আইন আপত্তিজনকো আছিল। কিয়নো এই আইনে যিকোনো ধৰণৰ সামাজিক অশান্তি বা শংকাৰ কাৰণে পাকিস্তানৰ পৰা আহি অসমত বসবাস কৰিবলৈ লৈছিল, তেওঁলোকক সুৰক্ষা দিব বিচাৰিছিল। এনেদৰে এই আইনখনে শৰনার্থী সমস্যাটো সমাধান কৰিব পৰা নাছিল আৰু অগনন অনুপ্রবেশকাৰীয়ে পুনৰ অসমলৈ আগমন ঘটিব বুলি অসমীয়াৰ মনত সংশয় হৈছিল। ইয়াৰ লগতে আন এক শংকাও আহি পৰিছিল। এই শংকা আছিল শৰনার্থীৰ পুনৰ সংস্থাপনে ৰাজ্যখনৰ সামাজিক-অর্থনৈতিক দিশত প্রভাৱ পেলাব।

১৯৪৭ চনৰ ছেপ্তেম্বৰ মাহত নৱগঠিত কংগ্রেছ দলৰ চৰকাৰে যিবোৰ বিদ্যালয়ত অসমীয়া ভাষা একমাত্র ভাষা হিচাপে ব্যৱহাৰ নহয়, তেনে বিদ্যালয়বোৰত অসমীয়া ভাষাক বাধ্যতামূলক দ্বিতীয় ভাষা হিচাপে শিকোৱাৰ ব্যৱস্থা কৰি অসমীয়া মানুহক কিছু সকাহ দিব বিচাৰিছিল। ই মধ্যবিত্তীয় শিক্ষিত অসমীয়াৰ লগতে অসমীয়া জাতীয়তাবাদী সচেতন লোকৰ সংখ্যা বৃদ্ধিত সহায় কৰিছিল। অম্বিকাগিৰি ৰায়চৌধুৰীৰ সভাপতি হিচাপে থকা অসম জাতীয় মহাসভাৰ দৰে সংগঠনসমূহে গোপীনাথ বৰদলৈ চৰকাৰক অসমীয়া ভাষাক ৰাজ্য ভাষা হিচাপে ঘোষণা কৰাৰ লগতে সকলো শিক্ষা প্রতিষ্ঠানতে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰিবলৈ দাবী জনায়। ইয়াৰ উপৰি চৰকাৰী চাকৰিত অসমীয়া মানুহক অগ্রাধিকাৰ দিবলৈও আহ্বান জনায়।

স্বাধীনতাই অসমৰ ক্ষমতাৰ সমীকৰণত পৰিবর্তন আনে। ৰাজনৈতিক ক্ষমতাৰ পৰিচালনা অসমীয়াৰ হাতলৈ আহে। আন শ্রেণীৰ লোকতকৈ অসমীয়া মানুহৰ ৰাজনৈতিক লাভালাভ বৃদ্ধি পায়। যুৱসকলে দোকান-পোহাৰ আদিত লগোৱা বঙলা ভাষাৰ নাম ফলকৰ সলনি অসমীয়া ভাষা ব্যৱহাৰ, বঙালী লোকৰ কাৰণে সুকীয়া বঙলা ভাষাৰ বিদ্যালয় বন্ধ কৰা আৰু প্রত্যেকেই অসমীয়া ভাষাক নিজৰ ভাষা হিচাপে গ্রহণ কৰাৰ দাবী তোলে। এনে দাবীসমূহৰ বাবে ১৯৪৮ আৰু ১৯৫০ চন সংঘাতপূর্ণ হৈ উঠে। উপত্যকাটোৰ সকলো বিদ্যালয়তে শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষা ব্যহাৰৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে প্রয়োজনীয় নির্দেশাৱলীও প্রকাশ কৰিছিল। কাছাৰ জিলা কমিটিয়ে এই চৰকাৰী নীতিৰ তীব্র বিৰোধিতা কৰে আৰু তেওঁলোকৰ বঙালী

সম্প্রদায়ৰ বাবে বঙলা মাধ্যমৰ বিদ্যালয় বিচাৰে। দুয়োটা সম্প্রদায়ৰ মাজত নিজা নিজা ভাষাৰ মর্যাদাৰ প্রশ্নৰ লগতে ভাষাৰ লগত জড়িত হৈ থকা সংস্থাপন আৰু সাংস্কৃতিক পৰিচয়ৰ কথাটোৱে মতবিৰোধ সৃষ্টি কৰিছিল। যেতিয়া বঙালীসকলে অসমীয়া আৰু বঙালীলোকৰ মাজত সমমর্যাদা বিচাৰিলে, অসমীয়া যুৱচামে তেওঁলোকৰ নিজৰ ভাষাৰ কাৰণে উচ্চ মর্যাদা বিচাৰিলে। চৰকাৰী চাকৰি আৰু অন্যান্য অর্থনৈতিক সা-সুবিধাৰ উদ্দেশ্যে আৰু বঙালীসকলৰ প্রভূত্বক বিৰোধিতাৰে অসমীয়াসকলে ৰাজ্যখনৰ ভিতৰতে এক সাংস্কৃতিক প্রচাৰ আৰম্ভ কৰিলে। অসম সাহিত্য সভাই ১৯৫১ চনৰ ১৬ জুলাই তাৰিখটো 'ৰাজ্যিক ভাষা দিৱস' হিচাপে পালন কৰাৰ কথা ঘোষনা কৰে আৰু শিক্ষা প্রতিষ্ঠান সমূহত অসমীয়া ভাষা প্রবর্তন কৰাত সহযোগিতা বিচাৰি সকলোকে আহ্বান জনায়। এই দিনটোতে নগাঁও জিলাত বঙালী হিন্দুৰ বিৰুদ্ধে হিংসাত্মক কার্য সংঘটিত হোৱা দেখা যায়।

ঐতিহাসিকভাৱে, হিন্দু বঙালীসকলক অসমীয়াৰ উন্নতিৰ কাৰণে বাধা আৰু শংকাৰ কাৰণ হৈ পৰিছিল। ইয়াৰ কাৰণ আছিল যে ঔপনিৱেশিক আমোলত বঙলা ভাষা চৰকাৰী ভাষা হোৱাৰ বাবে চৰকাৰী চাকৰিৰ বেছি ভাগেই বঙালী হিন্দুসকলে লাভ কৰিছিল। এনেদৰে দৃশ্যপট সলনি হোৱাত, অসমীয়া মানুহে কোনো পৰিস্থিতিতে বঙালীসকলৰ লগত ক্ষমতা বা অর্থনৈতিক সম্পদক ভাগ-বটোৱাৰা কৰিবলৈ মান্তি নাছিল। (গোহাঁই, ১৯৮২, পৃ. ১৬৫)

এইখিনিতে গুৰুত্বপূর্ণ কথা এয়ে যে বঙালী ভাষী মুছলিম আৰু আন আন প্রব্রজিত শ্রমিকসকলৰ বিদ্যালয়সমূহৰ শিক্ষাৰ মাধ্যম আছিল অসমীয়া। ইয়াৰ বিপৰীতে হিন্দু বঙালী সকলে বঙলা মাধ্যমৰ শিক্ষা প্রকিষ্ঠানৰ ওপৰত জোৰ দিছিল। পূর্বৰ ধাৰণা আছিল অসমীয়া ভাষা শিকিলে অসমীয়া সমাজত তেওঁলোকৰ গ্রহনযোগ্যতা বাঢ়িব আৰু ইয়ে তেওঁলোকৰ বাবে ভূমি লাভ কৰাত সুবিধা হ'ব। অসমীয়া ভাষীৰ সংখ্যা ১৯০১ চনত কেৱল ৩ শতাংশৰ পৰা ১৯৫১ চনত প্রায় ৬২ শতাংশ হোৱা আৰু বঙলা ভাষীৰ সংখ্যা হ্রাস ঘটি ৬৯ শতাংশৰ পৰা প্রায় ১৭ শতাংশ হোৱাৰ আঁৰত এইটোও এটা কাৰণ আছিল। অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে নীতি প্রস্তুত কৰি প্রয়োগ কৰাটো বঙালীসকলে তেওঁলোকক হেয় কৰা বুলি অভিমত প্রকাশ কৰিছিল।

১৯৫৫ চনত ভাষাৰ আধাৰত অসমৰ গোৱালপাৰা জিলাখন পশ্চিম বংগই দাবী কৰাত দুয়োটা সম্প্রদায়ৰ মাজত পুনৰ সমস্যাৰ সৃষ্টি হ'ল। একত্রীকৰণৰ সপক্ষে আৰু বিপক্ষে বঙালী আৰু অসমীয়া ছাত্রসকলে যুক্তি প্রদর্শনৰ ব্যৱস্থা কৰিছিল। যি কি নহওঁক ১৯৫৬ চনৰ ৰাজ্য পুনৰ আইন অনুসৰি একত্রীকৰণ নহ'ল। অসমক আৰু কোনোধৰণৰ বিভাজনৰ অনুমতি দিয়া নহ'ল।

১৯৬০ চনৰ ভিতৰত অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে ঘোষনা কৰিবলৈ অসম সাহিত্য সভাই চৰকাৰক দাবী জনোৱাৰ লগে লগে ১৯৫৯ চনৰ এপ্রিল মাহত চৰকাৰী ভাষা বিবদমান বিষয়টোৱে পুনৰ গা কৰি উঠে। ১৯৫৯ চনৰ ৯ ছেপ্তেম্বৰ তাৰিখে সভা অনুষ্ঠিত কৰি এই বিষয় সম্পর্কত সিদ্ধান্ত গ্রহনেৰে ৰাজ্যিক ভাষা দিৱস পালন কৰা হয়। অসম বিধান সভায়ো

জনজাতীয় সংগঠনসমবহক বাদ দি অধিক সংখ্যক ৰাজনৈতিক দলৰ সমর্থনত এই বিষয়টোৰ সম্পর্কত বিতর্ক আৰু আলোচনা অনুষ্ঠিত কৰে। বেংগল সংগ্রাম পৰিষদে সমগ্র ৰাজ্যতে বঙলা ভাষাক দ্বিতীয় ভাষা আৰু বঙালী সংখ্যাগৰিষ্ঠ কাছাৰ জিলাত চৰকাৰী ভাষা হিচাপে বিচাৰে। ইয়াকে লৈ যুক্তি-প্রতিযুক্তি প্রদর্শনৰ লগতে অসমীয়া আৰু বঙলা ভাষা লোকসকলৰ মাজত হিংসাত্মক কার্যও সংঘটিত হয়। শ্লোগান দিয়া হৈছিল, ৰেলসমূহ বন্দ কৰি দিয়া হৈছিল, দোকান-পোহাৰ লুট কৰা হৈছিল আৰু জনসাধাৰণৰ ওপৰত আক্রমণো চলোৱা হৈছিল।

ইয়াৰ মাজতে চৰকাৰে কাছাৰ আৰু আন আন পার্বত্য জিলাকেইখন বাদ দি অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাপে ঘোষণা কৰিবলৈ এখন বিধেয়ক অনাৰ সিদ্ধান্ত লয়। যেতিয়া য'ত তেওঁলোক এই আইন গ্রহন কৰিবলৈ সাজু হ'ব, তেতিয়াই তাত এই আইন প্রযোজ্য হ'ব। ১৯৬০ আৰু ১৯৬১ বছৰ দুটাত চৰকাৰী ভাষা সমস্যাটোক লৈ অসমৰ অধিক অংশতে গন বিক্ষোভ আৰু আইন-শৃংখলাহীন পৰিস্থিতি দেখা যায়। অসম চৰকাৰী ভাষা বিধেয়ক গৃহীত হয় আৰু ইয়াত কোৱা হয় যে

"অসম ৰাজ্যত যি কোনা চৰকাৰী কাম-কাজত সকলোৰে কাৰণে অসমীয়া ভাষা ব্যৱহৃত হ'ব। ভাৰতবর্ষৰ সংবিধানৰ ৩৮৩ অনুচ্ছেদ অনুসৰি ৰাজ্য চৰকাৰৰ সচিবালয় আৰু বিভাগসমূহৰ মুৰব্বীৰ কার্যালয়ত চৰকাৰী কাম-কাজত ইংৰাজী ভাষা আৰু ইংৰাজী ভাষাৰ পাছতে হিন্দী ভাষাও ব্যৱহাৰ কৰিব পাৰিব।"

এই আইনখনৰ বিধানসমূহক লৈ অসন্তুষ্ট হৈ কাছাৰ জিলাৰ বঙালীলোকসকলে বিৰোধীতা কৰিবলৈ ধৰিলে। যেতিয়া নিখিল অসম বাংলা ভাষা সমিতিয়ে বঙলা ভাষাক অসমত ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি দিবলৈ ভাৰতবর্ষৰ ৰাষ্ট্রপতি ওচৰত স্মাৰক পত্র দাখিল কৰে, কাছাৰ সংগ্রাম পৰিষদে ১৯৬১ চনৰ ১৯ মে' তাৰিখটো সম্পূর্ণ হৰতালৰ আহ্বান জনায়। অসম প্রাদেশিক কমিটিৰ কংগ্রেছীসকলে বঙালী লোকসকলে কৰা আন্দোলনৰ বিপৰীতে ভাষা আন্দোলন সমিতি গঠন কৰাত সমস্যাটোৱে পৰিবর্ধিত ৰূপ লাভ কৰিলে। ধর্মঘটৰ দিনা শিলচৰত আৰক্ষীৰ গুলীবর্ষণত ১১ জন ব্যক্তি নিহত হোৱাৰ লগতে ২১ জন আঘাতপ্রাপ্ত হয়।

অৱশেষত, সমস্যাটো যথাবিহিত সমাধানৰ ক্ষেত্রত দুয়োটা সম্প্রদায়ৰ মাজত বুজাবুজিৰে বিবাদ মীমাংসাৰ উপায় হিচাপে 'শাস্ত্রি' সূত্র বলবতৰ বিষয়ে ভবা গৈছিল। অন্যান্য প্রস্তাৱসমূহৰ ভিতৰত, শাস্ত্রি সূত্রই স্পষ্টভাৱে জনায় যে 'বঙলা ভাষা প্রশাসনীয় আৰু অন্যান্য চৰকাৰী কাম-কাজত কাছাৰ জিলাত জিলা পর্যায়ত ব্যৱহৃত হ'ব' আৰু 'অসম চৰকাৰে হিংসাত্মক ঘঠনাৰ লগত জড়িত অপৰাধত অভিযুক্ত সকলক বাদ দি আন্দোলনটোৰ লগত জড়িত সকলো আটকাধীন বন্দীক মুক্তি দিয়াৰ কথা বিবেচনালৈ আনিব পাৰে।' (সুৰেশ কুমাৰ শর্মা, ২০০৬, পৃঃ ৭৬)

কিন্তু ই কোনো এটা পক্ষকে সন্তুষ্টি দিব নোৱাৰিলে। বঙলা ভাষাক ৰাজ্যখনৰ চৰকাৰী ভাষা নকৰাৰ বাবে যিদৰে সংগ্রাম পৰিষদে সুযী হ'ব পৰা নাছিল, অসম সাহিত্য সভায়ো কাছাৰত চৰকাৰী ভাষা হিচাপে বঙলা ভাষা ব্যৱহাৰ কৰিবলৈ দিয়া ধাৰটোৰ ওপৰত আপত্তি কৰিছিল।

কিয়নো এনে কৰিলে, ই অসমীয়া ভাষা এক মাত্ৰ চৰকাৰী ভাষা হিচাপে যি মৰ্যাদা, সেই মৰ্যাদাক আঘাত কৰিব। যি কি নহওক, ৰাজ্য চৰকাৰে 'শাস্ত্ৰী সূত্ৰ' অনুসৰিয়েই ১৯৬০ চনত চৰকাৰী ভাষা আইনৰ এক সংশোধন ঘটায়।

১৯৭২ চনত যেতিয়া কাছাৰ, নাগালেণ্ড, মেঘালয়, মনিপুৰ আৰু নেপালৰ দৰে অনা অসমীয়া বসতিপ্ৰধান অঞ্চলসমূহক বাদ দি আন অঞ্চল,মূহত গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ অধীনৰ প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ মাধ্যম অসমীয়া আৰু অনা-অসমীয়া বসতি প্ৰধান অঞ্চল সমূহত ইয়াৰ অধীনৰ প্ৰতিষ্ঠানসমূহৰ মাধ্যম ইংৰাজী হ'ব বুলি ঘোষণা কৰে। ইয়াকে লৈ ১৯৭২ চনত পুনৰ আন্দোলন-বিক্ষোভৰ আৰম্ভ হয়। এই সিদ্ধান্তক লৈ কাছাৰত দাবী উঠে যে ৰাজ্যখনৰ প্ৰতিখন মহাবিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া আৰু ইংৰাজীৰ লগতে বঙলা ভাষাকো স্বীকৃতি দিব লাগে। অন্য দুখন বিশ্ববিদ্যালয়েও ইয়াৰ অধীনৰ মহাবিদ্যালয় সমূহত গুৱাহাটী বিশ্ববিদ্যালয়ক অনুসৰণ কৰি একেধৰনেৰে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰিব পাৰে বুলি অনুমান কৰি তাৰ আধাৰতে এই দাবী তুলিছিল। প্ৰতিবাদৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদে স্পষ্টীকৰণ প্ৰকাশ কৰি জনায় যে ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া, বঙলা আৰু ইংৰাজী, ইয়াৰে যিকোনো ভাষাক মাধ্যম হিচাপে লৈ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই স্পষ্টীকৰণক লৈ অসমীয়া ছাত্ৰসকল উত্তেজিত হৈ পৰিল। কিয়নো বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বঙালী ছাত্ৰ-ছাত্ৰীসকলে বঙলা ভাষাত প্ৰশ্ন উত্তৰ কৰাটো অসমীয়া ছাত্ৰসকলে সম্পূৰ্ণ বিৰোধিতা কৰিছিল। ইয়াৰ বাবে শৈক্ষিক পৰিষদে পুনৰ এবাৰ সিদ্ধান্ত কৰিবলগীয়া হয় আৰু পৰিষদে কেৱল অসমীয়া আৰু ইংৰাজী ভাষাক পৰীক্ষাত লিখাৰ বাবে অনুমতি প্ৰদান কৰে। ইয়েই সংগ্ৰাম পৰিষদক পুনৰ এবাৰ আন্দোলন আৰম্ভ কৰিবলৈ প্ৰৰোচিত কৰে। সমস্যাটো সমাধানৰ উপায় হিচাপে মুখ্য মন্ত্ৰীয়ে এখন সুকীয়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি কাছাৰ জিলাৰ মহাবিদ্যালয়সমূহ ইয়াৰ অধীন কৰা হ'ব বুলি ঘোষনা কৰে। এই ঘোষনায়ো সংগ্ৰাম পৰিষদৰ আকাংক্ষাক পূৰণ কৰিব নোৱাৰিলে আৰু আনকি ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়া সকলো ক্ষুন্ন হ'ল। ইয়াৰ বাবে বিভিন্ন ঠাইত হিংসাত্মক কাৰ্যকলাপো সংঘটিত হয়।

৮.৫ অসম আন্দোলন

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ সংঘটিত অসম আন্দোলন আছিল ঘাইকৈ অতি ব্যাপক হাৰত বাংলাদেশ আৰু কম পৰিমাণে নোপালৰ পৰা অসমলৈ ঘটা অবৈধ অনুপ্ৰবেশৰ বিৰুদ্ধে হোৱা এক আন্দোলন। ইয়াক 'আছাম এজিটেছন' বুলিও কোৱা হয়। এই জনসমৰ্থিত আন্দোলনটোৰ নেতৃত্বত আছিল সদৌ অসম ছাত্ৰ সন্থা (আছু) নামৰ ছাত্ৰ সংগঠন এটা আৰু অসম গণ সংগ্ৰাম পৰিষদ। এই আন্দোলনে অসমৰ পৰা অবৈধ অনুপ্ৰবেশকাৰীক বহিষ্কাৰৰ বাবে প্ৰতিবাদ আৰু বিক্ষোভ প্ৰদৰ্শনেৰে চৰকাৰক হেঁচা দিছিল। নেলীৰ গণহত্যাৰ বাদে এই আন্দোলনটো অহিংস আছিল। অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত ১৯৮৫ চনত এই আন্দোলনটো সামৰণি পৰে। ৰাজ্যখনৰ খিলঞ্জীয়া লোক আৰু দেশৰ অন্য প্ৰান্তৰ পৰা

অনুপ্ৰৱেশকাৰীৰ মাজত হোৱা বিৰোধৰ ফলত উদ্ভূত এই আন্দোলনটো ওপৰত উল্লেখ কৰাৰ ধৰণেৰে বুৰঞ্জীৰ পাতত স্থান পাবৰ যোগ্য।

মঙ্গলদৈ সংসদীয় সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পাছত সমষ্টিটোত পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱাৰ আৰম্ভনিতে আন্দোলনটো আৰম্ভ ঘটে। এই নিৰ্বাচন প্ৰক্ৰিয়াটোৱে অনুপ্ৰবেশকাৰীৰ নাম পঞ্জীয়ন হৈ থকাৰ বাবে ভোটাৰ তালিকাত পঞ্জীয়নভুক্ত ভোটাৰৰ সংখ্যা মাত্ৰাধিক বৃদ্ধি পোৱাৰ কথা পোহৰলৈ আনে। সদৌ অসম ছাত্ৰ সন্থা অবৈধ অনুপ্ৰবেশকাৰীৰ নাম আঁতৰাই নতুন ভোটাৰ তালিকা নকৰা পৰ্যন্ত নিৰ্বাচন পিছুৱাবলৈ আহ্বান জনায়। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী'ৰ আধাৰত ভোটাৰ তালিকা উন্নীতকৰণ কৰিব লাগিছিল। তেওঁলোকে ভাৰত বাংলাদেশ সীমান্ত স্থায়ীভাৱে বন্ধ কৰিবলৈও দাবী তোলে।

আন্দোলনটো সূচনা হৈছিল ধৰ্মঘট, শিক্ষা প্ৰতিষ্ঠান সমূহ বন্ধ আৰু বন্ধৰে। তেওঁলোকৰ দাবীসমূহ পূৰণ নকৰালৈকে নিৰ্বাচনৰ প্ৰাৰ্থীসকলক মনোনয়ন পত্ৰ দাখিল কৰিবলৈ বাধা দিয়া হৈছিল। আন্দোলনটোৱে জনসাধাৰণৰ পৰা এক ব্যাপক ধনাত্মক সহাঁৰি লাভ কৰিছিল। আনকি ৰাজপত্ৰিও বিষয়া, আৰক্ষীৰ লগতে ছপাশাল সমূহেও আন্দোলনটোৰ নেতৃত্বক সহযোগিতা আগবঢ়াইছিল। আইন শৃংখলাহীন পৰিস্থিতিয়ে ১৯৭৯ চনৰ ছেপ্তেম্বৰ মাহত ৰাজ্যখনৰ জনতা দলৰ চৰকাৰখন পতন ঘটায়। অসমৰ প্লাইউদ, চাহৰ লগতে উজনি অসমৰ পৰা অপৰিশোধিত খাৰুৱা তেলৰ সৰবৰাহত বাধা প্ৰদান কৰি অৰ্থনৈতিক অৱৰোধো গঢ়ি তোলা হয়। ইয়াৰ পাছতেই ১৯৭৯ চনৰ ডিচেম্বৰ মাহত ৰাজ্যত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হয়। এই সময়ছোৱাত শ্লোগান আছিল 'তেজ দিম তেল নিদোঁ'। ১৯৮০ ৰ পৰা ১৯৮২ চনৰ মাজৰ সময়ছোৱাত দুখনকৈ চৰকাৰৰ গঠন আৰু পতন হয়। প্ৰতিখন চৰকাৰৰ পতনৰ পাছতেই ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰা হয়। ১৯৮৩ চনৰ জানুৱাৰী মাহত পৰিস্থিতি স্বাভাকি নাছিল যদিও পুনৰ এবাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীৰ দিন আন্দোলনটোৱে হিংসাত্মক ৰূপ ধাৰণ কৰে, যেতিয়া বঙালী মুছলিম বসতি প্ৰধান নেলী গাঁও বাসীক এদল জনজাতি আৰু অসমীয়াই আক্ৰমণ কৰে। অনুৰূপ আক্ৰমণ আন আন স্থানতো ঘটিবলৈ ধৰিলে। এই আক্ৰমণ বিলাকৰ লক্ষ্য হৈ পৰিছিল পূব-পাকিস্তানৰ পৰা বিতাড়িত লোক বা প্ৰক্তন শৰনার্থী হিন্দু-বঙালী সকল। চৰকাৰৰ লগত সমস্যাটো সমাধানৰ ক্ষেত্ৰত আপোচ-মীমাংসাত অংশ গ্ৰহণ নকৰা ছাত্ৰ নেতাসকলকে ধৰি যি সকল চৰকাৰী বিষয়াই চৰকাৰী নীতি-নিৰ্দেশনা মানি চলিবলৈ অস্বীকাৰ কৰিছিল, সেই সকলক আটক কৰি কেন্দ্ৰীয় চৰকাৰে কঠোৰ হাতেৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাইছিল।

নিৰ্বাচনটো পৰিচালনা কৰা হৈছিল অসমৰ বাহিৰৰ ভোটগ্ৰহন প্ৰতিনিধি (Polling Agent)ৰ সহায়ত। এই নিৰ্বচনত কংগ্ৰেছ (আই) দল জয়া হয় আৰু হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত চৰকাৰ গঠন হয়। এই চৰকাৰৰ কালতে অসমত কাৰ্যকৰী হোৱাকৈ অবৈধ অনুপ্ৰশেকাৰী (ন্যায়াধিকৰনৰ দ্বাৰা নিৰ্দ্ধপন) আইন (চমুকৈ আই. এম. ডি. টি) ১৯৮৩ চনত গৃহীত কৰা হয়। আইন মতে অবৈধ অনুপ্ৰবেশকাৰী হিচাপে নিৰ্ধাৰণ কৰিছিল যি সকল লোক ১৯৮২ চনৰ

পাছত অসমলৈ আহিছিল সেইসকলক। আইনখনে ৰাজ্যখনৰ সংখ্যালঘূ সকলক সুৰক্ষা দিব বিচাৰিছিল যিহেতু তেওঁলোকৰ বহুতে অশম আন্দোলনৰ সময়ত অযথা হাৰাশাস্তিৰ মুখামুখি হ'ব লগা হৈছিল। এই আইনখন কেৱল অসমৰ ক্ষেত্রত প্রযোজ্য আছিল। দেশৰ বাকী অংশত বিদেশী চিনাক্তকৰন ১৯৪৬ চনৰ বিদেশী আইনৰ অধীনত কৰা হৈছিল। এইটো বিশ্বাস কৰা হয় যে আই এম ডি টি আইনখন ত্রুটিপূর্ণ আছিল কিয়নো ইয়াৰ অধীনত অবৈধ অনুপ্রবেশকাৰী চিনাক্তকৰন আৰু বিতাড়ন প্রায় অসম্ভৱ আছিল। ১৯৪৬ চনৰ বিদেশী আইন (Foreigner's Act) মতে, ভাৰতৰ নাগৰিক হিচাপে ৰাষ্ট্রীয়তা প্রমান কৰা দায়িত্ব সন্দেহযুক্ত পুৰুষ / নাৰীৰ নিজা। তাৰ বিপৰীতে আই এম ডি টি আইনে অভিযুক্ত ব্যক্তিজন যে এজন বিদেশী তাৰ প্রমানৰ দায়িত্ব অভিযোগকাৰীৰ ওপৰত ন্যস্ত কৰিছে। এইখিনিতে উল্লেখনীয় যে যে উচ্চতম ন্যায়ালয়ে ২০০৫ চনৰ জুলাই মাহত চদানীন্তন অগপ দলৰ সাংসদ সর্বানন্দ সোনোৱালৰ দ্বাৰা দাখিল কৰা ৰাজহুৱা স্বার্থজড়িত গোচৰৰ অধীনত এই আইনৰ বিৰোধে আদালতত প্রত্যাহ্বান জনোৱাৰ পাছত অৱশেষত ইয়াৰ অপ্লাংবিধানিক বুলি ঘোষনা কৰিছিল। ন্যায়ালয়ে লক্ষ্য কৰিছিল যে আই এম ডি টি আইনে অবৈধ অনুপ্রবেশকাৰী সকলক চিনাক্ত আৰু বহিষ্কাৰ কৰাত অসুবিধাৰ সৃষ্টি কৰিছিল। ধর্মঘট আৰু হৰতাল কার্যসূচীৰ সমগ্র ১৯৮৩ চনটোত অসমত সমস্যা চলি আছিল। ১৯৮৪ চনত পুনৰ এবাৰ আলোচনাৰ বাবে আন্দোলনৰ নেতাসকলক মতা হয়। সেই সময়ত ইন্দিৰা গান্ধীক হত্যাৰ পাছত ৰাজীৱ গান্ধী প্রধানমন্ত্রীৰ আসনত বহিছিল। ১৯৮৪-৮৫ ৰ মাজৰ সময়ছোৱাত চৰকাৰ আৰু সদৌ অসম ছাত্র সন্থা - সদৌ অসম গণ সংগ্রাম পৰিষদৰ মাজত কেইবালানিও আলোচনা অনুষ্ঠিত হয়। ইয়াৰ ফলত ১৯৮৫ চনৰ ১৫ আগষ্ট তাৰিখে অসম চুক্তি স্বাক্ষৰিত হয় আৰু এই চুক্তি স্বাক্ষৰৰ যোগেদি ছয়বছৰীয়া অসম আন্দোলনৰ সামৰণি পৰে।

অসম চুক্তিয়ে তলৰ দফাসমূহ সুনিশ্চিত কৰে ঃ

১৯৫১ ৰ পৰা ১৯৬১ চনৰ ভিতৰত অসমলৈ আহা অনুপ্রৱেশকাৰীসকলক ভোটদানৰ অধিকাৰেৰে সম্পূর্ণ নাগৰিক হিচাপে বিবেচিত হ'ব। যিসকল অনুপ্রবেশকাৰী ১৯৬১ ৰ পৰা ১৯৭১ চনৰ মাজৰ সময়ছোৱাত অসমত সোমাইছে তেওঁলোকে ১০ বছৰৰ বাবে ভোটাধিকাৰ নাপাব। ১৯৭১ চনৰ পাছত অসমলৈ অহা সকলো অনুপ্রবেশকাৰীৰ অবৈধ বুলি বিবেচনা কৰাৰ লগতে বিচাড়ন কৰা হ'ব। ৰাজ্যখনৰ উন্নয়নৰ বাবে কেন্দ্রীয় চৰকাৰে অর্থনৈতিক পেকেজ অনুমোদনৰ লগতে কিছুমান উদ্যোগ যেনে — কাগজ কল, তেল শোধানাগাৰ আৰু এক প্রযুক্তি প্রতিষ্ঠান প্রতিষ্ঠা কৰিব লাগিছিল। কেন্দ্রীয় চৰকাৰে অসমীয়া মানুহৰ সামাজিক, সাংস্কৃতিক আৰু ভাষিক পৰিচয়ৰ লগতে ঐতিহ্য সুৰক্ষিত কৰাৰ প্রতিশ্রুতি প্রদান কৰিছিল।

আন্দোলনটো প্রায় ৮৫৫ জন প্রতিবাদকাৰীৰ মৃত্যু ঘটিছিল। অৱশেষত ১৯৮৫ চনত নতুনকৈ গঠন হোৱা ৰাজনৈতিক দল অসম গণ পৰিষদ, চমুকৈ অগপ ৰ বিজয়েৰে আন্দোলনটোৰ সমাপ্তি ঘটে। অবৈধ অনুপ্রৱেশকাৰীৰ সমস্যাটো সমাধানৰ উদ্দেশ্য সদৌ অসম ছাত্র সন্থাৰ নেতা প্রফুল্ল কুমাৰ মহন্ত আৰু তেওঁৰ সহযোগীসকলে ১৯৮৫ চনত অগপ গঠন কৰিছিল।

১৯৮৫ চনত অগপ ই চৰকাৰ গঠন কৰে। অৱশ্যে আজি পর্যন্ত কোনো এখন চৰকাৰেই অসম চুক্তি বা বাংলাদেশৰ পৰা হেহাৰা অবৈধ অনুপ্ৰৱেশৰ সমস্যাটো আশা কৰা মতে সমাধান কৰিব নোৱাৰিলে।

৮.৬ সমালোচনাত্মক মূল্যায়ন

অসম আন্দোলনৰ লগতে ভাষা আন্দোলনৰ নিচিনা অসমৰ আত্মপৰিচয় সংক্ৰান্তীয় আন্দোলনৰ পৰা কিছুমান গুৰুত্বপূর্ণ সুনিশ্চিত তথ্য পোহৰলৈ আহে। প্ৰথমতে, দুয়োটা আন্দোলনেই অসমীয়াসকল নিজৰ ৰাজ্যতে সংখ্যালঘূত পৰিণত হোৱাৰ ভয়ৰ পৰা উদ্ভূত হৈছিল। ই আন্দোলনটোৰ ঘাই বিশেষত্ব। দ্বিতীয়তে, অঞ্চলটোৰ বিকাশ আৰু উন্নয়ন সুনিশ্চিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ মাহীলি আইৰ দৃষ্টিয়ে অঞ্চলটোক অর্থনৈতিকভাৱে পিছপৰা কৰি তুলিছিল আৰু ফলত অসমীয়া মানুহে যন্ত্ৰনা অনুভৱ কৰিছিল। অসম আন্দোলন সন্দর্ভত ননী গোপাল মহন্তই সকলো কথাই সামৰি সঠিকভাৱে মত প্ৰকাশ কৰিছে যে —

"যদিও নিৰন্তৰ অনুপ্ৰবেশৰ সমস্যা আৰু ভূমিৰ ওপৰত ক্ৰমান্বয়ে বাঢ়ি অহা চাপ, লগতে অসম বাসীয়ে তেওঁলোকৰ সামজিক-ৰাজনৈতিক পৰিচয় হেৰুৱাৰ আশংকা আন্দোলনটোৰ তাৎক্ষনিক প্ৰৰেচিতমূলক কাৰক যেন লাগিলেও প্ৰকৃততে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনক কেইবাদশক জুৰি কৰা অর্থনৈতিক অনহেলাৰ বিৰুদ্ধে এখ জন বিস্ফোৰণ আছিল। এইটো গুৰুত্বপূর্ণ যে অসম আন্দোলনৰ অলপ পূর্বৱর্তী গণ আন্দোলনটোও ৰাজ্যখনৰ অর্থনৈতিক অনগ্ৰসৰতাৰ সমস্যাক কেন্দ্ৰ কৰি সদৌ অসম ছাত্ৰ সস্থাৰ নেতৃত্বতে হৈছিল।" (মহন্ত, ২০১৩, পৃ. ২)

তৃতীয়তে, এই মতো আছিল যে " অসমীয়া জন সাধাৰণৰ লগতে বুদ্ধিজীৰী সকলো তেওঁলোকৰ পৰিচয়ৰ সূচক ধর্ম হ'ব নে ভাষা হ'ব। ইয়াকে লৈ স্পষ্ট দ্বিধাত আছে।" (The Morung Express, 2016) বাংলা ভাষাৰ প্ৰচলনৰ ব্যাপকতা / আধিপত্য বিৰোধীতাৰে অসমীয়া মানুহৰ ভাষিক পৰিচয় কেন্দ্ৰ কৰি ভাষা আন্দোলন গঢ় লৈ উঠিছিল। সেয়েহে মুছলিম-বঙালী আৰু চাহ জনগোষ্ঠীৰদৰে আন আন অনুপ্ৰবেশকাৰী সকলে তেওঁলোকৰ ভাষা হিচাপে অসমীয়াক গ্ৰহণ কৰিবলৈ সাজু হৈছিল। অন্য হাতে, অসম আন্দোলনৰ প্ৰধানকৈ লক্ষ্য আছিল অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰী। যদিও আন্দোলনটো শান্তিপূর্ণ ব্যাপকতাৰে আৰম্ভনি ঘটিছিল, ১৯৮৩ চনৰ নেলীৰ গণহত্যাই স্পষ্ট কৰে যে এই আন্দোলনটোত কিছুমান হিংসাত্মক ঘটনাও সংঘটিত হৈছিল। (Fernandes, 2005)

চতুর্থতে, নির্বাচনী লাভালাভৰ বাবে ৰাজনৈতিক দলবোৰে পৰিস্থিতিটোৰ সুবিধা লোৱা বা নিজৰ অনুকুলে ব্যৱহাৰ কৰিবলৈ বিচৰাও লক্ষ্য কৰা যায়। চৰকাৰ গঠন কৰাৰ পাছত, অগপ য়ো অবৈধ বিদেশী চিনাক্ত কৰণ আৰু বিতাড়নৰ উদ্দেশ্যে আশা কৰা ধৰণে একো নকৰিলে। অসম চুক্তিৰ ক্ষেত্ৰত, কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰে সকলো চৰকাৰে চুক্তিখনৰ অন্তর্গত ৬ নং দফা, য'ত খিলঞ্জীয়া লোকৰ সাংবিধানিক সুৰক্ষা তেওঁলোকৰ সামাজিক, সাংস্কৃতিক, ভাষিক পৰিচয়

আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰৰ জৰিয়তে প্ৰদান কৰাৰ কথা কোৱা হৈছিল, সেই দফাটো কাৰ্যকৰী কৰাত ব্যৰ্থ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে ১৮৫২ চনত যোক্ষাট মিল্‌ছ (কলিকতাৰ সদৰ আদালতৰ ন্যায়াধীশ)ক অসমৰ বিদ্যালয়সমূহত বঙলা ভাষাৰে শিক্ষা প্ৰদান কৰাটো বন্ধ কৰিবলৈ অনুৰোধ কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় সংসদে কোন চনত অনুপ্ৰৱেশকাৰী (অসমৰ পৰা বিতাড়ন) আইন অনুমোদন কৰে?

.....

প্ৰশ্ন নং ৩ ঃ অসম জাতীয় মহাসভাৰ সভাপতি কোন আছিল?

.....

প্ৰশ্ন নং ৪ ঃ কোন দুটা সংগঠনে অসম আন্দোলনৰ নেতৃত্ব বহন কৰিছিল?

.....

প্ৰশ্ন নং ৫ ঃ কোন চনত প্ৰথম বাৰৰ বাবে অসমত ৰাষ্ট্ৰপতি শাসন বলৱৎ কৰা হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ কোন চনত প্ৰথমবাৰৰ বাবে অগপ দলে চৰকাৰ গঠন কৰিছিল?

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আমি দেখিলো যে স্বাধীনতাৰ পাছৰ পৰাই পৰিচয় আধাৰিত আন্দোলনৰ দ্বাৰা অসমৰ ক্ষতি হৈ আহিছে। ওপৰত আলোচনা কৰাৰ দৰে দুয়োটা আন্দোলনৰে আধাৰ অঞ্চলটোৰ ইতিহাসৰ মাজত সোমাই আছে, য'ত ব্ৰিটিছে প্ৰবৰ্তন কৰা নীতিবোৰে খিলঞ্জীয়া অসমীয়া সকলৰ মাজত সাংস্কৃতিক আৰু অৰ্থনৈতিক নিৰাপত্তাহীনতা ভাৱৰ সৃষ্টি কৰিছিল।
- স্বাধীনতাৰ পাছৰ সময়ছোৱাত চৰকাৰী চাকৰিৰ লগতে সংস্কৃতিৰ ওপৰতো বঙলা ভাষাৰ জৰিয়তে হোৱা বঙালীসকলৰ আধিপত্যৰ ভাবুকি, যিটো উপলব্ধি কৰি এনেধৰণৰ অসুৰক্ষিত বোধৰ ভাৱনা অসমীয়াৰ মনত অধিক বৃদ্ধি পাইছিল। ঔপনিৱেশিক কালতো বঙলা ভাষা অসমত চৰকাৰী ভাষা আছিল।
- অসমীয়া ভাষাক ৰাজ্যিক ভাষা হোৱাতো বিচৰা হৈছিল আৰু ইয়াৰ জৰিয়তে অসমীয়া মানুহে নিজৰ পৰিচয় সুৰক্ষিত কৰাৰ লগতে বিভিন্ন অৰ্থনৈতিক সুবিধা লাভ কৰাৰ চেষ্টা

কৰিছিল আৰু ভষ্যিতলৈ এইবোৰৰ বাট মুকলি বোৱাৰ সম্ভাৱনা আছিল। ইয়েই বঙালী সকলৰ লগত সংঘাতৰ কাৰণ হৈ পৰিছিল।

- তদুপৰি, বিশেষকৈ ১৯৭১ চনত বাংলাদেশ সৃষ্টি হোৱাৰ পাছত অবৈধ অনুপ্রবেশকাৰীৰ অনুপ্রৱেশে সাধাৰণতে অর্থনৈতিক ব্যৱস্থা আৰু বিশেষকৈ ভূমিৰ ওপৰত পৰা চাপৰ বাবে অসমবাসীৰ মনত উদ্বেগৰ সৃষ্টি কৰিছিল।
- দশক দশক জুৰি কেন্দ্রীয় চৰকাৰে কৰা অহেলাৰ ফলস্বৰূপে অঞ্চলটোৰ অনগ্রসৰতাৰ লগতে নিবনুৱা সমস্যা, অবৈধ অনুপ্রশেকাৰী সমস্যাই বিপ্লৱ আৰম্ভ কৰাৰ বাবে অনুঘটক হিচাপে যুৱকসকলৰ মাজত ক্রিয়া কৰিছিল।
- ভাষা আন্দোলন আছিল অসমীয়া মানুহৰ ভাষিক পৰিচয় দাবীটোক অধিক জোৰ দি বঙলা ভাষাৰ প্রচলনৰ বিৰোধীতাৰে, আনহাতে অসম আন্দোলন আছিল ঘাইকৈ বাংলাদেশৰ পৰা অহা অনুপ্রৱেশকাৰীসকলক লক্ষ্যবস্তু হিচাপে লৈ কৰা আত্মপৰিচয়ৰ আন্দোলন।



৮.৮ অধিক জানিবলৈ

১) Baruah, Sanjib (2000) : India Against Itself. New Delhi: Oxford University Press

২) Gohain, Hiren (1984) : Assam : A Burning Question. Gauhati : Sprectum Pulication

৩) Goswami, Sandya (1997) : Language Politics in Assam. New Delhi : Ajanta

৪) Hussain, Monirul (1994) : The Assam Movement : Class. Ideology and Identity. Delhi : MAnak Publication.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকন।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫০।

৩ নং প্রশ্নৰ উত্তৰ ঃ অম্বিকাগিৰি ৰায় চৌধুৰী।

৪ নং প্রশ্নৰ উত্তৰ ঃ সদৌ অসম ছাত্র সন্থা (আছু) আৰু অসম গণ সংগ্রাম পৰিষদ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৯৭৯।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৫।



৮.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অনুপ্রৱেশ (অসমৰ পৰা বিতাড়ন) আইন ১৯৫০ বিষয়ে চমুকৈ লিখা।

প্রশ্ন ২ ঃ অসমৰ আঞ্চলিক আকাংক্ষা আৰু পৰিচয় সংক্রান্তীয় ৰাজনীতিৰ পটভূমি বিচাৰ কৰা।

প্রশ্ন ৩ ঃ অসমৰ ভাষা আন্দোলন সম্পর্কে আলোচনা কৰা।

প্রশ্ন ৪ ঃ অসম আন্দোলনৰ এক আলোচনা আগবঢ়োৱা

প্রশ্ন ৫ ঃ 'শাস্ত্রী ফর্মূলা'ৰ বিষয়ে চমুকৈ লিখা।

প্রশ্ন ৬ ঃ অসম চুক্তিৰ বিষয়ে চমুকৈ লিখা।

*** ***** ***

অধ্যায় ৯ ঃ আঞ্চলিক আকাংক্ষা দ্রাবিড় আন্দোলন

অধ্যায় গাঁথনি

৯.১ শিক্ষনৰ উদ্দেশ্যসমূহ
৯.২ পৰিচয়
৯.৩ আঞ্চলিকতাবাদ আৰু আঞ্চলিক আকাংক্ষা
৯.৪ দ্রাবিড় আন্দোলনৰ উৎপত্তি ঃ প্রাক স্বাধীনতা কাল
৯.৫ ভাৰতৰ স্বাধীনতা কালৰ দ্রাবিড় আন্দোলন
৯.৬ দ্রাবিড় আন্দোলনৰ সমালোচনাত্ম বিশ্লেষণ
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ শিকনৰ উদ্দেশ্যসমূহ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আঞ্চলিকতাবাদ আৰু আঞ্চলিক আকাংক্ষাৰ ধাৰণা বুজি পাবলৈ সক্ষম হ'ব
- স্বাধীনতা পূর্ব কালৰ দ্রাবিড় আন্দোলনৰ পটভূমি বিচাৰ পাৰিব
- দ্রাবিড় আনোলন গঢ় লৈ উটাত কোনবোৰ কাৰণ জড়িত আছিল সেয়া আলোচনা পাৰিব
- দ্রাবিড় আন্দোলনৰ সমালোচনাত্মক বিশ্লেষণ আগবঢ়াবলৈ পাৰিব।

৯.২ পৰিচয়

স্বাধীনতাৰ পৰৱর্তী কালৰ ভাৰতে দেশৰ বিভিন্ন প্রান্তত বিশেষকৈ আঞ্চলিক আকাংক্ষা পূর্ণ কৰাৰ বাবে গঢ় লৈ উঠা একাধিক স্বায়ত্ত শাসনৰ দাবীযুক্ত আন্দোলনৰ সাক্ষ্য বহন কৰিছে। এনে স্বায়ত্ত শাসনৰ দাবী সম্বলিত আন্দোলন সমূহ দেশৰ বিভিন্ন প্রান্ত যেনে - অসম, পাঞ্জাৱ, কাশ্মীৰ আদিত সংঘটিত হৈছে। এই আন্দোলনবোৰ প্রায়ে হিংসাত্মক ৰূপ লয়, ফলস্বৰূপে কেন্দ্রীয় চৰকাৰে দমন কৰিবলগীয়া হৈছিল। অৱশ্যে, আলোচনা-বিলোচনা আৰু আপোচ-মীমাংসাৰ এক দীঘলীয়া আৰু ব্যাপক প্রক্রিয়াৰ পাছত বেছিভাগ স্বায়ত্ত শাসনৰ দাবী যুক্ত আন্দোলন এক শান্তিপূর্ণ সাংবিধানিক কাঠামোৰ ভিতৰতে সমাধান কৰা হৈছে। বৈচিত্র্যৰ প্রতি ভাৰতীয় সংবিধানৰ প্রতিশ্রুতি আৰু সুবিধাজনক দৃষ্টিভংগীয়ে নিশ্চিত কৰিছে যে এক ঐক্যৱদ্ধ দেশৰ পৰিধিৰ ভিতৰত বিভিন্ন গোট বিকশিত হ'ব পাৰে। লগতে ভাৰতীয় গণতন্ত্রই সকলোকে

দেশবিৰোধী বুলি গণ্য নোহোৱাকৈ কেতিয়াবা সংকীর্ণ পৰিসৰৰ আঞ্চলিক দাবীৰ মাজেদিও প্রত্যেককে তেওঁলোকৰ আশা-আকাংক্ষা প্রকাশ কৰিবলৈ অনুমতি দিছে। এনেদৰে, এফালে যেতিয়া গণতন্ত্রই বিভিন্ন গোটক তেওঁলোকৰ অভিযোগ আৰু আকাংক্ষা মুক্তভাৱে প্রকাশ কৰাত সহায় কৰে, যাৰ ফলত কেন্দ্রীয় চৰকাৰৰ দৃষ্টি আকর্ষিত হয়; আনহাতে ই দেশত বিচ্ছিন্নতাবাদী প্রৱণতাকো উৎসাহিত কৰে। বিভিন্ন ভাষা, ধর্ম, সংস্কৃতি আৰু অর্থনৈতিক পৰিস্থিতি থকা গণতান্ত্রিক ৰাষ্ট্রসমূহৰ সমস্যা হৈছে আঞ্চলিক আৰু ৰাষ্ট্রীয় গুৰুত্বপূর্ণ বিষয়ৰোৰৰ মাজত এক সুস্থ ভাৰসাম্য বজাই ৰখা। দেখা গৈছে যে এটা আঞ্চলিক বিষয়ত অত্যাধিক মনোযোগে চৰকাৰক ৰাষ্ট্রীয় গুৰুত্বপূর্ণ বিষয়সমূহৰ আঁতৰাই আনে আৰু কেতিয়াবা ইয়াৰ বিপৰীতো হয়। প্রাচীনতম স্বায়ত্তশাসনৰ দাবী সম্বলিত আন্দোলনৰোৰৰ ভিতৰত এটা হৈছে দ্রাবিড় আন্দোলন, যিটো পূর্বৰ মাদ্রাজ প্রদেশত চলিছিল। কিন্তু এই আন্দোলনৰ বিশদ আলোচনালৈ যোৱাৰ আগতে আঞ্চলিকতাবাদ কি আৰু আঞ্চলিকতাবাদৰ আকাংক্ষাই কেনেদৰে স্বায়ত্তশাসন আন্দোলনৰ পর্যায় পাইগৈ সেইটো বিচাৰি উলিওৱাটো গুৰুত্বপূর্ণ হ'ব।

৯.৩ আঞ্চলিকতাবাদ আৰু আঞ্চলিক আকাংক্ষা

আঞ্চলিকতাবাদৰ অর্থ হৈছে সমগ্র দেশৰ লগত সম্বন্ধযুক্ত নির্দিষ্ট এক ক্ষেত্র বা অঞ্চলৰ প্রতি থকা প্রেম বা আসক্তি। ই 'অঞ্চল' শব্দটোৰ পৰা আহিছে। এটা অঞ্চল হৈছে এক সমগোত্রীয় এলেকা, যাৰ জনসাধাৰণৰ মাজত এক অংশীদাৰী পৰিচয় আছে আৰু ই দেশৰ বাকী অংশৰ পৰা পৃথক। আঞ্চলিকতাবাদক নেতিবাচক আৰু ইতিবাচক দুয়োটা অর্থতে বিবেচনা কৰিব পাৰি। ইতিবাচক অর্থত দেখা যায়, ইয়াৰ অর্থ হৈদছ এখন ঠাইৰ প্রতি থকা প্রেম, যাক অতি প্রাকৃতিক বুলি গণ্য কৰিব পাৰি; নেতিবাচক অর্থই নির্দেশ কৰিব যে দেশৰ বাকী অংশৰ তুলনাত অঞ্চলটোৰ প্রতি অত্যাধিক স্নেহ, আৰু যাৰ বাবে বিচ্ছিন্নতাবাদী দাবী উঠিব পাৰে। ভাৰতীয় সংঘৰ (Indian Union) সন্দর্ভত, এইটো যুক্তি দিব পাৰি যে ইতিবাচক আঞ্চলিকতাবাদে ইয়াৰ যুক্তৰাষ্ট্রীয় ব্যৱস্থাক সম্ভৱ কৰি চলিছে, য'ত অঞ্চলৰোৰৰ নিজা বিষয়ৰোৰত এক নির্দিষ্ট পৰিমানৰ স্বায়ত্তশাসন আছে। আনহাতে নেতিবাচক আঞ্চলিকতাবাদৰ ফলত কাশ্মীৰ, নাগালেণ্ড, পাঞ্জাৰ (খালিস্তানীৰ বাবে) আৰু দ্রাবিড়ানান্দুৰ কাৰনে তামিল নাড়ুৰ দৰে অঞ্চলৰ পৰা বিচ্ছিন্নতাবাদী দাবী উত্থাপিত হৈছিল। আঞ্চলিকতাবাদে আঞ্চলিক আকাংক্ষাৰ জন্ম দিয়ে, য'ত অঞ্চলৰোৰৰ নিজৰ, ভাশা, ধর্ম, সংস্কৃতি অথবা আনকি তেওঁলোকৰ নিজৰ বিষয়ৰোৰত তেওঁলোকৰ স্বায়ত্ততা সুৰক্ষিত কৰাৰ ইচ্ছা থাকে। তেওঁলোকে তেওঁলোকৰ অঞ্চলৰ বিকাশ আৰু উন্নয়নো বিচাৰে।

আঞ্চলিকতাবাদ জন্ম দিয়া দুটি অতি গুৰুত্বপূর্ণ কাৰণ হৈছে ঃ প্রথমতে, কেন্দ্রত থকা চৰকাৰ দ্বাৰা তেওঁলোকক নিৰন্তৰভাৱে অৱহেলা কৰা বুলি অনুভৱ কৰে, যাক তেওঁলোকপিছপৰি ৰোৱাৰ কাৰণ হিচাপে গণ্য কৰে; দ্বিতীয়তে, অঞ্চলটোৰ লোকসকলৰ মাজত তেওঁলোকৰ সুকীয়া পৰিচয়ৰ বিষয়ে ৰাজনৈতিক সজাগতা বৃদ্ধি কৰে, যাৰ ফলত তেওঁলোকৰ বাবে 'আন'ৰ লগত থকাটো কঠিন হৈ পৰে, তেওঁলোকে বিভিন্ন দিশত আন লোকসকলৰ পৰা পৃথক বুলি

অনুভৱ কৰে।

ব্রিটিছে তেওঁলোকৰ বিখ্যাত অথবা বৰঞ্চ কুখ্যাত 'Divide and Rule' নীতিৰে এটা অঞ্চলক আন এটা অঞ্চলৰ বিৰুদ্ধে ঠিয় কৰাই আঞ্চলিকতাবাদৰ অনুভূতি জগাই তুলি ৰাষ্ট্ৰ শাসন কৰিবলৈ বিচৰাৰ পৰাই অর্থাৎ স্বাধীনতাৰ পূর্বৰ পৰাই ভাৰতত আঞ্চলিকতাবাদৰ পৰিঘটনা পৰিলক্ষিত হৈছিল বা ব্রিটিছে ইয়াক প্রযোগ কৰিছিল। স্বাধীনতাৰ পাছতো আঞ্চলিকতাবাদ ভাৰতত এক অতি শক্তিশালী শক্তি হৈয়ে আছে আৰু তেতিয়াৰ পৰাই ভাৰতীয় ৰাজনীতিত নির্নায়কভাৱে প্রভাৱ পেলাই আহিছে। ভাৰতত আঞ্চলিকতাবাদৰ উত্থানৰ এটা কাৰণ হৈছে, কেন্দ্রৰ দ্বাৰা কিছুমান অঞ্চলক কৰা অৱহেলা, যাৰ ফলত আন অঞ্চলৰ তুলনাত সেই অঞ্চলসমূহ পিছপৰি ৰয়। বহুতো ৰাজনৈতিক দলে আঞ্চলিক আকাংক্ষা বর্তাই আৰু আঞ্চলিকতাবাদী চেতনা ধৰি ৰাখি উন্নতিৰছে। অসমত অসম গণ পৰিষদ (এ জি পি), মহাৰাষ্ট্রত শিৱ সেনা, আৰু তামিল নাড়ুত দ্রাবিডা মুন্নেতা কাজহাগম (ডি এম কে) ৰ দৰে দলসমূহে সদায় ক্ষমতা লাভৰ বাবে আঞ্চলিক সমস্যাসমূহক গুৰুত্ব দি আহিছে। এইটো লক্ষ্য কৰা যায়, ৰাজনৈতিক নেতাসকলে ৰাজ্যখনৰ ক্ষমতা দখল কৰাৰ তেওঁলোকৰ ব্যক্তিগত আকাংক্ষাক ৰূপ দিয়াৰ বাবে আঞ্চলিক অনুভূতিক ইন্ধন যোগায়। তেওঁলোকে প্রায়ে অঞ্চলটোৰ সুকীয়া পৰিচয় সুৰক্ষিত কৰা বা অর্থনৈতিক বিকাশ নিশ্চিত কৰাৰ বিষয়টো টানি আনি নতুন ৰাজ্য গঠনৰ দাবী তোলে। কিন্তু, মাজে সময়ে ইয়াৰ অন্তৰালত থকা উদ্দেশ্য অতি সংকীর্ণ হয়। কিয়নো ইয়াৰ মাজত থাকে নতুনকৈ সৃষ্টি কৰা ৰাজ্যখনত চৰকাৰ গঠন আৰু ক্ষমতা দখল কৰাৰ অভিপ্রায়। আঞ্চলিকতাবাদৰ দাবীক বর্ধিত ৰূপ দিয়া আন এটা কাৰক হ'ল ভাষা আধাৰত ৰাজ্য গঠন। কোনো এক বিশেষ ৰাজ্যত সংখ্যাগৰিষ্ঠই যেতিয়া সংখ্যালঘুসকলৰ ওপৰত ভাষা জাঁপি দিব খুজিব তেতিয়া ভাষিক উগ্রবাদে মূৰ দাঙি উঠে। ইয়াৰ ফলত জনসংখ্যাৰ এটা অংশৰ দ্বাৰা অধিক স্বায়ত্তশাসন বা আনকি পৃথক ৰাজ্যৰ দাবী কৰা হয়। চৰম পর্যায়ত ই পৃথকীকৰণ আৰু এখন স্বাধীন ৰাষ্ট্রৰ দাবীলৈও লৈ যায়। উদাহৰণস্বৰূপে, তলত আলোচনা কৰা দ্রাবিড় আন্দোলন স্বাধীনতাৰ পূর্ব কালত ব্রাহ্মণ বিৰোধী আন্দোলন হিচাপে আৰম্ভ হৈছিল, পৰবর্ত্তী সময়ত অধিক উত্তৰ ভাৰত বিৰোধী আৰু হিন্দী বিৰোধী আন্দোলন পৰিণত হৈ ভাৰতৰ পৰা বিচ্ছিন্ন হোৱাৰ দাবী উঠিছিল। এই আন্দোলন হৈছে এক সাধাৰণ উদাহৰণ, য'ত প্রভাৱশালী বা আধিপত্যবাদী জাতি/শ্রেণীৰ দ্বাৰা এটা অঞ্চলৰ জনসংখ্যাৰ এটা অংশক অৱহেলা কৰাৰ ফলত এক পৃথক স্বাধীন ৰাষ্ট্রৰ দাবী উঠিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আঞ্চলিকতাবাদৰ অর্থ লিখক।

.....

.....

প্রশ্ন নং ২ ঃ আঞ্চলিকতাবাদৰ উত্থানৰ লগত জড়িত দুটা কাৰকৰ বিষয়ে চমুকৈ লিখক।

.....

.....

৯.৪ দ্রাবিড় আন্দোলনৰ উৎপত্তি ঃ প্রাক স্বাধীনতাৰ কাল

দ্রাবিড় আন্দোলনৰ যাক ব্রাহ্মন বিৰোধী আন্দোলন বা অ-ব্রাহ্মণ আন্দোলন হিচাপেও জনা যায় স্বাধীনতাৰ পূর্ব কালত সংঘটিত হৈছিল। ইয়াৰ মূলতে আছিল ইংৰাজী শিক্ষাৰ লাভ আদায়ৰ লগত জড়িত ব্রাহ্মণ আৰু অ-ব্রাহ্মণ সকলৰ মাজৰ যুঁজ। য'ত পৰোক্ষভাৱে ইংৰাজী শিক্ষাৰ লগত চৰকাৰী চাকৰি প্রাপ্তি আৰু অন্যান্য সুবিধাৰ কথাও জড়িত হৈ আছিল। এয়া আছিল অ-ব্রাহ্মণসকলৰ দ্বাৰা এনে এটা ক্ষেত্রত প্রৱেশৰ চেষ্টা যিটো নেকি তেওঁলোকৰ বাবে নিষিদ্ধ আছিল আৰু ই আছিল কেৱল ব্রাহ্মণ সকলৰ বাবে। আৰম্ভণিতে, এই আন্দোলনৰ লক্ষ্য আছিল ব্রিটিছ শাসনৰ অধীনত এখন পৃথক ৰাজ্য স্থাপন কৰা। আন্দোলনৰ লক্ষ্যসমূহক ক্রম অনুযায়ী গঢ় দিবলৈ ১৯১৬ চনত ড° চি নাটেছা মুদালিয়াৰে দ্রাবিড় সংস্থা (এছোচিয়েশ্যন) আৰম্ভ কৰে। এই সংস্থাটোৱে ঘোষনা কৰিছিল যে ই অব্রাহ্মণ চৰকাৰেৰে সহিতে অব্রাহ্মণ সকলৰ বাবে এখন দ্রাবিড় ৰাজ্য গঢ়ি তুলিবলৈ চেষ্টা কৰিব।

অৱশ্যে, সংগঠনটো এই ক্ষেত্রত সফল হোৱা নাছিল আৰু এই সংগঠনটোৰ ঠাইত সোনকালেই দক্ষিণ ভাৰতীয় উদাৰবাদী সংস্থা (South IndianLiberal Federation) প্রতিষ্ঠা হৈছিল। পৰৱর্ত্তী সময়ত ১৯১৭ চনত হ'য়েই জাষ্টিচ পার্টীত পৰিণত হয়। দক্ষিন ভাৰতীয় লিবাৰেল ফেডাৰেচনে ইয়াৰ ইস্তাহাৰত এই সত্যটো দাঙি ধৰিছিল যে যদিও পূর্বৰ মাদ্রাছ প্রদেশৰ ব্রাহ্মণসকল জনসংখ্যাৰ মাত্র ৩ শতাংশ আছিল, তথাপি তেওঁলোকে চৰকাৰী চাকৰিত আধিপত্য বিস্তাৰ কৰাৰ লগতে বিধান পৰিষদতো সংখ্যাগৰিষ্ঠতা গঢ়ি তুলিছিল। এই আন্দোলনটোৱে অব্রাহ্মণসকলৰ আত্ম-সন্মান পুনৰুজ্জীৱিত কৰিবলৈ চেষ্টা কৰিছিল।

জাষ্টিছ পার্টীৰ নেতৃত্বত আছিল অন্ধ্রপ্রদেশ, কর্ণাটক, তামিল নাড়ু আৰু মালবাৰে গঠিত মাদ্রাছ প্রদেশৰ অভিজাত অব্রাহ্মণ সকল। জাষ্টিছ দলৰ এটা দাবী আছিল মাদ্রাছ প্রদেশত অব্রাহ্মণসকলৰ বাবে সুকীয়া প্রতিনিধিত্ব, যিটো ১৯১৯ চনৰ মণ্টেও চেমচফর্ড সংস্কাৰৰ পাছত পূৰণ কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে লগতে কংগ্রেছ দল ১৯২০ চনত নির্বাচন বর্জন কৰাৰ ফলত নির্বাচনৰ ফলাফল জাষ্টিছ দলৰ পক্ষে যায় আৰু ই চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। অৱশ্যে দলটোৱে ইয়াৰ অভিজাত চৰিত্রৰ বাবে গণ আধাৰ লাভ কৰিব পৰা নাছিল।

কংগ্রেছ দলৰ এগৰাকী নেতা পেৰিয়াৰ ই ভি ৰামস্বামীয়ে এই অব্রাহ্মণ আন্দোলনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ১৯২১ আৰু ১৯২৩ ৰ মাজৰ সময়ছোৱাত তেওঁ তামিল নাড়ু কংগ্রেছ কমিটিৰ সম্পাদক আছিল। এই সময়ছোৱাত, পিছপৰা জাতিৰ লোকসকলে মন্দিৰত প্রৱেশৰ লগতে সকলো ৰাজহুৱা পথ ব্যৱহাৰ কৰাৰ অধিকাৰক সমর্থন কৰি পেৰিয়াৰে ট্রাভাংকুৰ (বর্তমানৰ কেৰালা) ৰাজ্যত হোৱা ভৈয়কম সত্যাগ্রহত যোগদান কৰিছিল। এইটোৱেই তেওঁক

কংগ্রেছ দলৰ ব্রাহ্মণসকলৰ বিৰুদ্ধে থিয় কৰাইছিল। নিম্ন স্তৰৰ লোকসকলৰ বিৰুদ্ধে বৈষম্যৰ জন্ম দিয়া পদানুক্রম সামাজিক গাঁথনিক পেৰিয়াৰে আৰম্ভণিৰে পৰা বিৰোধিতা কৰিছিল। সমাজত সমতা স্থাপন আৰু সামাজিক সংস্কাৰ অনাৰ আশা লৈ তেওঁ কংগ্রেছ দলত যোগদান কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে কংগ্রেছ দলৰ সহায়ত অৱদমিত লোকসকলৰ মাজত শিক্ষা আৰু চৰকাৰী চাকৰি সহজলভ্য কৰিব পৰা যাব। কিন্তু তেওঁ সোনকালে বুজি উছিছিল যে দলৰ ভিতৰতে অব্রাহ্মণ সকলৰ প্রতি থকা ঘৃণাই দলৰ সিদ্ধান্তসমূহত নির্নায়ক কাৰক হিচাপে ক্রিয়া কৰিছে। সেয়েহে পিছপৰা জাতিবোৰক উন্নত কৰিব বিচৰা প্রগতিশীল সামাজিক সংস্কাৰৰ পদক্ষেপবোৰ কেতিয়াও দলত গৃহীত হোৱা নাছিল। উহাদৰণ স্বৰূপে, চৰকাৰী চাকৰিত সাম্প্রদায়িক প্রতিনিধিত্ব সম্পর্কীয় প্রস্তাৱটো গৃহীত কৰাত বাৰে বাৰে ব্যর্থ হোৱাৰ পাছত, যিটোৱে নেকি দ্রাবিড় সকলক সহায় কৰিব বুলি ভবা হৈছিল, পেৰিয়াৰে ১৯২৫ চনত কংগ্রেছ দল ত্যাগ কৰে আৰু ১৯২৬ চনত আত্মসন্মান আন্দোলন (Self-Respect Movement) আৰম্ভ কৰে।

আত্ম-সন্মান আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আছিল জীৱনৰ প্রতিটো ক্ষেত্রত সকলোৰে বাবে সমান অধিকাৰ প্রাপ্ত কৰা, বৈষম্যমূলক জাতি ব্যৱস্থা আৰু ধর্মীয় আচৰণৰ সমাপ্তি ঘটোৱা, বাল্যবিবাহৰ লগতে বাধ্যতামূলক বিধৱাত্ব আঁতৰ কৰা। আন্দোলনটো মূলত ব্রাহ্মণ বিৰোধী আছিল। ৰবার্ট ইংগাৰচোলৰ দ্বাৰা অনুপ্রাণিত হৈ পেৰিয়াৰৰ নাস্তিক অভিমুখীতা আছিল আৰু তেওঁ ৰীতি-নীতি মূলক ধর্মক নিন্দা কৰিছিল য'ত জাতি ব্যৱস্থাক শুদ্ধি কৰা হৈছিল। আত্ম-সন্মান আন্দোলনৰ নাস্তিক দিশটোৱে অব্রাহ্মণ অভিজাত সকলক আকর্ষণ কৰা নাছিল। কংগ্রেছ দলে প্রত্যাখ্যান কৰা তেওঁৰ 'ফর্টিন পইন্ট ইৰ'ড প্রগ্রাম' গ্রহণ কৰাৰ পাছত পেৰিয়াৰে ন্যায় দল (Justice Party) ত যোগদান কৰিছিল। ১৯৩৮ চনত চি. ৰাজা গোপালচাৰীয়ে বিদ্যালয়সমূহত হিন্দীক বাধ্যতামূললক বিষয় হিচাপে প্রৱর্তন কৰাৰ প্রস্তাৱ দিছিল, যাৰ ফলত তামিল সকলৰ মাজত প্রতিবাদ হৈছিল, কিয়নো ইয়াক উত্তৰ ভাৰতীয় আর্যসকৰ তেওঁলোকৰ ওপৰত আধিপত্য বিস্তাৰ কৰাৰ প্রয়াস বুলি বিবেচনা কৰিছিল। পেৰিয়াৰে হিন্দী বিৰোধী অভিযানৰ নেতৃত্ব দিছিল আৰু আনকি কাৰাগাৰলৈও গৈছিল। পদযাত্রা, অনশন, পিকেচিং, ছেমিনাৰ আৰু আলোচনা আদিৰে এই প্রতিবাদ তিনি বছৰ ধৰি চলিছিল। চৰকাৰে প্রতিবাদকাৰীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্রহণ কৰিছিল আৰু তেওঁলোকৰ বহুতকে গ্রেপ্তাৰ কৰিছিল। ইয়াৰ ফলত দুজন প্রতিবাদকাৰীৰ মৃত্যুও ঘটিছিল। এই প্রতিবাদবোৰে ব্রিটিছ গৱর্ণৰ লর্ড এস্কিনক ১৯৪০ চনত এই পদক্ষেপ প্রত্যাহাৰ কৰিবলৈ আৰু হিন্দীক এক বৈকল্পিক বিষয় হিচাপে গঢ়ি তুলিবলৈ বাধ্য কৰিছিল।

ইয়াৰ পাছতো, অৱশ্যে, হিন্দী বিৰোধী আন্দোলন বন্ধ হোৱা নাছিল, তথাপিও তেওঁলোকে 'তামিল নাড়ু কেৱল তামিল লোকৰ বাবেহে' বুলি দাবী তুলিছিল। অৱশ্যে ইয়াৰ অর্থ এক স্বাধীন তামিল নাড়ু নাছিল, কিন্তু তেওঁলোকে ভাৰতৰ ভাইচৰয়ৰ অধীনত নাথাকি পোনপটীয়াকৈ লণ্ডনৰ ৰাজ্যিক সচিবৰ অধীনত থকাটো বিচাৰিছিল। অন্ধ্র প্রদেশ, কেৰালা,

তামিল নাড়ু আৰু মহীশূৰক লৈ এক স্বতন্ত্র সার্বভৌম দ্রাবিড়নন্দুৰ গঠনৰ দাবীটো অধিক তীব্র হৈ উঠিল। এই দাবীটোৰ অন্তর্নিহিত ধাৰনাটো আছিল তেওঁলোকে বিশ্বাস কৰিছিল যে আর্য আৰু দ্রাবিড়সকল ভিন্ন জাতিৰ বা নৃগোষ্ঠীৰ অন্তর্গত আৰু তেওঁলোক একেলগে থাকিব নোৱাৰে। কিন্তু এই আন্দোলনে দক্ষিণৰ চাৰিখন ৰাজ্যক আকর্ষণ কৰিব পৰা নাছিল আৰু ই মূলতঃ তামিলসকলৰ আন্দোলন আছিল।

ইয়াৰ মাজতে, ন্যায় দলটো (Justice Party) দুটা গোটত বিভক্ত হৈ পৰিছিল ঃ ৰেকিয়াৰ আৰু চি. এন. আন্নাদুৰাই নেতৃত্বত মৌলবাদীসকলে দলটোক অভিজাত হোৱাৰ সলনি গণ ভিত্তিত হোৱাটো বিচাৰিছিল আৰু ৰক্ষণশীলসকলে তেওঁলোকৰ অভিজাত অভিমুখীতাক ধৰি ৰাখিব বিচাৰিছিল আৰু ব্রিটিছ শাসনৰ অধীনত বিশেষাধিকাৰ বজাই ৰাখিব বিচাৰিছিল। পৰস্পৰ বিৰোধী মতবোৰে ন্যায় দলক (Justice Party) দুভাগত বিভক্ত কৰে, আৰু পেৰিয়াৰ নেতৃত্বত মৌলবাদীসকলে দ্রাবিড়া কাজাগাম (এতিয়াৰ পৰা ডিকে) গঠন কৰে। লগতে পেৰিয়াৰৰ পাছত আটাইতকৈ গুৰুত্বপূর্ণ নেতা ইতিমধ্যে ১৯৪০ চনৰ ভিতৰত দুর্বল হৈ পৰিছিল আৰু সেয়েহে দ্রাবিড়সকলৰ স্বার্থ সুৰক্ষিত কৰাৰ লক্ষ্য ডি কেৰ দ্বাৰা আগবঢ়াই নিয়া হৈছিল। ডিকে. য়ে অসমতাপূর্ণ হিন্দু জাতি ব্যৱস্থাক তীব্রভাৱে আক্রমন কৰিবলৈ চেষ্টা কৰিছিল। এই দলে আন্তঃজাতি বিবাহ আৰু বিধবা বিবাহক উৎসাহিত কৰিছিল। এই বিবাহ ব্রাহ্মণ পুৰোহিতৰ দ্বাৰা সম্পন্ন কৰা সেহাৱা নাছিল। তামিল ভাষাৰ পৰা সংস্কৃতৰ উপাদানবোৰ আঁতৰাবলৈ আৰু ইয়াক বিশুদ্ধ কৰাৰ চেষ্টাও কৰা হৈছিল। আন্দোলনটোৱে আঞ্চলিক গৌৰৱ নিশ্চিত কৰিছিল আৰু 'দ্রাবিড়ানন্দু দ্রাবিড়াৰুক্কে' (দ্রাবিড়সকলৰ ভূমি কেৱল দ্রাবিড়ৰ) দৰে শ্লো'গান দিছিল। এই সকলোবোৰ জনসাধাৰণক আকর্ষিত কৰিছিল আকু তামিল পৰিচয়ৰ এক অনুভূতি বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজত সৃষ্টি কৰিছিল। সময় যোৱাৰ লগে লগে পেৰিয়াৰৰ নেতৃত্বই অসন্তুষ্টিৰ সৃষ্টি কৰে আনহাতে আন্নাদুৰাই অধিক প্রভাৱশালী হৈ উঠে। যাৰ ফলত, এটা নতুন দল গঠন হয়। যাৰ নাম দ্রাবিড় মুন্নেত্রা কাঝাগম (ডি এম কে)।

৯.৫ ভাৰতৰ স্বাধীনতা কালৰ দ্রাবিড় আন্দোলন

স্বাধীনতা লাভ কৰাৰ পাছত, ১৯৪৮ চ নত জৱাহৰলাল নেহৰু চৰকাৰে সমগ্র দেশৰ বিদ্যালয় সমূহত হিন্দীক বাধ্যতামূলক কৰিবলৈ বিচাৰিছিল। মাদ্রাজৰ কংগ্রেছ চৰকাৰে এই আদেশ মানি লৈছিল আৰু বিদ্যালয় সমূহত হিন্দী বাধ্যতামূলক কৰাৰ লগতে ওপৰৰ শ্রেণীলৈ উত্তীর্ণ হোৱাৰ বাবে প্রয়োজনীয় নিম্নতম নম্বৰ নির্ধাৰণ কৰি দিছিল। এইটোৱেই মাদ্রাছ প্রদেশত আকেং এবাৰ হিন্দী বিৰোধী আন্দোলন গঢ়ি তুলিছিল আৰু পেৰিয়াৰ আৰু আন্নাদুৰাইক আন্দালনৰ নেতৃত্ব দিয়াৰ বাবে গ্রেপ্তাৰ কৰা হৈছিল। অৱশেষত চৰকাৰে হিন্দী শিকাটো পুনৰ এবাৰ বৈকল্পিক কৰি তুলিলে।

পেৰিয়াৰৰ সৈতে পার্থক্য ঘটাত ১৯৪৯ চনত গঠন হোৱা দ্রাবিড় মুন্নেত্রা কাঝাগমে (ডি এম কে) স্বাধীনতাৰ পাছত ব্রাহ্মণৰ আধিপত্যৰ বিৰুদ্ধে যুঁজিবলৈ আগবাঢ়ি গৈছিল। পেৰিয়াৰ

আৰু আন্নাদুৰাইৰ মাজৰ বিভেদৰ এটা মুখ্য কাৰণ আছিল ডি কে - ক এটা ৰাজনৈতিক দল হিচাপে গঠন কৰাক লৈ পেৰিয়াৰে ইয়াৰ বিৰোধিতা কৰিছিল আৰু সেয়েহে আন্নাদুৰাইয়ে ডি এম কে ক এটা ৰাজনৈতিক দল হিচাপে গঠন কৰিছিল, যি স্বতন্ত্ৰ দ্রাবিড়ানন্দু গঠনৰ লক্ষ্যৰে আগবাঢ়িব। ডি এম কে য় এটা আন্দোলনৰ লগতে এটা দলকো প্রতিনিধিত্ব কৰিছিল। ই আছিল 'শক্তিশালী ভাৱে ব্রাহ্মণ বিৰোধী উত্তৰ ভাৰতীয় বিৰোধী আৰু আর্য বিৰোধী — দাক্ষিনাত্যৰ ব্রাহ্মণ আৰু উত্তৰ ভাৰতীয় সকলক আর্য আৰু আন সকলো দক্ষিণ ভাৰতীয়ক দ্রাবিড় হিচাপে চোৱা গৈছিল।' (বিপিন চন্দ্র আদি, ২০০৮, পৃঃ ৩৯৩)। ইয়াৰ শ্লগান আছিল ঃ 'থার্কু থাইকে ৰাথু, ভাদাকু ভালাৰকেৰাথু' অর্থাৎ দক্ষিণ পিছ পৰি গৈছে আৰু উত্তৰ আগবাঢ়িছে। দক্ষিণ ভাৰতীয় সকলৰ এপৰত আর্যসকলৰ আধিপত্যৰ প্রতি তেওঁলোকৰ ঘৃনা উপজিছিল। ব্রাহ্মণসকলৰ লগতে উত্তৰ ভাৰতীয় সকলক ঘৃণা কৰাৰ ইও এক সাধাৰণ কাৰণ আছিল। ইতিমধ্যে উল্লেখ কৰাৰ ধৰণে ডি এম কে ৰ আটাইতকৈ গুৰুত্বপূর্ণ দাবী আছিল দ্রাবিড়সকলৰ বাবে এক স্বতন্ত্র গৃহভূমি।

১৯৬৩-৫৪ চনৰ ভিতৰত, ডি এম কেয়ে তামিলসকলৰ স্বার্থ সুৰক্ষিত কৰিবৰ কাৰণে কেন্দ্রৰ লগতে ৰাজ্যৰ বিৰুদ্ধে তিনিটা দিশত আন্দোলন আৰম্ভ কৰিছিল। প্রথম আন্দোলনটো আছিল কল্লাকুড়ি ৰেল ষ্টেচনটোক ডালমিয়াপুৰম নাম দিয়াৰ বিৰুদ্ধে। য'ত উত্তৰ ভাৰতৰ এজন উদ্যোগপতি ডালমিয়াক তেওঁৰ নামেৰে নগৰাঞ্চলৰ নামকৰণ কৰি সন্মানিত কৰিছিল। ইয়াকে লৈ ডি এম কে- এ জীব্র ক্ষোভ প্রকাশ কৰিছিল। কিয়নো ইয়াক তেওঁলোকে দ্রাবিড়সকলক অপমান কৰা বুলি বিবেচনা কৰিছিল। দ্বিতীয় আন্দোলনটোৱে তামিল সাংস্কৃতিক ইতিহাসক অধিক গুৰুত্ব দিয়াৰ বাবে বিদ্যালয়ৰ পাঠ্যক্রমত পৰিবর্তন আনিবলৈ চেষ্টা কৰিছিল। তৃতীয় আন্দোলনটো আছিল ১৯৫৩ চনত চি. ৰাজা গোপালাচাৰীৰ প্রস্তাৱ কৰা নতুন শিক্ষা আঁচনিৰ সন্দর্ভত। এই আঁচনি অনুসৰি, বিদ্যালয়ৰ সময় আধালৈ হ্রাস কৰা হৈছিল, যাতে ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ শিল্প শিকিবলৈ বাকী সময়খিনি খৰচ কৰিব পাৰে। ডি এম কে য়ে ইয়াক জাতি প্রণালীক চিৰস্থায়ী কৰা বুলি বিবেচনা কৰিছিল কিয়নো হিন্দু সমাজ আছিল পুৰুষাণুক্রমে বৃত্তি আধাৰিত জাতি ব্যৱস্থাৰে পৰিচালিত। ইয়াৰ অর্থ হৈছে যে প্রাস্তাতি শৈক্ষিক আঁচনিৰ অধীনত কাঠমিস্ত্রীৰ সন্তান কেৱল কাঠমিস্ত্রী হ'ব পাৰে। সেয়েহে, ডি এম কে য়ে এই আঁচনিৰ বিৰোধিতা কৰিছিল আৰু অৱশেষত চৰকাৰে ১৯৫৪ চনত ইয়াক প্রত্যাহাৰ কৰিব লগা হৈছিল।

ডি এম কে য়ে কিহন্দীক দেশৰ চৰকাৰী ভাষা হিচাপে গঢ়ি তোলাৰ নীতিৰো বিৰোধিতা কৰিছিল। সংবিধান প্রস্তুত কৰাৰ সময়ৰ পৰাই চৰকাৰী ভাষাৰ বিতর্ক আৰম্ভ হৈছিল। তীব্র বিতর্ক আৰু আলোচনাৰ পাছত, এইটো সন্মত হৈছিল যে হিন্দী চৰকাৰী ভাষা হ'ব আনহাতে ইংৰাজী পোন্ধৰ বছৰৰ বাবে সহযোগী চৰকাৰী ভাষা হ'ব। ইংৰাজী অব্যহত ৰখাৰ বাবে দাবী কৰা অহিন্দী ৰাজ্যসমূহৰ বাবে এইটো গ্রহণযোগ্য নাছিল। ডি এম কে য়ে হিন্দীৰ বিৰুদ্ধে এই আন্দোলনৰ নেতৃত্ব দিছিল যাৰ ফলত প্রধানমন্ত্রী জৱাহৰলাল নেহৰুৱে চৰকাৰী ভাষা আইন ১৯৬৩ প্রণয়ন কৰিবলৈ বাধ্য হৈছিল। এই আইনৰ দ্বাৰা নিশ্চিত কৰা হৈছিল যে ১৯৬৫ চ নৰ পাছতো ইংৰাজী

ব্যৱহাৰ অব্যাহত থাকিব। অৱশ্যে এই আইন ভৱিষ্যত চৰকাৰে কার্যকৰী কৰিবনে নকৰে তাক লৈ ডি এম কে সন্তুষ্ট হোৱা নাছিল। সেয়েহে, পৰৱর্তী প্রধান মন্ত্রী লাল বাহাদুৰ শাস্ত্রীয়ে চৰকাৰী ভাষা আইন ১৯৬৩ ৰূপায়ন আৰু ইংৰাজীক অন্যতম চৰকাৰী ভাষা হিচাপে অব্যাহত ৰখাৰ আশ্বাস দিয়ালৈকে হিন্দী বিৰোধী আন্দোলন চলি আছিল। ১৯৬৭ চনত, ইন্দিৰা গান্ধী নেতৃত্বাধীন কংগ্রেছ চৰকাৰে লাল বাহাদুৰ শাস্ত্রীয়ে আইনখন সংশোধন কৰাৰ বাবে যি কথা দিছিল, তাক ৰূপায়িত কৰিবলৈ আইনখন সংশোধন কৰে। অর্থাৎ অনির্দিষ্ট কালৰ বাবে হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰা হয়।

হিন্দী বিৰোধী আন্দোলনকৰ ফলত ডি এম কে ৰ জনপ্রিয়তা ব্যাপকভাৱে বাঢ়িছিল আৰু ১৯৬৭ চনৰ বিধান সভাৰ নির্বাচনৰ পাছত দলটো ক্ষমতালৈ আহিছিল। এইটো লক্ষ্যণীয় যে ১৯৫০ আৰু ১৯৬০ ৰ দশকত, ডি মে কেৰ দৃষ্টিভংগীৰ পৰিৱর্তন হৈছিল। এপালে, দলটোৱে ব্রাহ্মন বিৰোধী স্থিতি কঢ়িয়াই আনিছিল আৰু এতিয়া তেওঁলোকৰ প্রতি কম বিদ্বেষী আছিল, আনহাতে, দলটোৱে এতিয়া জাতিৰ ওপৰত কম গুৰুত্ব দি জনসাধাৰণৰ মাজত তামিল চেতনা জাগ্রত কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল। অৱশ্যে, হিন্দীৰ বিৰোধীতা আৰু সামাজিক সংস্কাৰৰ ওপৰত গুৰুত্ব দিয়াটো অবিৰত ভাৱে চলি আছিল। দলটোৱে ইয়াৰ অবিচ্ছিন্নতাবাদী কার্যসূচীও লঘূ কৰিছিল, কিয়নো সংসদীয় ৰাজনীতিত অংশগ্রহণ কৰাৰ লগতে নির্বাচনত অংশগ্রহণ কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ আংশিক কাৰণ হৈছে দক্ষিণ ভাৰতৰ আন ৰাজ্যসমূহৰ পৰা বিচ্ছিন্নতাবাদৰ প্রতি সমর্থনত অভাৱ আৰু লগতে ইয়াৰ কার্যসূচীৰ পৰিৱর্তনৰ বাবে যিটো ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। ১৯৬২ চনৰ নির্বাচনৰ সময়ত ডি এম কে য়ে ইয়াৰ প্রচাৰ কালত স্বতন্ত্র দ্রাবিড়ানন্দুৰ বিষয়টো উফস্থাপন কৰা নাছিল, যদিও ইয়াৰ নির্বাচনী ইস্তাহাৰত ইয়াক উল্লেখ কৰা হৈছিল। লগতে দলটোৱে ১৯৬২ চনত ভাৰত-চীন যুদ্ধৰ সময়য়ত কেন্দ্রীয় চৰকাৰক সমর্থন কৰাৰ লগতে বিচ্ছিন্নতাবাদী অভিমান বাদ দি ইয়াৰ জাতীয়তাবাদী দৃষ্টি ভংগী প্রদর্শন কৰিছিল।

১৯৬২ চনৰ যোল্ল সংখ্যক সংবিধান সংশোধনীয়ে অৱশেষত সকলো বিচ্ছিন্নতাবাদী আন্দোলনৰ ওপৰত বিনাশ নমাই আনে। কিয়নো, ৰাজ্যিক বিধান সভা আৰু ভাৰতীয় সংসদৰ সকলো প্রার্থীৰ বাবে 'সংবিধানৰ প্রতি আনুগত্য' আৰু 'ভাৰতৰ সার্বভৌমত্ব আৰু অখণ্ডতা' বজাই ৰখাৰ শপত লোৱাটো বাধ্যতামূলক কৰাৰ সময়ত বিচ্ছিন্নতাৰ ওকালতি অপৰাধ হিচাপে গণ্য কৰা হৈছিল। ইয়াৰ ফলত, ডি এম কেয়ে ইয়াৰ দলীয় সংবিধান সংশোধন কৰিছিল আৰু এখন স্বতন্ত্র দ্রাবিড়ানন্দুৰ দাবী আঁতৰ কৰিছিল। এতিয়া ইয়াৰ লক্ষ্য আছিল কেন্দ্রৰ পৰা নূন্যতম হস্তক্ষেপেৰে ৰাজ্যৰ বিষয়সমূহত অধিক স্বায়ত্ত শাসন প্রাপ্ত কৰা। সেয়েহে স্বাধীনতাৰ পূর্বৰ এক শক্তিশালী বিচ্ছিন্নতাবাদী আন্দোলনৰ শিপা অৱশেষত সহযোগী হৈ পৰিছিল।

৯.৬ দ্রাবিড় আন্দোলনৰ সমালোচনাত্মক বিশ্লেষণ

সমালোচনাত্মক দৃষ্টিৰে চালে দেখা যায় যে, দ্রাবিড় আন্দোলনৰ বিৰুদ্ধে এক গুৰুত্বপূর্ণ মত হ'ল ই আছিল অভিজাত চৰিত্রৰ। যদিও আন্দোলনটো শক্তিশালীভাৱে ব্রাহ্মণ বিৰোধী

আছিল, ই দৰিদ্র আৰু দলিত সকলক নিজৰ ভাঁজৰ ভিতৰত সোমোৱাই ল'ব পৰা নাছিল। অন্যহাতে, গন আধাৰ নথকাৰ বাবে আৰু কেৱল অ-ব্রাহ্মণ অভিজাত সকলৰ মাজতেই সীমবদ্ধ থকাৰ বাবে আন্দোলনটো ব্যর্থ হৈছিল। সময় বাগৰাৰ লগে লগে, বিশেষকৈ স্বাধীন ভাৰতত ডি এম কেৰ দ্বাৰা মূখ্য ভূমিকা পালন কৰা আন্দোলনটোৱে জাতিবিহীন এক সমাজৰ লক্ষ্যক সম্পূর্ণৰূপে উপেক্ষা কৰিছিল, যি অনুসূচীত জাতিক আন্দোলনৰ পৰা আঁতৰাই ৰাখিছিল। আন্দোলনটো বিফল হোৱাৰ বাবে এইটোক এটা গুৰুত্বপূর্ণ কাৰণ হিচাপে গণ্য কৰা হয়। নির্বাচনী ৰাজনীতিত ডি ওম কে আৰু ইয়াৰ বিভাজিত গোট যেনে অল ইণ্ডিয়া আন্না দ্রাবিড় মুন্নেত্রা কাঝাগম (এ আই এ ডি এম কে) ৰ সৈতে জড়িত হয়। লক্ষ্য আছিল মূলতঃ জনসংখ্যাৰ পিছপৰা অংশৰ বাবে সংৰক্ষণ প্রাপ্ত কৰা। ই প্রশাসনিক আৰু শৈক্ষিক মানদণ্ডত বাধা প্রদান কৰিছিল, যাৰ ফলত অর্থনৈতিক বৈষম্য ৰৈ যোৱাৰ বাবে জাতি আৰু শ্রেণীসমূহৰ উন্নয়নত নেতিবাচক প্রভাৱ ৰৈ গৈছিল। (চন্দ্র, ইত্যাদি, ২০০৮, পৃঃ ৩৯৬). ব্রাহ্মন বিৰোধী আন্দোলনৰ নামত দ্রাবিড় আন্দোলনে যি পাইছিল সেয়া আছিল তামিল নাড়ুৰ পৰা ব্রাহ্মনসকলৰ ভাৰতৰ আন প্রান্তলৈ আৰু আমেৰিকা যুক্তৰাষ্ট্রলৈ বিতাড়িত কৰা, যাৰ ফলত বিজ্ঞান আৰু প্রযুক্তি, আৰু তামিল নাড়ুৰ বৌদ্ধিক আৰু শৈক্ষিক জীৱন প্রভাৱিত হৈছিল। (চন্দ্র, ইত্যাদি, ২০০৮, পৃঃ ৩৯৫) দ্রাবিড় দলবোৰেও লাহে লাহে ইয়াৰ হিন্দী বিৰোধী আৰু উত্তৰ ভাৰতীয় বিৰোধী মনোভাৱ কমাই আনিছিল। তেওঁলোক এতিয়া আৰু স্বতন্ত্র দ্রাবিড়নন্দু বা ভাৰতীয় সংবিধানৰ পৰিকাঠামোৰ ভিতৰত দক্ষিনৰ সকলো ৰাজ্যক একত্রিত কৰিবলৈ আগ্রহী নাছিল। (চন্দ্র, ইত্যাদি, ২০০৮, পৃঃ ৩৯৬)। আন্দোলনটো বিচ্ছিন্নতাবাদী চিন্তাৰ পৰা ফলৰি কাটি আহি দ্রাবিড় দলসমূহৰ দ্বাৰা অধিক ৰাজ্যিক স্বায়ত্ব শাসন দাবী কৰাৰ পাঁচটা কাৰণ আছে। প্রথমতে, এইটো উপলব্ধি কৰা হৈছিল যে বিচ্ছিন্নতা সহজ নহ'ব কিয়নো ভাৰত ৰাষ্ট্রই কেতিয়াও ইয়াত সন্মত নহ'ব আৰু আন্দোলনটো শক্তিশালী হাতেৰে দমন কৰা হ'ব। দ্বিতীয়তে, দ্রাবিড় দলবোৰে আঞ্চলিক দ্রাবিড় পৰিচয় আৰু সামগ্রিক ভাৰতীয় পৰিচয়ৰ মাজত তুলি ধৰা বিৰোধটো বাস্তৱতকৈ অধিক কাল্পনিক আছিল। আন ৰাজ্যবোৰে ভাৰতীয় পৰিকাঠামোৰ ভিতৰত তেওঁলোকৰ আঞ্চলিক পৰিচয় সুৰক্ষিৰত কৰাৰ দৰে, দ্রাবিড় ৰাজ্যসমূহেও তাক অনুসৰণ কৰিব পাৰে। সেয়েহে তাৎক্ষণিক পৃথকীকৰণৰ কোনো প্রয়োজন নাছিল। তৃতীয়তে, এইটো স্বীকাৰ কৰা হৈছিল যে ভাৰতৰ গনতান্ত্রিক আৰু ফেডাৰেল গাঁথনিৰ ভিতৰতো ৰাজ্যৰ লগতে ব্যক্তিগতভাৱে তামিল সকলৰ অর্থনৈতিক সুযোগ অন্বেষন কৰাৰ লগতে সামাজিক সংস্কাৰ সাধনৰো পর্যাপ্ত সুবিধা আৰু স্বাধীনতা আছিল। চতুর্থতে, ভাৰতত সাংস্কৃতিক বহুত্বক ভালদৰে গ্রহণ কৰা হয় আৰু ভাৰতীয় সংবিধানে এই বহুস্ববাদক সুৰক্ষিত কৰাৰ বাবে কৌশল প্রদান কৰিছে। সেয়েহে, দ্রাবিড় বা তামিলসকলৰ বাবে কোনো ভাবুকি থাকিব নোৱাৰে। পঞ্চমত, নিজৰ সংস্কৃতি, ভাষা আৰু এনে অন্যান্য সাংস্কৃতিক বিষয়সমূহত ৰাজ্যবোৰৰ অধিকাৰৰ লগত কেন্দ্রই খেলিমেলি নকৰিব। চমুকৈ, ৰাজ্যসমূহৰ বাবে সাংস্কৃতিক স্বতন্ত্রতা সুনিশ্চিত। সেয়েহে ভাৰতীয় সংবিধানৰ পৰিকাঠামোৰ ভিতৰত 'বৈচিত্র্যৰ মাজত একতা' সম্ভৱ বুলি বিশ্বাস কৰি দ্রাবিড় দলবোৰে

বিচ্ছিন্নতাবাদী আন্দোলনৰ আশ্রয় নোলোৱাকৈ সংসদীয় আৰু গনতান্ত্রিক উপায়েৰে তেওঁলোকৰ সমস্যা সমূহ সমাধানৰ বাবে তেওঁলোকৰ স্থিতি লঘু কৰি তুলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ দ্রাবিড় সংস্থা (Dravidian Association) ৰ লক্ষ্য কি আছিল?

.....

.....

প্রশ্ন নং ৪ ঃ দেশত হিন্দীক চৰকাৰী ভাষা হিচাপে গ্রহন কৰা নীতি সন্দর্ভত ডি এম কে দলৰ প্রতিক্রিয়াৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন নং ৫ ঃ দ্রাবিড় আন্দোলনৰ বিপক্ষে দুটা যুক্তি দাঙি ধৰক।

.....

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দ্রাবিড় আন্দোলন এটা ব্রাহ্মন বিৰোধী আন্দোলন হিচাপে আৰম্ভ হৈছিল, যিয়ে শিক্ষাৰ লগতে চৰকাৰী চাকৰিত অব্রাহ্মনসকলৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ বিচাৰিছিল। পৰৱর্তী সময়ত এই আন্দোলনে সমাজত সমতা স্থাপন কৰিবলৈ সমাজ সংস্কাৰৰ ওপৰত গুৰুত্ব দিছিল।
- দেখা গৈছে যে, আন্দোলনটো কিছুসংখ্যক অভিজাত অব্রাহ্মনৰ মাজত সীমাবদ্ধ আছিল, য'ত মুঠ জনসংখ্যাৰ বাকী অংশক উপেক্ষা কৰা হৈছিল। আন্দোলনটোৱে দক্ষিণ ভাৰতীয় দ্রাবিড়সকলৰ ওপৰত উত্তৰ ভাৰতীয় আর্যসকলৰ আধিপত্যৰ বিৰোধিতা কৰিছিল আৰু সেইবাবে বিদ্যালয়সমূহত হিন্দী জাঁপি দিয়াটো বিৰোধিতা কৰিছিল।
- এই আন্দোলনৰ সৰ্ব্বোচ্চ স্তৰত দাবী আছিল এখ পৃথক দ্রাবিড়ানন্দুৰ। কিয়নো আর্য আৰু দ্রাবিড় উভয়ে ভিন্ন নৃগোষ্ঠীৰ অন্তর্গত আছিল আৰু যাৰ বাবে প্রত্যেককে পৃথক স্বতন্ত্র দেশৰ আৱশ্যক বুলি ভবা গৈছিল। এই দাবীয়ে আন্দোলনটোক বিচ্ছিন্নতাবাদী কৰি তুলিছিল আৰু যিটো সংবিধানৰ ষোড়শতম সংশোধনী অনুসৰি অবৈধ কৰা হৈছিল।
- দ্রাবিড়ানন্দুৰ দাবী দক্ষিণ ভাৰতৰ আন ৰাজ্যসমূহৰ কাৰনে আকর্ষণীয় নাছিল আৰু এনেদৰে

ই মূলতঃ তামিল আন্দোলন হৈ ৰৈছিল।

- ভাৰতৰ স্বাধীনতা পাছত ডি এম কে য়ে আন্দোলনটোৰ নেতৃত্ব দিছিল। কিন্তু নিৰ্বাচনী ৰাজনীতিত এই দলৰ অংশগ্রহণে ইয়াৰ স্বতন্ত্র ৰাজ্যৰ কৰ্মসূচী কমি গৈছিল আৰু অৱশেষত কেন্দ্রৰ লগত সহযোগ কৰিছিল।



৯.৮ অধিক জানিবলৈ

১) Chandra, Bipin ; Mukherjee, Mridula; Mukharjee Adity (2008). India Since Inpendence. New Delhi : Pengunin India

২) Jayaraman, R. (1964) : The Dralida Movement, Economic and Political Weekly. Sept. 26 PP. 1555-1556.

৩) Sadiq T. Umar. "Emergence of Tamil Nationalism - A Socio - Political Study" SSRG International Journal of Economics and Management. Studies, Vol. 4, No. 5 May 2017.

৪) Shunmugasundaram, Manuraj (2016). A Century of Reform, THe Indian Express, Nov. 22.



৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আঞ্চলিকতাবাদে সমগ্র দেশৰ লগত সম্পর্কযুক্ত নির্দিষ্ট এক ক্ষেত্র বা অঞ্চলৰ প্রতি থকা প্রেম বা আসক্তিক বুজায়। ই 'অঞ্চল' শব্দটোৰ পৰা উৎপত্তি হৈছে। এটা অঞ্চল হৈছে সমগোত্রীয় এলেকা, যাৰ জনসাধাৰণৰ মাজত এক অংশীদাৰী পৰিচয় আছে আৰু ই দেশৰ বাকী অংশৰ পৰা পৃথক। আঞ্চলিকতাবাদক নেতিবাচক আৰু ইতিবাচক দুয়োটা অর্থতে বিবেচনা কৰিব পাৰি। ইতিবাচক অর্থত দেখা যায় যে ই এখন ঠাইৰ প্রতি থকা, প্রেমক সূচায়, যাক অতি প্রাকৃতিক বুলিব পাৰি; নেতিবাচক অর্থই নির্দেশ কৰিব যে দেশৰ বাকী অংশৰ তুলনাত অঞ্চলটোৰ প্রতি অত্যাধিক স্নেহ, যাৰ বাবে বিচ্ছিন্নতাবাদী দাবী উঠিব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) কেন্দ্রত থকা চৰকাৰৰ দ্বাৰা তেওঁলোকক নিৰন্তৰভৱাৰে অৱহেলা কৰা বুলি অনুভৱ কৰে; যিটো নেকি তেওঁলোক পিছপৰি থকাৰ কাৰণ হিচাপে গণ্য কৰে।
(খ) অঞ্চলটোৰ লোকসকলৰ মাজত তেওঁলোকৰ সুকীয়া পৰিচয় সম্পর্কে ৰাজনৈতিক সজাগতা বৃদ্ধি কৰে; যাৰ ফলত তেওঁলোকৰ 'আন'ৰ লগত থকাটো কঠিন হৈ পৰে;

তেওঁলোক বিভিন্ন দিশত আন লোকসকলৰ পৰা পৃথক বুলি অনুভৱ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ দ্রাবিড় সংস্থা বা দ্রাবিড়িয়ান এছোচিয়েচনৰ লক্ষ্য আছিল অব্রাহ্মন চৰকাৰৰ সহিতে অব্রাহ্মনসকলৰ কাৰণে এখন দ্রাবিড় ৰাজ্য সৃষ্টি কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ দেশত হিন্দী ভাষাক চৰকাৰী ভাষা কৰাৰ যি নীতি আছিল, সেয়ো ডি এম কেয়ে বিৰোধিতা কৰিছিল। সংবিধান প্রণয়নৰ সময়ৰে পৰা চৰকাৰী ভাষা বিতর্কৰ আৰম্ভনি ঘটিছিল। তীব্র তর্ক-বিতর্ক আৰু আলোচনাৰ পাছত, এইটোত সন্মত হৈছিল যে হিন্দী চৰকাৰী ভাষা হ'ব আনহাতে ইংৰাজী পোন্ধৰ বছৰৰ বাবে সহযোগী চৰকাৰী ভাষা হ'ব। পোন্ধৰ বছৰৰ অন্তত, হিন্দী দেশৰ একমাত্র চৰকাৰী ভাষা হৈ পৰিব। ইংৰাজী অব্যাহত ৰখাৰ দাবী কৰা আহিন্দী ভাষী ৰাজ্যসমূহৰ বাবে এইটো গ্রহণযোগ্য নাছিল। ডি এম কেয়ে হিন্দীৰ বিৰুদ্ধে এই আন্দোলনৰ নেতৃত্ব দিছিল। যাৰ কাৰণে প্রধানমন্ত্রী জৱাহাৰলাল নেহৰুৱে 'চৰকাৰী ভাষা আইন ১৯৬৩' বলৱৎ কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ দ্বাৰা নিশ্চিত কৰা হৈছিল যে ১৯৬৫ চনৰ পাছতো ইংৰাজীৰ প্রয়োগ চলি থাকিব। অৱশ্যে, ইয়াক লৈ ডি এম কে সন্তুষ্ট হ'ব পৰা নাছিল। কিয়নো তেওঁলোকে ভাবিছিল ভৱিষ্যতৰ চৰকাৰে ইয়াক কৰিব পাৰে। এনেদৰে, পৰৱর্তী প্রধানমন্ত্রী লাল বাহাদুৰ শাস্ত্রীয়ে 'চৰকাৰী ভাষা আইন ১৯৬৩' ৰূপায়ন আৰু ইংৰাজীক অন্যতম চৰকাৰী ভাষা হিচাপে অব্যাহত ৰখাৰ আশ্বাস দিয়ালৈকে হিন্দী বিৰোধী আন্দোলন অব্যাহত আছিল। ১৯৬৭ চনত, ইন্দিৰা গান্ধীৰ নেতৃত্বৰ কংগ্রেছ চৰকাৰে পূর্বৰ প্রধানমন্ত্রী লাল বাহাদুৰ শাস্ত্রীয়ে দিয়া প্রতিশ্রুতি অনুসৰি আইনখন সংশোধন কৰে, অর্থাৎ অনির্দিষ্ট কালৰ বাবে হিন্দী আৰু ইংৰাজী দুয়োটা ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে ৰখা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) দ্রাবিড় আন্দোলনৰ বিৰুদ্ধে এক গুৰুত্বপূর্ণ যুক্তি হ'ল ই আছিল অভিজাত চৰিত্রৰ। যদিও আন্দোলনটো শক্তিশালীভাৱে ব্রাহ্মণ বিৰোধী আছিল, ই দৰিদ্র আৰু দলিত সকলক নিজৰ ভাঁজৰ মাজত সোমোৱাই ল'ব পৰা নাছিল। অন্যহাতে, গণ ভিত্তি নথকাৰ বাবে আৰু কেৱল অব্রাহ্মন অভিজাত সকলৰ মাজতে সীমাবদ্ধ থকাৰ বাবে আন্দোলনটো ব্যর্থ হৈছিল।

(খ) দ্রাবিড় দলসমূহে লাহে লাহে ইয়াৰ হিন্দী বিৰোধী আৰু উত্তৰ ভাৰতীয় বিৰোধী মনোভাৱ কমাই দিছিল। তেওঁলোকে এতিয়া আৰু স্বতন্ত্র দ্রাবিড়ানন্দু গঠন কৰিবলৈ বা ভাৰতীয় সংবিধানৰ পৰিকাঠামোৰ ভিতৰত দক্ষিণৰ ৰাজ্যসমূহক একগোট কৰিবলৈ আগ্রহী নাছিল।



৯.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ দ্রাবিড় সংস্থা (Dravidian Association) কোনটো বছৰত গঠন হৈছিল?

প্ৰশ্ন ২ ঃ আঞ্চলিকতাবাদৰ অর্থ লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতত আঞ্চলিকতাবাদ গঢ় লৈ উঠাৰ কাৰণসমূহ লিখক।

প্ৰশ্ন ৪ ঃ স্বাধীনতাৰ পূৰ্ব কালৰ দ্রাবিড় আন্দোলনৰ উত্থান সম্পৰ্কে এক চমু টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ দ্রাবিড় আন্দোলন সম্পৰ্কে এক টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৬ ঃ দ্রাবিড় আন্দোলন সন্দৰ্ভত এক সমালোচনাত্মক বিশ্লেষণ আগবঢ়াওক।

*** ***** ***

অধ্যায় ১০ ঃ উত্তৰ-পূৰ ভাৰতত বিদ্রোহ-আলফা, এ.ডি.এফ.বি., এন.এচ.চি.এন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ উত্তৰ পূৰ ভাৰতৰ সংঘাতৰ আভাস

১০.৪ বিদ্রোহ অর্থ আৰু কাৰণ

- ১০.৪.১ বিদ্রোহৰ অর্থ
- ১০.৪.২ উত্তৰ-পূৰ ভাৰতত বিদ্রোহৰ উত্থানৰ বাবে দায়ী সাধাৰণ কাৰণসমূহ
- ১০.৪.৩ উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহী গোট

১০.৫ উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহী গোট ঃ ULFA, NDFB, NSCN

- ১০.৫.১ সংযুক্ত মুক্তি বাহিনী অসম
- ১০.৫.২ বড়োলেণ্ড ৰাষ্ট্রীয় গণতান্ত্রিক বাহিনী
- ১০.৫.৩ নাগালেণ্ড ৰাষ্ট্রীয় সমাজবাদী পৰিষদ

১০.৬ উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহী সমস্যা সমাধানৰ যুক্তিযুক্ত সমাধান

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূৰ ভাৰতৰ সংঘাতৰ সামগ্রিক পৰিস্থিতিৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব
- উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহৰ অর্থ আৰু কাৰণসমূহ ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূৰ ভাৰতৰ তিনিটা বৃহৎ বিদ্রোহী সংগঠন যথা ULFA, NDFB, NSCN ৰ দাবী আৰু সংগ্রামৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিদ্রোহ প্রতিৰোধৰ বাবে কিছুমান যুক্তিযুক্ত সমাধান উপস্থাপন কৰিব পাৰিব।

১০.২ পৰিচয়

উত্তৰ-পূৰ ভাৰত প্রচুৰ প্রাকৃতিক সম্পদৰ সৈতে, জাতিগত আৰু সাংস্কৃতিকভাৱে বৈচিত্রময় অঞ্চল। কিন্তু বিড়ম্বনাৰ কথা যে এই সম্পদ সমৃদ্ধ অঞ্চলটোৱে দীর্ঘদিন ধৰি

বিদ্রোহৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হৈছে যাৰ ফলত মানৱ অধিকাৰ উলংঘন আৰু উন্নয়নৰ বাবে শান্তিপূর্ণ পৰিৱেশৰ অভাৱে দেখা দিছে। এই অধ্যায়টিত আমি উত্তৰ-পূৰ ভাৰতৰ বিদ্রোহ সম্পৰ্কীয় বিষয়সমূহৰ ওপৰত আলোচনা কৰিম।

১০.৩ উত্তৰ-পূৰ ভাৰতৰ সংঘাতৰ আভাস

ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটো স্বাধীনতাৰ পূর্বৰে পৰাই চলি অহা হাজাৰটা বিদ্রোহৰ অঞ্চল। উত্তৰ পূর্বাঞ্চলৰ বিদ্রোহবোৰ ইয়াৰ সামাজিক, সাংস্কৃতিক, জাতিগত আৰু ভাষিক বৈচিত্র্য, ভূখণ্ড, আর্থ-সামাজিক বিকাশ, ৰাজনৈতিক-অর্থনৈতিক, পৰিস্তিতি, ঐতিহাসিক বিৱর্তন আৰু অঞ্চলটোৰ পৰিবেশৰ পৰিবর্তনৰ প্রতিফলন।

উত্তৰ-পূৱ ভাৰতৰ জনগাঁথনিত বিচিত্র চানেকীটো চালে দেখা যায় যে এই অঞ্চলটো ক্রছ কাটিং সমাজৰ এক কৌতুহলী মিশ্রণৰ ঘৰ। এই বৃহৎ সমস্যাটোক আৰু অধিক জটিল কৰা কথাটো হ'ল প্রায় সকলো গোটতে নৃগোষ্ঠীয় ৰাজনৈতিক দাবীৰ প্রৱণতা অধিক। ইয়াৰ মূল কাৰণ হ'ল বেছিভাগ ক্ষেত্রতে ৰাজনৈতিক সীমাবদ্ধতাসমূহৰ বর্তমানৰ সামাজিক সীমাৰ সৈতে মিল নাথাকে। ভাৰত যুক্তৰাষ্ট্রৰ উত্তৰ-পূৱৰ গোটসমূহে কেইবাটাও ৰাজনৈতিক যাত্রা থকাৰ পিছতো নিজৰ স্বকীয় পৰিচয়ৰ স্বীকৃতিৰ দাবী কৰা সকলো জাতিগত শ্রেণীৰ দাবী পূৰণ কৰিব পৰা নাই।

এই কথা অৱশ্যে সংঘাতৰ আর্হিত প্রতিফলিত হয় যিটো বিদ্রোহী গোটৰ পৰা বিচ্ছিন্ন আৰু সদায় পৰিবর্তিত হৈয়েই আছে। বিচ্ছিন্নতাৰ পৰা স্বায়ত্ত শাসনলৈকে, বিদেশী আৰু অনুপ্রৱেশকাৰীৰ বিৰুদ্ধে আন্দোলন, জাতিগত সংহতি, দাবীসমূহৰ স্পষ্ট প্রকাশ আৰু সংগঠনত হিংসা আদি সাধাৰণ কাৰকৰ এতিয়াও আশ্রয় লোৱা হৈছে। অঞ্চলটোৰ সংঘাতৰ কাৰণসমূহক তলত উল্লেখ কৰা ধৰণেৰে বহলাই আলোচনা কৰিব পাৰি।

- **জাতীয় সংঘাত ঃ** এটা সুকীয়া জাতি হিচাপে এক সুকীয়া 'গৃহভূমি'ৰ ধাৰণা জড়িত আৰু হিংসাত্মক আৰু অহিংস দুয়োটা পদ্ধতি ব্যৱহাৰ কৰি সেই লক্ষ্য বাস্তৱায়িত কৰাৰ চেষ্টা কৰা। উদাহৰণ স্বৰূপে, আলফাৰ সার্বভৌম অসমৰ দাবী, NSCN ৰ বৃহত্তৰ নাগালেণ্ডৰ দাবী।
- **জাতিগত সংঘাত ঃ** প্রভাৱশালী জনজাতীয় গোটৰ ৰাজনৈতিক আৰু সাংস্কৃতিক দখলৰ বিৰুদ্ধে সংখ্যালঘু আৰু কম প্রভাৱশালী জনজাতীয় গোটসমূহৰ দাবী জড়িত। অসমত ই স্থানীয় আৰু প্রব্রজিত জনগোষ্ঠীৰ মাজতো উত্তেজনাৰ ৰূপ লয়।
- **উপ-আঞ্চলিক সংঘাত ঃ** এনে আন্দোলন উপ আঞ্চলিক আকাংক্ষাক স্বীকৃতি দিয়াৰ লগত জড়িত আৰু প্রায়ে ৰাজ্য চৰকাৰ বা আনকি স্বায়ত্বশায়িত পৰিষদসমূহৰ সৈতে প্রত্যক্ষ সংঘাতত লিপ্ত হয়। উদাহৰণস্বৰূপে অসমত U.P.D.S.

১০.৪ বিদ্রোহ ঃ অর্থ আৰু কাৰণ

১০.৪.১ বিদ্রোহৰ অর্থ

'বিদ্রোহৰ' সংজ্ঞাক সংগঠিত বিপ্লৱতকৈ কম আৰু চৰকাৰৰ বিৰোধীতা বিদ্রোহৰ চর্ত হিচাপে বর্ণনা কৰিব পাৰি। গতানুগতিক উপায়েৰে নিজৰ ৰাজনৈতিক লক্ষ্যত উপনীত হ'ব নোৱাৰা গোটসমূহে গ্রহণ কৰা কৌশলেই হৈছে বিদ্রোহ। ইয়াৰ বৈশিষ্ট্যসমূহ হৈছে, দীর্ঘম্যাদী, অসমতাপূর্ণ হিংসা, অস্পষ্টতা, জটিল, ভূখণ্ডৰ ব্যৱহাৰ (জংঘল, পাহাৰ, চহৰ অঞ্চল), মানসিক যুদ্ধ আৰু ৰাজনৈতিক সংগঠন- সকলোবোৰে বিদ্রোহীসকলক সুৰক্ষা প্রদান কৰে আৰু শেষত নিজৰ অনুগ্রহৰ কাৰণে ভাৰসাম্য সলনি কৰে। বিদ্রোহীসকলে এফালে ক্ষমতা দখল কৰি বর্তমানৰ চৰকাৰখনক সলনি কৰাৰ চেষ্টা কৰিব পাৰে বা আনফালে তেওঁলোকৰ লক্ষ্য যেনে পৃথকীকৰণ, স্বায়ত্তশাসন বা কোনো বিশেষ নীতিৰ পৰিবর্তন অধীক সীমিত হ'ব পাৰে।

১০.৪.২ উত্তৰ-পূৰ ভাৰতত বিদ্রোহৰ উত্থানৰ বাবে দায়ী সাধাৰণ কাৰণসমূহ

(১) উত্তৰ পূৰ অঞ্চল বিভিন্ন জনগোষ্ঠীয় জনজাতি আৰু সম্প্রদায়ৰ বাসস্থান। অধিকাংশ জনগোষ্ঠীয় সম্প্রদায়েই মূলত তিব্বত-বার্মা / মংগোলীয়ান মূলৰ। অঞ্চলটো সেয়েহে ভাৰতৰ আন ৰাজ্যসমূহৰ পৰা জাতিগত ভাষিক আৰু সাংস্কৃতিকভাৱে অতি পৃথক। এফালে সাংস্কৃতিক স্বকীয়তাৰ অনুভূতি আৰু আনফালে অঞ্চলটোৰ আপেক্ষিক অর্থনৈতিক অনগ্রসৰতাই অঞ্চলটোৰ জনসাধাৰণক 'বাহিৰৰ লোক'ৰ প্রতি বহুপৰিমাণে সতর্ক কৰি তোলে।

(২) ওপৰত উল্লেখ কৰা কাৰকটোৰ ফলস্বৰূপে আন প্রান্তৰ পৰা বৃহৎ পৰিসৰৰ প্রব্রজনে মানুহৰ মনত এক ভয়ৰ সৃষ্টি কৰিছে যে তেওঁলোক নিজৰ ৰাজ্য বা অঞ্চলত সংখ্যালঘূলৈ হ্রাস পাব। স্থানীয় লোকসকলে প্রব্রজনকাৰীসকলক তেওঁলোকৰ স্থানীয় সংস্কৃতি আৰু পৰম্পৰাৰ প্রতি ভাবুকি কঢ়িয়াই অনা বুলি ভাৱে আৰু ইতিমধ্যে সীমিত কর্মসংস্থাপনৰ সুযোগ তেওঁলোকে দখল কৰাৰ আশংকা কৰে।

(৩) অর্থনৈতিক সুযোগৰ অভাৱ আৰু শাসনৰ দুর্বলতাই / আসোঁৱাহে মানুহক বিচ্ছিন্ন অনুভৱ কৰাত সহজ কৰি তুলিছে আৰু এইদৰে ই বিদ্রোহৰ পৰিস্থিতি অধিক জটিল কৰি তুলিছে। সমগ্র অঞ্চলটোত প্রচলিত এক আবেগ আছে যে কেন্দ্রীয় চৰকাৰ আৰু "মূল ভূখণ্ড" ভাৰতে অঞ্চলটোৰ প্রাকৃতিক সম্পদৰ শোষণ কৰিবলৈ অধিক আগ্রহী যাৰ ফলত উত্তৰ-পূৰ অঞ্চলটো "ঔপনিবেশিক অন্তদেশ"

লৈ হ্রাস পাইছে।

(৪) শিথিল আন্তঃৰাষ্ট্রীয় সীমান্তৰ উপস্থিতি আৰু অস্ত্র-শস্ত্র সহজ উপলব্ধতাইও অঞ্চলটোত বিদ্রোহী সংগঠনৰ প্রসাৰত অৰিহণা যোগাইছে।

(৫) শেষত কেতিয়াবা বিদ্রোহ বিৰোধী অভিযানৰ সময়ত নিৰাপত্তা বাহিনীয়ে মানৰ অধিকাৰ উলংঘাৰ কার্য সংঘটিত কৰে। ইয়াৰ ফলশ্রুতিত বিদ্রোহী সংগঠনসমূহক অনুমতি দি তেওঁলোকৰ পক্ষত জনমত সংগঠিত কৰিবলৈ জনসাধাৰণৰ আন্দোলন সৃষ্টি হয়। সশস্ত্র বাহিনী (বিশেষ ক্ষমতা) আইন, ১৯৫৮ (এ.এফ.এছ.পি.এ.) ৰ দৰে আইনৰ অস্তিত্বইও কেতিয়াবা বিচ্ছিন্নতাবাদী অনুভূতি সৃষ্টি কৰাত অৰিহণা যোগায়।

২ নং প্রশ্নৰ উত্তৰ ঃ কংগ্রেছক ইয়াৰ আঠিপত্য বজাই ৰখাত সহায় কৰা দুটা প্রধান কাৰণ হ'ল— প্রথম, জৱাহৰলাল নেহৰুৰ দ্বাৰা প্রদান কৰা নেতত্বৰ বাবে দলটোৰ জনসাধাৰণৰ মাজত ব্যাপক জনপ্রিয়তা লাভ কৰাত সহায় কৰিছিল। দ্বিতীয়তে কংগ্রেছে ইয়াৰ তৃণমূল সংগঠনৰ সহায়ত জনসাধাৰণৰ প্রয়োজনীয়তা ভালদৰে মূল্যায়ন কৰি সেইবোৰ পূৰণ কৰিব পাৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১৯৭৭ চনৰ সাধাৰণ নির্বাচন।



১১.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'দলীয় ব্যৱস্থাৰ আঞ্চলিকিকৰণে এক দলীয় আধিপত্যৰ অন্ত পেলাইছিল" — আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত মর্চা ৰাজনীতিৰ ধাৰা সম্পর্কে বর্ণনা কৰক।

প্রশ্ন ৩ ঃ কংগ্রেছৰ আধিপত্য হ্রাস পোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ ভাৰতত দলীয় ব্যৱস্থাৰ শেহতীয়া ধাৰাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ভাৰতৰ নিৰ্বাচন সম্বন্ধীয় ৰাজনীতি আৰু ভোটদানৰ আচৰণ

অধ্যায় গাঁথনি

১২.১ শিকনৰ উদ্দেশ্যসমূহ
১২.২ পৰিচয়
১২.৩ গণতন্ত্ৰত নিৰ্বাচনৰ ভূমিকা
১২.৪ ভাৰতত নিৰ্বাচনৰ লগত জড়িত সংস্থাসমূহ, ইয়াৰ গাঁথনি আৰু পদ্ধতি
১২.৫ ভাৰতৰ নিৰ্বাচনী পদ্ধতি আৰু প্ৰক্ৰিয়া
১২.৬ ভাৰতৰ ভোটদানৰ আৰ্হি
১২.৭ ভাৰতৰ নিৰ্বাচনী আচৰণৰ নিৰ্ধাৰক
১২.৮ ভাৰতৰ নিৰ্বাচন পদ্ধতিৰ আসোঁৱাহসমূহ
১২.৯ ভাৰতৰ নিৰ্বাচনী সংস্কাৰসমূহ
১২.৯.১ নিৰ্বাচন পদ্ধতিৰ পৰিৱৰ্তন
১২.৯.২ নিৰ্বাচন আয়োগৰ পুনগঠন
১২.৯.৩ টকা-পইচা আৰু বাহুবলৰ বেয়া প্ৰভাৱ নিৰ্মূলকৰণ
১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১ .১১ অধিক জানিবলৈ
১২.১২ অগ্ৰগতিৰ খতিয়ান
১২.১৩ আৰ্হি প্ৰশ্ন

১২.১ শিকনৰ উদ্দেশ্যসমূহ

এই অধ্যায়টোৰ পঢ়াৰ পাছত আপুনি —

- ভাৰতৰ নিৰ্বাচন পদ্ধতিটো আলোচনা কৰিবলৈ সক্ষম হ'ব
- ভাৰতৰ নিৰ্বাচক মণ্ডলীৰ ভোটদানৰ আৰ্হিটো আলোচনা কৰিব পাৰিব।
- ভাৰতৰ ভোটদানৰ আচৰণৰ নিৰ্ধাৰকৰ বিষয়ে ব্যাখ্যা আগবঢ়াবলৈ সক্ষম হ'ব
- ভাৰতৰ নিৰ্বাচনী পদ্ধতিৰ আসোঁৱাহ আৰু এইবোৰৰ সংস্কাৰসমূহ আলোচনা কৰিবলৈ পাৰিব।

১২.২ পৰিচয়

নিৰ্বাচন হৈছে এনে এক প্ৰক্ৰিয়া য'ত প্ৰতিটো ৰাজনৈতিক ব্যৱস্থাই সাধাৰণ জনগনৰ জড়িত হোৱাৰ অনুভূতি জগাই তুলি ইয়াৰ অস্তিত্বক বৈধতা প্ৰদান কৰিবলৈ চেষ্টা কৰে। এক ৰাজনৈতিক ব্যৱস্থাৰ স্থায়িত্ব মূলতঃ এটা সফল আৰু প্ৰকৃত নিৰ্বাচন প্ৰণালীৰ ওপৰত নিৰ্ভৰ

কৰে। মুক্ত, নিকা, পক্ষপাতহীন বা স্বতন্ত্ৰ নিৰ্বাচনী যন্ত্ৰ এটা নাথাকিলে জনসাধাৰণৰ আস্থা আৰু আত্মবিশ্বাস দীৰ্ঘম্যাদী সময়ত ক্ষতিগ্ৰস্ত হয়। যি নেকি ৰাজনৈতিক ব্যৱস্থাৰ সামগ্ৰিক বিকাশৰ বাবে বাঞ্ছনীয় নহয়।

ভাৰততে, এক বহুদলীয় ব্যৱস্থাক কেন্দ্ৰ কৰি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত হোৱা নিৰ্বাচনেৰে সৈতে আমাৰ সংসদীয় পদ্ধতিৰ চৰকাৰ আছে। এইব্যৱস্থাত সংসদ, ৰাজ্যসমূহৰ বিধানসভা আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ, স্থানীয় চৰকাৰী প্ৰতিষ্ঠানসমূহ আৰু ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি পদৰ বাবে নিয়মিত ভাৱে নিৰ্বাচন অনুষ্ঠিত হয়। এই অধ্যায়টোত আমি ভাৰতৰ নিৰ্বাচন ব্যৱস্থী সম্পৰ্কে বিতংকৈ আলোচনা কৰিম।

১২.৩ গণতন্ত্ৰত নিৰ্বাচনৰ ভূমিকা

নিৰ্বাচন হৈছে এনে এক ব্যৱস্থা য'ত চৰকাৰ এখন পৰিচালিত কৰিবৰ বাবে আমি আমাৰ প্ৰতিনিধিসকলক এক বিশেষ সময়ৰ বাবে বাছনি কৰিব পাৰোঁ। এইটো হৈছে গনতান্ত্ৰিক ব্যৱস্থা এটাৰ প্ৰাথমিক বা মূল উপাদান সমূহৰ এটা। নিৰ্বাচনে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে জনসাধাৰনক তেওঁলোকৰ নিজা প্ৰতিনিধি বাছনি কৰিবলৈ সুবিধা প্ৰদান কৰে। আনহাতে এই ব্যৱস্থাটোৱে নিৰ্বাচিত প্ৰতিনিধিসকলক তেওঁলোকৰ কাম আৰু নীতিৰ বাবে জনসাধাৰনৰ ওচৰত দায়বদ্ধ কৰে। নিয়মীয়া, মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনে জনসাধাৰনক দৈনন্দিন ৰাজনীতি আৰু ৰাজহুৱা নীতিসমূহৰ বিষয়ে সজাগ কৰে। নিৰ্বাচন হৈছে গনতান্ত্ৰিক ব্যৱস্থা এটাৰ মূল উপাদান। কিন্তু সমগ্ৰ বিশ্বতে ইয়াৰ অপব্যৱহাৰ আৰু কাৰচাজি কৰা দেখা যায়।

বিগত বছৰবোৰত, সমগ্ৰ বিশ্বতে নিৰ্বাচনসমূহত অসদাচৰণ আৰু কাৰচাজি বৃদ্ধি পাইছে। অগনতান্ত্ৰিক নেতাসকলে সদায়ে নিৰ্বাচনত কাৰচাজি বা হেৰফেৰ কৰিব বিচাৰে আৰু নিজৰ অনুকুলে পৰিবৰ্তন সাধ্য নিৰ্বাচনক বৈধ হিচাপে দেখুৱাব বিচাৰে, যাতে তেওঁলোকৰ অগনতানিনক শাসনব্যৱস্থা অব্যাহত ৰাখিব পাৰে। অৱশ্যে, এক ৰাজনৈতিক ব্যৱস্থাক বৈধতা প্ৰদান কৰিবলৈ আৰু চৰকাৰৰ গুৰুত্বপূৰ্ণ নীতিগত সিদ্ধান্তসমূহ অনুমোদন কৰিবলৈ সময়ে সময়ে অনুষ্ঠিত হোৱা নিৰ্বাচনসমূহৰ কোনো বিকল্প আমাৰ ওচৰত নাই।

সেয়েহে, নিৰ্বাচনসমূহ হৈছে গনতান্ত্ৰিক ব্যৱস্থা এটাৰ মূল উপাদান, যি মুক্ত, নিৰপেক্ষ আৰু প্ৰকৃত হ'বই লাগিব। অন্যায় বা প্ৰবঞ্চিত নিৰ্বাচন হৈছে জনসাধাৰণৰ ৰাজনৈতিক অধিকাৰৰ পোনপটীয়া উলংঘন। এইটো এক প্ৰকাৰৰ ৰাজনৈতিক দুৰ্নীতি, যি গনতান্ত্ৰিক আদৰ্শ আৰু সংস্কৃতিৰ প্ৰক্ৰিয়াক প্ৰতিবন্ধকতা জন্মায় আৰু অনশেষত গনতন্ত্ৰ শক্তিশালী হোৱাত বাধা দিয়ে। নিৰ্বাচনত ঘটা প্ৰবঞ্চনাই ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াক গুৰুতৰ ধৰণে প্ৰভাৱ পেলায়।

১২.৪ ভাৰতত নিৰ্বাচনৰ লগত জড়িত সংস্থাসমূহ, ইয়াৰ গাঁথনি আৰু পদ্ধতি

প্ৰত্যেক গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থাত, সাধাৰণতে এটা সংস্থা থাকে। যাক নিৰ্বাচন

অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পন কৰা হয়। ভাৰতত, আমাৰ নিৰ্বাচন আয়োগ আছে। স্থায়ী গনতন্ত্ৰৰ বাবে আমাক মুক্ত, ন্যায়সংগত, নিৰপেক্ষ, কার্যকৰী আৰু স্বায়ত্তশাসিত নিৰ্বাচনী যন্ত্ৰ এটা লাগিবই। ভাৰতবৰ্ষৰ সংবিধানৰ ৩২৪ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ নিৰ্বাচনী আয়োগৰ সুবিধা আছে। ১৯৫০ চনত ভাৰতৰ নিৰ্বাচনী আয়োগ প্ৰতিষ্ঠা হয়। সুকুমাৰ সেনক ভাৰতৰ প্ৰথমগৰাকী মুখ্য নিৰ্বাচনী আয়ুক্ত নিযুক্তি দিয়া হৈছিল। ভাৰতৰ প্ৰথমটো সাধাৰন নিৰ্বাচন অনুষ্ঠিত হৈছিল ১৯৫১-৫২ চনত।

সংসদ, ৰাজ্যিক বিধানসভা, স্থানীয় স্বায়ত্তশাসিত প্ৰতিষ্ঠান, ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতিৰ বাবে নির্দিষ্ট সময়ৰ অন্তৰে অন্তৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ভাৰতবৰ্ষৰ সংবিধানে এক ঐক্যবদ্ধ সংস্থা প্ৰদান কৰিছে। আৰম্ভনিতে ই আছিল এজন সদস্য বিশিষ্ট সংস্থা। কিন্তু ১৯৯৩ চনত ইয়াক তিনিজন সদস্য বিশিষ্ট কৰা হয়। প্ৰধান মন্ত্ৰী, লোকসভাৰ বিৰোধী দলপতি আৰু উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশেৰে গঠিত কমিটি এখনৰ পৰামর্শ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়োগৰ সদস্যসকলক নিযুক্তি প্ৰদান কৰে।

বহুদলীয় ব্যৱস্থা এটা উদ্ভৱৰ লগে লগে, যি সাম্প্ৰদায়িকতা, জাতিবাদ, আঞ্চলিকতাবাদ, হিংসাত্মক কার্য, ভোটকেন্দ্ৰ দখল, চৰকাৰী যন্তৰ অপব্যৱহাৰ, ৰিগিং আদিৰ দৰে সমস্যা সমূহৰ লগত জড়িত, নিৰ্বাচন আয়োগে পৰিৱর্তনশীল পৰিবেশৰ লগত নিজকে খাপ খুৱাব লাগিব। জনসাধাৰণ আৰু ৰাজনীতিবিদসকলে উত্থাপন কৰা উদ্বেগৰ সহাৰি স্বৰূপে আৰু বিভিন্ন কাৰণত আদালত প্ৰয়োজনীয় হস্তক্ষেপৰ বাবে নিৰ্বাচন আয়োগে এলানি সংস্কাৰ সূচনা কৰিছে।

১৯৯০ চনৰ পৰবর্ত্তী সময়ছোৱাত, নিৰ্বাচন প্ৰক্ৰিয়া চলি থকা সময়ত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী 'আদর্শ আচৰন বিধি' কঠোৰভাৱে মানি চলিব লগা হয়। যেতিয়াই বৃহৎ পৰিমাণৰ দুনীর্তি আৰু চৰকাৰী যন্ত্ৰটো নিজৰ অনুকূলে ব্যৱহাৰ কৰাৰ প্ৰমান পোৱাৰ পাছত পুনৰ ভোটগ্ৰহন কৰাৰ উদাহৰণো আছে। ভাৰতৰ নিৰ্বাচন আয়োগেৰ প্ৰাক্তন মুখ্য আয়ুক্ত টি. এন. শেষানক ভাৰতৰ নিৰ্বাচনী সংস্কাৰৰ গুৰিধৰোতা বুলি আখ্যা দিয়া হয়। তেওঁৰ দিনতে প্ৰার্থীৰ সমস্ত সম্পত্তিৰ তালিকা প্ৰকাশ কৰা, ব্যক্তিগত কাৰনত চৰকাৰী যন্ত্ৰৰ ব্যৱহাৰ নকৰা, নিৰ্বাচনী আদর্শ আচৰন বিধি বলৱৎ থকা সময়ত চৰকাৰী আঁচনিৰ বিজ্ঞাপন বা চৰকাৰী আঁচনিৰ উদ্বোধন / ঘোষনা বন্ধ কৰা, সকলো প্ৰাথীকে সমান সুবিধা প্ৰদান আৰু এনেধৰনৰ কিছুমান বিষয়বোৰ অনা হয়। মুক্ত আৰু ন্যায়সংগত নিৰ্বাচন পৰিচালনাৰ বাবে সাম্প্ৰতিক সময়ত গ্ৰহন কৰা ব্যৱস্থা কিছুমানৰ উদাহৰণ হ'ল — ইলেক্ট্ৰনিক ভোটিং মেচিন (ই ভি এম) ৰ ব্যৱহাৰ আৰু স্পর্শকাতৰ অঞ্চলসমূহত ভিডিঅ' ৰেকর্ডিংৰ ব্যৱস্থা। ২০০৪ চনৰ লোকসভাৰ সাধাৰন নিৰ্বাচনত ভাৰত ৫৪৩ টা সংসদীয় সমষ্টিতেই ই ভি এম ব্যৱহাৰ কৰা হৈছিল।

১২.৫ ভাৰতৰ নিৰ্বাচনী পদ্ধতি আৰু প্ৰক্ৰিয়া

নিৰ্বাচনী প্ৰক্ৰিয়া হৈছে এক দীঘলীয়া প্ৰক্ৰিয়া য'ত প্ৰার্থী এগৰাকীয়ে মনোনয়ন, প্ৰচাৰ কার্য, ভোটদান, ভোট গণনা আৰু ফলাফল ঘোষনা আদি স্তৰসমূহ অতিক্ৰম কৰিব লাগে।

অৱশ্যে নিৰ্বাচনী প্ৰক্ৰিয়াটো কেৱল মাত্ৰ প্ৰায়োগিক বা প্ৰযুক্তিগত প্ৰক্ৰিয়াৰ মাজতে আৱদ্ধ নহয়। এক সাৰ্থক নিৰ্বাচনী পদ্ধতিৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত এক উন্নত আৰু সুসংস্কৃত/মাৰ্জিত প্ৰণালী নিৰ্বাচকসকলৰ মাজত সজাগতা, স্বতন্ত্ৰ ন্যায় ব্যৱস্থা, নিৰপেক্ষ প্ৰশাসন, পক্ষপাতহীন সংবাদগোষ্ঠী আৰু স্বাভাৱিকতে প্ৰাৰ্থীগৰাকীৰ জনসাধাৰনক সেৱা আগবঢ়াবলৈ নিজা এক সপোন বা লক্ষ্য থকাতো আমি বিচাৰিম। যদিও এই সকলো উপাদান ৰাজনৈতিক ব্যৱস্থা এটাৰ মাজত বিচাৰি পোৱাতো সম্ভৱ নহয়, তথাপি এক সাৰ্থক পদ্ধতি হিচাপে গঢ়ি উঠিব বুলি আমি নিশ্চিত ভাৱে আশা কৰিব পাৰোঁ। সৌভাগ্যক্ৰমে, ভাৰতত ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা (১৯৭৫-৭৭) জাৰি কৰা কিছু সময়ৰ বাহিৰে ভাৰতৰ গনতান্ত্ৰিক ব্যৱস্থাই মুক্ত আৰু সময়ে সময়ে অনুষ্ঠিত হোৱা নিৰ্বাচনৰ জড়িয়তে বৃহৎ পৰিসৰত সুচাৰুৰূপে কাৰ্য সম্পাদন কৰি আহিছে। ইয়েই ভাৰতৰ গনতান্ত্ৰিক ব্যৱস্থাক বিশেষত্বপূৰ্ণ কৰি তুলিছে। উদাহৰণ স্বৰূপে, গুৰুত্বপূৰ্ণ সামাজিক - ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়সমূহক লৈ ৰাজনৈতিক দল সমূহৰ মাজত হোৱা বিতৰ্ক আৰু প্ৰচাৰ বিভিন্ন সময়ত জনসাধাৰনৰ নিৰ্বাচনী গতিশীলতাৰ কেন্দ্ৰ বিন্দু হৈ আহিছে। এনেধৰণৰ বিতৰ্ক, আলোচনা আৰু প্ৰচাৰ কাৰ্যৰ আধাৰত জনসাধাৰনে তেওঁলোকৰ নিজ নিজ প্ৰাৰ্থীসকলক নিৰ্বাচন কৰে। ইয়াৰ উপৰি, জনসাধাৰণে, তেওঁলোকে গুৰুত্ব আৰোপ কৰা বিভিন্ন সমস্যা যেনে — ক'লা ধন, নিবনুৱা সমস্যা, ৰাষ্ট্ৰীয় একতা, সন্ত্ৰাসবাদ, দুনীৰ্তি, উন্নয়ন আদিক আধাৰ হিচাপে লৈ বিশেষ একোটা দলক ভোট প্ৰদান কৰে। ভাৰতত জনসাধাৰণে শান্তিপূৰ্ণ আচৰণৰ মাজেৰে তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচনত প্ৰায়েই পৰিপক্কতা প্ৰদৰ্শন কৰি আহিছে।

ভাৰতবৰ্ষত নিৰ্বাচনে বৃহৎ পৰিসৰত জনসাধাৰণৰ ৰাজনৈতিক জীৱনক প্ৰভাৱিত কৰি ৰাজহুৱা অনুষ্ঠানৰ চৰিত্ৰ ধাৰণ কৰে। দৰাচলতে নিৰ্বাচন ভাৰতৰ জনসাধাৰণৰ কাৰণে এক উৎসৱ সদৃশ, য'ত তেওঁলোকে এক নিৰ্দিষ্ট সময়ৰ বাবে কোনে তেওঁলোকৰ ওপৰত শাসন কৰিব, সেয়া নিৰ্ধাৰণ কৰে। আমাৰ ওচৰত থকা উদাহৰণে দেখুৱায় যে জনপ্ৰিয় চৰকাৰবোৰে তেওঁলোকৰ সফলতা পুনৰাবৃত্তি ঘটায় আৰু জনবিৰোধী নীতি গ্ৰহণ কৰা চৰকাৰবোৰ পৰাজিত হয়। নিৰ্বাচন হৈছে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে অনুষ্ঠিত এক কাৰ্যসাধন প্ৰক্ৰিয়া। যদিও ই এক জটিল প্ৰক্ৰিয়া, তথাপি ইয়াৰ যোগেদি এক বিশেষ মতাদৰ্শ পৰাজিত কৰিবলৈ বা জয়া কৰিবলৈ জনসাধাৰণ একত্ৰিত হয়। কোনো সন্দেহ নাই, যি নিৰ্বাচনে আমাৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশবোৰক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে, যিবোৰে আমাক এই বিষয়বোৰৰ সন্দৰ্ভত অধিক সজাগ কৰে।

১২.৬ ভাৰতৰ ভোটদানৰ আৰ্হি

বিগত বছৰবোৰত সাধাৰণ নিৰ্বাচনত জনসাধাৰনৰ ভোটদানৰ প্ৰতি আগ্ৰহ দেখা পোৱা হৈথে। সাৰ্থক গণতন্ত্ৰৰ বাবে বৃহৎ পৰিমাণে ভোটদান হোৱাতো আৱশ্যকীয়। আমাৰ ভোটদানৰ আৰ্হিটোৱে পুৰুষ আৰু মহিলা উভয়ৰে ভোটদানৰ শতকৰা হাৰ বৃদ্ধিকে দেখুৱায়। অধিক সংখ্যক আঞ্চলিক দলে আসন জিকাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দলসমূহতকৈ উন্নত ফলাফল প্ৰদৰ্শন কৰি

আছে, যিয়ে নেকি ভাৰতৰ গণতান্ত্রিক মূল্যবোধ আৰু বহুসংস্কৃতিবাদ গভীৰ হোৱাৰ লক্ষন বহন কৰিছে। যোৱা সাধাৰণ নিৰ্বাচনলৈকে, আমি দেখিছিলোঁ যে ৰাষ্ট্রীয় পর্যায়ত মিত্রজোঁটৰ ৰাজনীতি অধিক প্রভাৱশালী আছিল। কিন্তু বর্তমানৰ নিৰ্বাচনে দেখুৱাইছে যে বিজেপি অধিক শক্তিশালী হিচাপে উত্থান হোৱাৰ লগে লগে এই প্রৱণতা লাহে লাহে সলনি হৈ আহিছে। কিন্তু কিছুমান প্রদেশত যেনে — তামিল নাড়ু, উৰিষ্যা, জম্মু আৰু কাশ্মীৰ আদিত আঞ্চলিক দলবোৰ এতিয়াও প্রভাৱশালী।

নিৰ্বাচন হৈছে এক ৰাজনৈতিক প্রক্রিয়া যি বছৰ বছৰ ধৰি বিকশিত হৈ আহিছে। ই হৈছে আমাৰ মাজত বিদ্যমান সামাজিক ব্যৱস্থা আৰু ৰাজনৈতিক গাঁথনিৰ মাজৰ যোগসূত্র, যি ৰাজনৈতিক উন্নতিত অৰিহণা যোগায়। উদাহৰণ স্বৰূপে, অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা শ্রেণী আৰু মহিলাৰ বাবে আসন সংৰক্ষনে দেশৰ বহু অংশত সামাজিক পৰিবর্তনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ই হৈছে ৰাষ্ট্র নির্মান, ব্যৱস্থা ৰক্ষনাবেক্ষন, ৰাজনৈতিকভাৱে অভিজাত সকলৰ নিযুক্তি আৰু শান্তিপূর্ণভাৱে ক্ষমতা হস্তান্তৰৰ এক প্রণালী। আকৌ নিৰ্বাচন হৈছে এনে এক প্রক্রিয়া যি এক নির্দিষ্ট ৰাজনৈতিক ব্যৱস্থালৈ বৈধতা আনে, শান্তিপূর্ণ পদ্ধতিৰে সংঘাত নিষ্পতিত অৰিহনা যোগায়, ব্যক্তি আৰু সমষ্টিৰ স্বার্থ একত্রীকৰণ কৰে আৰু সামাজিকীকৰন আৰু ৰাজনৈতিক শিক্ষাৰ এক পদ্ধতি হিচাপে কাম কৰে। মুঠতে নিৰ্বাচন হৈছে এনে এক প্রক্রিয়া যি দায়বদ্ধতা আনি দিয়ে। অংশীদাৰ সকলৰ পছন্দ আৰু নিয়ন্ত্রণক গনতান্ত্রিকৰনৰ যোগেদি সমগ্র প্রক্রিয়াটোৱে সুশাসনৰ দিশে লৈ যাব পাৰে।

১২.৭ ভাৰতৰ নিৰ্বাচনী আচৰনৰ নির্ধাৰক

সাধাৰণতে মানুহ যুক্তিবাদী, কিন্তু নিৰ্বাচনৰ সময়ত মানুহে আৱেগিক আচৰণ কৰা দেখা যায়। জাতি, ধর্ম, ভাষা, অঞ্চল, জনজাতি, কেৰিশ্মা আদিৰ দৰে কিছুমান কাৰকে আমাৰ নিৰ্বাচনী আৰচন নির্ধাৰণ কৰেষ প্রায় সকলো ৰাজনৈতিক দলে জনসাধাৰনক একেলগ কৰিবৰ বাবে এই উপাদানবোৰৰ সহায় লয়। দলবোৰে জাতি, ধর্ম, ভাষা আৰু আন আন এনেধৰণৰ কাৰকসমূহৰ সুযোগ ল'বলৈ চেষ্টা কৰে। কেইবাটাও ক্ষেত্রত দেখা গৈছে যে জনসাধাৰনে এই আৱেগিক বিষয়বোৰৰ কাৰনে ভোট দিছিল। অৱশ্যে ইয়াৰ অর্থ এইটো নহয় যে সমগ্র জনসাধাৰন ইয়াৰ দ্বাৰা প্রভাৱিত হৈছে বা ইয়াৰ বাবে ভোট দিছিল। কিন্তু যথেষ্ট পৰিমাণে জনসাধাৰন প্রভাৱিত হৈছে, যিয়েই নিৰ্বাচনৰ ফলাফল নির্ধাৰণ কৰিছে।

ভোটদানৰ আচৰণক প্রভাৱিত কৰা কাৰক বিলাকৰ ভিতৰত জাতি বা বর্ণ অধিক প্রভাৱশালী। আমাৰ সামাজিক ব্যৱস্থাত পুৰুষানুক্রমিক জাতি ব্যৱস্থাৰ আধিপত্য চলি আহিছে। আনকি স্বাধীনতাৰ পাছতো নিৰ্বাচনী ৰাজনীতিত জাতিগত সমীকৰনে গুৰুত্ব লাভ কৰিছে। জাতিভিত্তিক সংগঠনৰ উত্থানৰ লগে লগে, নিৰ্বাচন আৰু চাকৰিত আসন সংৰক্ষনে কিছুমানক বঞ্চিত কৰিছে আৰু নিম্ন বর্নৰ লোকসকলক তেওঁলোকৰ অধিকাৰ আৰু বিশেষাধিকাৰৰ বিষয়ে

অধিক সজাগ কৰি তোলে। এনেদৰে, সেই লোকসকলে আনকি নিৰক্ষৰ সকলেও নিৰ্বাচনী অধিক যোগদান কৰিবলৈ আৰম্ভ কৰে; লাহে লাহে জাতিগত সমীকৰণে প্ৰাৰ্থীৰ টিকট বিতৰণ আৰু মন্ত্ৰালয় গঠনৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ নিৰ্ধাৰক হৈ পৰে। মুঠ জনসংখ্যাৰ এক গুৰুত্বপূৰ্ণ অংশ পিছপৰা জাতি আৰু দলিত সকল থকা ৰাজ্য যেনে - তামিল নাড়ু, বিহাৰ, উত্তৰ প্ৰদেশ ইয়াৰ উদাহৰন। জাতি সংহতিৰ বাবে, মানুহে তেওঁলোকৰ নিজৰ নিজৰ জাতিৰ প্ৰাৰ্থীক ভোট দিয়ে। বি এছ পি, ডি এম কে, আৰ জে ডি, আৰ পি আই আদিৰ দৰে ৰাজনৈতিক দলবোৰ কেৱল জাতিগত ৰাজনীতিৰ বাবেই উত্থান ঘটিছে আৰু এই দলবিলাকে জনসাধাৰনক নিজৰ অনুকূলে চালিত কৰিবৰ কাৰনে বা একত্ৰিত কৰিবৰ বাবে জাতিত্বক এক ৰাজনৈতিক হাথিয়াৰ বা অস্ত্ৰ হিচাপে লৈ ভোটলাভৰ সহায়ক কৰি তুলিছে। জাতিগত ৰাজনীতি নিম্ন বৰ্ণ বা সংখ্যালঘূ সকলৰ পৰিচয় প্ৰকাশৰ আহিলা বুলি ক'ব পাৰি। এই ক্ষেত্ৰত জাতিৰ লগতে ধৰ্ময়ো এক প্ৰভাৱশালী ভূমিকা পালন কৰে। ভোট বেংক ৰাজনীতি (সংখ্যালঘূ সকলৰ) আৰু সংখ্যালঘূ তোষনৰ লগতে সংখ্যাগৰিষ্ঠৰ অনুভূতিক একত্ৰিত কৰাটো ভাৰতত নিৰ্বাচনী ৰাজনীতিৰ এক বিশেষত্ব হৈ আহিছে। যিহেতু আমাৰ সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ প্ৰণালী আছে, ভোটদান বা নিৰ্বাচক সকলৰ আচৰনৰ সমগ্ৰ প্ৰক্ৰিয়াটো (Exercise) ইমান জটিল যে ইয়াক এটা মাত্ৰ কাৰকৰে নিৰ্ধাৰন কৰিব নোৱাৰি। একাধিক কাৰকে ক্ৰিয়া কৰি আছে, যিবোৰ স্থিৰ নহয় আৰু সময়েসময়ে সলনি হৈ থাকে। গণতান্ত্ৰিক মূল্যবোধ, নাগৰিক সমাজ, লিংগ সমীকৰণ, আঞ্চলিক আকাংক্ষা আৰু লগতে দলৰ গাঁথনি হৈছে ভোটদানৰ আচতৰনৰ প্ৰভাৱিত কৰা কিছুমান প্ৰভাৱশালী কাৰক। নেতিবাচক দিশত, টকা-পইচা, বাহুবল, সংবাদগোষ্ঠী আৰু চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

১২.৮ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ আসোঁৱাহসমূহ

বিগত বছৰবোৰত আমাৰ নিৰ্বাচনী ব্যৱস্থাত কেইবাটাও পৰিবৰ্তন অনা হৈছে। পৰিবৰ্তনবিলাকৰ লগতে বহুতো ত্ৰুটীও দেখা পোৱা গৈছে। বাহুবল, ধনবলৰ প্ৰয়োগ, শাসকীয় দলৰ দ্বাৰা চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ, জাতি বা ধৰ্মীয় আৱেগৰ সুবিধা লোৱা, ৰাজনীতিক অপৰাধীকৰন, পাৰিবাৰিক আনুগত্য, ভোট গ্ৰহন কেন্দ্ৰ দখল, ভয়-ভাবুকি আৰু জনসাধাৰনক ভোটদান কৰাৰ ক্ষেত্ৰত বাধা, ইস্তাহাৰত মিছা প্ৰতিশ্ৰুতি, সংবাদপত্ৰৰ অপব্যৱহাৰ আৰু এনেধৰনৰ কিছুমান গুৰুত্বপূৰ্ণ ত্ৰুটী আমাৰ প্ৰচলিত নিৰ্বাচনী ব্যৱস্থাত আছে।

আজিকালি, ৰাজনীতিৰ অপৰাধীকৰনে এই ধৰনৰ বিপদ বৃদ্ধি কৰিছে যাৰ দ্বাৰা অপৰাধীয়ে কাৰাগাৰৰ পৰাও পোনপটীয়াকৈ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছে। অপৰাধী আৰু ৰাজনীতিকৰ মাজত অসৎ সম্পৰ্কও দেখা গৈছে। ৰাজনৈতিক ব্যক্তিসকলে ধন আৰু বাহুবলৰ ক্ষেত্ৰত অপৰাধীৰ সহায় প্ৰায়ে লয়। দেশৰ কিছু অংশত আনকি আত্মসমৰ্পনকাৰী বিদ্ৰোহীয়েও নিৰ্বাচনৰ প্ৰতিদ্বন্দিতা কৰে। এই সকলোবোৰেই দুনীতিগ্ৰস্ত ৰাজনৈতিক ব্যক্তি, আমোলা আৰু

অপৰাধীৰ মাজত বুজাপৰাত আগ ভাগ লৈছে / সহায় কৰিছে। দুৰ্নীতি গ্ৰস্ত আমোলাই সদায় শাসকীয় দল পুনৰ ক্ষমতালৈ অহাতো সমৰ্থন জনায়। এনেদৰে, বিৰোধী দলসমূহৰ বিপক্ষে শাসকীয় দল আৰু পদবীত থকা আমোলাসকলে চৰকাৰী যন্ত্ৰটো অপব্যৱহাৰ কৰে। যিহেতু নিৰ্বাচন হৈছে এক বৃহৎ আৰু বিস্তৃত প্ৰক্ৰিয়া। সেয়েহে ইয়াত চৰকাৰী যন্ত্ৰটো ব্যাপক ব্যৱহাৰৰ প্ৰয়োজন। ইয়াত আমোলাসকলৰ গুৰুত্ব কদাচিৎ উপেক্ষা কৰিব নোৱাৰি। আমলৌতন্ত্ৰৰ নেতিবাচক ব্যৱহাৰ / প্ৰয়োগ হ্ৰাস কৰিবলৈ নিৰ্বাচন আয়োগে এলানি নিৰ্দেশনা লৈ আনিছে। উদাহৰনস্বৰূপে, নিৰ্বাচনৰ দিন ঘোষনা কৰাৰ লগে লগে বিষয়াসকলৰ বদলি আৰু পদোন্নতি নিষিদ্ধ কৰা হৈছে। পলমকৈ হ'লেও নিৰ্বাচন আয়োগে 'আদৰ্শ আচৰন বিধি' কঠোৰ ভাৱে গ্ৰহন আৰু বলৱৎ কৰিছে।

বৰ্তমান নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাটো যথেষ্ট খৰচী আৰু প্ৰতিযোগিতামূলক হৈ পৰিছে। প্ৰতিজন প্ৰাৰ্থীয়ে নিৰ্বাচনত যি কোনো উপায়েৰে জয়ী হ'ব বিচাৰে যিহেতু প্ৰাৰ্থীসকলৰ মাজত মতৰ মিল নাথাকে। প্ৰত্যেক বছৰে ভোটাৰৰ সংখ্যা বৃদ্ধিৰ আৰু এক বৃহৎ সমষ্টি সামৰি ল'বলৈ প্ৰাৰ্থীসকলে যথেষ্ট ব্যয় কৰিব লাগে। একদৰে পৰিবহন, প্ৰচাৰ কাৰ্য, ব্যক্তিগত যোগাযোগ, সমাৱেশ, ৰাজহুৱা সভা আৰু গনমাধ্যমত বিজ্ঞাপন আদি যথেষ্ট পৰিমানে ধনৰ প্ৰয়োজন। কিন্তু দল বা প্ৰাৰ্থীৰ ব্যয়ৰ সৰ্ব্বোচ্চ সীমা আছে। ইয়াত দান-বৰঙনি, কলাধন আৰু ইয়াক ব্যৱসায়িক গোষ্ঠী আৰু অপৰাধীৰ পৰা সংগ্ৰহ কৰাটোৱে এক দুষ্ট চক্ৰক সৃষ্টি কৰে। এই সকলোবোৰৰ বৃদ্ধিয়ে প্ৰকৃত প্ৰাৰ্থী আৰু অসহায় ভোটাৰসকলক গনতন্ত্ৰৰ প্ৰকৃত সত্তা উপলব্ধি কৰাত বঞ্চিত কৰে।

১২.৯ ভাৰতৰ নিৰ্বাচনী সংস্কাৰ

ভাৰতত, ১৯৭০ দশকত নিৰ্বাচনী সংস্কাৰ আৰম্ভ কৰা হৈছিল। ১৯৭১ চনত জগনাথ ৰাওৰ অধীনত নিৰ্বাচনী আইন সংশোধনৰ বাবে এক যুটীয়া সংসদীয় সমিতি নিয়োগ কৰা হৈছিল। এই সমতিয়ে ১৯৭২ চনত তেওঁলোকৰ প্ৰতিবেদন জমা দিয়ে। দুবছৰৰ পাছত, ন্যায়াধীশ ভি এম তাৰকুণ্ডেৰ অধীনত আন এখন সমিটি নিয়োগ কৰা হয়। এই সমিতিয়ে ১৯৭৫ চনত তেওঁলোকৰ প্ৰতিবেদন জমা দিয়ে। দুবছৰৰ পাছত, ন্যায়াধীশ ভি এম তাৰকুণ্ডেৰ অধীনত আন এখন সমিটি নিয়োগ কৰা হয়। এই সমিতিয়ে ১৯৭৫ চনত তেওঁলোকৰ প্ৰতিবেদন জমা দিয়ে। এই নিৰ্বাচনী সংস্কাৰ আছিল ধনবল আৰু বাহুহল নিয়ন্ত্ৰন আৰু চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ আদিৰ লগত জড়িত। সেই সময়ছোৱত জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত নিৰ্বাচনী সংস্কাৰৰ বাবে জনসাধাৰন একত্ৰিত হৈছিল। পৰৱৰ্ত্তী সময়ত, জনতা চৰকাৰ ক্ষমতালৈ আহি নিৰ্বাচনী সংস্কাৰৰ বাবে এখন কেবিনেট উপসমিতি গঠন কৰি দিয়ে। কিন্তু জনতা দলৰ চৰকাৰ পতন ঘটাৰ কাৰনে অৱশেষত এই কমিটিৰ সিদ্ধান্তসমূহ ৰূপায়ন কৰিব পৰা নগ'ল। এক দীঘলীয়া বিৰতিৰ পাচত ১৯৯০ চনত, দিনেশ চন্দ্ৰ গোস্বামী সমিতিয়ে নিৰ্বাচনৰ বিভিন্ন দিশ আৰু ইয়াৰ সংস্কাৰৰ ওপৰত প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ এইবোৰো কাৰ্যকৰী কৰিব পৰা নগ'ল। পৰৱৰ্ত্তী সময়ত

জনসাধাৰন প্ৰতিনিধিত্ব (দ্বিতীয় সংশোধন) আইন ১৯৯৬ (Representation of People Act 1996) নামৰ আন এখন গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰা হয়। এই আইনে সামৰি লোৱা ক্ষেত্ৰসমূহ আছিল এনেধৰনৰ ঃ প্ৰচাৰ কাৰ্যৰ সময় ২১ দিনৰ পৰা ১৪ দিনলৈ হ্ৰাস; প্ৰাৰ্থীক দুটাতকৈ অধিক সমষ্টিত প্ৰতিদ্বন্দিতা কৰাত নিষেধাজ্ঞা; গুৰুত্বহীন প্ৰাৰ্থীসকলক নিৰুৎসাহিত কৰিবলৈ জমানত ধনৰ পৰিমান ৫০০ টকাৰ পৰা ৫০০০ টকালৈ বৃদ্ধি কৰা। আৰু প্ৰাৰ্থীৰ মৃত্যুৰ ক্ষেত্ৰত নিৰ্বাচন স্থগিত নকৰা (ইয়াৰ বাবে ৰাজনৈতিক দলে সাত দিনৰ ভিতৰত আন এজন প্ৰাৰ্থী মনোনীত কৰিব পাৰে)।

ভাৰতৰ সংবিধানৰ এষষ্ঠি (৬১) তম্ সংশোধনী, যাক আনুষ্ঠানিকভাৱে সংবিধান (এষষ্টিতম সংশোধনী) আইন ১৯৮৮ বুলি জনা যায়; এই সংশোধনীয়ে ভোটদাতাৰ ভোটদানৰ বয়স ২১ বছৰৰ পৰা ১৮ বছৰলৈ হ্ৰাস কৰে।

১২.৯.১ নিৰ্বাচনী ব্যৱস্থাত পৰিৱৰ্তন

১৯৯০ দশকৰ পৰা ৰাজনৈতিক দলসমূহ কাঠফুলাৰ দৰে বৃদ্ধি পাইছে। তাৰ কাৰনে মাত্ৰ এটা ৰাজনৈতিক দলৰ দ্বাৰা চৰকাৰ গঠন কৰাতো অসম্ভৱ হৈ পৰিছে। সেয়েহে মিত্ৰজোঁটৰ তৰকাৰ আৰু মিত্ৰজোঁটৰ ৰাজনীতিৰ ধাৰনাটোৱে স্থান লাভ কৰিছে। ভাৰতত সকলোতকৈ বেছি ভোট পোৱা জন জয়ী হোৱাৰ ব্যৱস্থা (First Past the Post (FPTP) থকাৰ বাবে প্ৰাৰ্থী এজনে জয়ী হ'বলৈ মুঠ ভোটৰ সংখ্যাগৰিষ্ঠ লাভ কৰাৰ আৱশ্যক নাই। সেই অৰ্থত আমাৰ নিৰ্বাচনী ব্যৱস্থাটো সঁচা অৰ্থত প্ৰতিনিধিত্বমূলত নহয়, সমানুপাতিক প্ৰতিনিধিত্ব (Proportional Representation) ব্যৱস্থাহে। উহাদৰণস্বৰূপে, মুঠ ভোটৰ ২০ শতাংশ ভোট লাভ কৰিলেও এজন প্ৰাৰ্থী নিৰ্বাচিত হ'ব যদিহে সেই শতাংশ আন সকলো প্ৰাৰ্থীৰ ব্যক্তিগত ভোটৰ শতাংশতকৈ বেছি হয়। First Past the Post (FPTP) ব্যৱস্থাত আমি মুখামুখি হোৱা এইটো এটা গুৰুত্বপূৰ্ণ আসোঁৱাহ। সঁচা অৰ্থত প্ৰতিনিধিত্ব মবলক ব্যৱস্থা পাবলৈ এই ব্যৱস্থাটোৰ পৰিবৰ্তন কৰাৰৰো দাবী উত্থাপন হৈছে, আনকি তাৰকুণ্ডে সমিতি আৰু কেইগৰাকীমান প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্তয়ো বৰ্তমানৰ ব্যৱস্থাটো সংশোধন কৰাৰ পৰামৰ্শ দিছিল। কিন্তু ভাৰতৰ দৰে এখন বৃহৎ দেশত, য'ত লাখ লাখ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে, যি নিৰক্ষৰ, সমগ্ৰ ৰাজনৈতিক ব্যৱস্থাটোৰ বিষয়ে যাৰ সামান্য সজগতা আছে, তেনে ক্ষেত্ৰত ভোটদানৰ আন কিছুমান জটিল প্ৰক্ৰিয়ালৈ পৰিবৰ্তন কৰাটো কেৱল বাঞ্চনীয় নহয়।

১২.৯.২ নিৰ্বাচন আয়োগৰ পুনগঠন

নিৰ্বাচন আয়োগক অধিক সংবেদনশীল আৰু গনতান্ত্ৰিক কৰি তুলিবৰ বাবে

বহু সদস্য বিশিষ্ট কৰি গঢ়ি তোলাৰ দাবী চলি আহিছে। তাৰকুণ্ডে আৰু গোস্বামী সমিতি এই দুয়োখনে নিৰ্বাচন আয়োগক পুনগঠনৰ পৰামৰ্শ দিছিল। অৱশেষত, ১৯৯৫ চনত উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি নিৰ্বাচন আয়োগক তিনিজন সদস্যবিশিষ্ট কৰা হয়। অৱশ্যে নিৰ্বাচিন- আয়োগৰ সদস্যসকলক যিহেতু শাসনত থকা চৰকাৰে নিযুক্তি দিয়ে, সেয়েহে গৰিষ্ঠ সংখ্যক সিদ্ধান্ত লোৱাৰ সুবিধা নিৰ্বাচন আয়োগৰ থাকিলেও কেতিয়াবা এইবোৰ নিৰপেক্ষ নহ'বও পাৰে। এনে এক সম্ভাৱনাও থাকে যে অৱসৰপ্রাপ্ত আমোলাসকলে নিৰ্বাচন আয়োগৰ সদস্য হ'বলৈ শাসনত থকা দলটোক সন্তুষ্ট কৰিবলৈ বিচাৰিব পাৰে। আজিকালি, অৱসৰৰ পাছত নিৰ্বাচন আয়োগৰ সদস্য হিচাপে নিযুক্তি দিয়াৰ ক্ষেত্রত সম্পূৰ্ণ নিষেধাজ্ঞাৰ দাবী উঠিছে যাতে নিৰ্বাচন আয়োগৰ সম্পূৰ্ণ নিৰপেক্ষ আৰু পক্ষপাতহীন কৰি তুলিব পাৰি।

১২.৯.৩ নিৰ্বাচন ব্যৱস্থাত ধনবল আৰু বাহুবলৰ/ কু-প্রভাৱ নিৰ্মূল কৰণ ঃ

নিৰ্বাচনী লাভৰ বাবে ধন আৰু বাহুবলৰ প্রয়োগ আমি আজি সন্মুখীন হোৱা গুৰুত্বপূৰ্ণ সমস্যা। আংকাক্ষিত, ফল লাভ কৰিবলৈ দুটা উপাদানৰ সহায়ত ভোটাৰ সকলক সহজে প্রভাৱিত কৰিব পাৰি। যদিও নিৰ্বাচনী ব্যয়ৰ সৰ্ব্বোচ্চ সীমা আছে, তথাপি প্রকৃত ব্যৱহাৰত সেই পৰিমাণে পৰ্যাপ্ত নহয় আৰু সেয়া প্রায়ে প্রার্থী বা ৰাজনৈতিক দলৰ দ্বাৰা উলংঘন কৰা হয়। পূৰ্বৰ সমিতিসমূহে নিৰ্বাচনত চৰকাৰে পুঁজি যোগান ধৰাৰ (State funding) এক প্রস্তাৱ আগবঢ়াইছে যদিও দুৰ্ভাগ্যবশতঃ সেয়া আজিলৈকে প্রৱৰ্তন কৰা হোৱা নাই। সন্দেহজনক উৎসৰ পৰা সংগ্রহ কৰা ধনৰ ব্যৱহাৰ অপৰাধকৰনৰ লগত জড়িত। অপৰাধী প্রমাণিত প্রার্থীসকলক নিৰ্বাচনত প্রতিদ্বন্দিতা কৰাৰ পৰা বঞ্চিত কৰা দৰকাৰ। অতিৰিক্ত মৌলিক উপায় হিচাপে বিশেষ প্রার্থী এজনক প্রত্যাহাৰ বা প্রত্যাখানৰ অধিকাৰ পৰীক্ষামূলকভাৱে প্রৱৰ্তন কৰিব পাৰে। যদিও আমাৰ ই,ভি.এম. সমূহত নোটা (ওপৰৰ এজনো নহয়, None of the above, NOTA) ৰ সুবিধা আছে, যদিও ভোটদানৰ অধিকাংশই যদি নোটা হয় তেন্তে কি হ'ব সেই বিষয়ে কোনো স্পষ্ট নিৰ্দেশনা নাই। জনমত জৰীপ (Opinion Poll) আৰু বিশেষজ্ঞৰ আলোচনাৰ নামত জনসাধাৰণক প্রভাৱিত কৰিবলৈ ধন দি কৰা বাতৰিসমূহ হৈছে, অন্য এক শেহতীয়া সংযোজন। যদিও নিৰ্বাচনৰ শুচিতা বজাই ৰাখিবলৈ নিৰ্বাচন আয়োগে বহুতো ব্যৱস্থা গ্রহণ কৰি আছে তথাপি কেৱল আইনে আমাক এখন সম্পূৰ্ণ সামান্য ব্যৱস্থা এটা প্রদান কৰিব নোৱাৰে। অৱশেষত ক'বলৈ গ'লে এই সকলোবোৰ হৈছে মুঠতে ৰাজনৈতিক সংস্কৃতি আৰু আচৰন। উদাহৰণসমূহে দেখুৱায় যে ভাৰতত পৰিপক্ক ভোটাৰসকলে কেইবাটাও সময়ত দুৰ্নীতিগ্রস্ত শাসনক দলিয়াই পেলাইছে। অৱশ্যে, এক নিৰপেক্ষ নিৰ্বাচনী ব্যৱস্থাৰ বাবে শক্তিশালী নাগৰিক সমাজৰ লগতে



ৰাজনৈতিক প্ৰতিশ্ৰুতি আৰু ৰাজনৈতিক ইচ্ছাশক্তিৰ প্ৰয়োজন।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ নিৰ্বাচন আয়োগৰ সংযুততি সম্পৰ্কে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ঃ ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদে নিৰ্বাচনী যন্ত্ৰটোৰ সুবিধা প্ৰদান কৰিছে?

.....

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ দুটা আসোঁৱাহ লিখক?

.....

.....

প্ৰশ্ন নং ৪ ঃ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থঞ্চৰ সংশোধনীৰ দুটা উপায় ব্যাখ্যা কৰক।

.....

.....



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নিৰ্বাচন হৈছে সেই প্ৰক্ৰিয়া যাৰ দ্বাৰা জনসাধাৰণে এটা নিৰ্দিষ্ট ৰাজনৈতিক দল বা ভিন ভিন দলৰ মিত্ৰজোঁটৰ শাসনক বৈধতা প্ৰদান কৰে।
- নিৰ্বাচন প্ৰক্ৰিয়াই জনসাধাৰণক ৰাজনৈতিক ব্যৱস্থাৰ প্ৰকৃত অংশ কৰি গণতন্ত্ৰক শক্তিশালী কৰে।
- ভাৰতৰ সংবিধানত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়ৰ বাবে আনকি তৃনমূল পৰ্যয়লৈকে নিৰ্বাচন আয়োগৰ তত্ত্বাৱধানত মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনৰ কাৰণে সুবিধা প্ৰদান কৰা হৈছে।
- জাতি, ভাষা, অঞ্চল, শ্ৰেণী আদিৰ দৰে আৰ্থ-সামাজিক বা ধৰ্মীয় উপাদানে নিৰ্বাচনী ফলাফল নিৰ্ধাৰণত এক অতি নিৰ্ণায়ক ভূমিকা পালন কৰিব পাৰে। ৰাজনৈতিক দলবোৰে এই আৱেগিক বিষয়বোৰৰ আধাৰত জনসাধাৰণক একত্ৰিত কৰিবলৈ চেষ্টা কৰে।
- আন আন সমস্যা যেনে — ধনবল আৰু বাহুবল সমানে গুৰুত্বপূৰ্ণ। ক'লাধনৰ বিনিয়োগ আৰু ৰাজনীতিৰঅপৰাধকৰণ আমাৰ নিৰ্বাচনী ব্যৱস্থাৰ বাবে এক গুৰুত্বপূৰ্ণ চিন্তাৰ বিষয়।

যদিও কেইবাখনো সমিতিয়ে অশুভ শক্তিক নিয়ন্ত্রনত ৰখাৰ বাবে ভাবুকি দিছিল, কিন্তু সেইবিলাকৰ প্রভাৱ দিনক দিনে বাঢ়িছেহে।

- যদিও ই, ভি.এম. আদর্শ আচৰন বিধি, প্রার্থীসকলৰ সম্পত্তিৰ তালিকা ঘোষনা আদিৰ দৰে উপায়সমূহ প্রৱর্তন কৰা হৈছে, তথাপি যদি জনসাধাৰন নির্বাচনী অসদাচাৰনৰ সমস্যাসমূহৰ বিষয়ে সতর্ক নহয় বা সংবেদনশীল নহয়, তেন্তে সেয়া পর্যাপ্ত নহয়।
- বর্তমান সময়ত নির্বাচন আমাৰ গনতান্ত্রিক জীৱনৰ এক অংশ হৈ পৰিছে যাৰ দ্বাৰা আমি শান্তিপূর্ণভাৱে চৰকাৰ পৰিৱর্ত্তন কৰিব পাৰোঁ।



১২.১১ অধিক জানিবলৈ

১) Zoya Hasan (ed). (2002). Parties and Party Systems. New Delhi: OUP.

২) Rajni Kothari. (1972). Politics in India. New Delhi: Orient Longman.

৩) M. V Rajeev Gowda, and E. Sridharan, (2007). 'Parties and the Party System. 1947-2006', in Sumit Ganguly, Larry Diamond, and Marc F. Plattner (eds) The State of India's Democracy. John Hopkins University: Maryland.



১২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ নির্বাচন আয়োগ এগৰাকী মুখ্য নির্বাচনী আয়ুক্ত আৰু দুগৰাকী আন সদস্যৰে গঠিত। নির্বাচন আয়োগৰ সদস্যসকলক ভাৰতৰ ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে।

২ নং প্রশ্নৰ উত্তৰ ঃ ৩২৪ অনুচ্ছেদ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজনীতিৰ অপৰাধীকৰন ভাৰতৰ নির্বাচনী ব্যৱস্থাৰ আসোঁৱাহসমূহৰ অন্যতম এটা। ৰাজনীতিবিদ আৰু অপৰাধীৰ মাজৰ অসাধু সম্পর্ক সহজে দেখিবলৈ পোৱা যায়। ৰাজনীতিবিদসকলে ধন আৰু বাহুবলৰ ক্ষেতত্রত প্রায়ে অপৰাধীৰ সহায় লয়। আনকি দেশৰ কিছু অংশত আত্মসমর্পনকাৰী বিদ্রোহীয়েও নির্বাচনত প্রতিদ্বন্দিতা কৰি আছে। এই সকলোবোৰে দুনীতিগ্রস্ত ৰাজনীতিবিদ, আমোলা আৰু অপৰাধীৰ মাজত বুজাবুজিত সহায় কৰিছে। দুর্নীতিগ্রস্ত আমোলাসকলে শাসনত থকা দলটো পুনৰ ক্ষমতালৈ অহাতোত সমর্থন জনায়। এনেদৰে শাসকীয় দল আৰু পদবীত থকা আমোলা উভয়ে বিৰোধী

দলৰ চৰকাৰী যন্ত্ৰটো অপব্যৱহাৰ কৰে।

দ্বিতীয়তে, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাতো অধিক খৰচী আৰু প্ৰতিযোগিতামূলক হৈ পৰিছে। প্ৰাৰ্থীসকলৰ মাজত উদ্দেশ্য বা মতৰ মিল নথকাৰ বাবে প্ৰতিজন প্ৰাৰ্থীয়ে যিকোনো উপায়েৰে নিৰ্বাচনত জয়ী হ'ব বিচাৰে। প্ৰত্যেক বছৰে ভোটাৰৰ সংখ্যা বৃদ্ধি আৰু এক বৃহৎ সমষ্টি সামৰি ল'ব লগা হোৱাৰ বাবে প্ৰাৰ্থীসকলে যথেষ্ট ধন বিনিয়োগ কৰিব লাগে। এনেদৰে পৰিবহন, প্ৰচাৰ, ব্যক্তিগত যোগাযোগ, সমাৱেশ, ৰাজহুৱা সভা আৰু গনমাধ্যমত বিজ্ঞাপ্তন দিয়া আদি কাৰ্যও অধিকতকৈও অধিক ধনৰ ব্যয় হয়। কিন্তু দল বা প্ৰাৰ্থীৰ ব্যয়ৰ সীমা নিৰ্ধাৰন কৰা হৈছে। ইয়াত বৰঙনি, ক'লাধন আৰু ব্যৱসায়িক গোষ্ঠীসমূহৰ পৰা ইয়াৰ সংগ্ৰহ আৰু অপৰাধী, এই সকলো মিলি এক অসাধু চক্ৰ গঢ় লৈ উঠে। এই সকলোবোৰৰ বৃদ্ধিয়ে প্ৰকৃত প্ৰাৰ্থী আৰু অসহায় ভোটাৰক গনতন্ত্ৰৰ আচল অৰ্থৰ পৰা বঞ্চিত কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নিৰ্বাচন আয়োগৰ পুনগঠন ঃ নিৰ্বাচন আয়োগক অধিক সঁহাৰিমূলক আৰু গনতান্ত্ৰিক কৰি তোলাৰ বাবে নিৰ্বাচন আয়োগ বহু সদস্যবিশিষ্ট হোৱা উচিত। তাকুমেড আৰু গোস্বামী উভয় সমতিয়ে ইয়াৰ পুনগঠনৰ পৰামৰ্শ আগবঢ়াইছিল। অৱশেষত ১৯৯৫ চনত উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি নিৰ্বাচন আয়োগক তিনিজনীয়া সদস্যবিশিষ্ট কৰা হয়। নিৰ্বাচন আয়োগৰ সদস্যসকলক যিদেতু শাসনত থকা চৰকাৰে নিযুক্তি দিয়ে, সেয়ে গৰিষ্ঠসংখ্যক সিদ্ধান্ত ল'ব পৰাৰ সুবিধা নিৰ্বাচন আয়োগৰ থাকিলেও এয়া নিৰপেক্ষ নহ'বও পাৰে। এনে এক সম্ভাৱনাও থাকে যে অৱসৰপ্ৰাপ্ত আমোলাসকলে নিৰ্বাচন আয়োগৰ সদস্য হ'বৰ বাবে শাসনত থকা দলটোক সন্তুষ্ট কৰিবলৈ বিচাৰিব পাৰে। বৰ্তমান অৱসৰৰ পাছত নিৰ্বাচন আয়োগৰ সদস্য হিচাপে নিযুক্তি দিয়াৰ ক্ষেত্ৰত সম্পূৰ্ণ নিষেধাজ্ঞাৰ দাবী উঠিছে যাতে নিৰ্বাচন আয়োগক সম্পূৰ্ণ নিৰপেক্ষ আৰু পক্ষপাতহীন কৰি তুলিব পাৰি।

(খ) ধন আৰু বাহুবলৰ অশুভ/কু প্ৰভাৱ নিৰ্মূলকৰণ ঃ নিৰ্বাচন ব্যৱস্থাত নিৰ্বাচনী লাভৰ বাবে ধন আৰু বাহুবলৰ অপপ্ৰয়োগ বৰ্তমান আমি সন্মুখীন হোৱা অতি গুৰুত্বপূৰ্ণ সমস্যা। আংকাক্ষিত ফল লাভ কৰিবলৈ দুটা উপাদানৰ দ্বাৰা ভোটাৰক সহজে প্ৰভাৱিত কৰিব পাৰি। যদিও নিৰ্বাচনী ব্যয়ৰ সৰ্ব্বোচ্চ সীমা নিৰ্ধাৰন কৰা হৈছে, তথাপি প্ৰকৃত ব্যৱহাৰত সেই পৰিমাণ পৰ্যাপ্ত নহয়। আৰু সেয়া প্ৰায় প্ৰাৰ্থী বা দলৰ দ্বাৰা উলংঘন কৰা হয়। পূৰ্বৰ সমিতিসমূহে নিৰ্বাচনত চৰকাৰে পুঁজি যোগান ধৰাৰ (State funding) প্ৰস্তাৱ আগবঢ়াইছে যদিও দুৰ্ভাগ্যবশতঃ সেয়া আজিলৈকে প্ৰৱৰ্তন কৰা হোৱা নাই। সন্দেহজনক উৎসৰ পৰা সংগ্ৰহ কৰা ধনৰ ব্যৱহাৰ ৰাজনীতিৰ অপৰাধীকৰনৰ লগত জড়িত। অপৰাধী প্ৰণিত প্ৰাৰ্থীসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা পঞ্চিত কৰা দৰকাৰ।



১২.১৩ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ গনতন্ত্ৰত নিৰ্বাচনৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ নিৰ্বাচনী আচৰনৰ গুৰুত্বপূৰ্ণ নিৰ্ধাৰকসমূহ বিশ্লেষন কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাৰ সংশোধনৰ বাবে গ্ৰহন কৰা উপায়সমূহ আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ 'নিৰ্বাচন হৈছে গনতন্ত্ৰৰ মুখ্য উপাদান' আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ ৰাজনৈতিক অৰ্থনীতি - নেহৰুৰীয়ান আৰ্হি আৰু মিশ্ৰ অৰ্থনীতি; শেহতীয়া ধাৰা

অধ্যায় গাঁথনি

১৩.১ শিক্ষনৰ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ স্বাধীনতা-পূৰ্ব ভাৰতৰ ৰাজনৈতিক অৰ্থনীতি

১৩.৪ নেহৰু যুগৰ ৰাজনৈতিক অৰ্থনীতি

১৩.৫ নেহৰু যুগৰ পৰৱৰ্ত্তী ৰাজনৈতিক অৰ্থনীতি

১৩.৬ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ আৰম্ভণি

১৩.৭ উদাৰীকৰণ ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ পৰৱৰ্তী কাল

১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৯ অধিক জানিবলৈ

১৩.১০ অগ্রগতিৰ খতিয়ানৰ

১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ শিক্ষনৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্বাধীনতা-পূৰ্ব যুগ, নেহৰু যুগ আৰু নেহৰু যুগৰ পৰৱৰ্ত্তী ভাৰতৰ ৰাজনৈতিক অৰ্থনীতি সম্পৰ্কে আলোচনা কৰিবলৈ সক্ষম হ'ব
- উদাৰীকৰণ, ব্যক্তিগত কৰণ আৰু বিশ্বায়নৰ প্ৰসঙ্গত ভাৰতৰ ৰাজনৈতিক অৰ্থনীতিৰ বিশ্লেষণ আগবঢ়াবলৈ পাৰিব।

১৩.২ পৰিচয়

এছিয়াৰ অৰ্থনৈতিক শক্তি, ভাৰত হৈছে বিশ্বৰ দ্ৰুততম বিকাশশীল অৰ্থনীতিসমূহৰ অন্যতম। বিট্ৰিছসকলে ভাৰতৰ পৰা সম্পদ উলিয়াবলৈ আৰম্ভ কৰাৰ পাছত ভাৰতৰ অৰ্থনৈতিক স্বাধীনতা ঘূৰাই পাবলৈ প্ৰায় ১০০ বছৰ সময় লাগিছিল। ভাৰতৰ অৰ্থনীতি ইমানেই বিধস্ত হৈছিল যে স্বাধীনতাৰ ৭০ বছৰ পাছতো ইয়াক লাহে লাহে উন্নয়ন হোৱা দেশ বুলিহে গণ্য কৰা হয়। ভাৰতক এক সক্ৰিয় আৰু প্ৰগতিশীল চৰকাৰৰ যোগেদি সুবিধা প্ৰদান কৰাৰ কথা আছিল।

১৩.৩ ভাৰতৰ প্ৰাক স্বাধীনতা ৰাজনৈতিক অৰ্থনীতি

ৰাজনৈতিক অৰ্থনীতি হৈছে এখন দেশৰ ৰাজনীতি আৰু অৰ্থনীতিৰ মাজৰ আন্তঃক্ৰিয়াৰ বিষয়।

কিয় এটা নিৰ্দিষ্ট অৰ্থনৈতিক অৱস্থাই ৰাজনৈতিক ক্ষেত্ৰখনলৈ পৰিবৰ্তন আনিছে নে নাই অনা এই কথা ই বুজাবলৈ চেষ্টা কৰে। ইয়াক কেতিয়াবা ৰাষ্ট্ৰ আৰু বজাৰৰ মাজত সংঘৰ্ষ হিচাপে গণ্য কৰা হয়। এছিয়া মহাদেশৰ ভাৰতত কেৱল ইয়াৰ অৰ্থনীতিক বিদেশীৰ কৱলৰ পৰা মুক্ত কৰিবলৈ ৰাজনৈতিক স্বাধীনতাৰ বাবে যুঁজিব লগা হৈছিল। এক আত্মনিৰ্ভৰ কৃষি অৰ্থনীতি য'ত গাঁৱৰ অৰ্থনীতি ঘৰুৱা উপাৰ্জনৰ আধাৰ আছিল আৰু ৰত্ন আৰু গহনাৰ ৰপ্তানি উপাদনেৰে ২০০ বছৰ ব্ৰিটিছ সাম্ৰাজ্যবাদৰ অৰ্থনৈতিক শোষনৰ মাজেৰে যাব লগা হৈছিল। ইয়েই বিদেশত শিক্ষা গ্ৰহণ কৰি অহা এদল ভাৰতীয়ক ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ কৰিবলৈ প্ৰেৰনা যোগায়। এই সময়ছোৱাত ভাৰতৰ অৰ্থনীতি ব্লুপ্ৰিন্ট নিৰ্ধাৰন কৰা হৈছিল। স্বাধীনতা সংগ্ৰামৰ সময়ত ভাৰতৰ জনসাধাৰণৰ উন্নয়নমূলক উন্মোচিত হৈছিল। ১৯৬৭ চনত ভাৰতৰ জনসাধাৰনৰ অতিৰোধ, ব্ৰিটিছৰ ভূমি ৰাজহ ব্যস্থাৰ বিপক্ষে কৃষকৰ সংগ্ৰাম, জমিদাৰসকলৰ বিৰুদ্ধে বিদ্ৰোহ আদিবোৰত প্ৰকৃত অৰ্থনৈতিক দৃষ্টিভংগী সোমাই আছিল। ঔপনিৱেশিক অৰ্থনৈতিক শোষনৰ বিষয়ে দাদাভাই নৌৰজী, এম. জি. ৰানাদে আৰু আৰ. চি. দত্তৰ দৰে জাতীয়তাবাদী নেতাসকলৰ সমালোচনাত প্ৰায় নেহৰু যুগত বৃদ্ধি পোৱা দেখা গৈছিল, যিটোৱে আৰতৰ স্বাধীনতা সংগ্ৰামত অৰ্থনৈতিক ভিত্তি থকাৰ স্পষ্ট ইংগিত বহন কৰে। তাৰ উপৰি, এনি বেছান্তে উদ্যোগ লোৱা ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন, ১৯২৫ চনত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা সৰ্বদলীয় সম্মিলন (ভাৰতীয় বিধেয়কৰ কমনৱেল্থ), ১৯২৮ চনৰ মতিলাল নেহৰু সমিতিৰ প্ৰতিবেদন আদিত ভাৰতৰ কাৰণে অৰ্থনীতি আধাৰিত ৰাজনৈতিক স্বাধীনতাৰ দাবী আছিল। অৱশ্যে গান্ধীয়েই আত্মনিৰ্ভৰশীলতাৰ মৰ্যাদা ঘূৰাই পাবলৈ ভাৰতীয় লোকসকলৰ আৰ্থ-সামাজিক উন্নতিৰ ওপৰত গুৰুত্ব দিছিল যাতে ভাৰতীয়সকলে উপভোগ কৰিব পাৰে। প্ৰাৰম্ভিক কালৰ গান্ধীৰ প্ৰচেষ্টা বিলাকৰ ভিতৰত আছিল ব্ৰিটিছ নীল মেতিকাৰী সকলৰ শোষনৰ পৰা ভাৰতীয় কৃষকসকলক বচাবলৈ তেওঁ বিহাৰৰ চম্পাৰণলৈ কৰা ভ্ৰমণ, উচ্চ ৰাজহৰ বিৰুদ্ধে গুজৰাটৰ খাইৰাত কৃষক সত্যাগ্ৰহৰ সূচনা কৰা আদি। স্বাধীনতা আন্দোলনৰ শেষৰ ফালে ভূমি সংস্কাৰ দাবী (ভূমিত জমিদাৰী ব্যৱস্থা আৰু অন্যান্য মধ্যস্থতাকাৰীৰ অধিকাৰ নোহোৱা কৰা আৰু ভূমি ৰক্ষাকাৰীসকলক মালিকীস্বত্ব প্ৰদান) বৃদ্ধি হ'বলৈ ধৰিছিল। দৰচলতে ১৮৬৩ চনত কংগ্ৰেছৰ পৰাই ভূমিৰ স্থায়ী বন্দোস্তিৰ দাবী উত্থাপিত হৈছিল যাতে ৰায়তোৱাৰী অঞ্চলত ভূমিৰ গৰাকীসকলৰ বলপূৰ্বক অন্যায় জোৰজুলুম হাৰাশাস্তিৰ পৰা কৃষকসকলক সুৰক্ষা দিব পৰা যায়। আমোদজনকভাৱে এছ. কে. চৌবেৰ এখ লিখনিত পোৱা যায়, ১৯২৯ চনৰ লাহোৰ প্ৰস্তাৱৰ পাছত ১৯৩০ চনৰ জানুৱাৰী ৩০ তাৰিখে যুৱতী ইন্দিকা গান্ধীয়ে 'স্বাধীনতাৰ সাৰমৰ্ম' নিৰ্ধাৰন কৰিছিল য'ত দহটা বৈশিষ্ট্যৰ ভিতৰত আঠোটা বৈশিষ্ট্যই অৰ্থনৈতিক দিশটোক প্ৰতিফলিত কৰিছিল। এই বৈশিষ্ট্য আঠটা হ'ল —

- পাউণ্ড টকাৰ বিনিময় ১ শ্চিলিং ৬ পেন্সৰ পৰা ১ শিলিং ৪ পেন্সলৈ হ্ৰাস কৰা।
- ভূমি ৰাজহ ৫০ শতাংশলৈ হ্ৰাস কৰা আৰু ইয়াক আইনী নিয়ন্ত্ৰণৰ অধীন কৰা।
- নিমখৰ কৰ বাতিল কৰা।

- সামৰিক ব্যয় ৫০ শতাংশলৈ হ্ৰাস।
- উচ্চতম শ্ৰেণীৰ চাকৰিয়ালৰ দৰমহা আধা বা তাতকৈ হ্ৰাস কৰা। যাতে ৰাজহ হ্ৰাসৰ লগত খাপ খায়।
- বিদেশী বস্ত্ৰৰ ওপৰত প্ৰতিৰক্ষামূলক শুল্ক আৰোপ।
- উপকূলীয় আমদানি ৰপ্তানি সংৰক্ষন বিধেয়কৰ গৃহীতকৰণ।
- জনসাধাৰণৰ অধিকাৰ সাপেক্ষে আত্মৰক্ষাৰ বাবে আগ্নেয় অস্ত্ৰ ব্যৱহাৰৰ অনুমতি পত্ৰ প্ৰদানৰ ব্যৱস্থা।

১৯৩১ চনৰ সেই কৰাচী প্ৰস্তাৱৰ পাছতে ভাৰতৰ বাবে এক বিশদ অৰ্থনৈতিক সংস্কাৰ লোৱা হৈছিল। ১৯৩৭ চনত যেতিয়া প্ৰাদেশিক নিৰ্বাচনত কংগ্ৰেছ ক্ষমতালৈ আহিছিল তেওঁলোকে আংশিকভাৱে প্ৰতিশ্ৰুতিবোৰ পূৰন কৰিছিল। কৰাচী প্ৰস্তাৱৰ ২০ বছৰৰ পাছত ভাৰতীয় সংবিধানে প্ৰস্তাৱৰ সময়ত দিয়া প্ৰতিশ্ৰুতি সমূহ ৰক্ষা কৰিছিল। সেয়েহে, ভাৰতৰ ৰাজনৈতিক অৰ্থনীতিৰ ভেটি স্বাধীনতাৰ পূৰ্বৰ যুগতে হৈছিল যিটো স্বাধীনতাৰ পাছত উত্তৰাধিকাৰী চৰকাৰে, বিশেষকৈ ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে পৰিকল্পিত উন্নয়নৰ ৰূপত গঢ়ি তোলে। প্ৰাধ্যাপক এছ. কে. চৌৰেই এটা অতি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে যে - ভাৰতীয় জাতীয় আন্দোলন এটা ৰাজনৈতিক আন্দোলন আছিল যিয়ে বিতৰ্কিত বিষয়বোৰ এৰাই চলিবলৈ চেষ্টা কৰিছিল যাতে জনসাধাৰণ বিভক্ত নহয়। অৱশ্যে অৰ্থনীতি অবিহনে ৰাজনীতি নাথাকে বা থাকিব নোৱাৰে কিয়নো জনসাধাৰণক সংহত কৰণত বা একত্ৰীকৰন কৰিবলৈ তেওঁলোকৰ আৰ্থ-সামাজিক আশা-আকাংক্ষাসমূহ প্ৰতিফলিত হোৱা প্ৰয়োজন বা আৱশ্যেক আছিল। এই সময়ছোৱাত জনসাধাৰণৰ আকাংক্ষাসমূহ আছিল ঃ

- নূন্যতম ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ আৰু ৰাষ্ট্ৰীয় সমৰ্থনৰ অধীনত এক ঔদ্যোগিক ভাৰতৰ পুঁজিবাদী সপোন।
- ৰাষ্ট্ৰ আৰু বৃহৎ উদ্যোগৰ নিম্নতম নিয়ন্ত্ৰনেৰে গ্ৰাম্য আৰু স্বাৱলম্বী অৰ্থনীতিৰে গান্ধীবাদী দৃষ্টিভংগী।
- ৰাষ্ট্ৰৰ শক্তিশালী নিয়ন্ত্ৰণ আৰু নেতৃত্বত সমাজবাদী দৃষ্টিভংগীৰে আছিল এক ঔদ্যোগিক ভাৰত ।

গতিকে এই সময়ছোৱাত সকলো একমত হৈছিল যে ৰাজনৈতিক স্বাধীনতা অবিহনে কোনো উন্নয়ন হ'ব নোৱাৰে, অৰ্থনীতিত কিছু পৰিমাণে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ থাকিব লাগিব, মৌলিক প্ৰাকৃতিক সম্পদসমূহ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে আৰু তাতোতকৈয়ো কৃষিত জমিদাৰী আৰু অন্যান্য মধ্যস্থতাকাৰীৰ অধিকাৰ বিলুপ্ত কৰিব লাগে। এনেদৰে প্ৰাক-নেহৰু যুগত ভাৰতৰ ৰাজনৈতিক অৰ্থনীতিৰ খচৰা ব্লুপ্ৰিণ্ট তৈয়াৰ কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'স্বাধীনতাৰ সাৰমৰ্ম / বাস্তৱতা'ৰ দুটা বৈশিষ্ট্য লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰাক-নেহৰুবিয়ান যুগত ভাৰতৰ জনগন আৰু ৰাষ্ট্ৰৰ মাজত উপনীত হোৱা মুখ্য সহমতটো কি আছিল?

.....

.....

১৩.৪ নেহৰু যুগৰ ৰাজনৈতিক অৰ্থনীতি

১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ পাছতেই পণ্ডিত জৱাহৰলাল নেহৰু ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহন কৰে। তেওঁৰ লগতে তেওঁৰ সহযোগী স্বাধীনতা সংগ্ৰামী সকল আৰু ভাৰতৰ জমিদাৰী সকলে / প্ৰাদেশিক ৰজা সকলে ভাৰতৰ উন্নয়নৰ কাৰনে এক সমাজবাদী আৰ্হি পৰিকল্পনা কৰিছিল। নেতাসকলৰ সন্মুখত প্ৰধান কামটো আছিল এক খণ্ডিত আৰু চূৰ্ণ-বিচূৰ্ণ অৰ্থনীতিক জো�ৰা লগোৱা বা উৎসাহিত কৰা। তেওঁলোকে দৰিদ্ৰতা, নিবনুৱা সমস্যা, আৰু সাধাৰন পিছপৰা অৱস্থাৰ হতাশাজনক দৰিদ্ৰতাৰ জটিল পৰিস্থিতিৰ পৰা জনসাধাৰনক দূৰ কৰিবলৈ এক পৰিকল্পিত অৰ্থনীতি গ্ৰহন কৰাৰ সিদ্ধান্ত লৈছিল। 'পৰিকল্পিত বিকাশৰ উদ্দেশ্য' শীৰ্ষক অধ্যায়ত বিপিন চন্দ্ৰই লিখিছে — নেহৰুৱে লক্ষ্য কৰিছিল যে 'দীৰ্ঘ সময় ধৰি অব্যাহত থকা অৰ্থনৈতিক বিকাশৰ উচ্চহাৰ সকলো নাগৰিক জীৱনধৰনৰ পৰ্যায় উত্থান ঘটাৰ বাবে বিশেষকৈ যিসকলৰ আয় অতি কম বা যাৰ কাম কৰাৰ সুবিধাৰ তেওঁলোকৰ বাবে অতি আৱশ্যকীয় পৰিস্থিতি। নেহৰুৱে কংগ্ৰেছৰ আবদী (Avadi) অধিৱেশনত কৈছিল ঃ ''আমাৰ ৰাষ্ট্ৰীয় উপাৰ্জন যথেষ্ট বৃদ্ধি নোহোৱাকৈ বিশ্বৰ সকলো সমাজবাদী বা আনকি সাম্যবাদীৰ সৈতে ভাৰতক এখ কল্যাণকামী ৰাষ্ট্ৰ হিচাপে আমি পাব নোৱাৰোঁ। যদি আপুনি বিচাৰে, সমাজবাদ আপোনাক আপোনাৰ বিদ্যমান সম্পদক বিভাজিত কৰাত সহায় কৰিব পাৰে, কিন্তু ভাৰতত আপোনাৰ বিভাজনৰ বাবে কোনো বিদ্যমান সম্পদ নাই, বিভাজন কৰিবলৈ কেৱল দৰিদ্ৰতা আছে .....। সম্পদ অবিহনে আমি কেনেকৈ এখন কল্যানমূলক ৰাষ্ট্ৰ লাভ কৰিব পাৰোঁ। অৰ্থাৎ সমাজবাদী বা সাম্যবাদী হ'বলৈ সমাজৰ প্ৰকৃতি নিৰ্বিশেষে উৎপাদন অপৰিহ্যৰ্য।' নেহৰু এক সমাজবাদী আৰ্হিৰ সমাজ প্ৰতিষ্ঠাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আছিল, য'ত উৎপাদনৰ প্ৰধান উপায় বা কৌশলসমূহ সমাজৰ মালিকীস্বত্ব বা নিয়ন্ত্ৰণত থাকিব। সেয়েহে, ই কেইনিচিয়ানৰ সমষ্টিগত অৰ্থনীতি, ষ্টালিনৰ ৰাজহুৱা বিনিয়োগ আৰু গান্ধীবাদী গ্ৰাম্য উন্নয়ন ব্যৱস্থাৰ এক সন্মিলিত ব্লুপ্ৰিন্ট আছিল। এইটো এক আদৰ্শ আৰ্হি আছিল যিটো কেৱল তেতিয়াহে ৰূপায়ন কৰিব পাৰি যদি চৰকাৰ যথেষ্ট

সম্ভাৱনাপূৰ্ণ আৰু শক্তিশালী হয়। কিন্তু সাৰ্বভৌম ভাৰতৰ প্ৰথম দিনটোৰ পৰা ইয়াৰ ১৫-২০ বছৰলৈকে ভাৰতক বাৰে বাৰে ৰাজনৈতিক আস্থিৰতা আৰু উত্থান পতনে জোকাৰি গৈছিল, যিয়ে অৰ্থনীতিত আশা কৰা ধৰণে ফলাফল দিব পৰা নাছিল।

১৯৬৪ চনত 'ইক'নমিক এণ্ড পলিটিকেল উইকলি' ত প্ৰকাশিত 'জৱাহৰলাল নেহৰুৰ অৰ্থনৈতিক আদৰ্শ' শীৰ্ষক প্ৰবন্ধত এম. এল. দান্তোৱালাই মন্তব্য কৰিছে যে এয়া সকলোৱে জানে মুখ্যতঃ নেহৰুৰ জেদৰ বাবে সমাজবাদী আৰ্হিৰ সমাজ চূড়ান্ত লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছে। নেহৰুৰ অৰ্থনৈতিক আদৰ্শ হৈছে সমাজবাদৰ পৰা উদ্ভূত, যি সামাজিক ন্যায় আৰু নৈতিকতাৰ মূল্যবোধৰ লগত এক গভীৰ আসক্তিৰ পৰা জন্ম হৈছিল। এয়া আছিল আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰাপ্ত মুক্ত উদ্যোগ আৰু ছোভিয়ট ৰাছিয়াত প্ৰাপ্ত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰিত অৰ্থনীতিৰ সংমিশ্ৰণ। নেহৰুৱে যুক্তি দিছিল যে ভাৰতে ইয়াৰ সীমিত সম্পদ আৰু অনুন্নত অৰ্থনীতিৰে উন্নয়নৰ এই দুটা পদ্ধতিৰ এটাও গ্ৰহণ কৰিব নোৱাৰে আৰু নিজৰ পদ্ধতি বিকশিত কৰিব লাগিব। তেওঁৰ অভিমত আছিল যে মিশ্ৰিত অৰ্থনীতি হৈছে সৰ্বশ্ৰেষ্ঠ পদ্ধতি কাৰণ দেশত সম্পদৰ ন্যায় সংগত বিতৰণ ইয়াৰ জৰিয়তেহে হ'ব। নেহৰু মুখ্যতঃ প্ৰতিৰক্ষা উৎপাদনৰ লগতে মৌলিক গধূৰ উদ্যোগৰ লগত সম্পৰ্কিত ৰাষ্ট্ৰ নিয়ন্ত্ৰিত উদ্যোগৰ পক্ষপাতি আছিল, সীমিত কাৰিকৰী আৰু অৰ্থনৈতিক সম্পদেৰে সৈতে ভাৰতৰ এক ভগ্ন অৰ্থনীতিৰ অৱস্থাটো নেহৰুৱে ভালদৰে উপলব্ধি কৰিছিল। এইটো সময়ত নিজে গধুৰ উদ্যোগৰ দায়িত্ব ল'ব পৰা অৱস্থাত নাছিল আৰু সেয়েহে ব্যক্তিগত উদ্যোগবোৰৰ অনুমতি দিয়া হৈছিল। কিন্তু নেহৰু চিন্তিত হৈ পৰিছিল যে ব্যক্তিগত উদ্যোগবোৰে সীমিত পৰিসৰত কাম কৰিব লাগে, সেই কাৰণে ব্যক্তিগত খণ্ডৰ ধাৰণাটো তেওঁৰ কল্যাণকামী ধাৰণৰ / আদৰ্শৰ লগত খাপ খোৱা নাই। এক মাত্ৰ কাৰণ; তেওঁ ভাবিছিল যে দ্ৰুত উন্নয়ন বৃদ্ধিত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে আৰু ৰাষ্ট্ৰৰ ওপৰত বোজা হ্ৰাস কৰাৰ বাবে ভাৰতত ব্যক্তিগত বিনিয়োগৰ অনুমতি দিছিল। তেওঁ আৰু কৈছিল যে ব্যক্তিগত খণ্ডসমূহ চৰকাৰী নিয়ন্ত্ৰনৰ পৰা মুক্ত হ'ব লাগে আৰু ৰাজহুৱা খণ্ডৰ সহযোগিতাত কাম কৰিব লাগে। ব্যক্তিগত খণ্ডক সামাজিক উদ্দেশ্যৰ দ্বাৰা নিৰ্দেশিত কৰিব লাগে আৰু জনসাধাৰণৰ উমৈহতীয়া কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগে। তেওঁ লগতে ব্যক্তিগত খণ্ডৰ হ্ৰাস আৰু ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণ আৰু ব্যক্তিগত খণ্ডৰ ক্ষেত্ৰখন ৰাজহুৱা খণ্ডলৈ ক্ৰমান্বয়ে স্থানান্তৰ কৰাৰ পৰামৰ্শ দিয়ে। তেওঁ এই ক্ষেত্ৰত সম্পূৰ্ণ স্পষ্ট আছিল যে ৰাজহুৱা খণ্ডই অতিৰিক্ত সম্পদ সৃষ্টি কৰিব লাগিব। ১৯৫৬ চনৰ ঔদ্যোগিক নীতি সংকল্প অনুসৰি ৰাজহুৱা খণ্ডই 'ৰাজখনৰ ৰাজহ বৃদ্ধি কৰিব আৰু ৰাজ্যখনক প্ৰদান কৰিব আৰু নতুন ক্ষেত্ৰসমূহৰ অধিক বিকাশৰ বাবে সম্পদৰ যোগান ধৰিব বুলি আশা কৰা হৈছিল। সেয়েহে তেওঁৰ অৰ্থনীতি ইমানলৈকে নমনীয় হ'ব বুলি ধৰা হৈছিল যে ই ভাৰতৰ পৰিবৰ্তনশীল প্ৰয়োজনীয়তাৰ সৈতে সহজে মিলিব পাৰিব। সেইকাৰণেই সম্ভৱ, বিভিন্ন পক্ষৰ পৰা সমালোচনা অহাৰ স্বত্বেও তেওঁ ভাৰতৰ প্ৰতি যি লক্ষ্য ৰাখে, তাৰ প্ৰতি যথেষ্ট দৃঢ় আছিল। গতিকে আমি নেহৰুবীয়ান অৰ্থনীতিৰ প্ৰধান লক্ষ্যনীয় দিশসমূহ দ্ৰুত পৰ্যবেক্ষন কৰোঁ আহক —

- নেহৰুৱে ১৯৩৪ চনত ভাৰতৰ বাবে এক পৰিকল্পিত অৰ্থনীতিৰ আৰ্হি প্ৰস্তুত কৰিছিল।

১৯৩৮ চনত জৱাহৰলাল নেহৰুক অধ্যক্ষ আৰু প্ৰাধ্যাপক কে. টি. শ্বাহক সচিব লৈ ৰাষ্ট্ৰীয় পৰিকল্পনা সমিতি গঠন কৰা হৈছিল। নেহৰুৱে দ্ৰুত বিকাশ প্ৰাপ্তিৰ বাবে পৰিকল্পিত অৰ্থনীতিক কৌশল হিচাপে লৈছিল। এইটো কাৰ্যকৰী কৰাটো তেওঁৰ বাবে প্ৰত্যাহ্বানো আছিল কিয়নো প্ৰতিটো পইচা ৰাষ্ট্ৰৰ দ্বাৰা খৰচ কৰিব লাগিব। আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো আহিছিল গান্ধীৰ পৰা। তেওঁ ৰাষ্ট্ৰৰ দ্বাৰা সকলো অৰ্থনৈতিক ক্ষমতা কেন্দ্ৰীভূত কৰিবলৈ ইয়াৰ দ্বাৰা বিচৰা হৈছে বুলি তেওঁ বিশ্বাস কৰিছিল। এইটো গাওঁ বিকেন্দ্ৰীকৰণৰ বিৰুদ্ধে বুলি ধাৰণা কৰা হৈছিল। পশ্চিমীয়া গণতন্ত্ৰসমূহৰ বাবে পৰিকল্পনা আছিল অভিশাপস্বৰূপ য'ত উন্নয়ন কাৰ্যত অৰ্থনৈতিক সাহাৰ্য দোষমুক্ত বুলি ভবা হয়। য়িয়েই নহওক, অধ্যক্ষ হিচাপে প্ৰধানমন্ত্ৰীৰ সৈতে পৰিকল্পনা আয়োগৰ ধাৰণাটো দেশৰ অৰ্থনৈতিক নীতি আৰু উন্নয়নৰ এক গুকত্বিপূৰ্ণ বৈশিষ্ট্য।

- ১৯৪৪ চনত জে. আৰ. ডি টাটা আৰু জি. ডি. বিৰলাৰ নেতৃত্বৰ অধীনত প্ৰস্তুত কৰা ব'ম্বে পৰিকল্পনা গ্ৰহণ কৰা হয়। এই পৰিকল্পনাত ১৫ বছৰত জনমূৰি আয় দুগুণ আৰু ৰাষ্ট্ৰীয় আয় তিনিগুণ কৰাৰ পৰিকল্পনা লোৱা হৈছিল। উদ্যোগসমূহ বৈশিষ্ট্যপূৰ্ণ আছিল — মৌলিক উদ্যোগ আৰু উপভোগ্য সামগ্ৰীৰ উদ্যোগ। এইটোৱে সম্পদৰ অসমতা ন্যূনতম কৰাত সহায় কৰিছিল। এই পৰিকল্পনাই ৰাষ্ট্ৰৰ 'মালিকীস্বত্ব বা ব্যস্থাক সলনি অৰ্থনৈতিক নিয়ন্চ্ৰণৰ ওপৰত জোৰ দিছিল।
- নেহৰুৰ আন এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক নীতি আছিল গধুৰ উদ্যোগৰ ওপৰত গুৰুত্ব দি আধুনিক আৰ্হিৰ উদ্যোগিকৰন আৰম্ভ কৰা। যিখন দেশত ঔদ্যোগিককৰণৰ বাবে মৌলিক আন্তঃগাঁথনি আৰু কেঁচা মালৰ অভাৱ আছিল, সেই দেশত মহালনৰিছৰ আঁচনি / নীতি আৰু দেশ এখনত উদ্যোগসমূহৰ বিকাশত গুৰুত্ব দিয়াটো অনুসৰন কৰাও নেহৰুৰ বাবে এক প্ৰত্যাহ্বান আছিল। তদুপৰি এই সিদ্ধান্ত আছিল ভাৰতৰ কৃষিখণ্ডৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া গান্ধীবাদী দৰ্শনৰ বিপৰীত। ভাৰতৰ উন্নয়নৰ প্ৰথম দশকত এইটো বিফলহোৱাও দেখা গৈছিল। ফলস্বৰূপে কৃষি আৰু উদ্যোগৰ মাজত অগ্ৰাধিকাৰক লৈ এক অজানা যুদ্ধত আৰম্ভ হৈছিল।
- নেহৰু অৰ্থনীতিৰ আন এক নীতি আছিল ষ্টীল উদ্যোগ / কাৰখানা আৰু দীৰ্ঘ ম্যাদী প্ৰভাৱৰ কথা চিন্তা নকৰাকৈ বিশাল বহুমুখী নদী উপত্যকাৰ বান্ধৰ ওপৰত গুৰুত্ব আৰোপ। যি কি নহওঁক, তাত সদায় নমনীয়তা আৰু সংকল্পহীন অনুগ্ৰহ আছিল।
- নেহৰুৱীয়ান অৰ্থনৈতিক আন এক মনকৰিবলগীয়া আন এক মনকৰিবলগীয়া গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে নাগপুৰ প্ৰস্তাৱত গ্ৰহণ কৰা কৃষি গাঁথনিৰ ভৱিষ্যতৰ আৰ্হি। যেতিয়া কেৱল উদ্যোগীকৰণে ভাৰতত বিকাশৰ গতি ত্বৰান্বিত কৰিব নোৱাৰিলে, তেতিয়া তেওঁ ত্ৰনে ধৰনৰ পৰিবৰ্তনো বিচাৰিছিল। দস্তাৱালাৰ ভাষাত, প্ৰস্তাৱটোত স্পষ্টভাৱে কোৱা হৈছিল যে ভৱিষ্যতৰ কৃষিৰ আৰ্হি সমবায় ভিত্তিক যৌথ কৃষি প্ৰণালী হ'ব লাগে আৰু য'ত যৌথ কৃষিকৰ্মৰ ভূমি উমৈহতীয়া হ'ব লাগিব। এই নিৰ্দেশনা / উল্লেখ কেল ক্ষুদ্ৰ

অলাভজনক খেতিয়কৰ ভূমিৰ ক্ষেত্ৰত নাছিল, সকলো ভূমিৰ ক্ষেত্ৰতে আছিল। সেই মুহূৰ্ত্তত আৰু তাৰ পাছতো যথেষ্ট সময়ৰ বাবে, নেহৰু, এইটোৱেই সঠিক স্থিতি বুলি নিশ্চিত হৈছিল। পৰৱৰ্ত্তী সময়ত, আংশিকভাৱে, এই নীতিক কৃষক বিৰোধী আৰু জন্দকাৰী বুলি সফলতাৱে ভুল উপস্থাপন কৰাৰ কাৰণে আৰু আৱশিকভাৱে ইয়াৰ কার্যকৰীকৰণত ব্যহাৰিক অসুবিধা থকাৰ বাবে নাগপুৰ প্ৰস্তাৱটো এৰি পেলাবলগীয়া হৈছিল।

- ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতা গঠন / সৃজন, প্ৰাথমিক সমবায় ঋণ সমিতিসমূহৰ বৃহৎ আকাৰৰ দৃশ্যমান গোট গঠন ঃ কৃষিখণ্ডৰ উন্নয়নৰ বাবে কৃষক সকলক সহজ আৰু সুলভ ঋনৰ সহজে লাভ কৰাৰ ব্যৱস্থা কৰিছিল। অৱশ্যে দীৰ্ঘম্যাদী সময়ৰ এই ঋনৰ সুবিধাই কৃষকসকলৰ ঋনৰ বোজাত আক্ৰান্ত কৰি তুলিছিল যাৰ ফলত কৃষকসকলে আত্মহত্যাৰ চেষ্টা কৰিছিল আৰু পৰৱৰ্ত্তী চৰকাৱে ঋন ৰেহাই আঁচনি ল'ব লগা হৈছিল।
- নেহৰুৱিয়ান অৰ্থনীতিৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল উন্নয়নৰ টিকল ডাউন (টিকল ডাউন অৰ্থনীতিয়ে দাবী কৰে যে সম্পদশালী শ্ৰেণীটোক লাভ দিয়াৰ পাছত সেই লাভ তলৰ শ্ৰেণীলৈকে বিয়পি যায়) প্ৰণালী গ্ৰহন কৰা, যিটো অঞ্চলসমূহৰ প্ৰয়োজনীয়তা অনুসৰি হোৱা নাছিল আৰু অত্যাধিক কেন্দ্ৰীভুত হৈছিল।
- সাম্ৰাজ্যবাদৰ দিনবোৰৰ খাদ্যসামগ্ৰী যোগানৰ ওপৰত নিয়ন্ত্ৰন আৰু নিৰ্ধাৰিত খাদ্যৰ পৰিমানৰ এক প্ৰণালী অব্যাহত ৰখাৰ বাবে ই নিয়ন্ত্ৰণ ব্যৱস্থাটো বিলোপ কৰাতকৈ উন্নয়নহে কৰিছিল। যেতিয়া মুদ্ৰাস্ফীতি হৈছিল, মাজে মাজে নিয়ন্ত্ৰণ উঠাই লোৱা হৈছিল আৰু পুনৰ আৰোপ কৰা হৈছিল।
- মুখ্য বেংক আৰু কোম্পানীসমূহৰ ৰাষ্ট্ৰীয়কৰণ ব্যৱস্থাৰ সূচনা / প্ৰবৰ্তন বেছিভাগ ভাৰতীয় ব্যৱসায়ী, সমাজবাদী আৰু বামপন্থী সকলৰ বাবে এক আচৰিত ঘটনা আছিল। তেওঁ উদ্যোগপতি আৰু ব্যৱসায়ী সকলক আশ্বাস দিছিল যে তেওঁৰ এই চৰকাৰখনে উদ্যোগসমূহৰ কোনোধৰণৰ অনিষ্ট নকৰে বৰঞ্চ ই নিশ্চিতভাৱে উৎপাদনৰ সুবিধাহে প্ৰদান কৰিব (প্ৰযুক্তিগত, বৈধজ্ঞানিক আৰু শক্তি সম্পদ আদি)।

নেহৰুৰ অৰ্থনৈতিক আৰ্হি আছিল গণতন্ত্ৰৰ পৰি কাঠামোৰ ভিতৰুৱা, সেয়ে ই সামাজিক ন্যাস, সমতা আৰু অধিকাৰ প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেয়েহে ব্যাপক উন্নয়নৰ লক্ষ্য সম্বলিত ভাৰত আৰু যথেষ্ট সংখ্যক দৰিদ্ৰ জনসাধাৰণক বহির্ভুত কৰা বজাৰৰ যুক্তি / সূত্ৰৰ মাজত ৰাষ্ট্ৰই মধ্যস্থতাকাৰী বা ক'বলৈ গ'লে এক নিষ্ক্ৰিয় ভূমিকা পালন কৰিব বুলি ভবা হৈছিল। সেয়েহে স্বাৱলম্বী বিকাশ নহ'লেও অধিক স্বায়ত্তশাসিত বিকাশৰ বাবে বিশ্ব অৰ্থনীতিৰ লগত একত্ৰীকৰণ আৰু মুক্ততাৰ মাত্ৰা সীমিত কৰাৰ চেষ্টা কৰা হৈছিল। অৱশেষত আন্তঃগাঁথনিসৃষ্টিত বৃহৎ বিনিয়োগ হৈছিল যিয়ে মধ্যৱৰ্ত্তী সামগ্ৰীৰ উদ্যোগসমূহ গঢ় লৈ উঠাত সহায় কৰিছিল। ইয়াৰ ফলত নিয়োজিত ব্যয় হ্ৰাস পাইছিল আৰু সামগ্ৰী উৎপাদনৰ চাহিদা বৃদ্ধি পাইছিল। ঘৰুৱা পুঁজিপতিসকলৰ ভৱিষ্যত সুৰক্ষাৰ কাৰণে বজাৰ সুৰক্ষাৰ জৰিয়তে আমদানি প্ৰতিস্থাপন কৰা হৈছিল। ঔদ্যোগীকৰণ যাতে মানুহৰ / জনসাধাৰণৰ স্বাৰ্থৰ পক্ষে যায় তাৰ কাৰণে সকলোৱে

এক সন্মতিপূৰ্ণ প্ৰচেষ্টা আছিল। সেয়েহে, নীতি হৈছে পুনঃ বিতৰণক উৎসাহিত কৰা হোৱা নাছিল, জমিদাৰসকলক অৰ্থনীতিত হস্তক্ষেপৰ পৰা আঁতৰোৱা হৈছিল, সকলো পৰ্যায়ত ভূমি সংস্কাৰ দুনীতিৰ দ্বাৰা হৈছিল আৰু আইনী ত্ৰুটীবোৰে নেহৰুৱে দেখা অৰ্থনৈতিক সপোনক ক্ষয় কৰিবলৈ আৰম্ভ কৰিছিল। সেয়েহে সামুহিক উন্নয়ন আঁচনি, পঞ্চায়ত ব্যৱস্থা, সংৰক্ষণ আদি নতুন পদক্ষেপসমূহৰ আৰম্ভ কৰা হৈছিল।

সৰ্বোপৰি, অৰ্থনৈতিক শক্তিৰ ওপৰত স্বাধীন নিৰ্ভৰশীলতা আৰু অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰভূত্ব প্ৰতিৰোধ ক্ষমতাৰ কাৰণে নেহৰুৱে এক স্বাৱলম্বী অৰ্থনীতি গঢ়িব বিচাৰিছিল। দ্ৰুত ঔদ্যোগিকৰণ আৰু কৃষিৰ স্বনিৰ্ভৰশীলতা, পৰিকল্পনা, ৰাজহন্ধৰা খণ্ড আৰু গধূৰ মূলধনী সামগ্ৰী উদ্যোগ, বিদেশী মূলধন আৰু সাহাৰ্যৰ ন্যূনতম প্ৰয়োগ, বিজ্ঞান, প্ৰযুক্তি আৰু কাৰিকৰী আধুনিকীকৰণ, এক বৃহৎ কাৰিকৰী আৰু বৈজ্ঞানিক সংবৰ্গৰ (Cadre) প্ৰশিক্ষন আৰু পাৰমানৱিক শক্তিক নেহৰুৱে ভাৰতৰ অৰ্থনৈতিক স্বাধীনতা আৰু বিকাশৰ গুৰুত্বপূৰ্ণ উপাদান হিচাপে দেখিছিল। নেহৰুৱিয়ান নীতি সফল হৈছিল। যদিও এই নীতি সফল হৈছিল। যদিও এই নীতি গাঁথনিত পুঁজিবাদী আছিল তথাপি ইয়াৰ আত্মা আছিল সমাজতান্ত্ৰিক, যি ভাৰতৰ বাবে সঠিক বুলি প্ৰমাণিত হৈছিল, ফলস্বৰূপে ভাৰতৰ অৰ্থনৈতিক সফলতাও যথেষ্ট আছিল। যেই হওক, নিম্নলিখিতসমূহ নেহৰু যুগৰ লাভ হিচাপে অনুমান কৰিব পাৰি —

- ৰাষ্ট্ৰীয় ব্যয় বৃদ্ধিৰ জৰিয়তে ঔদ্যোগিক আৰু কৃষিখণ্ডৰ বিকাশৰ বাবে বৃহৎ পদক্ষেপ।
- ঔদ্যোগিক উৎপাদনৰ বিবিধতা।
- চালুকীয়া উদ্যোগসমূহৰ উত্থান / আগমন
- খাদ্য উৎপাদনত ঘৰুৱা স্বনিৰ্ভৰশীলতা লাভ কৰা হৈছিল।

উল্লেখিত লাভৰ লগতে হোৱা লোকচানবোৰ আছিল - ভূমি সংস্কাৰৰ বিফলতা, ব্যয়বহুল ঔদ্যোগিক অৰ্থনীতিৰ উত্থান, ৰপ্তানি নিৰাশাবাদ, প্ৰতিষ্ঠানিক পদ্ধতিৰ দুৰ্নীতি কৃষিৰ লগত জড়িত শ্ৰমিকৰ অভাৱ, শুকান কৃষি ভূমিৰ প্ৰতি অৱহেলা, নগৰ-গাঁৱৰ বিভাজন আদি। সকলোধৰণৰ নিৰপেক্ষতাৰে ৰাজনৈতিক প্ৰক্ৰিয়াৰ সৈতে অৰ্থনৈতিক নীতি বা কৰ্মপন্থা সমূহ মিলাবলৈ এক সমন্বিত প্ৰয়াস কৰা হৈছিল। দৰিদ্ৰতা নিৰ্মূল আৰু সম্পদৰ সমবিতৰণৰ উপযোজনৰ ৰাজনীতি অনুসৰণ কৰা হৈছিল। এনেদৰে, নেহৰুৱে উন্নয়নৰ অপুঁজিবাদী পথলৈ এক কল্যাণকামী ৰাষ্ট্ৰৰে সৈতে পাব পৰা এক সামাজিক গণতন্ত্ৰ সূচনা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ নেহৰুৱীয়ান যুগৰ ৰাজনৈতিক অৰ্থনীতি সম্পৰ্কে এক চমুটোকা লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ বম্বে আঁচনি কেতিয়া গ্ৰহণ কৰা হৈছিল?

.....

.....

১৩.৫ নেহৰু যুগৰ পৰৱৰ্তী ৰাজনৈতিক অৰ্থনীতি

হঠাৎ নেহৰুৰ মৃত্যু ঘটাত নেহৰুৰ ভাৰতৰ উন্নয়নৰ বাবে গ্ৰহন কৰা ব্যৱস্থা বা চিন্তা বা দৃষ্টিভংগীৰ স্থিতিৰ কি হ'ব, সেইলৈ প্ৰশ্ন উঠিছিল। ইন্দিৰা গান্ধীয়ে দেউতাকৰ দায়িত্ব গ্ৰহণ কৰিছিল। ক্ষমতাৰ সংযুক্তিটো সঘনাই পৰিবৰ্তন ঘটিছিল। নেহৰুৰীয়ান উত্তৰাধিকাৰ কঢ়িয়াই অনা কংগ্ৰেছে নিজেই স্থিৰ নাছিল আৰু অৱনতিৰ পথত আছিল। ই ৰাজনৈতিক গনতন্ত্ৰৰ আৰু অৰ্থনৈতিক কল্যাণকামী ভাৰসাম্যতা ৰক্ষা কৰিব পৰা নাছিল। ইয়াৰ ফলত চৰকাৰে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিবোৰ পালন কৰাত ব্যৰ্থ হৈছিল। ইয়েই ভাৰতক সমাজৰ প্ৰান্তীয় অৱস্থানৰ পৰাও ৰাজনৈতিক কণ্ঠস্বৰ আহিব পৰা এক উৰ্বৰ ভূমি কৰি তুলিছিল। তেওঁলোকে ৰাষ্ট্ৰৰ ওপৰত অৰ্থনৈতিক দাবী তুলিবলৈ আৰম্ভ কৰিছিল। অৰ্থনৈতিক ক্ষেত্ৰত ভয়ংকৰ দৰিদ্ৰতা (১৯৫৭ চনত ৩৪% পৰা বৃদ্ধি হৈ ১৯৭০ চনত ৫৭% হয়), ক্ৰমাগত মূল্য বৃদ্ধি, খাদ্য সংকট, মুদ্ৰাৰ মূল্য হ্ৰাস (সঞ্চয় আৰু বিনিয়োগ ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণে তিনিবছৰলৈ পৰিকল্পনা স্থগিত ৰাখিব লগা হৈছিল) দেখা গৈছিল। ভাৰতৰ উন্নয়নৰ বাবে চৰকাৰ আৰু জনসাধাৰণ উপনীত হোৱা ঐকমত্য ভংগ হৈছিল। ৰাজনৈতিক দিশত আঞ্চলিকতাবাদ, গ্ৰামীনকৰন জাতিগত ৰাজনীতিৰ উত্থান, ভোটাৰৰ জনগাঁথনিতগত পৰিবৰ্তন (সমাজৰ নিম্ন স্তৰৰ পৰা অধিক), ধনী কৃষক শ্ৰেণীৰ উত্থান, অৰ্ধ সামন্ত প্ৰভূৰ পতন আদিৰ ৰূপত দ্বিতীয় গনতান্ত্ৰিক উত্থান হৈছিল যিয়ে অৱশেষত নেহৰুযুগৰ ৰাজনৈতিক অৰ্থনীতিৰ প্ৰকৃতি সলনি কৰিছিল। চাহিদা পুৰাবলৈ চৰকাৰে ভাৰতৰ কৃষিৰ ক্ষেত্ৰত উন্নত অঞ্চলসমূহত সেউজ বিপ্লৱক সূচনা কৰিছিল যিয়ে ভাৰতক শস্য উৎপাদনত যথেষ্ট পৰিমাণে স্বাৱলম্বী কৰি তুলিছিল। জনপ্ৰিয় শ্লোগান দিয়া কাৰ্য, বেংক ৰাষ্ট্ৰীয়কৰণ, পিভি পাৰ্চ সমূহৰ বিলুপ্তি আদিৰ বাহিৰে চৰকাৰৰ ফালৰ পৰা গুকুত্বপূৰ্ণ আঁচনিগত প্ৰচেষ্টা লোৱা হৈছিল। ভূমি সংস্কাৰ দৃষ্টিগোচৰ হোৱা নাছিল। এই সময়ছোৱাত বিফলতাবোৰে বিকাশক অতিক্ৰম কৰিছিল, ফলস্বৰূপে, জৰুৰীকালীন অৱস্থা ঘোষিত হৈছিল। সেয়েহে, এই সময়ছোৱাত ৰাজনৈতিক আৰু অৰ্থনৈতিক গনতন্ত্ৰ সম্পূৰ্ণৰূপে বিফল হোৱা যেন পৰিলক্ষিত হৈছিল। মিত্ৰ জোঁটৰ অস্থিৰ ৰাজনীতিৰ বাবে এনে ঘটিছিল। এছ. কে. চৌবেৰ ভাষাত 'জনতা দলৰ' চৰকাৰৰ বিফলতাই মিত্ৰজোঁটৰ ৰাজনীতিৰ সীমাবদ্ধতাক প্ৰতিফলিত কৰিছিল'। দলসমূহৰ মাজত একতা নাছিল আৰু সদস্যসকলে সঘনাই এটা দলৰ সপৰা আন এটা দললৈ জঁপিয়াইছিল। তেনে সময়তে, সহজ ঋন ৰেহাই, ৰুগ্ন প্ৰতিষ্ঠান সমূহ ৰাষ্ট্ৰীয়কৰণ, ক্ষুদ্ৰ পুঁজিপতিসকলৰ কম মুলধনী বিনিযোগ, আয়হ্ৰাস আৰু ৰাষ্ট্ৰীয় ব্যয় বৃদ্ধিৰ বাবে বৃহৎ ৰাজসাহাৰ্যৰ দৰে জনপ্ৰিয় কৰ্মসূচীয়ে ইন্দিৰা গান্ধী ঘূৰি আহিছিল। ৰাজীৱ গান্ধীৰ শাসনতো একে ধাৰনাই অব্যাহত আছিল। কেৱল মনোনয়নৰ ৰাজনীতি, ৰাজনীতিৰ বজাৰকৰণ, নিয়োগ সৃষ্টি আঁচনিৰ দৰে কিছু পৰিবৰ্তন অনা হৈছিল। কিন্তু এই যুগটো নেহৰুৰীয়ান যুগৰ দৰে সমৃদ্ধিশালী নাছিল। ৰাজনীতি আৰু অৰ্থনীতিৰ মাজত কোনো সম্পৰ্ক বা আদান-প্ৰদান নাছিল। যি সকলৰ ধন আৰু বাহুবল আছিল তেওঁলোক নিৰ্বচনত জয়ী হৈছিল আৰু তেওঁলোকে নিজৰ সুবিধা অনুযায়ী সংস্কাৰ সাধন কৰিছিল। এই

সময়ছোৱাত কোনো লেখত লব'লগীয়া সংস্কাৰ বা সংশোধনী অনা হোৱা নাছিল। ধৰ্ম, জাতিত্ব, পৰিচয়ে ভাৰতীয় ৰাজনীতিত মুখ্য ভূমিকা পালন কৰিবলৈ আৰম্ভ কৰিছল আৰু তাৰ পাছত অৰ্থনীতিৰ পুনগঠন কৰিছিল। বাজেটসমূহ বেছি ভাগেই আছিল ঘাটি বাজেট আৰু ৰাজনৈতিক অস্থিৰতাই সমাজতান্ত্ৰিক ভাৰতপ অমীমাংসিত সমস্যাসমূহ সমাধান কৰিব নোৱাৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ নেহৰুৰ মৃত্যুৰ পাছত ভাৰতীয় অৰ্থনীতিৰ অৱস্থা কি আছিল?

.....

.....

প্ৰশ্ন নং ৬ ঃ ৰাজীৱ গান্ধীৰ দ্বাৰা প্ৰৱৰ্তিত এখন নিয়োগ সৃষ্টি আঁচনিৰ নাম লিখক।

.....

.....

১৩.৬ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ আৰম্ভণি

১৯৯০ চনৰ পৰৱৰ্ত্তী সময়ছোৱাত ভাৰতত বিস্তাৰিত অনুমতি আৰু নিয়ম-কানুনৰ শাসন চলিছিল, ফলস্বৰূপে ব্যাপক দুৰ্নীতি আৰু ৰঙা-ফিটাৰ মেৰপেচ হৈছিল। ভাৰত চৰকাৰে ভাৰতীয় অৰ্থনীতিক পৃথিৱীৰ অন্যদেশৰ অৰ্থনীতিৰ লগত সম্পৰ্ক বন্ধ কৰাৰ সিদ্ধান্তই ভাৰতীয় অৰ্থনীতিক অধিক ক্ষতিগ্ৰস্ত কৰি তোলে।

ৰাষ্ট্ৰ আৰু পৰিকল্পসনা আয়োগে অৰ্থনীতিৰ উত্থান ঘটাবলৈ প্ৰয়োজনীয় বিনিয়োৰ পৰিমান নিৰ্ধাৰন কৰিছিল। অৰ্থনীতিৰ লগত বজাৰৰ কোনো সম্পৰ্ক নাছিল। একমাত্ৰ শক্তি আছিল আমদানি প্ৰতিস্থাপন। আমোলাতন্ত্ৰই বিদেশী প্ৰতিষ্ঠানসমূহৰ ওপৰত শ শ প্ৰতিবন্ধকতা আৰোপ কৰিছিল যিয়ে তেওঁলোকক ভাৰতত প্ৰৱেশ কৰাত বাধা দিছিল। অৰ্থনৈতিক বিকাশৰ কাৰণে শক্তিশালী ৰণনীতি সম্পৰ্কে কোনোধৰনৰ সহমত দেখিবলৈ পোৱা নগৈছিল। ভাৰতৰ বিকাশৰ বাবে দীৰ্ঘম্যাদী দৃষ্টিভংগীক হ্ৰস্বম্যাদী নীতিৰ দ্বাৰা প্ৰতিস্থাপন কৰা হৈছিল। বিভিন্ন দিশত ৰাজনীতি আৰু অৰ্থনীতিৰ চলাচল আছিল। ৰাজনীতি অধিক গনতান্ত্ৰিক আছিল আৰু এই ৰাজনীতিক জনসাধাৰনৰ স্বাৰ্থৰ লগত জড়িত আন্দোলন কিছুমানে পৰিচালিত কৰিছিল। অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অসমতা, জাতি ৰাজনীতি, আঞ্চলিকতাবাদ, ধনী ৰাজ্য দুখীয়া ৰাজ্য লক্ষনৰ / বৈশিষ্ট্যৰ উত্থান, ৰাজনৈতিক জীৱনীশক্তিৰ ওপৰত আস্থা হেৰুওৱা আদি বিষয়ক কেন্দ্ৰ কৰি আৰু প্ৰশ্ন তুলি এই আন্দোলন সমূহ গঢ় লৈ উঠিছিল। অৰ্থনীতিৰ ক্ষেত্ৰত বেছিভাগ বিনিয়োগ ভোগসৰ্বস্ব আৰু দ্ৰুত লাভ বিচৰা ধৰনৰ। সামাহিক খণ্ডৰ পৰা ৰাষ্ট্ৰক আঁতৰাই অনা কাৰ্যই দৰিদ্ৰ জনসাধাৰনৰ ওপৰত বেয়া প্ৰভাৱ পেলাইছিল আৰু ইয়াৰ বাবে সমগ্ৰ কল্যাণকামী ধৰণাটোক লৈ প্ৰশ্ন উত্থাপন হৈছিল। ইয়াৰ ফলাফল আছিল —

- সমাজৰ এক বিশেষ অংশৰ দ্বাৰা কৰ ফাঁকি আৰু অনুজ্ঞাপত্ৰৰ জৰিয়তে হোৱা বৃহৎ কেন্দ্ৰীকৰণ।
- ৰাষ্ট্ৰৰ মালিকাধীন উদ্যোগৰ দ্বাৰা হোৱা লোকচান।
- বিশাল ব্যক্তিগত খণ্ডৰ উত্থান।
- কৰ ফাঁকিৰ ক্ষেত্ৰত কৰ আৰু শুল্ক বিভাগত অদক্ষতা বৃদ্ধি
- ৰাজহুৱা খণ্ডৰ একচেটিয়াকৰনে আন্তঃগাঁথনি বিনিয়োগ দুৰ্বল কৰিছিল।

এইধৰনৰ উন্নয়নে ভাৰতক এক স্থিৰ বিনিময় হাৰলৈ লৈ গৈছিল আৰু ভাৰতক পুনৰুদ্ধাৰ কৰিব নোৱাৰা অৰ্থনৈতিক সংকটত পেলাইছিল। কেন্দ্ৰীয় বেংকসমূহে ঋণ সৃষ্টি কৰিব পৰা নাছিল। বৈদেশিক মুদ্ৰাৰ ভঁড়াল শূণ্য হৈ পৰিছিল আৰু ভাৰতে সোণৰ বিপৰীতে চুইজাৰলেণ্ড আৰু ইংলেণ্ডৰ সহায়ত বিশ্ব মুদ্ৰা নিধিৰ পৰা ঋন ল'ব লগা হৈছিল। সেয়ে ভাৰতে বিশ্ব মুদ্ৰা নিধিৰ পৰা সাহাৰ্য লৈ নিম্নগামী অৰ্থনীতিৰ পুনৰাদ্ধাৰেৰে অৰ্থনৈতিক সংস্কাৰ কৰিবলগীয়া হৈছিল। ১৯৬৬-৬৭ আৰু ১৯৮৫ চনত আৰম্ভ হোৱা সংস্কাৰসমূহে ভাৰতে সন্মুখীন হোৱা ভয়াবহ সমস্যাসমূহ সমাধান কৰিব পৰা নাছিল। এষ্টাইৰ গৱেষনাৰ ভাৰতৰ প্ৰতিবেদন অনুসৰি ১৯৯১ চনত ঋন পৰিশোধৰ ভাৰসাম্য সংকটে (মুদ্ৰা সংকট) ভাৰতক দেউলীয়া অৱস্থালৈ ঠেলি দিছিল। আন্তঃজাতিক মুদ্ৰা নিধিৰ সাহাৰ্যৰ পছত পুনৰ সোণ লণ্ডনলৈ অতিৰিক্ত বন্ধকী বদলি কৰা হয়। টকাৰ অৱমূল্যায়ন হৈছিল আৰু অৰ্থনৈতিক সংস্কাৰৰ বাবে ভাৰতক বাধ্য কৰা হৈছিল।

অৰ্থনীতিক উন্মুক্ত কৰাৰ তাৎক্ষনিক প্ৰয়োজন আছিল। নিয়ন্ত্ৰণসমূহ নোহোৱা কৰা আৰম্ভ হৈছিল, মাচুল, শুল্ক আৰু কৰ ক্ৰমান্বয়ে হ্ৰাস কৰা হৈছিল, ৰাষ্ট্ৰৰ একচেটিয়া আধিপত্য ভংগ কৰা হৈছিল, বানিজ্যৰ সংস্কাৰৰ আৰম্ভ কৰা হৈছিল, সব্যক্তিগত খণ্ডৰ উদ্যোগসমূহৰ লগতে বিশ্বা ?নকো ক্ৰমান্বয়ে উৎসাহিত কৰা হৈছিল। ইয়াক সকলো দলে মুকলিকৈ গ্ৰহণ কৰিছিল যদিও ধীৰ গতিৰে ভাৰতে এক নতুন যুগত প্ৰৱেশ কৰিছিল। এই যুগটোক কোৱা হয় ওদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ যুগ। (Liberalization, Privatization and Globalization চমুকৈ LPG)

উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ মুখ্য উদ্দেশ্য আছিল ভাৰতৰ অৰ্থনীতিক দ্ৰুততম বিকাশশীল আৰু বিশ্বৰ সৰ্ববৃহৎ অৰ্থনীতিৰ সৈতে প্ৰতিযোগিতা কৰিব পৰা সামৰ্থ্যৰে গঢ়ি তোলা। ই হৈ বানিজ্যৰ উদাৰীকৰণ, ব্যৱসায়ৰ ব্যক্তিগতকৰণ আৰু ভাৰতীয় অৰ্থনীতিৰ বিশ্বায়নৰ এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটোৰ মূল উদ্দেশ্য আছিল ভাৰতক এক দক্ষ স্তৰলৈ লৈ যোৱা। উদাৰীকৰণৰ অৰ্থ হৈছে চৰকাৰৰ নিয়ন্ত্ৰণ হ্ৰাস কৰা। ব্যক্তিগতকৰণৰ অৰ্থ হৈছে সব্যৱসায় আৰু সেৱাত ব্যক্তিগত উদ্যোগৰ অংশগ্ৰহণ আৰু ব্যক্তিগত খণ্ডলৈ মালিকীস্বত্ব স্থানান্তৰ। বিশ্বায়নৰ অৰ্থ হৈছে বিশ্বৰ অৰ্থনীতিক এক কৰাৰ প্ৰক্ৰিয়া। ই হৈছে দেশ, ৰাজ্যসমূহ, পৰিয়াল আৰু ব্যক্তি, নিগম আৰু অন্যান্য সংগঠনসমূহৰ মাজত একতা আৰু বিশ্বব্যাপী পাৰস্পৰিক সংযোগ বৃদ্ধি কৰাৰ এক প্ৰক্ৰিয়া। ভাৰতে এই প্ৰক্ৰিয়াটোক অৰ্থনৈতিক বিপৰ্যয়ৰ পৰা পুনৰুদ্ধাৰ হোৱাৰ

প্ৰণালী হিচাপে গ্ৰহণ কৰিছিল। সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰী পি.ভি নৰসিংহ ৰাৱে এই যুগান্তকাৰী অভূতপূৰ্ব অৰ্থনৈতিক পুনগঠন আৰম্ভ কৰিছিল। এই অৰ্থনৈতিক পুনগঠন সেই সময়ৰ বিত্তমন্ত্ৰী ড° মনমোহন সিঙৰ পৃষ্ঠপোষকতাত সম্পন্ন হৈছিল। নৰসিংহ ৰাও সমিতিৰ পৰামৰ্শ অনুসৰি উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ ঘোষণা কৰা হৈছিল। এউ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ সিদ্ধান্তসমূহ আছিল —

- নিৰাপত্তা নিয়মাৱলী (সংশোধিত) আৰু ১৯৯২ চনৰ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বৰ্ড আইন অনা (ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বৰ্ডক বৈধতা প্ৰদান কৰা পুঁজি বজাৰৰ সকলো মধ্যস্থতাকাৰীৰে ৰেকৰ্ড ৰখা আৰু নিয়ন্ত্ৰন কৰা)।
- ১৯৯২ চনৰ ভিতৰত মূলধনৰ নিয়ন্ত্ৰক বিষয়সমূহ আঁতৰ কৰা।
- ১৯৯৪ চনত ৰাষ্ট্ৰীয় ষ্টক একচেঞ্জ আৰম্ভ কৰা।
- ইকুইটি বজাৰসমূহ বিদেশী কৰ্পোৰেট বিনিয়োগকাৰীৰ জৰিয়তে বিনিয়োগৰ বাবে উপলব্ধ কৰি তোলা।
- বিশ্বব্যাপী জমা ৰচিদ জাৰী কৰাৰ জৰিয়তে কোম্পানীসমূহক বিদেশী বজাৰৰ পৰা পুঁজি সংগ্ৰহ কৰিবলৈ অনুমতি দিয়া হৈছিল।
- বিদেশী প্ৰত্যক্ষ বিনিয়োগ (FDI) ক উৎসাহ যুগুৱা। (অংশীদাৰিত্ব সীমা ৪০% ৰ পৰা ৫১% লৈ বৃদ্ধি কৰা)
- ভাৰতীয় মুদ্ৰাক বিনিময়যোগ্য মুদ্ৰা হিচাপে গঢ়ি তোলা হৈছিল।
- পণ্য সামগ্ৰী বা সেৱাশুল্ক (Duties) ৮৫% ৰ পৰা ২৫% লৈ হ্ৰাস কৰা হৈছিল।
- প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ পদ্ধতি পুৰ্নগঠন কৰা হৈছিল।
- আন্তৰ্জাতিক বিনিয়োগৰ বাবে সীমা নিৰ্ধাৰন আৰম্ভ কৰা হৈছিল।

ফলস্বৰূপে দেখা গৈছিল যে ৫-৬ বছৰৰ ভিতৰত বিদেশী বিনিযোগৰ সামগ্ৰিক পৰিমান ১৯৯০ ৰ দশকত ১৩২ নিযুত ডলাৰৰ (আমেৰিকান ডলাৰ) পৰা ৫.৩ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছিল। ঔদ্যোগিক নিৰ্দেশাৱলীত পৰিবৰ্তন অনা হৈছিল। উৎপাদন ক্ষেত্ৰৰ সীমা নিৰ্ধাৰণ কৰা হৈছিল। বিশেষ অৰ্থনৈতিক ক্ষেত্ৰসমূহ ঘোষনা কৰা হৈছিল। অনুজ্ঞাপত্ৰ ৰাজ বাতিল কৰা হৈছিল। (১৮ টা খণ্ডৰ বাহিৰে)। উদ্যোগসমূহৰ ওপৰত নিয়ন্ত্ৰণ সংযত আৰু শিথিল আছিল। সেয়েহে উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ ভাৰতৰ আৰম্ভ হোৱাৰ লগে লগে এক বিস্তৃত আৰু বৃহৎ সংস্কাৰৰ মাজেৰে পাৰ হৈছিল। গতিকে, নিৰ্দিষ্ট কিছুমান নতুন পদক্ষেপ লোৱা হৈছিল যিয়ে উদৰীকৰণ, ব্যক্তিগতগৰণ আৰু বিশ্বায়নৰ কাৰ্যপ্ৰণালীৰ মূল বৈশিষ্ট্যসমূহ তুলি ধৰে। সেইসমূহ হৈছে ঃ-

- বিদেশী প্ৰযুক্তি চুক্তি
- প্ৰত্যক্ষ বিদেশী বিনিয়োগ
- একচেটীয়া আৰু সীমাবদ্ধ বানিজ্য অধিনিয়ম আইন, ১৯৬৯ (সংশোধন)
- ঔদ্যোগিক অনুজ্ঞাপত্ৰ প্ৰদান

- নিয়ন্ত্রনমুক্ত
- ব্যক্তিগতকৰণ
- বৈদেশিক বানিজ্যক উৎসাহ
- মুদ্রাস্ফীতি নিয়ন্ত্রনৰ বাবে ব্যৱস্থা।
- কৰ সংস্কাৰ
- অনুজ্ঞাপত্র - অনুমতি ৰাজ বাতিল।
- গাঁথনিগতভাৱে সুসমন্বয়ৰ আঁচনি আৰু দৰিদ্রতা নিবাৰন কৌশল পত্রৰ প্রবর্তন (Poverty Reduction Strategy Papers)

১৩.৭ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ পৰবর্ত্তী কাল

নৰসিংহ ৰাওৰ দ্বাৰা যি আৰম্ভ কৰা হৈছিল সেয়া তেওঁৰ পাছত থমকি ৰৈছিল। এক সংখ্যালঘু চৰকাৰৰ জৰিয়তে হ'লেও তেওঁ অর্থনৈতিক সংস্কাৰৰ ক্ষেত্রত অগ্রণী ভূমিকা পালন কৰি ভাৰতৰ বাবে চাণক্য হিচাপে কাম কৰিছিল। তেতিয়াৰ পৰাই উদাৰীকৰনৰ সামগ্রিক ফলাফল একে আছিল। উত্তৰাধিকাৰী চৰকাৰৰ দ্বাৰা কোনো গুৰুত্বপূর্ণ সংস্কাৰ হেৰা নাছিল আৰু উদাৰীকৰণ, ব্যক্তিগতকাৰণ আৰু বিশ্বায়নৰ অন্তর্ভুক্তি কৰাৰ সম্পর্কত প্রশ্ন আছিল। ইয়াৰ কাৰণ আছিল, এই প্রক্রিয়াত অভিযোজনৰ পাছতে দেখা গৈছিল যে ভাৰততত উপার্যনৰ অসমতা গভীৰ হৈছে। বহুজাতিক কোম্পানীসমূহৰ প্রবেশৰ লগে লগে ধনী শ্রেণীটোৰ উপভোগৰ হাৰ নানাধৰণে বৃদ্ধি পাইছে আৰু আনহাতে দৰিদ্রলোকৰ উপভোগ একে আছে। মুঠ ঘৰুৱা উৎপাদনৰ হাৰ অনুসৰি ই নিৰন্তৰ পৰিবর্তনৰ অৱস্থাত আছিল। উদাৰীকৰণৰ পাছত ২০১২-২০১৩ চনত ৫.১% বৃদ্ধিৰে সৈতে ই আছিল আটাইতকৈ সর্বনিম্ন। ইয়াৰ বাবে চৰকাৰে অর্থনীতি উন্নত কৰাৰ কাৰনে নতুন সংস্কাৰ গ্রহন কৰিব লগা হৈছিল। অৱশ্যে ২০১৫ চনৰ ভিতৰত আৰু ই পুনৰ ত্বৰান্বিত হৈ ২০১৪-১৫ চনত সৰ্ব্বোচ্চ ৭% কৰিবলৈ সক্ষম হৈছে। ইয়াৰ সৈতে নিযুক্তিক সমস্যা সমাধান কৰাত ব্যর্থতা, খাদ্যৰ পুষ্টিগত মূল্য (খাদ্যবস্তু উপলব্ধি আছিল যদিও গুণগত মানৰ অৱনতি আছিল), ৰপ্তানি বৃদ্ধিৰ ফলত চলিত (একাউন্ট) জমাখৰচ হিচাপত ঘাটি হৈছিল। দক্ষিণ এছিয়া আঞ্চলিক সহযোগিতা সংস্থা (South Asian Association for Regional Cooperation), দক্ষিণ পূব এছিয়া ৰাষ্ট্র সংঘ (Association of Southeast Asian Nation) ৰ ৰূপত চুবুৰিয়া অর্থনীতিৰ অধিক একত্রীকৰণ হৈছিল যদিও প্রয়োজনীয়তা অনুসৰি ত্বৰান্বিত হোৱা নাছিল। ভাৰতীয় বজাৰসমূহ চানী সামগ্রীৰে উপচি পৰিবলৈ আৰম্ভ কৰিছিল। ফলস্বৰূপে এখ নির্দিষ্ট অংশৰ উপার্জনত বিৰূপ প্রভাৱ পৰিছিল। যিকোনো বস্তুৰ উপলব্ধতা সহজ হোৱাত সমাজবোৰ অধিক অপৰাধপ্রৱন হৈ পৰিছে। অর্থনীতি ভাগ-বতৰা কৰাৰ গান্ধীৰ যি আদর্শ সেয়া অৱনমিত হ'ল আৰু জনসাধাৰন নিজৰ স্বার্থৰ দ্বাৰা অধিক পৰিচালিত হ'ব ধৰিলে। লাভ উপার্জন একমাত্র উদ্দেশ্য হৈ পৰিছিল যাৰ ফলত নৈতিকতা হ্রাস পাইছিল। অর্থনীতি ঋন চলিত হ'বলৈ লৈছিল। সেয়েহে, ভাৰতে গ্রহন কৰা নব্য-উদাৰবাদী আদর্শৰ ওপৰত পৰৱর্ত্তী পৰিবেশবাদী ধাৰণা আৰন্ধ

বহনক্ষম উন্নয়নৰ ধাৰণাই প্ৰশ্ন উত্থাপন কৰিছিল। সেয়েহে, যি ঘাটি আছিল, সেইবোৰে জনসংখ্যাৰ ওপৰত ব্যয়ৰ ভাৰ বহন কৰিছিল আৰু ৭০ দশকৰ সমস্যাৰে সৈতে সুবিধাবঞ্চিত শ্ৰেণীটো একবিংশ শতিকাতো ৰৈ গৈছিল।

সংস্কাৰৰ পৰবৰ্তী কালত উত্তৰাধিকাৰী চৰকাৰসমূহে গ্ৰহণ কৰা পদক্ষেপসমূহ নিম্নলিখিত ধৰনৰ ঃ

- ১৯৯৮-১৯৯৯ চনৰ পৰা ২০০৪ চনলৈকে ভাৰতীয় জনতা পাৰ্টিয়ে কিছুমান সংস্কাৰ আৰম্ভ কৰিছেল যদিও সেয়া ভাৰতৰ ক্ষেত্ৰত কাৰ্যকৰী কৰা সম্ভৱ নাছিল। তাৰ পাছত ৰাষ্ট্ৰীয় গনতান্ত্ৰিক মৰ্চা (NDA) চৰকাৰে হোটেল, বি. এছ. এন. এ., মাৰুতি চুজুকি আৰু বিমানবন্দৰকে ধৰি নিম্ন লাভ প্ৰদৰ্শন কৰা চৰকাৰী মালিকাধীন ব্যৱসায়সমূহ ব্যক্তিগতকৰণ কৰিবলৈ আৰম্ভ কৰে। তেওঁলোকে কৰ হ্ৰাস কৰা আৰম্ভ কৰিছিল। ঘাটি আৰু ঋন হ্ৰাস আৰু ৰাজহুৱা কৰ্মত বৰ্ধিত পদক্ষেপ গ্ৰহন সমগ্ৰ বিত্তীয় নীতিৰ লক্ষ্য আছিল।
- ইউনাইটেড ফ্ৰন্ট চৰকাৰে এক প্ৰগতিশীল বাজেটৰ চেষ্টা কৰিছিল যিয়ে এছিয়াৰ বিত্তীয় সংকটে আক্ৰান্ত কৰা আৰু ৰাজনৈতিক স্থিতিশীলতাই সৃষ্টি কৰা অৰ্থনৈতিক স্থবিৰকাৰ পাঠত সংস্কাৰ কৰাৰ কাৰনে উৎসাহিত কৰিছিল।
- ২০১১ চনৰ শেষৰ ফালে, কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ দ্বিতীয় মিত্ৰজোঁট চৰকাৰে খুচুৰা খণ্ডত ৫১% প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সূচনা কৰিবলৈ উদ্যোগ লয়। কিন্তু সহযোগী মিত্ৰজোঁট আৰু বিৰোধীৰ হেঁচাৰ বাবে সিদ্ধান্তটো উঠাই লয়। অৱশ্যে ইয়াক ২০১২ চনত অনুমোদন জনোৱা হৈছিল।
- ২০১৫ চনত বিজেপি নেতৃত্বাধীন দ্বিতীয় এন ডি এ চৰকাৰে বীমা খণ্ডত ৪৯% লৈকে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি প্ৰদান কৰে। পূৰ্বৱৰ্তী চৰকাৰে একেটা সংস্কাৰৰ মাজেৰে আগবাঢ়িবলৈ চেষ্টা কৰি ব্যৰ্থ হোৱাৰ সাত বছৰৰ পাছত প্ৰথম এন ডি এ চৰকাৰৰ অধীনত এই খণ্ডটো প্ৰথম বাৰৰ বাবে বিদেশী বিনিযোগৰ বাবে ২৬% লৈকে মুকলি কৰাৰ ১৬ বছৰ পাছত এইটো কৰা হৈছিল।
- ২০১৫ চনত কয়লাখনি (বিশেষ ব্যৱস্থা) বিধেয়ক গৃহীত কৰাৰ জৰিয়তে কয়লা উদ্যোগটোও মুকলি কৰি দিয়া হয়। ১৯৭৩ চনৰ সমাজবাদী নিয়ন্ত্ৰনৰ জৰিয়তে ৰাষ্ট্ৰীয়কৰণ কৰাৰ পাছত কয়লা খননৰ ওপৰত থকা ভাৰত চৰকাৰৰ একটেটীয়া অধিকাৰ ই অসান ঘটায়। এই ক্ষেত্ৰখনত ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ জৰিয়তে কয়লা খনন খণ্ডত ব্যক্তিগত হস্তক্ষেপৰ পথ মুকলি কৰা হৈছে যাৰ ফলত খনি শ্ৰমিকসকলে উন্নত / উপযুক্ত মজুৰি লাভ কৰিব আৰু ৰাষ্ট্ৰয়ো ব্যক্তিগত খণ্ডৰ ব্যয়ত উপাৰ্জন কৰিব।
- ২০১৬ চনত চৰকাৰে ঋন শুজিবলৈ অসমৰ্থ অৱস্থা আৰু দেউলীয়া নিয়মাৱলী বিৰুদ্ধে এক প্ৰস্তাৱ গ্ৰহণ লৈছিল। আইনে কোম্পানী আৰু ব্যক্তিসকলৰ ঋন শুজিব নোৱাৰা অৱস্থা সমাধানৰ বাবে সময়সীমা আবদ্ধ প্ৰক্ৰিয়া এটাৰ সৃষ্টি কৰিছিল। যদিহে ঋন পৰিশোধ

কৰিব নোৱাৰে, ঋন লওঁতা সকলৰ সম্পত্তি বিক্ৰী কৰি ঋন দিওঁতা সকলৰ ধন পৰিশোধ কৰা হ'ব পাৰে। বিশেষজ্ঞসকলৰ মতে, এই আইনে ব্যৱসায় কৰা প্ৰক্ৰিয়াটো সহজ কৰি তুলিছিল আৰু বহুতে ইয়াক ১৯৯১ চনৰ পৰা হোৱা ভাৰতৰ দ্বিতীয় আটাইতকৈ গুৰুত্বপূৰ্ণ সংস্কাৰ বুলি গণ্য কৰে।

- ২০১৭ চনৰ ১ জুলাই তাৰিখে, চৰকাৰে জি এছ টি (সামগ্ৰী আৰু সেৱা কৰ) আৰম্ভ কৰে। ২০০০ চনত অটল বিহাৰী বাজপেয়ীয়ে ইয়াৰ উদ্যোগ লৈছিল যদিও ১৭ বছৰৰ পাছতহে ইয়াক প্ৰয়োগ কৰা হয়। এইটো ভাৰতৰ আটাইতকৈ সৰ্ববৃহৎ কৰ সংস্কাৰ হ'ব বুলি ভবা গৈছিল। জি এচ টিয়ে কেইবাটাও পৰোক্ষ কৰ গাঁতনিৰ স্থান লয়। আৰু ই দেশৰ অৰ্থনীতিক নতুন ৰূপ দি ২ ট্ৰিলিয়ন ডলাৰ কৰি তুলিবলৈ সাজু হৈছে। কিন্তু ইয়াৰ প্ৰভাৱসমূহ কেৱল আহিবলগীয়া বছৰবোৰতহে জনা যাব।

কিন্তু, যদি জনাসাধাৰনৰ সাধাৰন অৱস্থা বিবেচনা কৰা হয়, তেন্তে নেহৰুৱীয়ান যুগৰ পৰা বিশেষ পৰিবৰ্তন দেখা নাযায়। দৰিদ্ৰতা, নিবনুৱা এতিয়াও এখ ভয়ংকৰ সমস্যা হৈ আছে। ধনীসকল ধনী হৈ গৈ আছে আৰু দুখীয়া সকল দুখীয়া হৈয়ে আছে। কৃষিক্ষেত্ৰ আৰু বজাৰত মূল্যৰ পাৰ্থক্য এতিয়াও বেছি হৈয়ে আছে আৰু মধ্যস্থতাকাৰী এতিয়াও প্ৰধান লাভ উপাৰ্জনকাৰী হৈ আছে। প্ৰকৃত লাভটো প্ৰকৃততে পাবলগীয়া জনে পোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ এল.পি.জি ৰ অৰ্থ জনাওক।

.....

.....

প্ৰশ্ন নং ৮ ঃ এল পি জি সন্দৰ্ভত নৰসিংহ ৰাও কমিটিৰ দুটা পৰামৰ্শ লিখক।

.....

.....

প্ৰশ্ন নং ৯ ঃ ভাৰতৰ কৰ ব্যৱস্থাটো সংস্কাৰৰ বাবে এন ডি এ চৰকাৰে শেহতীয়কৈ লোৱা দুটা উদ্যোগৰ বিষয়ে লিখক।

.....

.....



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ স্বাধীনতাৰ মুহূৰ্তত ৰাষ্ট্ৰ এক দেউলীয়া অৱস্থাত এৰিবলৈ ব্ৰিটিছে ভাৰতৰ অৰ্থনীতিৰ বিধ্বস্ত অৱস্থাত এৰি থৈ গৈছিল।
- ভাৰতৰ এনে অৱস্থাৰ পৰা মুক্ত কৰিবলৈ ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে

সমাজবাদী আদৰ্শৰ পৰিকল্পিত উন্নয়নৰ আৰ্হি গ্ৰহন কৰিছিল। ই আছিল এক মিশ্ৰ অৰ্থনীতি (ব্যক্তিগত উদ্যোগ আৰু কল্যাণকামী ৰাযঅট্ৰৰ সংমিশ্ৰণ)।

- প্ৰাক স্বাধীনতা কালত ভাৰতৰ অৰ্থনীতি আছিল স্বাৱলম্বী কৃষিজ্ৰ অৰ্থনীতি য'ত গ্ৰাম্য অৰ্থনীতি আছিল ঘৰুৱা উপাৰ্জন আধাৰিত আৰু ৰত্ন আৰু গহনাৰ ৰপ্তানি উপাৰ্জনেৰে সৈতে ২০০ বছৰ ব্ৰিটিছ সাম্ৰাজ্যৱবাদৰ অৰ্থনৈতিক শোষনৰ মাজেৰে পাৰ হ'ব লগা হৈছিল। ইয়েই বিদেশথ শিক্ষা গ্ৰহন কৰি অহা এদল শিক্ষিত ভাৰতীয়ক ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ কৰিবলৈ প্ৰেৰনা যোগায়। এই সময়ছোৱাতে ভাৰতীয় অৰ্থনীতিৰ ব্লুপ্ৰিন্ট নিৰ্ধাৰণ কৰা হৈছিল।
- নেহৰুৰ অৰ্থনৈতিক আদৰ্শ হৈছে সমাজবাদৰ পৰা উদ্ভূত, যি সমাজিত ন্যায় আৰু নৈতিকতাৰ মূল্যবোধৰ লগত এক গভীৰ আসক্তিৰ পৰা জন্ম হৈছিল। এয়া আছিল আমেৰিকাৰ যুক্তৰাষ্ট্ৰত প্ৰাপ্ত মুক্ত উদ্যোগ আৰু ছোভিয়েট ৰাছিয়াত প্ৰাপ্ত নিয়ন্ত্ৰিত অৰ্থনীতিৰ সংমিশ্ৰণ। নেহৰুৰে যুক্তি আছিল যে ভাৰতে ইয়াৰ সীমিত সম্পদ আৰু অনুন্নত অৰ্থনীতিৰে উন্নয়নৰ এই দুটা পদ্ধতিৰ এটাও গ্ৰহণ কৰিব নোৱাৰে আৰু নিজৰ পদ্ধতি বিকশিথ কৰিব লাগিব। তেওঁৰ অভিমত আছিল যে মিশ্ৰিত অৰ্থনীতি হৈছে সৰ্বশ্ৰেষ্ঠ পদ্ধতি কাৰন দেশত সম্পদৰ ন্যায়সমগত বিতৰন ইয়াৰ জৰিয়তেহে হ'ব।
- নেহৰুৰ মৃত্যুৰ পাছত ক্ষমতাৰ গাঁতনিটোৰ সঘনাই পৰিবর্তন ঘটিছিল। নেহৰুৰ উত্তৰাধিকাৰ বহন কৰি অহা কংগ্ৰেছ নিজেই স্থিৰ নাছিল আৰু অৱনতিৰ পথত আছিল। ই ৰাজনৈতিক গনতন্ত্ৰ আৰু অৰ্থনৈতিক কল্যানকামীতাৰ ভাৰসাম্য ৰক্ষা কৰিব পৰা নাছিল। ইয়াৰ ফলত জনসাধাৰনক দিয়া প্ৰতিশ্ৰুতিবোৰ পালন কৰাত চৰকাৰ ব্যৰ্থ হৈছিল।
- উন্নয়নৰ আৰ্হিৰ লগত সমাজৰ সামঞ্জস্যহীনতা আৰু নিৰন্তৰ অৰ্থনৈতিক বিফলতা, দেউলীয়া অৱস্থাৰ পৰা ভাৰতক উদ্ধাৰ কৰাৰ বাবে ভাৰতে উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়ন নামেৰে জনাজাত এক নতুন অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। সেয়েহে, উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ ভাৰত হোৱাৰ লগে লগে এক বিস্তৃত আৰু বৃহৎ অৰ্থনৈতিক সংস্কাৰৰ মাজেৰে পাৰ হ'ব লগা হৈছিল। সেইবাবে, বিদেশী প্ৰযুক্তি চুক্তি, বিদেশী প্ৰত্যক্ষ বিনিয়োগ, একচেটীয়া আৰু সীমাবদ্ধ বানিজ্য অধিনিয়ম আইন ১৯৬৯ (সংশোধন), ঔদ্যোগিক অনুজ্ঞাপত্ৰ প্ৰদান আদিৰ দৰে কিছুমান নতুন উদ্যোগ বা কাৰ্যপন্থা ল'ব লগা হৈছিল।
- উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নে ভাৰতৰ বজাৰসমূহ বাহিৰৰ জগতখনৰ বাবে মুকলি কৰি দিছিল আৰু ভাৰতীয় অৰ্থনীতি ৰাষ্ট্ৰৰ অপ্ৰয়োজনীয় নিয়ন্ত্ৰনৰ পৰা মুক্ত হৈছিল। ইয়াৰ ফলত বহুজাতিক কোম্পানী সমূহৰ সামগ্ৰীয়ে ভাৰতৰ বজাৰ ভৰি পৰিছিল আৰু ভাৰতীয় অৰ্থনীতিক উপভোক্তাবাদী আৰু ঋন নির্ভৰশীললৈ ৰূপান্তৰিত কৰিছিল।
- আকৰ্ষণীয় কথা এয়ে যে যদি জনসাধাৰনৰ সাধাৰন অৱস্থাৰ কথা বিবেচনা কৰা হয় তেন্তে নেহৰুৰীয়ান যুগৰ পৰা বিশেষ পৰিবর্তন দেখা নাযায়। দৰিদ্ৰতা, নিবনুৱা সমস্যা একে আছিল। ধনীসক অধিক ধনী হোৱা দেখা গৈছিল আৰু দৰিদ্ৰসকল একে আছিল,

কৃষিক্ষেত্ৰ আৰু বজাৰৰ মূল্যৰ পাৰ্থক্য অধিক হৈ ৰৈছিল। ফস্বৰূপে নিৰন্তৰ মূল্যবৃদ্ধি হৈছিল। প্ৰকৃত লাভ পাবলগীয়াজনে লাভ কৰা দেখা নগৈছিল।



১৩.৯ অধিক জানিবলৈ

১) Chelliah, R.J. (2010). Political Economy of Poverty Eradication in India: An Essays on Fiscal Reform. New Delhi: Sage Publications.

২) Frankel, F.R. (2005). India's Political Economy 1947-2004. New Delhi: Oxford University Press.

৩) Rao, C.H.H & Linneman, H. (ed). (1996). Economic Reforms and Poverty Alleviation in India. New Delhi: Sage Publications.



১৩.১০ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পাইণ্ড টকাৰ বিনিময় ১ শ্বিলিং ৬ পেন্সৰ পৰা ১ শ্বিলিং ৪ পেন্সলৈ হ্ৰাস কৰা আৰু ভূমি ৰাজহ ৫০% লৈ হ্ৰাস কৰা আৰু ইয়াক আইনী নিয়ন্ত্ৰনৰ অধীন কৰা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক স্বাধীনতা আবিহনে উন্নয়ন অসম্ভৱ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনৈতিক শক্তিৰ ওপৰত স্বাধীন নিৰ্ভৰশীলতা আৰু অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰভুত্ব প্ৰতিৰোধ ক্ষমতাৰ কাৰণে নেহৰুৱে এক স্বাৱলম্বী অৰ্থনীতি গঢ়িব বিচাৰিছিল। দ্ৰুত ঔদ্যোগিকৰণ আৰু কৃষিৰ স্বনিৰ্ভৰশীলতা, পৰিকল্পনা, ৰাজহুৱা খণ্ড আৰু দঘূৰ মূলধনী সামগ্ৰীৰ উদ্যোগ, বিদেশী মূলধন আৰু সাহাৰ্যৰ নিম্নতম প্ৰয়োগ, বিজ্ঞান, প্ৰযুক্তি আৰু কাৰিকৰী আধুনিকীকৰণ, এক বৃহৎ কাৰিকৰী আৰু বৈজ্ঞানিক সংবৰ্গৰ প্ৰশিক্ষন, আৰু পাৰমানৰিক শক্তিক নেহৰুৱে ভাৰতৰ অৰ্থনৈতিক স্বাধীনতা আৰু বিকাশৰ গুৰুত্বপূৰ্ণ উপাদান হিচাপে দেখিছিল। ৰাষ্ট্ৰীয় ব্যয় বৃদ্ধিৰ জৰিয়তে ঔদ্যোগিক আৰু কৃষি বিকাশৰ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ঔদ্যোগিক উৎপাদনৰ বিবিধতা দেখা পোৱা গৈছিল আৰু নতুন উদ্যোগৰ আগমণ ঘটিছিল। খাদ্য উৎপাদনত ঘৰুৱা স্ব-নিৰ্ভৰশীলতা প্ৰাপ্ত কৰা হৈছিল। উল্লিখিত লাভৰ সৈতে হোৱা লোকচানবোৰ আছিল — ভূমি সংস্কাৰৰ বিফলতা, উচ্চ ব্যয়ৰ ঔদ্যোগিক অৰ্থনীতিৰ উত্থান, ৰপ্তানিৰ ক্ষেত্ৰত নিৰাশাজনক পৰিস্থিতি, প্ৰতিষ্ঠানগতভাৱে দুৰ্নীতি, কৃষিৰ লগত শ্ৰমিকৰ জড়িত শ্ৰমিকৰ অভাৱ, শুকান কৃষি ভূমিৰ প্ৰতি অৱহেলা, নগৰ-গাঁৱৰ বিভাজন। সকলো ধৰমৰ নিৰপেক্ষতাৰে ৰাজনৈতিক প্ৰক্ৰিয়াৰে সৈতে অৰ্থনৈতিক নীতিসমূহ মিলাবলৈ এক সমন্বিত প্ৰয়াস কৰা হৈছিল। দৰিদ্ৰতা নিৰ্মূল আৰু সম্পদৰ সমবিতৰনৰ উপযোজনৰ ৰাজনীতি অনুসৰণ কৰা হৈছিল। এনেদৰে, নেহৰু উন্নয়নৰ অপুঁজিবাদী পথ লৈ এক কল্যাণকামী

ৰাষ্ট্ৰৰে সৈতে পাব পৰা এক সামাজিক গণতন্ত্ৰ সূচনা কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৪ চনত জে আৰ ডি টাটা আৰু জি ডি বিৰলাৰ নেতৃত্বৰ অধীনত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নেহৰুৰ মৃত্যুৰ পাছত ইন্দিৰা গান্ধী আৰু ভাৰতৰ পৰৱৰ্তী নেতাসকলে কোনো গুৰুত্বপূৰ্ণ বিকাশ আনিব নোৱাৰিলে। ৰাজনীতিৰ উত্থান-পতন হৈছিল আৰু অৰ্থনীতি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ওপৰত নিৰ্ভৰশীল আছিল। অস্থিৰ চৰকাৰে অৰ্থনীতিক উন্নয়নৰ কাৰণে কোনোধৰণৰ কাৰ্যকৰী দীৰ্ঘম্যাদী কৰ্মসূচী ল'ব নোৱাৰিলে আৰু ভাৰতীয় অৰ্থনীতি সদায় পশ্চিমীয়া অৰ্থনীতিৰ অধীনত থাকিব লগা হৈছিল। বিশ্বৰ সৈতে আগবাঢ়িবলৈ এক নব্য উদাৰবাদী অৰ্থনৈতিক নীতি গ্ৰহন কৰাৰ বাহিৰে আন কোনো উপায় নাছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজী গান্ধী গ্ৰাম্য নিয়োগ সৃষ্টি আঁচনি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উদাৰীকৰণৰ অৰ্থ হৈছে চৰকাৰৰ নিয়ন্ত্ৰণ হ্ৰাস কৰা। ব্যক্তিগতকৰণৰ অৰ্থ হৈছে ব্যৱসায় আৰু সেৱাত ব্যক্তিগত উদ্যোগগৰ অংশগ্ৰহণ আৰু ব্যক্তিগত খণ্ডলৈ মালিকীস্বত্ব হস্তান্তৰ। বিশ্বায়নৰ অৰ্থ হৈছে বিশ্বৰ অৰ্থনীতিক এক কৰাৰ প্ৰক্ৰিয়া। ই হৈছে দেশ, ৰাজ্যসমূহ, পৰিয়াল আৰু ব্যক্তি নিগম আৰু অন্যান্য সংগঠনসমূহৰ মাজত একতা আৰু বিশ্বব্যাপী পাৰস্পৰিক সংযোগ বৃদ্ধি কৰাৰ এক প্ৰক্ৰিয়া। ভাৰতে এই প্ৰক্ৰিয়াটোক অৰ্থনৈতিক বিপৰ্যয়ৰ পৰা পুনৰুদ্ধাৰ হোৱাৰ প্ৰণালী হিচাপে গ্ৰহণ কৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নিৰপত্তা নিয়মাৱলী (সংশোধিত) আৰু ১৯৯২ চনৰ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বৰ্ড আইন অনা।

(খ) ১৯৯৪ চনত ৰাষ্ট্ৰীয় ষ্টক একচেঞ্জ আৰম্ভ কৰা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সামগ্ৰী আৰু সেৱা কৰ, ২০১৭।



১৩.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ এল পি জি ৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ 'স্বাধীনতাৰ সাৰমৰ্ম' সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ নৰসিংহ ৰাও কমিটিৰ চাৰিটা পৰামৰ্শ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ স্বাধীনতাৰ পূৰ্বকালৰ ভাৰতৰ ৰাজনৈতিক অৰ্থনীতি সম্পৰ্কে চমুটোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ পৰৱৰ্তী কালত চৰকাৰে গ্ৰহন কৰা উদ্যোগসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ নেহৰু যুগ আৰু নেহৰু যুগৰ পাছত বিশেষ প্ৰসংগৰে সৈতে ভাৰতৰ ৰাজনৈতিক অৰ্থনীতিৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ১৯৯০ দশকৰ পৰৱৰ্তী ভাৰতৰ ৰাজনৈতিক অৰ্থনীতি সম্পৰ্কে এখ টোকা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ভাৰতত প্ৰভাৱগোষ্ঠীৰ ৰাজনীতি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ প্ৰভাৱগোষ্ঠী

১৪.৪ প্ৰভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত পদ্ধতি

১৪.৫ ভাৰতবৰ্ষত প্ৰভাৱগোষ্ঠী

- ১৪.৫.১ ভাৰতত প্ৰভাৱগোষ্ঠীৰ বিশেষত্ব
- ১৪.৫.২ ভাৰতত মুখ্য প্ৰভাৱগোষ্ঠী
- ১৪.৫.৩ ভাৰতীয় প্ৰভাৱগোষ্ঠীত জনসংযোগ বা মিডিয়াৰ প্ৰভাৱ
- ১৪.৫.৪ ভাৰতত প্ৰভাৱগোষ্ঠীৰ ভূমিকা

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্ৰগতিৰ খতিয়ান

১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্বাৰ্থগোষ্ঠী আৰু প্ৰভাৱগোষ্ঠীৰ অৰ্থ বৰ্ণনা কৰিব পাৰিব
- প্ৰভাৱগোষ্ঠীৰ বৈশিষ্ট আৰু প্ৰভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত পদ্ধতিবোৰ মূল্যায়ন কৰিব পাৰিব
- প্ৰভাৱগোষ্ঠীৰ প্ৰকাৰ বৰ্ণনা কৰিব পাৰিব
- ভাৰতত প্ৰভাৱগোষ্ঠীৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

প্ৰভাৱগোষ্ঠীৰ উপস্থিতি যিকোনো গণতান্ত্ৰিক সমাজৰ এটা গুৰুত্বপূৰ্ণ বিশেষত্ব। এখন গণতান্ত্ৰিক দেশত এই গোষ্ঠীসমূহে মানুহ আৰু চৰকাৰৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাম কৰে। এই গোষ্ঠীবোৰে মানুহৰ মাজত সজাগতা সৃষ্টি কৰে আৰু অংশগ্ৰহণ অধিক কৰি তোলে। এই পাঠটোত আমি প্ৰভাৱগোষ্ঠীৰ লগত জড়িত হৈ থকা সংশ্লিষ্ট বিভিন্ন মাত্ৰা আলোচনা কৰিম।

১৪.৩ প্ৰভাৱগোষ্ঠী

এটা স্বাৰ্থগোষ্ঠীয়ে সমাজৰ এটা নিৰ্দিষ্ট শ্ৰেণীৰ সামাজিক, অৰ্থনৈতি আৰু ৰাজনৈতিক স্বাৰ্থক প্ৰতিনিধিত্ব কৰে; সেই শ্ৰেণীটো হব পাৰে খেতিয়ক, শিক্ষক, খনিকৰ্মী, শ্ৰমিক, সাংবাদিক বা শিক্ষাৰ্থী। প্ৰভাৱগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰা খণ্ড এটাৰ এক স্বাৰ্থ আৰু উদ্দেশ্য থাকিব লাগিব, যিটো উদ্দেশ্য কেবল সেই খণ্ডটোৰ নিৰ্দিষ্ট। স্বাৰ্থ সদায় নিৰ্দিষ্ট হয়। প্ৰভাৱগোষ্ঠীবোৰ হৈছে স্বাৰ্থগোষ্ঠী যিয়ে লোকনীতি প্ৰস্তুত কৰণ আৰু কাৰ্যকৰণত প্ৰভাৱিত কৰি তেওঁলোকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ চেষ্টা কৰে, তেওঁলোকৰ প্ৰভাৱিত কৰা, জোৰ কৰা আৰু প্ৰেৰিত কৰা যোগ্যতা থাকে। প্ৰভাৱগোষ্ঠীবোৰক নাগৰিক সংগঠন বুলিও কোৱা হয়, যিবোৰ হৈছে পক্ষপাতহীন গোষ্ঠী, যি ৰাজহুৱা জীৱনত কিছুমান পৰ্যায়ক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে। সকলো প্ৰভাৱগোষ্ঠী হৈছে এক স্বাৰ্থগোষ্ঠী, কিন্তু সকলো স্বাৰ্থগোষ্ঠী প্ৰভাৱগোষ্ঠী নহয়। প্ৰতিটো স্বাৰ্থগোষ্টীৰ এটা স্বাৰ্থ থাকে কিন্তু স্বাৰ্থ পূৰণৰ বাবে কৌশল ব্যৱহাৰৰ পৰা বিৰত থাকে। আনহাতে প্ৰভাৱগোষ্ঠীৰো এক নিৰ্দিষ্ট স্বাৰ্থ থাকে আৰু ইয়াৰ লক্ষ্যপূৰণৰ বাবে কৌশলবোৰৰ ব্যৱহাৰ কৰে।

সংজ্ঞা ঃ

- মেইৰণ ৰেইনাৰ মতে ঃ স্বাৰ্থগোষ্ঠী বা প্ৰভাৱগোষ্ঠী বুলিলে আমি চৰকাৰী গাঁথনিৰ বাহিৰৰ যিকোনো স্বেচ্ছামূলক সংগঠিত গোটক বুজাব পাৰো। যিয়ে কৰ্মীৰ মনোনয়ণ বা নিযুক্তি, লোকনীতি গ্ৰহণ, ইয়াৰ প্ৰশাসন আৰু সংযোজনক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে।
- এলমণ্ড আৰু পাৱেলৰ মতে, "ই হৈছে এটা ব্যক্তিসমূহৰ গোষ্ঠী, য'ত ব্যক্তিবোৰ এটা বিশেষ চিন্তা বা সুবিধাৰ বান্ধোনৰ দ্বাৰা সংযুক্ত হৈ থাকে, আৰু ব্যক্তিসকলৰ এই বান্ধোনৰ বিষয়ে কিছু সচেতনতা থাকে।
- জেইগলাৰ ((Jeigler)ৰ মতে, 'ই হৈছে এটা সংগঠিত সমষ্টি বা সংঘবদ্ধ গোষ্ঠী যিয়ে ইয়াৰ সদস্যসকলক আনুষ্ঠানিক চৰকাৰী ব্যৱস্থাত নোসোমাকৈয়ে চৰকাৰৰ সিদ্ধান্তসমূহক প্ৰভাৱিত কৰাৰ চেষ্টা কৰে।'

সেয়েহে, প্ৰভাৱ বা স্বাৰ্থগোষ্ঠীবোৰৰ মুখ্য বিশেষত্ববোৰ নিম্নগামী বুলি চিনাক্ত কৰিব পাৰি ঃ

ক) ই মানুহৰ এটা সংগঠিত গোষ্ঠী।

খ) ই অ-ৰাজনৈতিক প্ৰকৃতিৰ, কিয়নো ইয়াৰ লক্ষ্যৰ ক্ষমতা দখল কৰা নহয়।

গ) ই এটা নিৰ্দিষ্ট জড়িত গোষ্ঠী যিয়ে ইয়াৰ সদস্যবোৰক বান্ধি ৰাখে।

ঘ) ই সিদ্ধান্ত গ্ৰহণকাৰী সন্তাসমূহৰ ওপৰত প্ৰভাৱ পেলাবলৈ চেষ্টা কৰে যাতে তেওঁলোকৰ নিৰ্দিষ্ঠ লক্ষ্য পূৰণ কৰিবৰ বাবে তেওঁলোকৰ পক্ষৰ নীতি সমূহ সলনি কৰিব পাৰে।

স্বাৰ্থগোষ্ঠী আৰু প্ৰভাৱগোষ্ঠীৰ কাৰ্যপ্ৰণালীক প্ৰভাৱিত কৰা কাৰকবোৰ হৈছে ঃ

- তেওঁলোকৰ উদ্দেশ্য পূৰণৰ বাবে সাংগঠনিক ক্ষমতা, শক্তি আৰু শৃংখলাৰ দৰকাৰ।

- গণমাধ্যম, ৰাজনীতিবিদ, প্ৰশাসনিক বিষয়াসকলৰ জড়িয়তে জন্যসম্পৰ্ক ৰক্ষাৰ বাবে বিত্তীয় সম্পদৰ প্ৰয়োজন।
- ইয়াৰ কাৰ্য্যৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন আৰু সহানুভুতি আহৰণ কৰাৰ ক্ষমতাৰ প্ৰয়োজন।
- সিদ্ধান্ত লোৱা সংস্থাবোৰলৈ প্ৰৱেশাধিকাৰ প্ৰাপ্ত আৰু অৰ্জন কৰাৰ ক্ষমতা।

প্ৰভাৱগোষ্ঠীৰ প্ৰকাৰ ঃ

এলমণ্ড (Almond) আৰু পাৱেল (Powell)এ প্ৰভাৱগোষ্ঠীক চাৰিটা ভাগত ভাগ কৰিছে—

- প্ৰতিষ্ঠানগত প্ৰভাৱগোষ্ঠী-- এই গোষ্ঠীসমূহ আনুষ্ঠানিকভাৱে সংগঠিত কৰা হয়। তেওঁলোক চৰকাৰী যন্ত্ৰৰ অংশ আৰু তেওঁলোকে সাংবিধানিক উপায়েৰে প্ৰতিবাদ উত্থাপন কৰে। উদাহৰণস্বৰূপে, আমোলাতন্ত্ৰ, সেনা, কেন্দ্ৰীয় নিৰ্বাচন সমিতি ইত্যাদি।
- Anomic প্ৰভাৱগোষ্ঠী— এইবোৰ হৈছে সেই ধৰণৰ গোষ্ঠী যাৰ সৈতে ব্যক্তিগত আত্ম-প্ৰতিনিধিত্বৰ সাদৃশ্য আছে। সেইবোৰ সাংবিধানিক বা অসাংবিধানিক হ'ব পাৰে। উদাহৰণস্বৰূপে, ULFA, নক্সালবাদী ইত্যাদি।
- (সহযোগী) প্ৰভাৱগোষ্ঠী ঃ সীমিত লক্ষ্য অনুসৰণ কৰিবলৈ এই গোষ্ঠীবোৰ গঠন কৰা হৈছিল। অৰ্থাৎ এইবোৰ বিশেষ স্বাৰ্থৰ বাবে সংগঠিত গোষ্ঠী। উদাহৰণস্বৰূপে, শিক্ষক সস্থা, ছাত্ৰ সস্থা ইত্যাদি।
- অ-সহযোগী প্ৰভাৱগোষ্ঠী— এইবোৰ হৈছে অনানুষ্ঠানিক গোষ্ঠী যিবোৰ হৈছে জাতি, গোষ্ঠী, ভাষা গোষ্ঠী ইত্যাদি।

  ৰাজনৈতিক দল আৰু প্ৰভাৱগোষ্ঠীৰ মাজত যথেষ্ট পাৰ্থক্য আছে। ৰাজনৈতিক দল আৰু প্ৰভাৱগোষ্ঠীৰ মাজৰ পাৰ্থক্যসমূহ তলত দিয়া ধৰণেৰে কৰিব পাৰি—

- ৰাজনৈতিক দলসমূহ ৰাজনৈতিক ক্ষেত্ৰৰ মাজত থাকে, প্ৰভাৱগোষ্ঠী ৰাজনৈতিক ক্ষেত্ৰৰ বাহিৰত থাকে।
- ৰাজনৈতিক দলসমূহে ৰাজনৈতিক ব্যৱস্থাৰ কামত অংশগ্ৰহণ কৰে, তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু চৰকাৰ গঠন কৰে বা বিৰোধীৰ ভূমিকা গ্ৰহণ কৰে। প্ৰভাৱগোষ্ঠীবোৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে আৰু চৰকাৰৰ কামত অংশগ্ৰহণ নকৰে।
- ৰাজনৈতিক দলবোৰ ৰাজনৈতিক ক্ষমতা বিচাৰে আৰু তেওঁলোকৰ উদ্দেশ্য সাধাৰণ। কিন্তু প্ৰভাৱগোষ্ঠীবোৰে ৰাজনৈতিক দলবোৰৰ এক বৈশিষ্ট হিচাপ কৰে।
- ৰাজনৈতিক দলবোৰ বাহ্যিক দিশৰ, প্ৰভাৱগোষ্ঠী আভ্যন্তৰীণ দিশৰ লগত জড়িত।

১৪.৪ প্ৰভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত পদ্ধতি

প্ৰভাৱগোষ্ঠীৰবোৰে তেওঁলোকৰ অনুসৰনত বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰিছিল। সেইবোৰ হৈছে—

লৰী (Lobby) — ই হৈছে এক পদ্ধতি য'ত প্ৰভাৱগোষ্ঠীবোৰে বিধায়কসকলৰ ওচৰত যিকোনো নীতিৰ ওপৰত প্ৰভাৱ পেলাবলৈ প্ৰতিনিধি প্ৰেৰণ কৰে। এইটো প্ৰভাৱ গোষ্ঠীবোৰৰ

দ্বাৰা ব্যৱহৃত জনপ্ৰিয় পদ্ধতিবোৰৰ এটা। বহল অৰ্থত লবীৰ অৰ্থ হৈছে প্ৰভাৱগোষ্ঠীবোৰৰ প্ৰয়াস চৰকাৰী বিভাগবোৰক তেওঁলোকৰ স্বাৰ্থৰ সপক্ষে প্ৰভাৱিত কৰা। আধুনিক সময়ত লবী কেৱল বিধানসভাতে সীমাবদ্ধ নহয়, ই সকলো স্তৰৰ চৰকাৰী কাৰ্য-কলাপত কাম কৰে।

- যিকোনো ৰাজনৈতিক দলৰ সদস্যতা লোৱা বা সদস ভৰ্ত্তি-- প্ৰভাৱগোষ্ঠীবোৰে তেওঁলোকেৰ প্ৰচাৰৰ বাবে দলীয় প্লেটফৰ্ম(মঞ্চ) আৰু সংগঠন ব্যৱহাৰ কৰিবলৈ সংকোচ নকৰে। তেওঁলোকে দলৰ প্ৰাৰ্থী আৰু নিৰ্বাচনক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে আৰু তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবে প্ৰচাৰ কৰে।
- প্ৰদৰ্শন-- প্ৰভাৱগোষ্ঠীবোৰে প্ৰদৰ্শনক এক উপায় হিচাপে ব্যৱহাৰ কৰে। জনসাধাৰন আৰু চৰকাৰৰ মনোযোগ কেন্দ্ৰীভূত কৰাৰ বাবে তেওঁলোকৰ বিভিন্ন দাবী প্ৰদৰ্শন কৰে। প্ৰদৰ্শনত ধৰ্ণা, ৰেলী, সমদল আদি অন্তৰ্ভূক্ত থাকে।
- হড়তাল ধৰ্মঘট — ধৰ্মঘটত অস্থায়ীভাৱে কাম বন্ধ থাকে, যাৰ দ্বাৰা প্ৰভাৱগোষ্ঠীবোৰৰ যিসকল দায়বদ্ধলোক তেওঁলোকে ধৰ্মঘটকাৰীৰ আগ্ৰহ পূৰণ কৰিবলৈ চেষ্টা কৰে। ই আটাইতকৈ সচৰাচৰ হৈ পৰিছে আৰু প্ৰভাৱগোষ্ঠীবোৰে সঘনাই ব্যৱহাৰ কৰা পদ্ধতি হৈ পৰিছে।
- **গণ মঞ্চ**

প্ৰভাৱগোষ্ঠীবোৰে তেওঁলোকৰ দাবী আৰু স্বাৰ্থপ্ৰাপ্ত কৰাৰ বাবে, লগতে ৰাজহুৱা সমৰ্থন পাবলৈ গণ মাধ্যম ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে সদায় গণ মাধ্যমৰ জৰিয়তে প্ৰচাৰ আৰু জনপ্ৰিয়তা পাবলৈ বিচাৰে কাৰণ তেতিয়াহে চৰকাৰী নীতি আৰু আঁচনিসমূহ আশা কৰা অনুসৰি পৰিৱৰ্তন লাভ কৰিব। এই সকলোবোৰ পদ্ধতিৰ উপৰিও প্ৰভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত আন কিছুমান পদ্ধতি গোষ্ঠী হৈছে বন্ধ, ঘেৰাও, নিৰ্বাচনী প্ৰচাৰ ইত্যাদি। প্ৰভাৱগোষ্ঠীবোৰে এক নিদিষ্ট সময়ত তেওঁলোকৰ সম্পদ আৰু পৰিস্থিতিৰ ওপৰত আধাৰ কৰি কোনটো পদ্ধতি ব্যৱহাৰ কৰিব লাগে সেই সম্পৰ্কে সিদ্ধান্ত লয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰভাৱগোষ্ঠীৰ (Pressure Group) অৰ্থ লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ প্ৰভাৱগোষ্ঠীৰ দ্বাৰা ব্যৱহৃত যিকোনো দুটা পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ৩ ঃ প্ৰভাৱগোষ্ঠীৰ দুটা বিশেষত্ব উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলসমূহৰ মাজত থকা দুটা পাৰ্থক্যৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ সংস্থাগত প্ৰভাৱগোষ্ঠী কাক বোলে?

.....

.....

১৪.৫ ভাৰতবৰ্ষত প্ৰভাৱগোষ্ঠী

ভাৰতত প্ৰভাৱগোষ্ঠীবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঔপনিৱেশিক সময়তো ভাৰতত বিভিন্ন প্ৰভাৱগোষ্ঠীৰ উদ্ভৱ হৈছিল। সৰ্বভাৰতীয় ট্ৰেড ইউনিয়ন কংগ্ৰেছ (All India Trade Union Congress) শ্ৰমিক শ্ৰেণীৰ প্ৰথম প্ৰভাৱগোষ্ঠী আছিল। ভাৰত এখন উন্নয়ণশীল দেশ য'ত প্ৰভাৱগোষ্ঠীবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰভাৱগোষ্ঠীৰ উদ্দেশ্য হৈছে নিজেই অৰ্থনৈতিক আৰু ৰাজনৈতিক ৰেহাই সুৰক্ষিত কৰা।

১৪.৫.১ ঃ ভাৰতত প্ৰভাৱগোষ্ঠীৰ বৈশিষ্ট্য

১৪.৫.১ ভাৰতত প্ৰভাৱগোষ্ঠীৰ বিশেষত্ব

- **অস্থিৰ ঃ** ভাৰতত থকা প্ৰভাৱগোষ্ঠীবোৰত প্ৰতিশ্ৰুতি আৰু স্থিৰতাৰ অভাৱ আছে যাৰফলত পৰিৱৰ্তনশীল সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি অনুসৰি আনুগত্য সলনি হয়।
- **পৰিৱৰ্তন ঃ** ৰাজনৈতিক দলবোৰৰ দৰে প্ৰভাৱগোষ্ঠীবোৰেও প্ৰয়োজনীয়তা আৰু পছন্দ অনুসৰি পৰিৱৰ্তন হৈ ডাঙৰ বা সৰু হোৱাৰ প্ৰৱনতা দেখুৱায়।
- **একক দল ব্যৱস্থাৰ আধিপত্য ঃ** দীৰ্ঘদিন ধৰি ভাৰত একক দল ব্যৱস্থাৰ অধীনত আছিল আৰু প্ৰভাৱশালী দলটোৱে প্ৰচুৰ শক্তি উপভোগ কৰিছিল। এনে দলবোৰ প্ৰভাৱগোষ্ঠীৰ দ্বাৰা প্ৰভাৱিত নহয়।
- **সংকীৰ্ণ স্বাৰ্থৰ ওপৰত গুৰুত্ব ঃ** দেখা যায় যে, প্ৰভাৱগোষ্ঠীবোৰ হৈছে তেওঁলোকৰ স্থানীয় স্বাৰ্থৰ তুলনাত শাখাগত স্বাৰ্থৰ দ্বাৰা অধিক প্ৰভাৱিত উমৈহতীয়া স্বাৰ্থ।
- **গণহিংসাৰ প্ৰতি প্ৰৱণতা ঃ** কিছুমান প্ৰভাৱগোষ্ঠীয়ে তেওঁলোকৰ দাবী পূৰণ কৰিবলৈ গণ প্ৰতিবাদ কৰি গণ হিংসাৰ সৃষ্টি কৰে।
- **ভাষ্য অকাৰ্যকৰী ঃ** ভাৰতত বেছিভাগ গোষ্ঠী অ-প্ৰশিক্ষিত, দক্ষতাৰ অভাৱ যাৰ ফলত তেওঁলোকৰ ভাষ্য অ-কাৰ্যকৰী হৈ পৰে।

- **কার্যকৰী সদস্যপদৰ অভাৱ ঃ** স্থায়ী সদস্যপদৰ অভাৱৰ বাবে প্ৰভাৱগোষ্ঠীৰ আন্তঃগাঁথনি বিকশিত আৰু কার্যকৰী হোৱা নাই।
- **গণতান্ত্রিক সংস্থাপনৰ প্রতি ভাবুকি ঃ** বিভিন্ন প্রভাৱগোষ্ঠীয়ে তেওঁলোকৰ স্বার্থ সুৰক্ষিত কৰিবৰ বাবে বলপূর্বক উপায় ব্যৱহাৰ কৰাৰ প্রৱণতা আছে যাৰ ফলত হিংসা হয় আৰু সমাজত বিশৃংখলতাই দেখা দিয়ে, যি গণতান্ত্রিক সংস্থাপনত প্রতি ভাবুকি সৃষ্টি কৰে।

১৪.৫.২ ভাৰতত মুখ্য প্রভাৱগোষ্ঠী

ভাৰতত থকা মুখ্য প্রভাৱগোষ্ঠীবোৰ নিম্নলিখিত ধৰণৰ—

১। **ছাত্র সংগঠন ঃ** এই ধৰণৰ প্রভাৱগোষ্ঠীয়ে শৈক্ষিক বিষয় আৰু বিভিন্ন ধৰণৰ গুৰুত্বপূর্ণ সমস্যা সম্পর্কে চৰকাৰক হেঁচা প্রয়োগ কৰে। উদাহৰণস্বৰূপে, সদৌ বাঙালী ছাত্র সংস্থা (All Bengal Students Association) ১৯২৮ চনত গঠন কৰা হৈছিল, সর্ব ভাৰতীয় ছাত্র পৰিষদ (All India Student Federation-AISF) ১৯৩৬ চনত চনত গঠন হৈছিল। ভাৰতীয় ছাত্র পৰিষদ, ৰাষ্ট্রীয় ছাত্র পৰিষদ, অখিল ভাৰতীয় বিদ্যার্থী পৰিষদ, সদৌ অসম ছাত্র সস্থা ইত্যাদি।

২। **কৃষক সংগঠন ঃ** কৃষক সংগঠনবোৰে ১৯৬০ৰ দশকত শক্তি লাভ কৰিছিল। কেন্দ্রীয় পর্যায়ত কেৱল এটা সংগঠন সর্ব ভাৰতীয় কৃষান কংগ্রেছ (All India Kisan Congress) বিদ্যমান। আঞ্চলিক ভিত্তিত সদৌ কৃষান কামগাৰ (All Kisan Kamgar), অখিল ভাৰতীয় কৃষান সংঘ (Akhil Bharatiya Kisan Sangh), পশ্চিম উত্তৰ প্রদেশৰ ভাৰতীয় কৃষান পার্টি (Bharatiya Kisan Party) আটাইতকৈ গুৰুত্বপূর্ণ।

৩। **ব্যৱসায় গোষ্ঠী ঃ** এই ধৰণৰ প্রভাৱগোষ্ঠীবোৰ হৈছে ৰাজনৈতিক দলৰপাৰ স্বতন্ত্র লগতে পৰিকল্পনা সংস্থা আৰু অর্থনৈতিক বিষয় সমূহক প্রভাৱিত কৰা। তেওঁলোকে বাজেট প্রস্তুত কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় উদ্যোগ সন্মিলন (CII), বাণিজ্য সহযোগী কক্ষ (Associated Chamber of Commerce), বাণিজ্য আৰু উদ্যোগ পৰিষদ ভাৰতীয় কক্ষ (Federation of Indian Chamber of Commerce and Industry).

৪। **পেছাদাৰী গোষ্ঠী ঃ** কেইবাটাও আগ্রহী পেছাদাৰী গোষ্ঠী যেনে ভাৰতীয় বাৰ সংস্থা (Bar Association of India), সর্ব ভাৰতীয় চিকিৎসা পৰিষদ (All India Medical Council), কলেজ শিক্ষক আদি এই শ্রেণীত পৰে।

৫। **সমুদায় সমিতি ঃ** তেওঁলোকৰ অস্তিত্ব সুৰক্ষাৰ বাবে সংশ্লিষ্ট সম্প্রদায় আছে। উদাহৰণস্বৰূপে, অনুসূচিত জাতি পৰিষদ, পিছপৰা জাতি পৰিষদ, বিশ্ব হিন্দু পৰিষদ ইত্যাদি।

৬। **জনজাতীয় (আঞ্চলিক) গোষ্ঠী ঃ** ভাৰতত সক্ৰিয় হৈ থকা কেইবাটাও জনজাতীয় আগ্ৰহী গোষ্ঠী আছে। উদাহৰণস্বৰূপে, জনজাতীয় সংঘ অসম, অসমৰ জনজাতীয় লীগ (Tribal League), ঝাৰখণ্ড মুক্তি মৰ্চা ইত্যাদি।

৭। **ভাষিক গোষ্ঠী ঃ** এই প্ৰভাৱগোষ্ঠীবোৰে কিছুমান ভাষা প্ৰচাৰ কৰে। উদাহৰণস্বৰূপে, তামিল সংঘ, হিন্দী সুৰক্ষা পৰিষদ, পাঞ্জাৰী সাহিত্য সভা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ প্ৰভাৱগোষ্ঠীৰ দুটা বিশেষত্বৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতৰ ছাত্ৰ সংগঠনৰ উদাহৰণ দিয়ক।

.....

.....

প্ৰশ্ন নং ৮ ঃ ভাৰতৰ ব্যৱসায়িক গোটবোৰৰ বিষয়ে লিখক।

.....

.....

১৪.৫.৩ ভাৰতীয় প্ৰভাৱগোষ্ঠীত জনসংযোগৰ প্ৰভাৱ

সমগ্ৰ বিশ্বত সাধাৰণ মানুহৰ ৰাজনীতি আৰু জীৱন সম্পৰ্কে গণ মাধ্যমে বিভিন্ন ঘটনাৰ কথা প্ৰকাশ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতৰ দৰে দেশসমূহত ৰেজিঅ', দূৰদৰ্শন, চিনেমা আৰু প্ৰেছ আদি গণ মাধ্যম হৈছে সামাজিক পৰিৱৰ্তনৰ শক্তিশালী উপায় আৰু সাধাৰণ লোকৰ স্বাৰ্থৰ বাবে চৰকাৰৰ সকলো কাম প্ৰভাৱগোষ্ঠীয়ে এনেদৰে কৰে। এটা মুক্ত আৰু নিৰপেক্ষ গণমাধ্যমে চৰকাৰক মুকলিকৈ সমালোচনা কৰিব পাৰে আৰু সামাজিক, অৰ্থনৈতিক ৰাজনৈতিক গুৰুত্ব সম্পৰ্কত মতামত দিয়াৰ অধিকাৰ থাকে। আগলৈ গণমাধ্যমে এটা উমৈহতীয়া প্লেটফৰ্ম সৃষ্টি কৰাত সহায় কৰে যিয়ে সমাজৰ মূল বিষয় আৰু প্ৰয়োজনীয়তাৰ বিশেষ কিছুমান লক্ষ্যপ্ৰাপ্তিৰ বাবে ওপৰত গুৰুত্ব দিয়ে। গতিকে ৰাজনৈতিক দলবোৰৰ কাৰ্যকলাপৰ ওপৰত প্ৰভাৱগোষ্ঠীৰ যি প্ৰভাৱ সমানেই গণ মাধ্যমৰো ভূমিকা আছে। দৰাচলতে সমসাময়িক পৃথিৱীত গণ মাধ্যমে সামাজিক বিকাশৰ ওপৰত গুৰুত্ব দি পৰিৱৰ্তন বাহক হিচাপে চৰকাৰক হেঁচা প্ৰদান কৰাত সহায় কৰে আৰু ইয়ে গণমাধ্যমক প্ৰভাৱগোষ্ঠীৰ লেখীয়া বৈশিষ্ট প্ৰদান কৰে।

১৪.৫.৪ ভাৰতত প্ৰভাৱগোষ্ঠীৰ ভূমিকা

প্ৰভাৱগোষ্ঠীসমূহৰ ক্ষমতা একত্ৰীকৰণ কৌশল, সাংগঠনিক সামৰ্থ, গণ মাধ্যম আৰু অৰ্থনৈতিক শক্তিৰ আধাৰ নেতৃত্বৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। প্ৰভাৱ গোষ্ঠীবোৰেও লবীং পদ্ধতি ব্যৱহাৰ কৰে, ধৰ্মঘট, বন্ধ, প্ৰদৰ্শন ৰাজনৈতি দলবোৰক পুঁজি যোগান ধৰাৰ লগতে পাটি বা দলৰ প্লেটফৰ্ম আদি ব্যৱহাৰ কৰে।

প্ৰভাৱগোষ্ঠীবোৰৰ বিভিন্ন ভূমিকা নিম্নলিখিত ধৰণৰ—

- **আইনসভাৰ ভূমিকা ঃ** প্ৰভাৱগোষ্ঠীবোৰে আইন সভাত থকা তেওঁলোকৰ ব্যক্তিসকলক বাছনি কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে আনকি নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত আৰু নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহক সহায় কৰে।
- **কাৰ্যবাহীৰ ভূমিকা ঃ** প্ৰভাৱগোষ্ঠীবোৰে নিজৰ পছন্দত উচ্চ কাৰ্যকৰী পদ পূৰণ কৰিবলৈ চেষ্টা কৰে অৰ্থাৎ কেবিনেট বাছনি, বিতৰণ দপ্তৰৰ প্ৰচলনৰ বাবে দপ্তৰ আৰু প্ৰধানমন্ত্ৰী নিৰ্বাচন একত্ৰীকৰণ চৰকাৰ আদি। আৰু এনেদৰেই নীতি ৰূপায়ণ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে।
- **আমোলাতন্ত্ৰৰ ভূমিকা ঃ** আমোলাসকল ৰাজনৈতিকভাৱে নিৰপেক্ষ আৰু সেয়েহে প্ৰভাৱগোষ্ঠীবোৰে তেওঁলোকৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ তেওঁলোকক বাধ্য কৰিবলৈ চেষ্ঠা কৰে। আমোলাসকলৰ দীঘলীয়া কাৰ্যকাল আছে আৰু ৰাজনৈতিক দলবোৰতকৈ প্ৰভাৱগোষ্ঠীবোৰ যে ভাল সেই কথা জনাৰ আগ্ৰহ আছে।

প্ৰভাৱগোষ্ঠীবোৰে ৰাষ্ট্ৰীয় আৰু নিৰ্দিষ্ট স্বাৰ্থৰ কথা প্ৰচাৰ কৰে আৰু নাগৰিক আৰু চৰকাৰৰ মাজত যোগাযোগৰ এক সংযোগ গঠন কৰে। তেওঁলোকে প্ৰয়োজনীয় তথ্যও প্ৰদান কৰে আৰু ৰাষ্ট্ৰক ৰাজনৈতিকভাৱে জীৱিত আৰু সক্ৰিয় কৰি ৰাখিবলৈ প্ৰয়োজনীয় তথ্য প্ৰদান কৰে। আজিৰ গণতান্ত্ৰিক ৰাজনীতি জড়িত হৈ থাকে পৰামৰ্শ, মীমাংশা আৰু কিছু পৰিমাণৰ দৰদামৰ ওপৰত। এইবোৰ প্ৰভাৱগোষ্ঠী অবিহনে হ'ব নোৱাৰে। সমাজখন অত্যন্ত জটিল হৈ পৰিছে। ব্যক্তিসকলে তেওঁলোকৰ নিজৰ স্বাৰ্থ নিজে অনুসৰণ কৰিব নোৱাৰে। এই ক্ষেত্ৰত প্ৰভাৱগোষ্ঠীৰ প্ৰয়োজন হয়। প্ৰভাৱগোষ্ঠীবোৰ সকলো দেশৰ উন্নয়নৰ বিকাশৰ বাবে গুৰুত্বপূৰ্ণ বা যিকোনো চৰকাৰৰ উন্নয়নশীল ৰাষ্ট্ৰৰ বাবে প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ প্ৰভাৱগোষ্ঠীয়ে ৰাষ্ট্ৰীয় আৰু নিৰ্দিষ্ট ৰুচি বা আগ্ৰহৰ প্ৰচাৰ কৰে। (সঁচা/মিছা)

.....

.....

প্ৰশ্ন নং ১০ ঃ প্ৰভাৱগোষ্ঠীৰ যিকোনো দুটা কাৰ্যৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ১১ ঃ এটা মুক্ত আৰু নিৰপেক্ষ ..... চৰকাৰক মুকলিকৈ সমালোচনা কৰিব পাৰে (খালী ঠাই পূৰণ কৰক)।

প্ৰশ্ন নং ১২ ঃ প্ৰভাৱগোষ্ঠী হিচাপে মিডিয়া এটি চমুটোকা লিখক (৫০ টা শব্দৰ ভিতৰত)

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰভাৱগোষ্ঠীবোৰ হৈছে স্বাৰ্থগোষ্ঠী যি প্ৰশাসনৰ নীতি জনসাধাৰণৰ ওচৰলৈ নিয়াৰ ক্ষেত্ৰত তেওঁলোকক সুৰক্ষিত কৰিবলৈ চেষ্টা কৰে।
- এলমণ্ড আৰু পাৱেলে স্বাৰ্থগোষ্ঠীবোৰক চাৰিটা ভাগত ভাগ কৰিছে--
  প্ৰতিষ্ঠানগত প্ৰভাৱগোষ্ঠী, পৰমানু প্ৰভাৱগোষ্ঠী সহযোগী প্ৰভাৱগোষ্ঠী, অ-সহযোগী প্ৰভাৱগোষ্ঠী।
- ৰাজনৈতিক দলসমূহ ৰাজনৈতিক এই অৰ্থত যে তেওঁলোক ৰাজনৈতিক ব্যৱস্থাৰ অংশ, প্ৰভাৱগোষ্ঠীবোৰ এই অৰ্থত অৰাজনৈতিক যে তেওঁলোক সামাজিক ব্যৱস্থাৰ অংশ।
- ৰাজনৈতিক দলসমূহ ৰাজনৈতিক ক্ষেত্ৰৰ মাজত থাকে, প্ৰভাৱগোষ্ঠীবোৰ ৰাজনৈতিক ক্ষেত্ৰৰ বাহিৰত থাকে।
- ৰাজনৈতিক দলসমূহে ৰাজনৈতিক ব্যৱস্থাৰ কামত অংশগ্ৰহণ কৰে, তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু চৰকাৰ গঠন কৰে বা বিৰোধিতা কৰে। প্ৰভাৱগোষ্ঠীবোৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে, বা চৰকাৰৰ কাম কাজত অংশগ্ৰহন নকৰে।
- ৰাজনৈতিক দলবোৰে ৰাজনৈতিক ক্ষমতা বিচাৰে আৰু সেয়ে তেওঁলোকৰ উদ্দেশ্য হৈছে সাধাৰণ, প্ৰভাৱগোষ্ঠীবোৰে ৰাজনৈতিক দলবোৰৰ গুণ হিচাপে কাম কৰে।

- ভাৰতত থকা মুখ্য প্ৰভাৱগোষ্ঠীবোৰ নিম্নলিখিত ধৰণৰ-- শিক্ষাৰ্থীৰ সংগঠন, কৃষক সংগঠন, ব্যৱসায়িক গোষ্ঠী, পেছাদাৰী সংগঠন, সমূহিক সংগঠন, জনজাতীয় (আঞ্চলিক) সংগঠন, ভাষিক গোষ্ঠী আদি।
- ভাৰতত আইনসভা, কাৰ্যবাহী আৰু আমোলাতন্ত্ৰ আদিৰ কাম- কাজবোৰত প্ৰভাৱগোষ্ঠীবোৰে ভূমিকা পালন কৰে।
- প্ৰভাৱগোষ্ঠীবোৰে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰে যেনে- লবী(..) চাবস্ক্ৰাইব কৰা যিকোনো ৰাজনৈতিক দল, প্ৰদৰ্শন আৰু অহিংসামূলক পদক্ষেপ আৰু সাংবাদিকতাৰ দাবীসমূহ পূৰণ কৰা।
- প্ৰভাৱগোষ্ঠীবোৰে ৰাষ্ট্ৰীয় আৰু নিৰ্দিষ্ট স্বাৰ্থৰ বিষয়ে প্ৰচাৰ কৰে, লগতে নাগৰিক আৰু চৰকাৰৰ মাজত সংযোগ গঠন কৰে।
- প্ৰভাৱগোষ্ঠীবোৰ সকলো দেশৰ বাবে গুৰুত্বপূৰ্ণ, সেয়া যিকোনো ধৰণৰ চৰকাৰ বা উন্নয়নশীল ৰাষ্ট্ৰৰ বিকাশৰ বাবেই গুৰুত্বপূৰ্ণ।



১৪.৭ অধিক জানিবলৈ

১) Myron, Weiner (1962). The Polotics of Scarcity-Public Pressure and Political Response in India. Chicago : The University of Chicago Press.

২) Jayaprakash, Narayan. Pressure Groups and Democratic Governance - All Indian Perspective.



১৪.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰভাৱগোষ্ঠীবোৰ হৈছে আগ্ৰহ গোষ্ঠী যি প্ৰশাসনৰ নীতি জনসাধাৰণৰ ওচৰলৈ নিয়াৰ ক্ষেত্ৰত তেওঁলোকে বলপূৰ্বকভাৱে হওক, হেঁচা দি আৰু প্ৰেৰিত কৰি হ'লেও প্ৰভাৱ পেলোৱাৰ ক্ষমতা আছে। তেওঁলোকক অসামৰিক বুলি কয় যিবোৰ পক্ষপাতহীন গোষ্ঠী তেওঁলোকে ৰাজহুৱা জীৱনৰ কিছুমান পৰ্যায় সমাজ সংগঠনত প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১। লবী (Lobby) - ই এটা পদ্ধতি য'ত প্ৰভাৱগোষ্ঠীবোৰে যিকোনো নীতিগত বিষয়ত আলোচনা কৰিবলৈ/প্ৰভাৱ পেলাবলৈ প্ৰতিনিধিসকলক বিধায়কলৈ প্ৰেৰণ কৰে। ই হৈছে ব্যৱহাৰ কৰা জনপ্ৰিয় পদ্ধতিবোৰৰ এটা প্ৰভাৱগোষ্ঠী। বহল অৰ্থত লবী হৈছে চৰকাৰী বিভাগবোৰক ইয়াৰ সপক্ষে প্ৰভাৱিক কৰিবলৈ প্ৰভাৱগোষ্ঠীবোৰে

প্ৰয়াস কৰে।

আধুনিক অৰ্থত লবী কেৱল আইন সভাতে সীমাবদ্ধ নহয়। ই সকলো স্তৰৰ চৰকাৰী কাৰ্যকলাপ কৰে।

২। প্ৰদৰ্শন (Demonstration)- প্ৰভাৱগোষ্ঠীবোৰে প্ৰদৰ্শনক এক উপায় হিচাপে ব্যৱহাৰ কৰে। জনসাধাৰণ আৰু চৰকাৰৰ মনোযোগ কেন্দ্ৰীভূত কৰাৰ বাবে তেওঁলোকৰ বিভিন্ন দাবী প্ৰদৰ্শন কৰে। প্ৰদৰ্শনত ধৰ্ণা, ৰেলী, সমদল আদি অন্তৰ্ভুক্ত থাকে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১। ই অৰাজনৈতিক প্ৰকৃতিৰ, কিয়নো ইয়াৰ শক্তি ধৰিবলৈ লক্ষ্য নাই।

২। ই হৈছে এক নিৰ্দিষ্ট আগ্ৰহ থকা গোষ্ঠী যি ইয়াৰ সদস্যক একেলগে বান্ধি ৰাখে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১। ৰাজনৈতিক দলবোৰ ৰাজনৈতিক অৰ্থত তেওঁলোক ৰাজনৈতিক ব্যৱস্থাৰ অংশ প্ৰভাৱগোষ্ঠীবোৰ অ-ৰাজনৈতিক অৰ্থাৎ তেওঁলোক সামাজিক ব্যৱস্থাৰ অংশ।

২। ৰাজনৈতিক দলসমূহে ৰাজনৈতিক কাম-কাজত অংশগ্ৰহণ কৰে, তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু চৰকাৰ গঠন কৰে বা বিৰোধিতা কৰে। প্ৰভাৱগোষ্ঠীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে, বা তেওঁলোকে চৰকাৰৰ কামত অংশগ্ৰহণ নকৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিষ্ঠানগত প্ৰভাৱগোষ্ঠীবোৰ আনুষ্ঠানিকভাৱে সংগঠিত কৰা হয়, যিবোৰ পেছাদাৰীভাৱে নিয়োজিত ব্যক্তিয়ে গঠন কৰে। সেইবোৰৰ অংশ চৰকাৰী যন্ত্ৰপাতি আৰু তেওঁলোকৰ প্ৰতিবাদ সাংবিধানিকৰ সৈতে উত্থাপন কৰে। উদাহৰণস্বৰূপে আমোলাতন্ত্ৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতি আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১। অধিক অস্থিৰ - ভাৰতত প্ৰভাৱগোষ্ঠীসমূহৰ প্ৰতিশ্ৰুতিৰ অভাৱ দেখা যায় আৰু স্থিৰতা কম দেখা যায় যিয়ে সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি পৰিৱৰ্তন কৰিব পাৰে।

২। বিস্তাৰিতভাৱে পৃথক - ৰাজনৈতিক দলবোৰৰ দৰে প্ৰভাৱগোষ্ঠীবোৰো ডাঙৰ বা সৰু হোৱাৰ প্ৰৱনতা থাকে কিয়নো তেওঁলোকৰ জীৱন নিৰ্ভৰ কৰে প্ৰয়োজন আৰু গুৰুত্ব অনুযায়ী বিস্তাৰিত হোৱাৰ ক্ষেত্ৰত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱসায়িক গোষ্ঠীবোৰ ৰাজনৈতিক দলৰ পৰা স্বতন্ত্ৰ আৰু এইবোৰে পৰিকল্পনা সংস্থা আৰু অৰ্থনৈতিক বিভাগবোৰক প্ৰভাৱিক কৰে। তেওঁলোকে বাজেট প্ৰস্তুত কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় উদ্যোগ সন্মিলন (CII), সহযোগী বাণিজ্য সংস্থা (Associated Chamber of Commerce) ভাৰতীয় কক্ষ বাণিজ্য আৰু উদ্যোগ পৰিষদ সংস্থা (FICCI)।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১। আইনসভা - প্ৰভাৱগোষ্ঠীবোৰত তেওঁলোকৰ নিৰ্বাচিত ব্যক্তি আইনসভালৈ প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে আনকি নিৰ্বাচনৰ প্ৰাক মূহুৰ্তত

দলসমূহ আৰু নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰাত ৰাজনৈতিকভাৱে সহায় কৰে।

২। কাৰ্যবাহী সভা - প্ৰভাৱগোষ্ঠীবোৰে নিজৰ পছন্দত উচ্চ কাৰ্যকৰী পদ পূৰণ কৰিবলৈ চেষ্টা কৰে অৰ্থাৎ কেবিনেট বাছনি, বিতৰণ দপ্তৰৰ প্ৰচলনৰ বাবে দপ্তৰ আৰু প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে দপ্তৰ আৰু প্ৰধানমন্ত্ৰী নিৰ্বাচনৰ বাবে দপ্তৰ আৰু প্ৰধানমন্ত্ৰী নিৰ্বাচন একত্ৰীকৰণ চৰকাৰ আদি। আৰু এনেদৰেই নীতি ৰূপায়ন প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ গণ মাধ্যম (Mass Media)

১২ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমে পৃথিৱীৰ ৰাজনৈতিক আৰু সাধাৰণ মানুহৰ জীৱনৰ ঘটনা-পৰিঘটনাক বিশেষভাৱে প্ৰভাৱ পেলায়। ভাৰতৰ দৰে দেশসমূহত ৰেডিঅ', দূৰদৰ্শন, চিনেমা, প্ৰেছ (ছপাশাল) আদি গণ মাধ্যম হৈছে সামাজিক পৰিৱৰ্তনৰ শক্তিশালী উপায় আৰু সাধাৰণ লোকৰ স্বাৰ্থৰ বাবে চৰকাৰৰ সকলো কাম প্ৰভাৱগোষ্ঠীয়ে এনেদৰে কৰে। এটা মুক্ত আৰু নিৰপেক্ষ গণমাধ্যমে চৰকাৰক মুকলিকৈ সমালোচনা কৰিব পাৰে আৰু সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক গুৰুত্ব সম্পৰ্কত মতামত দিয়াৰ অধিকাৰ থাকে। আগলৈ গণমাধ্যমে এটা উমৈহতীয়া প্লেটফৰ্ম (মঞ্চ) সৃষ্টি কৰাত সহায় কৰে যিয়ে সমাজৰ মূল বিষয় আৰু প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়ে। গতিকে বিশেষ কিছুমান লক্ষ্য প্ৰাপ্তিৰ বাবে ৰাজনৈতিক দলবোৰৰ কাৰ্যকলাপৰ ওপৰত প্ৰভাৱগোষ্ঠীৰ যি প্ৰভাৱ সমানেই গণ মাধ্যমবো ভূমিকা আছে। দৰাচলতে সমসাময়িক পৃথিৱীত গণমাধ্যমে সামাজিক বিকাশৰ গুৰুত্ব দি পৰিৱৰ্তন বাহক হিচাপে চৰকাৰক হেঁচা প্ৰদান কৰাত সহায় কৰে আৰু ইয়ে গণমাধ্যমক প্ৰভাৱগোষ্ঠীৰ লেখীয়া বৈশিষ্ট গ্ৰহণ কৰে।



১৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰভাৱগোষ্ঠী কি?

প্ৰশ্ন ২ ঃ ভাৰতৰ প্ৰভাৱগোষ্ঠীৰ যিকোনো দুটা কাৰ্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজত থকা চাৰিটা পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ বিভিন্ন প্ৰকাৰৰ প্ৰভাৱগোষ্ঠী সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতত প্ৰভাৱগোষ্ঠীৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ আগ্ৰহী গোষ্ঠী (Interest Group) কি? সেইবোৰ প্ৰভাৱগোষ্ঠীৰ পৰা কেনেদৰে পৃথক দল।

প্ৰশ্ন ৭ ঃ প্ৰভাৱগোষ্ঠীবোৰে ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ ভাৰতৰ মুখ্য প্ৰভাৱগোষ্ঠীসমূহ আলোচনা কৰক।

*** ***** ***



প্রসংগ পুথি

1. Abbas, H.; Kumar, R. & Alam, M.A. (2011). *Indian Government and Politics*. New Delhi: Pearson.
2. Baruah, Sanjib. (2000). *India Against Itself*. New Delhi: Oxford University Press.
3. Basu, Durga Das. (2015). *An Introduction to the Constitution of India.*
4. Basu, Durga Das. and Bakhi, P. M. (2013). *The Constitution of India.* New Delhi: *U*niversal Law Publishing Co.
5. Bhargava, Rajeev. (2010). *The Promise of India's Secular Democracy*. New Delhi: Oxford University Press.
6. Bhuyan, Dr. P.R. (2014). *Secularism: The Nucleus of Indian Democracy*. New Delhi: Kunal Books.
7. Chander, Prakash. (2008). *Indian Government And Politics*. Gurgaon: Cosmos Bookhive (P) Ltd.
8. Chandra, Bipan; Mukherjee, Mridula; and Mukherjee Aditya. (2008). *India Since Independence*. New Delhi: Penguin India.
9. Chelliah, R.J. (2010). *Political Economy of Poverty Eradication in India: An Essays on Fiscal Reform.* New Delhi: Sage Publications.
10. Dhyani, S.N. (1996). *Secularism: Socio-legal Issues*. Jaipur: Rawar Publications.
11. Frankel, F.R. (2005). *India's Political Economy 1947-2004*. New Delhi: Oxford University Press.
11. Ghai, K.K. (2008). *Indian Government and Politics.* New Delhi: Kalyani Publishers.
12. Gohain, Hiren. (1984). *Assam: The Burning Question*. Gauhati: Spectrum Publications.
13. Goswami, Sandhya. (1997). *Language Politics in Assam*. New Delhi: Ajanta.
14. Gowda, M. V. Rajeev. and Sridharan, E. (2007). *'Parties and the Party System*. 1947-2006', in Sumit Ganguly, Larry Diamond, and Marc F. Plattner (eds) *The State of India's Democracy*, John Hopkins University: Maryland.